ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

ঊনপঞ্চাশতম্ প্ৰকাশ

# ৰঙ্গণ

২০২১-২০২২ বৰ্ষ



তত্বাৱধায়ক

ড° চৈয়দ আব্দুল্লাহ আহমেদ

সম্পাদক

স্নেহাশীষ ভৌমিক

## ৰঙিয়া মহাবিদ্যালয় সংগীত

কথা ঃ ডিম্বেশ্বৰ বৰুৱা, প্ৰাক্তন ছাত্ৰ

সমুখ সমৰ শতৰু হুৰাই
জাতে-পাতে আমি ৰণদিয়া,
নানা জাতি-উপজাতিৰ সমন্বয়
ৰাংঢালী ৰঙিলী হ'ল বৰলীয়া।।

সহস্ৰ জনতাৰে শ্ৰমৰ ঘামত
বনগাওঁ বননিত ফুলিল পদুম,
মহাবিদ্যালয় হ'ল ৰণদিয়া ৰঙিয়াত
নন্দিত বন্দিত হ'ল আমাৰ সপোন।।

সন্ধ্যাৰজা আৰু হৰদত্ত বীৰ
স্বাক্ষৰ হৈ আছে ইতিহাসত,
আৰিমত্ত বীৰ মৰিও অমৰ
তাৰেই প্ৰমাণ সৌৱা বৈদ্যগড়ত।

সময় আগুৱাই গ'ল!
জীৱন জাতিস্কাৰ হ'ল
জ্ঞানৰ শলিতা জ্বলি!
এন্ধাৰৰ ভেটা ভাঙি
মহাবিদ্যালয়ৰ কিৰিতি হ'ল যুগমীয়া।

বিন্দুতে সিন্ধুৰ মহান প্ৰকাশ
উজলি উঠিল আজি ৰঙীন আকাশ
নতুন পুৰুষে দিব সোণালী সমন্বয়
হৈ ৰব অক্ষয়-অব্যয়
ৰং আনি ৰং মনে ৰং মহলৰ
উদুলি মুদুলি হ'ল এয়া ৰঙিয়া।

উনপঞ্চাশ সংখ্যক

# ৰঙ্গণ

ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী


২০২১-২০২২ বৰ্ষ

সম্পাদক

স্নেহাশীষ ভৌমিক

"ৰঙিয়াল ৰঙিয়াৰ বৌদ্ধিকতাৰ ৰ'দত তগ্‌বগাই উঠা বৰলীয়াৰ এটো,
নতুন আৰু সুন্দৰ প্ৰতিধ্বনিত হোৱা এদল সৃষ্টিশীল যৌৱনৰ উদ্ভাৱন, আৱিৰ্ভাৱ।"

# ৰঙ্গণ, ২০২১-২২




## সম্পাদনা সমিতি

ড° ব্ৰজেন্দ্ৰ শইকীয়া, উপদেষ্টা
ড° চৈয়দ আব্দুল্লাহ আহমেদ, তত্বাৱধায়ক
স্নেহাশীষ ভৌমিক, সম্পাদক
ড° দিপালী দেৱী, সদস্যা
ড° ৰুজাব মুছাহাৰী, সদস্য
হৃষিকেশ কলিতা, সদস্য
ধৃতিস্মিতা কলিতা, সদস্যা
বিউটি বড়ো, সদস্যা
অনুপ কুমাৰ ডেকা, কাৰ্যালয় সদস্য

বেটুপাত : বেঞ্জামিন মজুমদাৰ
অংগসজ্জা : বিজয় দাস
অলংকৰণ : আশীষ কৰ
আৰ্হি আৰু আখৰ বিন্যাস : আনোৱাৰ হুছেইন
প্ৰকাশক : ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০২১-২২
মুদ্ৰণ : লক্ষ্মী প্ৰিন্টিং চলিউশ্যনচ্, গুৱাহাটী-৭৮১০০৩

## বিশেষ কৃতজ্ঞতা

সন্মানীয় ড° ভাস্বতী দেৱী, ডিম্বেশ্বৰ পাঠক দেৱ, মুস্তাফা কামাল আহমেদ দেৱ আৰু সুৰজিৎ লহকৰ।





# শ্ৰদ্ধাৰ্ঘ

"ব্ৰহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যাই।"


বশিষ্ঠ দেৱশৰ্মা


নীলপৱন বৰুৱা


নিপন গোস্বামী


ভোলা কটকী


অতুলানন্দ গোস্বামী


প্ৰবীণ চন্দ্ৰ দাস


পংকজ পূজাৰী


ৰবীন বৰুৱা


কৌস্তুভ কাশ্যপ বৰুৱা


গৰিমা হাজৰিকা


অনুপমা ভট্টাচাৰ্য


প্ৰতাপ বৰদলৈ


জ্ঞানেন্দ্ৰ পল্লৱ বৰুৱা


ড° অমল ৰাজখোৱা


চিৰঞ্জীৱ দত্ত


অপূৰ্ব বেজবৰুৱা


ড° প্ৰফুল্ল মহন্ত


পুলক গগৈ


শিৱনাথ বৰ্মন


কিশোৰ দাস

২০২২ চনত পৰলোকপ্ৰাপ্তি হোৱা মহান মনিষীসৱলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাৰ অঞ্জলি।

ৰঙিয়া মহাবিদ্যালয় পৰিয়ালক অশ্ৰুসিক্ত কৰি অকালতে বৈকুণ্ঠগামী হোৱা ৰঙিয়া মহাবিদ্যালয়ৰ কেন্টিনৰ কৰ্মচাৰী আমাৰ মৰমৰ দিলীপ দাস (কুৰ্মা)দালৈ যাচিছোঁ একাজঁলি শ্ৰদ্ধাঞ্জলি।

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
২৯ মাঘ, ১৪২৯ ভাস্কৰাব্দ
১৩ ফেব্ৰুৱাৰী, ২০২৩ ইং

## শুভেচ্ছাবাণী

কামৰূপ জিলাৰ অন্যতম শিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয় নামনি অসমৰ এখন আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান। মহাবিদ্যালয়খনে সমগ্ৰ অঞ্চলটোত শিক্ষাৰ আলোক বিকিৰণ কৰাৰ পুণ্যব্ৰত পালন কৰি আহিছে। এই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই সুখী হৈছোঁ।

মহাবিদ্যালয়ত অধ্যয়নৰত বিদ্যাৰ্থীয়ে এদিন দেশৰ ভৱিষ্যত নিৰূপণ কৰিব। দেশ নিৰ্মাণৰ গধুৰ দায়িত্ব লাভ কৰিবলৈ লাগে আকাংক্ষা বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে উচ্চাকাংক্ষা। আমাৰ সমাজত উচ্চাকাংক্ষাক বহুক্ষেত্ৰত এটা ঋণাত্মক দৃষ্টিকোণেৰে চোৱা হয়। কিন্তু মই ক'ব খোজো যে উচ্চাকাংক্ষা হৈছে মানুহৰ অন্তৰত নিহিত থকা এক সুস্থ আৰু যোগাত্মক প্ৰবৃত্তি। উচ্চাকাংক্ষা এটা ঋণাত্মক ধাৰণা নহয়, বৰঞ্চ উচ্চাকাংক্ষাই ব্যক্তি এজনৰ চৰিত্ৰৰ এটা মহৎ দিশ প্ৰতিফলিত কৰে। উচ্চাকাংক্ষী বিদ্যাৰ্থী সেইজন যাৰ মাজত এটা আত্মবিশ্বাস আৰু দৃঢ়মনা ব্যক্তিত্ব প্ৰকট হয়।

উচ্চাকাংক্ষী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কামখিনি কৰোতে, প্ৰয়োজনীয়খিনি কৰাৰ উপৰি অতিৰিক্ত কিছু কৰাৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈ থাকে। বিশিষ্ট চিন্তাবিদ হোমেন বৰগোহাঞিদেৱে কৈছিল— নিজৰ নিজৰ কৰ্মক্ষেত্ৰত অসামান্য সাফল্য অৰ্জন কৰা বহুতো মানুহক সোধা হৈছিল যে আপোনাৰ অসাধাৰণ সাফল্যৰ গোপন ৰহস্যটো কি? তেওঁলোকৰ উত্তৰটো আছিল এনেকুৱা— 'আমি যিমান পৰিশ্ৰম কৰা দৰকাৰ তাতকৈ অকণমান হ'লেও বেছিকৈ কৰোঁ। যিমান সময় কাম কৰা দৰকাৰ তাতকৈ কেইমিনিটমান হ'লেও বেছিকৈ কৰোঁ। যিমানখিনি দায়িত্ব লোৱা দৰকাৰ তাতকৈ স্বেচ্ছাই অলপ বেছিকৈ দায়িত্ব লওঁ। আমাৰ পৰা যিমানখিনি আশা কৰা হয় তাতকৈ অকণমান হ'লেও বেছিকৈ দিবলৈ চেষ্টা কৰোঁ।' যিবোৰ মানুহৰ উচ্চাকাংক্ষা নাই তেওঁলোকে কৰে মাত্ৰ সেইখিনি কাম যিখিনি নকৰিলে নহয়। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চাকাংক্ষাক কৰ্ষণ কৰক তাকেই কামনা কৰিলোঁ।

মই ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ সফল প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)





ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি
**অসম সাহিত্য সভা**
কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় : ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংছিলা ভৱন, তিনু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰাধেশ্যামলাল চহৰীয়া সংস্কৃতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৫
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লখীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতি ভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অ্যাড-নিবেদিতা মেধি ভৱন, জলাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫



## শুভেচ্ছাবাণী

২০২১-২০২২ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ' প্ৰকাশ কৰিবলৈ ওলাইছে বুলি জানিবলৈ পাই সুখী হৈছোঁ।

শিক্ষানুষ্ঠানৰ আলোচনীত সেই শিক্ষানুষ্ঠানখনৰ শিক্ষক, কৰ্মচাৰী আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ চিন স্পষ্টভাৱে জিলিকি উঠে। প্ৰকাশ হ'বলগীয়া 'ৰঙ্গণ' নামৰ স্মৃতিগ্ৰন্থখনত আমি তাকেই দেখিবলৈ পাম বুলি আশা কৰিলোঁ। বিদ্যালয়/মহাবিদ্যালয়ত প্ৰকাশিত এনে আলোচনীত শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয় জানিবলৈ সুবিধা পায়।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক— এই কামনাৰে অসম সাহিত্য সভাৰ পক্ষৰ পৰা সম্পাদনা সমিতিৰ আটাইলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

০৭ আগষ্ট, ২০২৩ খ্ৰীঃ
গুৱাহাটী

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

*Bhabendra Nath Deka*
Retd. Principal, Rangia College
President, G.B. Rangia College
Padadhikar, Sankar Sangha



# MESSAGE

I am extremely pleased to learn that the 49th issue of the Rangia College magazine "Rangan" for the session 2021-22 is going to publish soon. The publication of magazines and research journals are a highly commandable literary and academic activity of the students and teachers of higher educational institutions as it gives the scope to thr students and teachers to express their innovative ideas, thoughts and talents through their literary creation.

I hope and trust that the present edition of "Rangan" will be an excellent one in all respect containing a number of very high standard articles, shortens, poem, and other writings written in various subjects. "Rangia College is one of the most prestigious full-fledged colleges of Assam inparting higher education in the streams of Arts, Commerce, science and various career oriented courses like B.B.A, B.C.A and P.G.Diploma in Computer Application, Vocational subject of Tourrism, Hotel, Hospitality and Retail Management and Medical Laboratory technician courses are also introduced to meet the needs of the young generation. Moreover, the P.G. Courses of eight departments of Arts and science have already been introduced in the college and Rangia College has been recognized as a P.G. college.

The P. G. Block of buildings constructed with the financial grant of Rupees Ten Crore sanstioned by the Govt. Of Assam have already been completed and was inaugurated by the hor'ble Chief Minister of Assam Dr. Himanta Biswas Sarma. The college is marching ahead at a rapid pace in the path of progress both in Academic as well as Infrastructure development.

"I do extend my heartfelt thanks and best wishes to all this students, teachers and office staffs of the college and the principal and specially to the Editor Mr. Snehashis Bhowmick and the members of the Editorial board who are actively associated with the publication of the magazine. I wish the 49th edition of "Rangan" a grand success. May the blessings of God be showered in all of us.

**Bhabendra Nath Deka**
President,
G.B. Rangia College
Padadhikar, Sankar Sangha



*Dr. Brajendra Saikia,* MA, Ph.D
Principal
Rangia College



# শুভেচ্ছাৰ একলম

"নহি জ্ঞানেন সদৃশং পবিত্র মিহ বিদ্যতে" এই মহোক্তিৰে মহীয়ান হৈ যি সকল স্বপ্নদ্ৰষ্টাই ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখত মানৱ সম্পদ গঢ়া উচ্চ শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠা কৰিলে সেইকালৰে পৰা প্ৰতিবছৰে প্ৰকাশ পাই আহিছে 'ৰঙ্গণ'। ৰণদিয়া ৰঙিয়াৰ বুকুত স্ব-জ্ঞান-গৰিমাৰে মহিমামণ্ডিত হৈ জিলিকি থকা উচ্চশিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ' এখন দাপোন সদৃশ। যাৰ দ্বাৰা প্ৰকাশিত আৰু বিকশিত হয় মহাবিদ্যালয়খনৰ সৃষ্টিশীল কৰ্মৰাজিৰ বাস্তৱ প্ৰতিচ্ছবি। যাৰ দ্বাৰা প্ৰতিফলিত হয় জ্ঞান-গৰিমাৰে সমৃদ্ধ বহু ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা। মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী প্ৰতিবছৰে প্ৰকাশ কৰাটো এক পৰম্পৰা আৰু শুভ লক্ষণ। এই পৰম্পৰা অক্ষুণ্ণ ৰাখি এই বছৰো ২০২১-২২ শিক্ষাবৰ্ষৰ ৰঙ্গণ প্ৰকাশ কৰিব বুলি জানি মই সুখী হৈছো। বিগত বৰ্ষবোৰত ৰঙ্গণে মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীৰ লগতে বৌদ্ধিক চিন্তা চেতনাৰে সমৃদ্ধ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল লিখনি সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ কৰি পঢুৱৈ সমাজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে। অধ্যক্ষ হিচাপে মই আশা কৰিম, এইবছৰো আলোচনীখনে মহাবিদ্যালয়খনৰ বিকাশ আৰু জ্ঞান অন্বেষী ছাত্ৰ-ছাত্ৰীৰ সুৰুচিপূৰ্ণ লিখনিসমূহ সুন্দৰ ৰূপত প্ৰতিফলিত কৰিব।

সদৌ শেষত ২০২১-২২ বৰ্ষৰ আলোচনী সম্পাদক, তত্বাৱধায়ক আৰু সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়াক অলেখ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

(ড° ব্ৰজেন্দ্ৰ শইকীয়া)
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়

# সম্পাদকীয় অক্ষৰে...

"সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে
সেয়ে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।"

—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

সুন্দৰৰ আৰাধনা সৃষ্টিশীলতাৰ বাবে অন্যতম প্ৰয়োজনীয় উপপাদ্য। সুন্দৰত নতুন ফুলে। গতিকে, ৰূপকোঁৱৰৰ নতুন আৰু সুন্দৰৰ চিন্তনৰ আত ধৰি আমি বৰলীয়াপাৰৰ বৃহত্তৰ ছাত্ৰ সমাজৰ সমুখলৈ আগবঢ়াই দিবলৈ বিচাৰিছো 'ৰঙ্গণ'ৰ এই সংখ্যাৰ সম্পাদকীয়।

**অযুগ্ম বাটেৰে ঃ**

'ৰঙ্গণ' ৰঙিয়া মহাবিদ্যালয়ৰ আত্মাৰ প্ৰতিচ্ছবি। ৰঙিয়া মহাবিদ্যালয়ৰ বৌদ্ধিক উত্তৰণৰ সাক্ষ্য ৰঙ্গণৰ প্ৰতিটো সংখ্যাই কঢ়িয়াই নিয়ে এটা নতুন প্ৰজন্মলৈ আৰু বাট মুকলি কৰি দিয়ে অইন এটা নতুন প্ৰজন্মৰ। মহাবিদ্যালয়খনৰ স্বাভিমান এই বৌদ্ধিক উপকৰণ 'ৰঙ্গণ'ৰ মহাবিদ্যালয়খনৰ সৃষ্টিশীল, বৌদ্ধিক পৰিৱেশটো সু-সংগঠিত ৰূপত গঢ় দিয়াত তথা বৰ্তাই ৰখাত অপৰিসীম ভূমিকা আছে। ৰঙ্গণৰ ঊনপঞ্চাশ বছৰীয়া এই ঐতিহ্যক অব্যাহত ৰাখি ৰঙ্গণৰ এই সংখ্যাটো আমি ৰঙিয়া মহাবিদ্যালয়ৰ বৌদ্ধিকতা তথা সৃষ্টিশীলতাৰ এখন জীয়া ছবি অংকণ কৰিবলৈ যৎপৰোনাস্তি প্ৰয়াস কৰিছো। ৰঙ্গণ প্ৰকাশৰ আমাৰ এই যাত্ৰা ফুলাম হ'লেও সেই ফুল যে কাঁইটীয়া সেয়া কোৱা বাহুল্য। গতিকে, ৰঙ্গণৰ পাতত ভুলৰ অৱতৰণ হোৱাটো তেনেই স্বাভাৱিক। তাতেই অভিজ্ঞতাৰ ফালৰ পৰাও আমি একেবাৰেই নতুন। গতিকে, ৰঙ্গণ প্ৰকাশৰ আমাৰ এই অযুগ্ম বাটৰ অনাকাংক্ষিত ভুলবোৰৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ সমাজৰ চৰণত আমি ক্ষমা প্ৰাৰ্থী।

**উপলব্ধিৰ দাপোণ ঃ**

বয়ঃসন্ধিৰ দোমোজাত ছাত্ৰ সমাজ এখনৰ প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীকে কম-বেছি পৰিমাণে অজস্ৰ নিচাই জালৰ দৰে মেৰিয়াই ধৰিছে নিজৰ সৰ্বসত্তাক। যাৰ বাবে ৰূপতীৰ্থৰ চৰাই জাকৰ মাজত হঠাৎ কেতিয়াবা ভৰি পৰে খং-বিদ্বেষ-ঘৃণা। এই প্ৰেক্ষাপটৰ পৰিস্থিতি শুধৰাবলৈ হয়তো ব্যক্তি সত্তাটোৰ নিচা ফটালৈ অপেক্ষা কৰিব লাগিব নহ'লে শৈক্ষিক অনুষ্ঠানসমূহত এনে সমস্যাৰ লগত মোকাবিলা কৰাৰ স্বাৰ্থত বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনক বিকাশ কৰা মঞ্চসমূহ ন-পৰিকল্পনাৰে গঠন কৰিবলৈ অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ কৰণীয় আছে। ইয়াৰ লগতে বিদ্যালয়-মহাবিদ্যালয়সমূহত সাহিত্য, নাটক, সংগীত, কলাৰ এটা পৰিৱেশ বিৰাজিত হৈ ছাত্ৰ-ছাত্ৰী সমূহক বৌদ্ধিকতাৰ লগতে মানৱীয় চেতনাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ, সুন্দৰৰ আৰু নতুনৰ আৰাধনা কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব।

এইখিনিতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কোৱা বাক্য এটি উল্লেখ কৰা সমীচিন হ'ব। হয়তো এই কথাষাৰেই আমি গভীৰভাৱে উপলব্ধি কৰিলে আমি ইয়াৰ সমাধান সূত্ৰ পাব পাৰোঁ। তেখেতে কৈছিল— 'সংস্কৃতিয়েই হেনো জীৱন ধুনীয়া কৰে। কিন্তু এই সংস্কৃতিৰ যেতিয়া বিভ্ৰাট উপস্থিত হয়, তেতিয়াই মানুহৰ সমাজত বেমেজালি আৰু কদৰ্যতাই দেখা দিয়ে। সংস্কৃতিৰ ভ্ৰষ্টতাৰ মাত্ৰা অনুসৰি সমাজৰ ক্ষেত্ৰতে বেমেজালি বাঢ়ি যায় আৰু মানৱ সমাজ তললৈ নামিবলৈ ধৰে।' সেয়ে ছাত্ৰ অৱস্থাতে আজিৰ ছাত্ৰ সমাজখনক নিজৰ নিজৰ সংস্কৃতিৰ বহল পথাৰখনৰ লগত চিনাকি





কৰাব পাৰিলে হয়তো আহি থকা দিনবোৰত আকৌ জন্ম হ'ব সমাজ আৰু মানৱীয় চেতনা থকা এজন প্ৰকৃত মানুহ। যাৰ জীৱন দৰ্শনে সাহিত্য সমাজখনৰ বৰ ঘৰটোক অকণমান হলেও চহকী কৰিব। হয়তো সেইবাবে প্ৰেম আৰু ৰ'দালিৰ কবিয়ে বহুদিন আগতে কৈ গৈছিল— "সমাজ আৰু জীৱন চেতনাৰ অভাৱতেই নষ্ট হয় সাহিত্য।"

**সেউজীয়া বিনন্দীয়া ঃ**

প্ৰকৃতিক ভালপোৱাটো প্ৰতিটো জীৱৰ জন্মগত চৰিত্ৰ, ঈশ্বৰৰ বৰদান। আমি যিহেতু প্ৰকৃতিৰেই সন্তান গতিকে প্ৰকৃতিৰ লেখিয়াকৈ আমাক আৰু কোনেও শান্তি প্ৰদান কৰিব নোৱাৰে। সততেই আজিৰ সমাজখনত পৰিলক্ষিত হয় যে আমি উন্নয়ন আৰু যান্ত্ৰিকতাৰ দৌৰত ইমানেই মতলীয়া হৈ পৰিছো যে তাৰে মাজত প্ৰকৃতিৰ প্ৰতি আমাৰ যি দায়বদ্ধতা থাকিব লাগে সেয়া কেৱল কিতাপৰ কেইটামান কথাহে হৈ পৰিছে। গতিকে, অইন অইন বিপ্লৱবোৰৰ দৰে আমি সেউজীয়াৰ বিপ্লৱকো গুৰুত্ব দিয়াটো প্ৰয়োজন। প্ৰকৃতিৰ প্ৰতি অকৃত্ৰিম প্ৰেমৰ অবিহনে জীৱ হিচাপে আমি কেতিয়াও সুখী হ'বলৈ নোৱাৰিম। প্ৰকৃতিৰ সতে যিমানেই আমি সহবাস কৰিবলৈ শিকিব পাৰিম প্ৰকৃত জীৱনৰ দিশেও আমি সিমানেই একাত্ম হ'ব পাৰিম। গতিকে, নতুন প্ৰজন্মৰ আমিবোৰে প্ৰকৃতিক ভালপোৱা, প্ৰকৃতিক সযতাই ৰখা অতি দৰকাৰ। তেতিয়াহে প্ৰকৃতিয়েও আমাক সযতাই ৰাখিব, আমাক ভালপাব।

সেউজ বিপ্লবৰ ক্ষেত্ৰত আমাৰ আপোন মহাবিদ্যালয়খন সকলোৰে বাবে নিদৰ্শন। চিৰ সেউজ মহাবিদ্যালয়খন ভৱিষ্যতে উদাহৰণ হৈ ৰওঁক তাৰে কামনা কৰিম।

**সামৰণি ঃ**

এজাক যৌৱনৰ কোচতেই নতুন ফুলিব পাৰে, সুন্দৰে পোখা মেলিব পাৰে। আমিও ওলাই আহিব বিচাৰিছো সেই যৌৱনৰ স্বাচ্ছন্দতাক বুকুত লৈ ৰঙ্গণৰ একোটা পাত হৈ। বিলাই দিব বিচাৰিছো বৰলীয়াৰ দুয়োটা পাৰৰ তেজাল যৌৱন এজাকৰ পোহৰ এই ৰঙ্গণৰ কোবাল বুকুৰে অইন এটা নতুন প্ৰজন্ম গঢ় দিয়াৰ আকাংক্ষাৰে, যাৰ আৰাধনা হ'ব সুন্দৰ আৰু চেতনা হ'ব বিপ্লৱ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু মহাবিদ্যালয় ছাত্ৰ সন্থা'

অযুত আশাৰে—

স্নেহাশীষ
05/05/023

স্নেহাশীষ ভৌমিক

# তত্বাৱধায়কীয় চিন্তাৰে...

"ৰূপান্তৰেহে মাথোঁ
জগত ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।"

ৰূপকোঁৱৰে কোৱাৰ দৰেই ৰূপান্তৰে জগত আৰু জীৱন সুন্দৰ কৰি তোলে। পাখি মেলা কাঁড়ৰ দৰে গতিশীল সময়ৰ কোলাত নীৰৱে গতি কৰে সকলোবোৰ। সময়ৰ পৰশত পাহি মেলা ফুলৰ দৰেই সমাজ এখনৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতিৰ উপৰিও বিজ্ঞানৰ চমকবোৰো দিন-প্ৰতিদিন সলনি হয়। পৰিৱৰ্তনশীল জগতত সকলোবোৰ নিঃশেষ হৈ গ'লেও জীৱশ্ৰেষ্ঠ মানৱৰ কাপৰ পৰা সৃষ্টি হোৱা সুন্দৰ বাৰ্তাবোৰ স্মৃতি হিচাবে ৰৈ যায়। পৰিৱৰ্তনশীল সময়ৰ আপুৰুগীয়া স্মৃতিৰ মধুৰ সুবাসবোৰ ধৰি ৰখাৰ প্ৰয়াসেৰে কোনো এক শুভ লগনত কেইজনমান শুভ চিন্তাশীল ব্যক্তিৰ অহৰহ প্ৰচেষ্টাত উত্তৰ কামৰূপৰ ঐতিহ্যমণ্ডিত তথা সৰ্ববৃহৎ মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি হিচাবে জন্ম লাভ কৰিছিল আমাৰ অতিকৈ মৰমৰ মুখপত্ৰখনে। যিসকল মহান ব্যক্তিৰ সু-চিন্তা, পৰামৰ্শ আৰু কষ্টৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল সেই মহানসকলৰ আবেগ আৰু সাধনাৰ প্ৰতিফলনেই হৈছে "ৰঙ্গণ"।

শিক্ষানুষ্ঠান এখন চৌপাশৰ পৰা জাকতজিলিকা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশ সাধন কৰিবলৈ হ'লে প্ৰথমে ভাষা সাহিত্য চহকী কৰাটো নিত্যান্তই প্ৰয়োজনীয়। ভাষা সাহিত্যই একমাত্ৰ পথ যি সমগ্ৰ বিশ্বৰ মানুহৰ চিন্তন প্ৰক্ৰিয়াৰ লগতে মনৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাসমূহ বিকাশ সাধন কৰি পৰস্পৰৰ লগত সম্পৰ্ক স্থাপন কৰে। বিদ্যা অৰ্জনৰ বাদেও শিক্ষানুষ্ঠান এখনত ছাত্ৰ-ছাত্ৰীৰ দৈহিক বিকাশৰ ক্ষেত্ৰত যিদৰে খেলা-ধূলাৰ প্ৰয়োজন হয়, ঠিক তেনেদৰে চিন্তন প্ৰক্ৰিয়া মজবুত কৰাৰ লগতে মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত লিখন শৈলীসমূহৰ মানদণ্ড উন্নত কৰিবলৈ তেওঁলোকক এখন মঞ্চৰ অতিকৈ প্ৰয়োজন হয়। শিক্ষানুষ্ঠান এখনত আন শিতানবোৰৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত মুখপত্ৰ এখনে এই মঞ্চখন গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

মুখপত্ৰ হিচাপে প্ৰকাশিত আলোচনীসমূহ সমাজৰ লগতে শিক্ষানুষ্ঠান এখনৰ দাপোন স্বৰূপ। ইয়াৰ জৰিয়তেই কোনো এক অঞ্চল তথা শিক্ষানুষ্ঠানৰ শৈক্ষিক মানদণ্ড নিৰূপিত হয়। শৈক্ষিক বাতাবৰণ সৃষ্টিৰ ক্ষেত্ৰত আলোচনী এখনে কোনো এক অঞ্চলৰ মেৰুদণ্ড পোনাই তোলে। সেয়ে বিগত বৰ্ষৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ পৰা মুখপত্ৰখন উলিয়াবলৈ মনস্থ কৰা হৈছে।

"ৰঙ্গণ"ৰ ৪৯নং সংখ্যাটোৰ তত্বাৱধায়ক হিচাপে এইবেলি গধূৰ দায়িত্ব পাই মই কিছু চিন্তিত হৈছিলো। কাৰণ মোৰ দৃষ্টিত আলোচনী এখনৰ বেটুপাতে কেতিয়াও আলোচনীখনৰ মানদণ্ড নিৰূপণ কৰিব নোৱাৰে। আলোচনী এখনৰ মানদণ্ড নিৰূপিত হয় ইয়াৰ ভিতৰৰ লিখন শৈলী আৰু বিষয়বোৰৰ উপস্থাপনৰ জৰিয়তে আলোচনী এখনক সাৰ্থক কৰি তুলিবলৈ ইয়াৰ লেখাসমূহ নিৰ্বাচন কৰাটো এক জটিল কাম। কিয়নো এই দিশত বহুতো ছাত্ৰ-ছাত্ৰীয়ে লেখা প্ৰদান কৰে যদিও সকলো লেখা আলোচনী এখনত তুলি দিব পৰা বিধৰ নহয়। সেয়ে বিভিন্ন লেখাৰ মাজৰ পৰা আলোচনীত প্ৰকাশ কৰিবলৈ উৎকৃষ্ট মানৰ লেখা নিৰ্বাচন কৰাটোও এক জটিল কাম। এই জটিল তথা গুৰুত্বপূৰ্ণ দিশবোৰ ভালদৰে চালি জাৰি চাবলৈ বহু সময়ৰ প্ৰয়োজন হয় যদিও অতি কম সময়ৰ ভিতৰত লেখাসমূহ নিৰ্বাচন কৰি আলোচনীৰ ৰূপ দিয়াত মই কিমান সাৰ্থক হ'ব পাৰিছো নাজানো। কিন্তু "ৰঙ্গণ"ক সৰ্বাংগসুন্দৰ কৰিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিছো। কাৰণ "ৰঙ্গণ" কেৱল এখন আলোচনীয়েই নহয়, এয়া আমাৰ গৌৰৱ;





ৰঙিয়া মহাবিদ্যালৰ ইতিহাস আৰু এই বৃহত্তৰ অঞ্চলৰ বাৰ্তাবাহক।

এইক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা মোৰ সমূহ সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতা অবিহনে এনেহেন গধূৰ দায়িত্ব কঢ়িয়াই নিয়াটো কঠিন আছিল। মোৰ শ্ৰদ্ধাৰ সহকৰ্মীসকলৰ সুন্দৰ আৰু তত্বগধূৰ লেখাসমূহ তথা মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা সুন্দৰ লেখাবোৰৰ সৈতে মোৰ কাৰ্য্যকালটো চলাই নিয়াৰ ক্ষেত্ৰত যি অতুলনীয় সহাঁৰি লাভ কৰিছো সেয়া সচাঁকৈ আদৰণীয়। এই চেগতে মোৰ কাৰ্য্যকালত "ৰঙ্গণ" প্ৰকাশিত হোৱাৰ ক্ষেত্ৰত মোক সহায়ৰ হাত আগবঢ়াই নিয়া প্ৰতিজনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ওলগ যাচিলোঁ।

লেখাসমূহ একগোট কৰি আলোচনীৰ ৰূপ দিয়াৰ ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰৰ ক্ষেত্ৰত তত্বাৱধায়কীয় একলমৰ যোগেদি মাৰ্জনা বিচাৰিলোঁ। শেষত আকৌ এবাৰ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

(ড° চৈয়দ আব্দুল্লাহ আহমেদ)
তত্বাৱধায়ক
ৰঙ্গণ, ২০২১-২২ ইং

# সূচীপত্ৰ

**প্ৰবন্ধ সম্ভাৰ ঃ**


| | | |
|---|---|---|
| ❖ ড° ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা | ড° বিজুলী চক্ৰৱৰ্তী | ১৫ |
| ❖ Dispelling "Hate" through Media Literacy in Indian Schools and Colleges | Raja Das | ১৮ |
| ❖ ইছলাম ধৰ্মৰ প্ৰাৰম্ভিক ইতিহাস আৰু হজৰত মহম্মদৰ ভূমিকা ঃ এক পৰ্যালোচনা | অনুৰাগ বৰা | ২৪ |
| ❖ NEP 2020 and its Impact | Raju Dasgupta | ৩১ |
| ❖ Social Media and IT acts of India | Rajkamal Sarma | ৩৩ |
| ❖ জাতীয়তাবাদী আৰু আমি | তৌফিকুৰ ৰহমান | ৩৪ |
| ❖ Digital currency in India and its challenges | Ramani Rajbongshi | ৩৬ |
| ❖ ৰঙিয়াৰ প্ৰাচীন পুখুৰীবোৰৰ ঐতিহ্য | পবিন কলিতা | ৩৮ |
| ❖ মোহ | কিন্নৰী ৰাভা | ৪০ |
| ❖ আজিৰ সময়ত বেদৰ তাৎপৰ্য | ধৃতিস্মিতা কলিতা | ৪২ |
| ❖ এখিলা সেউজীয়া পাত আৰু মৰমৰ মহাবিদ্যালয়খন | বিজয় দাস | ৪৪ |
| ❖ কুৰুক্ষেত্ৰ যুদ্ধৰ শ্ৰেষ্ঠ বীৰ ঃ বৰ্বৰিক | অবিনাশ তালুকদাৰ | ৪৭ |
| ❖ ফাকুৱা উৎসৱ আৰু তত্ত্ব কথা | বেদান্ত ৰাজবংশী | ৪৯ |
| ❖ গুৰু বন্দনা | দিগন্ত বেজবৰুৱা | ৫১ |
| ❖ Women Empowerment | Trishna Das | ৫২ |
| ❖ উৎসৱ জীৱনৰ অবিচ্ছেদ্য অংগ | বেদান্ত কলিতা | ৫৩ |
| ❖ Assam Startup – The Nest | Debasish Deka | ৫৪ |
| ❖ India's Evolving Role in Geo-politics | Ashish Kar | ৫৫ |
| ❖ Humanity has no Gender | Luban Islam | ৫৬ |
| ❖ NFT's Future in India | Rahul Dey | ৫৭ |
| ❖ Northeast India : Exploring the Cultural Diversity and Natural Beauty of India's Hidden Gem | Dipankar Das | ৫৮ |
| ❖ हमें कौशल विकाश को महत्व देने की जरुरत है, इस तरह हम बेरोजगारों कमकर हायेगें... | চিন্ময় দাস | ৫৯ |
| ❖ Culture of Assam | Jinti Deka | ৬১ |


**সৃজনীৰ বাটচ'ৰা ঃ**


| | | |
|---|---|---|
| ❖ নীলা খামৰ চিঠি (শৰতৰ এক অনুভৱ) | আমিনুৰ ইছলাম | ৬২ |
| ❖ Play For The College Magazine | Binod Das | ৬৩ |
| ❖ অপ্ৰত্যাশিত | দ্বিজু এম শৰ্মা | ৬৪ |
| ❖ Murder – A Investigation Story | Pooja Kumari Ray | ৬৭ |


**সাক্ষাৎকাৰ ঃ**


| | | |
|---|---|---|
| ❖ নাটকৰ এপল (বাৰ্তালাপ), চিন্তাশীল নাট্যকাৰ, অভিনেতা মৃদুল চুতীয়াৰ সৈতে... | স্নেহাশীষ ভৌমিক | ৬৯ |






**কবিতা কুসুম ঃ**


| | | |
|---|---|---|
| ❖ মৰমৰ কঠিয়াতলী | কিন্নৰী ৰাভা | ৭১ |
| ❖ এক অনুভূতি | প্ৰিয়ংকা কৰ্মকাৰ | ৭১ |
| ❖ হেঙুল | ইমদাদুল আলী | ৭২ |
| ❖ ক্লান্ত সুৰৰ ৰাগিনী | বিজয় দাস | ৭২ |
| ❖ যুঁজ | বৰষা শৰ্মা | ৭৩ |
| ❖ জীৱনৰ চাকনৈয়া | ইমৰান হুছেইন | ৭৩ |
| ❖ অকবিতা | বনমালী কুমাৰ | ৭৪ |
| ❖ হেঁপাহ | এনিশা বৰুৱা | ৭৪ |
| ❖ প্ৰকৃতি ৰাণী | ধৃতিস্মা কলিতা | ৭৫ |
| ❖ ৰঙাবোৰৰ ৰংখিনি | মানস কলিতা | ৭৫ |
| ❖ শৰতৰ সুৱাস | মাইনা চৌধুৰী | ৭৬ |
| ❖ বিষাদৰ এক ক'লা পৃষ্ঠা | অংকিতা কলিতা | ৭৬ |
| ❖ If I Were The Spiderman | Farhim Saikia | ৭৭ |
| ❖ The Twinling Blossom | Tanuja Prabhat Lama | ৭৭ |
| ❖ Shis mad about you | Srijana Chetiya | ৭৮ |
| ❖ College life | Bedanta Kalita | ৭৮ |
| ❖ Silver Lining | Krishnakshi Bora | ৭৮ |
| ❖ তিনিটা প্ৰশ্ন আৰু তিনিটা উত্তৰ | দিক্ষীতা শৰ্মা | ৭৯ |
| ❖ আবিৰ | বেঞ্জামিন মজুমদাৰ | ৭৯ |
| ❖ স্মৃতিৰ বাটেৰে এদিন | ফাৰহিন খাতুন | ৮০ |
| ❖ জীৱনৰ যাত্ৰা | পৰশমণি তালুকদাৰ | ৮০ |
| ❖ জীৱনৰ সংগ্ৰাম | মুন্নিমা বেগম | ৮১ |
| ❖ ডকমকা | লিকুমণি দাস | ৮১ |
| ❖ তুমি এটি কবিতা | ফকৰুদ্দিন আলী আহমেদ | ৮২ |
| ❖ অনুৰাগ | ইকবাল হুছেইন | ৮২ |
| ❖ Maa | Izar Ahmed | ৮৩ |
| ❖ Rise | Ronak Agarwal | ৮৩ |
| ❖ Maa | Nihar Sultana | ৮৪ |
| ❖ Rongali Bihu | Sunil Das | ৮৪ |
| ❖ The Value of Three Things | Rejaul Haque | ৮৫ |
| ❖ A Lesson | Arpita Sarania | ৮৫ |
| ❖ মিড'ল ক্লাছ | বাচিকুণ নিনা আহমেদ | ৮৬ |
| ❖ বিদায় | ৰুহুল আমিন | ৮৬ |
| ❖ অধোগমন | ধৃতিস্মা নাথ | ৮৭ |
| ❖ অতীতৰ বোকোচাত | লিজা কলিতা | ৮৭ |
| ❖ জীপাল সপোন | বেদান্ত ৰাজবংশী | ৮৮ |
| ❖ নিৰৱতা | আমিনুৰ ইছলাম | ৮৮ |

❖ নিজকে নিজে — হিমান ৰাভা — ৮৯
❖ শৰতৰ কবিতা — ধীৰাজ দাস — ৮৯
❖ স্বপ্নময়ী আকাশ — তৃষ্ণা দাস — ৯০
❖ সুপ্ৰভাত — মানসী দেৱী — ৯০
❖ প্ৰণাম হে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ — আছা কৰ্মকাৰ — ৯১
❖ জীৱনৰ ৰামধেনু — হাজিমা বেগম — ৯১
❖ কেৱল তোমাৰ বাবে অনুৰাগ — কাকলী শাৱৈ — ৯২
❖ প্ৰিয়াৰ প্ৰিয় — আকাশী ভট্টাচাৰ্য্য — ৯২
❖ কুঁৱলী — বেদান্ত কলিতা — ৯৩
❖ সৰস্বতী — সাগৰিকা দাস — ৯৩
❖ My Wish!! — Kunal Pradhan — ৯৪
❖ The Ultimate Truth — Nishita Sarma — ৯৪
❖ আং মোজাং মোনো — ৰিনোদ ৰৰো — ৯৫
❖ অম্ৰিয়মান — হৃষিকেশ কলিতা — ৯৫
❖ নিজৰ বুলিলেইতো নহ'ব — চাজিদা ৰহমান — ৯৬
❖ গিনায — ৰূপা বৰ' — ৯৬
❖ দাগ — নৱজ্যোতি দাস — ৯৭
❖ बिदाई की व्यथा — দেৱশ্ৰী শৰ্মা — ৯৭
❖ खुलकर जिलो जिंदगी — আশীষ কৰ — ৯৮
❖ मन करता है — ঈজাজ অহমদ — ৯৮
❖ मेरा देश — ঈজাজ অহমদ — ৯৮
❖ माँ — ৰূপম উপাধ্যায় — ৯৯
❖ तितली प्यारी — ঈজাজ অহমদ — ৯৯

অন্যান্য ঃ


❖ আফাদগিৰিনি ফোসাব বিলাই — ১০০
❖ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — ১০২
❖ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — ১০৫
❖ ANNUAL REPORT OF MAGAZINE SECRETARY — ১০৬
❖ বোসোহাৰি লিৰবিদাং — ১০৮
❖ বোসোহাৰি লিৰবিদাং — ১১০
❖ তৰ্ক আৰু সাহিত্য সম্পাদিকাৰ প্ৰতিবেদন — ১১১
❖ সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন — ১১৪
❖ ANNUAL REPORT OF BOYS' COMMON ROOM SECRETARY — ১১৬
❖ ছাত্ৰী জিৰণিকোঠা সম্পাদিকাৰ প্ৰতিবেদন — ১১৭
❖ ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'লৈ সেৱা আগবঢ়োৱা সম্পাদকসৱ — ১১৮






# ড° ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা

**ড° বিজুলী চক্ৰৱৰ্ত্তী**
সহযোগী অধ্যাপিকা



নিজৰ কণ্ঠ, কথা, সুৰ তথা গায়ন শৈলীৰে বিশ্বৰ হাজাৰ হাজাৰ জনতাক আপ্লুত কৰা ড° ভূপেন হাজৰিকাৰ গীতত আছে নিভাঁজ প্ৰেমৰ কথা, দেশ আৰু জাতিৰ কাহিনী, লোক-জীৱনৰ প্ৰতিচ্ছবি। এইবোৰৰ উপৰিও তেওঁৰ গীতত আছে সময় আৰু সমাজৰ কথা, সম্প্ৰীতি আৰু সমন্বয়ৰ কথা। সামাজিক চেতনাৰে জীপাল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সেইখিনি গীতহে এই প্ৰৱন্ধত আলোচনা কৰিবলৈ বিচৰা হৈছে।

সূৰ্য্য হাজৰিকা শৈক্ষিক ন্যাসৰ দ্বাৰা প্ৰকাশিত ড° ভূপেন হাজৰিকা ৰচনাৱলীৰ (২০০৮)ৰ 'আত্মজীৱনী' খণ্ডতো অসম আৰু অসমীয়া সমাজ জীৱনৰ প্ৰতি সদা সচেতন সদা জাগ্ৰত ড° ভূপেন হাজৰিকাৰ যি ৰূপৰ প্ৰকাশ ঘটিছে তাকেই এই প্ৰৱন্ধত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

সাহিত্য আৰু কলা-সংস্কৃতিৰ জগতখনত গীতি সাহিত্য, গদ্য সাহিত্য, পৰিৱেশ্য, নেপথ্য সংগীত, মঞ্চনাট্য, চিত্ৰনাট্য, আলোচনী, সম্পাদনা সাহিত্য সমালোচনা, বিশ্ববিদ্যালয়ৰ শিক্ষকতা, ৰাজনীতি, চিত্ৰাংকন, চলচিত্ৰ আদি সকলো ক্ষেত্ৰতে অনন্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰা ড° ভূপেন হাজৰিকা গীত, সুৰ আৰু কণ্ঠেৰে ভাৰত তথা বিশ্বৰ দেশে-দেশে সুৰীয়া সুৱদী কণ্ঠ নিগৰাই ভাৰতবৰ্ষৰ পূৰ্ব দিশৰ সূৰ্য্য উঠাৰ দেশ অসমৰ সুযোগ্য পুত্ৰ বুলি নিজৰ শ্ৰেষ্ঠত্বৰ পৰিচয় দাঙি ধৰি বিশ্বৰ দৰবাৰত জীৱন কালতে প্ৰতিষ্ঠিত হৈ উঠিছিল এক জীৱন্ত কিংবদন্তৰূপে।

'দাদা চাহেব ফাল্কে বঁটা' বিজয়ী, ভাৰত চৰকাৰৰ 'পদ্মভূষণ', 'পদ্মবিভূষণ' সন্মানেৰে সন্মানিত অসম চৰকাৰৰ 'অসম ৰত্ন' আৰু 'শংকৰদেৱ বঁটা' প্ৰাপক, অসম সাহিত্যসভাৰ 'বিশ্বৰত্ন' সন্মান প্ৰাপক ড° ভূপেন হাজৰিকাৰ গীতবোৰ বিশ্বখ্যাতি লাভ কৰাৰ মূলতেই হ'ল সকলো ধৰ্ম-বৰ্ণৰ, সকলো ভাষা-ভাষী লোকেই উপলব্ধি কৰিব পৰা সহজাত সামান্যতা।

কৃষ্টি কঠিয়াতলীত অসংখ্য ৰোপণ কৰোঁতা ড° ভূপেন হাজৰিকাৰ প্ৰায়বোৰ গীতেই প্ৰবল জাতীয় চেতনা আৰু গভীৰ স্বদেশপ্ৰেমেৰে ভৰপূৰ। মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োটি বহল পাৰত এখনি মহামিলনৰ তীৰ্থ গঢ়ি তোলাৰ বাসনাৰে ভৰা তেওঁৰ গীতত আছে জাতিধৰ্ম-ভাষা বৰ্ণ নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ মিলনৰ ছবি। মানৱীয় মৰম-চেনেহ আৰু পাৰস্পৰিক সমন্বয়-সম্প্ৰীতিৰে এখন সুন্দৰ দেশ গঢ়িবলৈ সকলোকে আহ্বান জনাই সেয়ে তেওঁ গাইছিল—

তুমিয়েময়ে দেশখন গঢ়োঁতে
যদিহে কেঁচা ঘাম সৰে
দুয়োৰে ঘামৰে মিলনে দেখিবা
বুৰঞ্জী ৰচনা কৰে।

ড° ভূপেন হাজৰিকাই সৰুৰে পৰাই ভাবিছিল গীতৰ মাধ্যমেৰে সমাজখনৰ উন্নতি কৰিবলৈ। সেয়ে 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰু' গীতটি শৈশৱতেই লিখা বুলি হাজৰিকাই আত্মজীৱনীত (ৰচনাৱলী পৃ. ১৪৭১) উল্লেখ কৰিছে।

জাতীয় জীৱনলৈ শংকৰদেৱৰ অৱদানৰ কথা বৰ্ণাই ১৯৩৭ চনতে লিখা গীতটো এনেধৰণৰ—

নামঘৰ সাজিলো ৰাইজখন থাপিলো
একতাৰ আসনত আনি
ভাওনা সোণতে বৰগীত সুৰগা
প্ৰচাৰিলো দেৱবাণী, মোৰ গুৰু ঐ,
প্ৰচাৰিলো দেৱবাণী।।

১৯৩৯ চনৰ দ্বিতীয় মহাসমৰ আৰু গান্ধীজীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামে চাৰিও ফালে নানা সংঘাতৰ জুই জ্বলোৱা সময়খিনি আছিল হাজৰিকাৰ বাবে অগ্নিযুগ আৰু তেওঁ নিজকে এই অগ্নিযুগৰ ফিৰিঙতি বুলি কল্পনা কৰি লিখিছিল— জীৱনৰ দ্বিতীয়টো শ্ৰেষ্ঠ গীত—

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্ব্বহাৰাৰ সৰ্ব্বস্ব
পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।

আকৌ তেওঁ বিচাৰিছিল এনে এখন ভাৰতবৰ্ষ য'ত সকলো জাতি-ধৰ্মৰ মানুহে ভেদাভেদনৰ প্ৰাচীৰ ভাঙি শান্তি-সম্প্ৰীতিৰে একেলগে বসবাস কৰিব। সাম্যৰ সৰগৰূপী এখনি নতুন সমাজ গঢ়াৰ সংকল্পেৰে গীতটোত সেয়ে তেওঁ লিখিছে—

হৰিজন পাহাৰী, হিন্দু, মুছলিমৰ
বড়ো, কোচ, চুতীয়া, কছাৰী আহোমৰ
অন্তৰ ভেদী মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম
নতুন ভাৰত গঢ়িম।

(বি.দ্ৰ ঃ— 'নতুন ভাৰত গঢ়িম' শাৰীটো 'চিৰাজ' কথাছবি 'নতুন অসম গঢ়িম' কৰা হৈছে।)

নিজৰ এই লক্ষ্য সম্পৰ্কে ভূপেন হাজৰিকাই গীততে কৈছে—

'ধ্বংসমুখী দৃষ্টিভংগী কিম্বা মনোমালিন্য
সেয়া নহয় মোৰ গানৰ লক্ষ্য
লক্ষ্য শান্তি অনন্য।

বিশাল ভাৰতবৰ্ষৰ হিন্দু-মুছলমানক একতাৰ সূত্ৰেৰে গ্ৰথিত কৰাৰ উদ্দেশ্যে মহাত্মাৰ প্ৰসংগ আনি ১৯৪৮ চনতে ড° ভূপেন হাজৰিকাই লিখিছিল 'মহাত্মাই হাঁহি বোলে ৰাম ৰহিম' গীতটি। গীতটিৰ জৰিয়তে তেওঁ হিন্দু-মুছলমানৰ চিৰকালীন সংঘাত দূৰ কৰি বন্ধুত্ব বিচাৰি গাইছে— 'একেলগে একে সংগে বান্ধৰ পাতিম হায় হায় ৰাম ৰহিম।'

মানুহ আৰু মানুহৰ সমাজ, মানৱতাবাদী কবি-গীতিকাৰ ড° ভূপেন হাজৰিকাৰ গীতি-সাহিত্যৰ বিষয়। মানুহৰ প্ৰতি মানুহৰ মানৱীয় কৰ্তব্যবোধ জগাই তোলাৰ উদ্দেশ্যে লিখা 'মানুহে মানুহৰ বাবে' গীতটি বিশ্বৰ প্ৰতিজন মানুহৰ বাবেই চিত্ত উদ্ৰেককাৰী। সেয়ে এই গানটোৰ বাংলা ৰূপান্তৰ। 'মানুষ মানুষেৰ জন্যে' গীতটোক ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্পোৰেশ্যন (BBC)ৰ বাংলা শাখাই বিংশ শতাব্দীৰ সৰ্বশ্ৰেষ্ঠ গীতৰূপে চিহ্নিত কৰি সমগ্ৰ বিশ্ববাসীৰ ওচৰত ড° ভূপেন হাজৰিকাক বিশ্বমানৱৰ শিল্পীৰূপে প্ৰতিষ্ঠা কৰাইছিল।

মানুহৰ মুক্তিৰ সপোন দেখা ড° ভূপেন হাজৰিকাই চিকাগো ৰেল ষ্টেচনতো লিখিছে সাম্য-মৈত্ৰীৰ গীত—

ঝক্ ঝক্ ৰে'ল চলে মোৰ,
ৰে'ল চলে মোৰ ৰে'ল চলে
সাম্য ৰিঙিয়াই, শান্তি উকিয়াই ৰে'ল চলে।।

ড° ভূপেন হাজৰিকাই বিশ্বাস কৰিছিল যে ঐক্যবদ্ধ সংগ্ৰামেহে দুখীয়া-নিপীড়িত মানুহৰ মুক্তি আনিব পাৰে। গীতটোৰ শেষৰ অংশত দেখা যায় শোষক-শোষিতৰ মাজৰ প্ৰাচীৰ ভাঙি সাম্য প্ৰতিষ্ঠাৰ এক সংকল্প—

যন্ত্ৰ যুগৰ সমুহান কৃষ্টিৰে
মানুহৰ মুক্তিৰ গঢ়িম সপোন
নতুনৰ গতি খেদি বাহুৰে বাহুৰে বন্ধা
আকাশ পৰশি যোৱা, একতাৰ বান্ধোনক
ৰুধিব কোনে।
সাম্যৰ ধুমুহাই ঠেলে ঠেলে।

১৯৫৩ চনত। গণনাট্য সংঘত যোগ দিয়াৰ পাছত ড° ভূপেন হাজৰিকাই সৰ্বসাধাৰণৰ সংগ লৈ ধনী-মহাজনৰ শোষণৰ বিৰুদ্ধে গীত গাই সমাজত সাম্যবাদ প্ৰতিষ্ঠাৰ ঢৌ বিয়পাইছিল। ১৯৫৩ চনত গুৱাহাটীৰ উজানবজাৰৰ বিহুতলীৰ বাবে লিখা গীতটিতো এই ভাব ফুটি উঠিছে। গীতটিৰ এটি স্তবক এনেধৰণৰ—

কাঢ়ি নিয়া মাটিখিনি, বন্ধকৰ মাটিখিনি
ৰাইজে পালেহে গুচিব পিয়াহ-ভোক
বিহুতলী তেতিয়া ৰজন জনাব
নাচিব দেশৰে লোক।
বোলো দেখিবি ন-ন ৰূপ।



ঊনপঞ্চাশ সংখ্যক ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

১৯৫৩ চনতে লিখা 'দোলা হে দোলা' গীতটোতো শোষকসকলক সাৱধান কৰি দি লিখিছে—

ওখকৈ পাহাৰৰ টিঙত উঠিছো
ভালকৈ খোজটি মিলা
আমাৰ কান্ধৰ পৰা পিছলিব লাগিলে
বাগৰি পৰিব দোলা।

সঁচা সৰু মানুহৰ প্ৰতি থকা নিভাঁজ প্ৰেমৰ বাবেই ভূপেন হাজৰিকাই বিশ্বাস কৰিছিল কোনোবাই সৰু বুলি ভবা মানুহখিনিয়েও সুযোগ পালে সমাজক জ্যোতিৰে ভৰাই দিব পাৰে। সেয়ে 'মদাৰৰে ফুল হেনো গীতটোত লিখিছে—

সঁচা সৰু মানুহ যদি ৰঙা মদাৰ হয়,
মদাৰৰে শিখা যদি হাতে হাতে লয়,
তেতিয়াহে সমাজ-আকাশ জ্যোতিৰে ভৰিব
জ্যোতি লাগে এন্ধাৰকে নাশ কৰিবলৈ।

১৯৬২ চনৰ চীনা সৈন্যৰ ভাৰত আক্ৰমণৰ সময়ত তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৱে চীনা আক্ৰমণ প্ৰতিহত কৰাৰ আশা নেদেখি উত্তৰ-পূৰ্ব্বাঞ্চলক বিদায় বাণী শুনোৱাত ভূপেন হাজৰিকা অতি মৰ্মাহত হৈ পৰিছিল। আই মাতৃ অসমীক প্ৰাণভৰি ভালপোৱা ভূপেন হাজৰিকাই দুখ, আবেগ আৰু দৃঢ়তাৰে লিখি উলিয়ালে। 'বুকু হম্ হম্ কৰে মোৰ আই' গীতটি।

প্ৰেয়সীক উদ্দেশি লিখা ৰোমাণ্টিক গীতৰ মাজতো সমাজ সচেতক ভূপেন হাজৰিকাক পোৱা যায়। 'শেশৰতে ধেমালিতে' গীতটোৰ শেষৰ স্তবকটোত লিখিছে—

জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ পণ আছে,
জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ মন আছে,
য'ত সোণতকৈও মানুহৰ দাম
অলপ হ'লেও বেছি আছে।

নিজৰ সকলো জ্ঞান-গৰিমা সমাজৰ হ'কে বিলাই দিব খোজা ভূপেন হাজৰিকাই সেয়ে লিখিছে—

সঞ্চিত মৌ ধৰাত ছটিয়াই
উৰি উৰি হৈ যাম জ্যোতিতে বিলীন।

ভূপেন হাজৰিকাই যেতিয়াই অনুভৱ কৰিছিল যে অসমীয়া জাতিটো দিনে দিনে নিশকতীয়া হৈ আহিবলৈ ধৰিছে, নানান ধৰণৰ ষড়যন্ত্ৰৰ বলি হৈ মূৰৰ ফুলাম গামোচাখনো হেৰুওৱাৰ উপক্ৰম ঘটিছে, তেতিয়াই তেওঁ জাতীয় পৰিচয় ৰক্ষা কৰি সকলো অসমীয়াক একগোট হ'বলৈ গীতেৰে আহ্বান জনাইছে। ১৯৬৮ চনত সাংস্কৃতিক অভিযানৰ সময়ত বিহুৰ বতৰত বৰদৈচিলা গীতটোত গাইছিল—

মূৰৰ ফুলাম গামোচাখনি
ক'ৰবাৰ শেনে আহি নিলেহি টানি
গ'ল গ'ল গ'ল বুলি মাথো চিঞৰিলে
তাকে দেখি শেনহ'তে ৰগৰ কৰিলে।
অসমীয়াই এইবোৰ ভাবি চাবৰ
ব'হাগেই বতৰ কিজানি।।

গীতৰ মাজেৰে সমাজৰ সংস্কাৰ কৰিব বিচৰা ভূপেন হাজৰিকাৰ নতুন পুৰুষচামৰ প্ৰতি আছিল পূৰ্ণ বিশ্বাস। নতুন পুৰুষে চকু মেলিলে সমাজ পৰিস্কাৰ হ'ব বুলিয়ে তেওঁ গাইছিল—

তুমি নতুন পুৰুষ/তুমি নতুন নাৰী/অনাগত
দিনৰ জাগ্ৰত প্ৰহৰী
কেঁচা জীৱন সোঁতক দ্বিগুন কৰি/সজাবা
সমাজ নিজ হাতেৰে গঢ়ি

এইগৰাকী অসমী আইক ভালপোৱা লুইতৰ বহল পাৰক প্ৰণিপাত জনোৱা, আজন্ম শিল্পী ড° ভূপেন হাজৰিকাৰ শেষ ঠিকনাও হৈ ৰ'ল অসম আৰু অসমীয়াৰ কামিহাড়, বিশাল লুইতৰ পাৰ। ❑

# DISPELLING "HATE" THROUGH MEDIA LITERACY IN INDIAN SCHOOLS AND COLLEGES

**Raja Das***

### Knowing Our Right to Restricted Speech

People in this milieu of technological advancements and fast internet connection are more prone to messages of hatred than to gather the knowledge of dispelling those contents. Before I describe more on the spread of hate contents and try to learn and apply different strategies for curbing this, we must first understand what makes any content hateful and yet consumable by most of the younger generations.

Hate contents are about communicating messages verbally or in a written form or through the expression of our behaviour or even with gestures like the use of emojis in online forums that has the tendency to create discrimination based on religion, ethnicity, nationality, race, colour, descent, gender, or any other identity factor. This is exactly what even the United Nation's definition on hate speech is based on and one will not find the proper meaning of hate speech country wise. In case of India, hate speech has never been described properly and therefore, I believe has caused the spread of such contents without any precautions.

Besides the absence of definite legal definition, Indian constitution has at least talked about what kind of speech or communication can be restricted. If we look at the Article 19(2) of the Indian constitution, it has clearly debarred of any communication that speaks against the interests of the sovereignty and integrity of India, the security of the State, friendly relations with foreign States, public order, decency, or morality or in relation to contempt of court, defamation, or incitement to an offence. Other than that, there are several legal provisions introduced in the Indian Penal Code that criminalise the form of communication which meets some factors if not all contributing to hate contents as described above. These provisions are the sections 124A, 153A, 153B, 295A, 298, 505(1), and 505(2) of the Indian Penal Code 1860 and its extension through some post-Independence legislations like the Representation of People Act 1951, the Protection of Civil Rights Act 1955, the Religious Institutions (Prevention of Misuse) Act 1988, or the Scheduled Caste and Scheduled Tribe (Prevention of Atrocities) Act 1989.

So, these Acts and IPC sections including the Article 19(2) of the Indian constitution has tried to prevent us primarily from any communication that can cause any religious intolerance and disturb the peace and harmony of the country that may even lead to violence like riots.

But most of the people are unaware of these sections criminalising the hatred in our society and even if some know, it is not always feasible to interpret such legal provisions for the common people. This is more of a kind of task for the court to interpret the meaning within the court room. So, how do we as a common people, mostly the students who are studying in schools and colleges can understand if not the definition of hate but at least the consequence of it. Let me try to base the question differently - when we come across any information on social media, how often do we question ourselves whether that information is reliable or not? Or say, whenever we decide to write anything on social media, how often do we think about how much we can write about a thing? Or how often does anyone as a non-internet user deny believing a social media user?

The problem is - we do not think before we write or share or forward or trust any content in this online age. And the reason lies in the media illiteracy of the large chunk of our population today as they lack the knowledge on the role of media in strengthening democracy and the use of media to create a cohesive society and not to sow division. Unfortunately, India with 48.7 per cent of Internet penetration rate as per the 2022 Statista report and 72 per cent of English-speaking users (I agree that data on non-English speakers would have opened up the pandora box) considering social media platforms as their sources of information and 47 per cent sharing the same information through social media platforms as per the Reuters Digital News Report 2023 have become the country of active users who not only made social media as their core of information but also started to influence the large portion of non-internet users. It seems to be a kind of domination by the minorities over the majorities (Be careful here, I am talking about internet demographics) leaving them no option but to trust them with the information that they supply from social media without any consultation. This is a very strange kind of development of attitude where we take the advantage of the non-internet users of lack of information which otherwise is their right.

It has created an atmosphere that everything can be spoken or written or communicated in any form and everything shared and forwarded by the users both in online and offline platform is consumable without fact-check. At first, the users are making fool of themselves day by day and then they are also fooling the non-users. Consequently, our very Right to Freedom of Speech and Expression enshrined in Article 19 (1) is promoted in a very wrongful manner that can harm the sovereignty and integrity of the country to its worst.

To conclude this section, I must use the most famous affirmation of one of the American Justices - Justice Oliver Wendell Holmes known for his landmark judgements in US Supreme Court history that "A person's freedom ends where another man's freedom begins". We must take care of the infringement of other's freedom while enjoying our rights to express that may hurt the sentiment of other's culture or religious belief.

### Becoming a Responsible User

Before we blame the government or the administration, there are some easy steps which need our commitment and dedication to follow. First, we must try to consult multiple sources of information before we comment or share or post anything. For example, if you have come across any post regarding National Education Policy (NEP), make sure that we do not limit our knowledge about NEP to that post, instead try to look at multiple sources where you will learn more about the policy. Now what multiple sources will we investigate. I would recommend going for the primary sources which will be the government notifications, resolutions, websites, the policy itself which is in downloadable format in Ministry of Education website, consulting the tweets of the concerned authorities, statements published in any news website, press release, etc. In this way, we look at a particular post from a broader context. Now what? The second step would be to exercise your right to express in proper way. If there is anything which is misinterpreted in that post, you must aware the user referring to the primary source and suggest him/her to correct it. I would not encourage you to share or forward such posts. If you come across the same post shared by other, you must aware that user too about the misinterpretation or misinformation. You may also look at some secondary sources especially some fake news detecting websites in India which are working daily in detecting bogus claims and false information like Alt News (www.altnews.in), Boom Live (www.boomlive.in), FactChecker.in (www.factchecker.in), India Today Fact Check (www.indiatoday.in/fact-check), SMHoaxSlayer (www.smhoaxslayer.com), The Quint WebQoof (www.thequint.com/news/webqoof), etc. Other than these, you may also look at what mainstream media is talking about to get sense of the development in that issue. I would highly encourage today's youth to get subscription of at least one of the mainstream news websites. Always remember that if not all these sources, most of these sources (including the primary sources) must be consulted before commenting or sharing or forwarding or posting any content. Just imagine if we as an individual start to act consulting multiple sources, it will help break the network of sharing false information and educate the people. The

mantra is you do your bit responsibly and make the change happen.

Secondly, contextual reading of any information or any post is very important. You must have seen how in a prime-time television news show, a panel of experts is invited to share their views on issue. Why do you think they do so? The main objective of inviting experts from different field is to add context to the undergoing issue. In this way, media tries to aware people for considering all angles of a discussion topic. Not limiting the knowledge about an issue within the studio, you may have also seen how the anchor of the talk show try to connect to the reporter on the ground to give an impression to the viewers what is going on the ground. If you are a daily newspaper reader, you may have seen how after the first or the second paragraph of highlighting an issue, the reporter never forgets to give context to the issue for setting a background. Now a days, as most of the newspapers have opened their online site, you will also find that they provide "Suggested News" or "Also Read" or "Stories you may also like to read" tags at the end of a particular story. This is done to educate and aware the audience about the issue from multiple contexts. I would highly recommend not to view any story as a completion, it may have missed some important points from various other context. You must not stop reading about the NEP provisions only within the context of students' benefit; it may have advantages and disadvantages in the context of teachers' recruitment, non-teaching recruitments, infrastructure developments, etc. So, the only way to make your perspective right is to start reading an issue from different contexts.

Thirdly, build up a critical thinking which doesn't come with the birth, but one must work on it. From Napolean Hill, Aristotle, Einstein to Desmond Tutu and Francis Bacon - all these great thinkers have pointed out that thinking is our very own thing which one must improve before accepting whatever is displayed; instead, using own mind and reaching one's own decision can elevate the thinking capacity to such an extent that define freedom to eternity. So, to be free is also to get rid off others' influences and thinking.

Critical thinking constitutes of curiosity (always ask question about the content), non-immersiveness (distance reading of a content) and non-trustworthiness (not trusting the content unless achieved the truthiness). People in the western countries have already adopted two different approaches of looking at media - celebratory and protective approach which is rarely seen in most of the Asian countries. It is time that we follow our own approach consisting of both i.e., appreciating the contents which may have a good influence and criticising the contents which are misleading and derogatory. In this way, we evaluate media contents which is an integral process of critical thinking in today's age of digital communication. We evaluate the contents for three specific reasons - a) to distinguish between screening and skimming of information: with the overflow of information, we overlook the information in a bunch and don't care to scrutiny each of them, b) to distinguish between information and non-information: we must segregate the value added information from the ones which don't have value but have the tendency to mislead, and c) to distinguish between news and non-news: people have increasingly fallen into the trap of stories which do not have any news value and therefore, we must be responsible to search out the news values from among the sea of misinformation. Critical thinking looks at the quality of the content which serves the truth and visualise future whereas people are giving more importance into finding the evidence and conducting a comparison between pre-published and post-published information which is quantitative in nature. Evaluating media content must be based on the quality and not the quantity of information because more than the fact, as a critical thinker we must also try to find out the truth about the fact.

**Making Government/ Administration and Teacher Accountable**

Let's talk about the Media Literacy a bit more here though I have described the process to become one in the above two sections. Media literacy refers to the analysing skills of media messages which can distinguish between journalism and other types of information, news and opinions, assumption and





verification, assertion and inference, and media biases and audience biases. Precisely talking about a content, a media literate must ask questions about who created the message, how the message is distributed, how you and other people react to it, what is represented in the message and what is the purpose behind that message. Now who will explain that to the school and college students. A big gap remains in our education system even after we boast about the introduction of a new education policy in this country. The NEP 2020 surely talks about leveraging the use of technology and transforming it as a centre of education for the students. But from the pedagogical development of students, why has the government not considered media literacy program as a curriculum in schools and colleges.

I would try to draw a global picture of media literacy program which is made mandatory in school curriculums in some Nordic countries like Finland, Norway, Sweden, etc. and in some European countries like Denmark, Estonia, Ireland, etc. In fact, inspired by the initiatives of these countries, even some states in the USA recently legislated laws mandating information literacy training programs for students of K-12 i.e., Kindergarten through grade 12. Finland had introduced the media literacy program way back in 2014 and mandated it for students of all ages aiming at a pedagogy that develops critical thinking in young people and teach them to push back against the 'fake news'. The Finnish model of media literacy program in schools is placed at the top among the European Media Literacy index. Talking about the United States, despite several efforts were put for media literacy related education at university level, Illinois felt the need to teach the same to the younger students and became the first state to mandate media literacy education in public high schools in 2021. In Jan 2023, New Jersey passed a law mandating information literacy for students of K-12. The objective of this law as stated by the Republican senator - Mike Testa is to increase the ability of students to "weigh the flood of news, opinion, and social media they are exposed to both online and off" and "not about teaching kids that any specific idea is true or false, rather about helping them learn how to research, evaluate, and understand the information they are presented for themselves".

So, the moment I look at the NEP 2020, I feel disappointed at the lack of value being given for the pedagogical development of curriculums. The government is encouraging the use of media in education without considering the importance of media education. Forget about its importance for primary to high school students - if you try to find out its possibility in college and university education at least in Assam, it is pathetic. There are hardly five government colleges in Assam which offers a bachelor's degree in mass communication, media, or journalism. And despite that, thousands of NET and JRF qualified journalism students are waiting to apply for Assistant Professor job. Most of them are interdisciplinary candidates, completed their bachelors, or diploma and masters from private universities or colleges as five public universities in Assam offer only full-time master's program in campus in the field of mass communication and journalism. The point I want to make here is how even in the college level, the government is struggling to introduce media education course and at the same time severely failed to utilize the qualified candidates of media education background. This indicates uncertainty for media educated students who in a large number waits for opportunities in academia than the industry. In such a scenario, I wonder why the government lacks the thinking of utilizing this huge resource of qualified candidates by allowing them to teach media literacy as an interdisciplinary subject in both school and college level. There is no need to introduce a new department of media education or allocate separate funding for the same in colleges, the easiest thing the government can do is to introduce a curriculum on media literacy allied with other departments in colleges or even in schools. Suppose a school employs two or three English teacher - one can be recruited from media literacy background. I am not telling this out of the blue - I recently mentored a high school teacher of English on media literacy in US and I found that along with the English studies, she is also teaching media literacy as a part of the English curriculum. Then I realized how media literacy education can be infused into the curriculums of more

than one subject - like in English, Political Science, Education, Economics, etc. in colleges and English and Social Science in schools. The government, especially the ministry of education and the ministry of information and broadcasting must collaborate to both legislate a law mandating media literacy education for school students in India and develop a media education-based curriculum in colleges in consultation with the specialists from academia.

School teachers, professors from colleges and universities must come out and collaborate to experiment a media literacy program in their core courses for a year or two. They can modify their syllabus and conduct an experiment program sanctioned by the authority upon the students who must get a certification at the end. Political science teachers can organise seminars or workshops on how to literate people about the political information on social media or how people can get rid of the polarising political messages or educate about the use of media in the process of political communication. They must provide a platform to students for decoding the controversial statements made by politicians mostly in social media from time to time. It is important at a time when there has been a total of 490 per cent increase in hate speeches by politicians in India since 2014 in comparison to the preceding government. And such communications of hatred as discussed earlier demands proper study from the glance of media literacy so that the society is not entirely saturated into such information which brings division. Education teachers can organise talks at the use of teaching learning materials in education not only for the purpose of pedagogical development of teaching and learning but also as a medium of literacy. English teachers, both language and literature can focus into the use of text by the younger generations today, especially in the popular media like films, music, social media, etc. Librarians can immensely help in developing information hub that alleviates the impact of misinformation or fake news. Library science as a discipline in colleges and schools can collaborate with media educators to develop an allied course for bringing literacy in information. All in all, teachers are the primary investigators of media literacy education in campuses. Media literacy is completely based upon their approach towards education in this changing age of digitalisation today.

By administration, I would like to see the civil servants, civil societies, non-government organisations, etc. arranging or framing the public need policies through the prism of media literacy. If there is a local court in the region and the proceedings are registered online - it must be the responsibility of district administration or any civil society to train people about the use of media. More than the use of media which is technical in nature - the administration can at least organise a summer camp or awareness campaign to give the non-technical knowledge like how to detect false information or fake news. It is generally seen that youths become the easy targets of misinformation as some miscreants organising small political rallies and protests based on fake news can easily make them the scapegoats. The district administration with the help of some non-government organisations can provide weekly training programs to the youths of the region so that they learn to filter the useful information from the misleading ones. There have also emerged several news literacy organisations in western countries, whereas in India there are only few of them - one popular network is FactShala launched in 2020. I would encourage the administrations, NGOs or even the educational institutions to collaborate with such networks to empower the students/ adults and foster their critical thinking.

**Conclusion**

It is very unfortunate to see how a "vicious cycle of hate" penetrated the social fabric of this country in recent years and yet the government maintains silence over it. The Supreme Court of India had to intervene a couple of times terming the central government as "impotent" and directing them to act or face the contempt. But still the order falls into deaf ears. There have been few complaints filed against hate speech cases after the Supreme Court directed all states and UTs to suo motu register FIRs on hate speech incidents. There has been a 500 per cent rise in hate






speech cases in India from 323 cases in 2014 to 1804 cases in 2020 according to National Crime Records Bureau of India. Most of these cases are filed under IPC section 153A (promotion of enmity between different groups on grounds of religion, race, place of birth, residence, language) and Assam occupied the fourth position with 147 cases filed. This signals India's position as vulnerable in case of hate speech incited violences and our own state is also affecting with the same intensity. To fight this scenario and make disappear this vulnerable position, we must start acting on our own by sensitising the communities, youths, and other stakeholders through promoting media literacy. Therefore, from knowing our rights to protected and restricted speech, dedicating ourselves as a responsible user of media to understand the accountability that each of the entities/ bodies or individual from different fields are entitled, we advocate media literacy which will not only help mitigate the problem of hate in India, but also create harmony and bring long-lasting and endurable peace in the region.

*Raja Das is an alumnus of Rangia College (2011-14). He is pursuing PhD in Journalism at Ohio University (OU) in US. He teaches News and Information Literacy and Fundamentals of Online Journalism to undergraduate students at OU.

# ইছলাম ধৰ্মৰ প্ৰাৰম্ভিক ইতিহাস আৰু হজৰত মহম্মদৰ ভূমিকা ঃ এক পৰ্যালোচনা

অনুৰাগ বৰা
সহকাৰী অধ্যাপক, ৰঙিয়া মহাবিদ্যালয়
কামৰূপ, অসম



'ইছলাম' শব্দটো এটা আৰবী ভাষাৰ শব্দ যাৰ অৰ্থ হ'ল— নিজকে ভগৱানৰ ওচৰত সমৰ্পণ কৰা। সপ্তম শতিকাত পশ্চিম আৰব হেজাজ নামৰ পাহাৰীয়া অঞ্চলটোত ইছলাম নামৰ এক ধৰ্মৰ সূত্ৰপাত হৈছিল। মহম্মদৰ অনুসৰণকাৰীসকলক মুছলমান বুলি কোৱা হৈছিল। প্ৰাৰম্ভিক ইছলামৰ ধাৰ্মিক ভাৱধাৰাত আল্লাহৰ সকলোবোৰ উপাসকৰ মাজত সমতা আৰু একতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। পৰৱৰ্তী ১০০ বছৰ ভিতৰত ইছলাম ধৰ্ম বিশ্বাসৰ আধাৰত আৰব সালাজা নামে এক ইছলামিক সাম্ৰাজ্য বিকশিত হৈ উঠিছিল যি ৰোমান সাম্ৰাজ্যতকৈও ভৌগোলিকভাবে বৃহৎ এলেকাজুৰি ব্যাপ্ত হৈ পৰিছিল। সাধাৰণতে ৬০০ খ্ৰীষ্টাব্দৰ পূৰ্বে আৰব ভূ-খণ্ডত ইছলাম ধৰ্মৰ বিকাশৰ পূৰ্বৰ সময়ছোৱাক 'প্ৰাক্ ইছলামীয় আৰব' হিচাপে অভিহিত কৰা হয়। অৱশ্যে এই সময়ছোৱাৰ বিষয়ে জনাৰ ক্ষেত্ৰত পৰ্যাপ্ত উৎস তথা প্ৰত্নতাত্ত্বিক সমলৰ অভাৱ। কিছুমান লিখিত টোকা উপলব্ধ আছে যদিও সেইবোৰ আৰবৰ আৰ্হিতহে লিখা হৈছিল। ইয়াৰোপৰি আৰবৰ মৌখিক পৰম্পৰাসমূহো পৰৱৰ্তী পৰ্যায়তহে ইছলামীয় বিদ্বানসকলে বাণীবদ্ধ কৰিছিল। এই প্ৰাক্-ইছলামীয় সময়ছোৱাৰ দুটা সংস্কৃতি বিশেষভাৱে গুৰুত্বপূৰ্ণ। তাৰে এটা হ'ল 'থামুছ', যি ৩০০০ খ্ৰীষ্টপূৰ্বৰ সময়ছোৱাৰ পৰা ৩০০ খ্ৰীষ্টাব্দলৈকে বৰ্তি আছিল। আনটো সংস্কৃতি আছিল 'দিলমুন', যি খ্ৰীষ্টপূৰ্ব সহস্ৰাব্দৰ পৰা ৬০০ খ্ৰীষ্টাব্দলৈকে প্ৰচলিত হৈছিল। খ্ৰীঃপূৰ্ব প্ৰথম সহস্ৰাব্দৰ আৰম্ভণিতে দক্ষিণ আৰবত বহুসংখ্যক ৰাজতন্ত্ৰ





বৰ্তি আছিল যাৰ ভিতৰত প্ৰধান আছিল। ছেবাইন, ইৰাণী, পাৰ্থিয়ান আৰু ছাছনিয়ান ৰাজতন্ত্ৰ।

আৰবত ইছলাম ধৰ্মৰ বিকাশৰ পূৰ্বৰ কালছোৱাত থলুৱা বহুদেৱবাদী ধৰ্মীয় বিশ্বাস প্ৰচলিত আছিল। প্ৰাচীন আৰবত প্ৰধানত খ্ৰীষ্ট ধৰ্ম, নেস্তোৰিয়ান খ্ৰীষ্টধৰ্ম, ইহুদী আৰু জেৰষ্টিয়ান ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰি আহিছিল। খ্ৰীষ্টধৰ্ম আৰব ভূ-খণ্ডত যথেষ্ট প্ৰভাৱশালী আছিল যি বিশেষকৈ আৰবৰ ব্যৱসায়ীসকলৰ দ্বাৰা সম্প্ৰসাৰিত হৈ পৰিছিল। ইয়াৰোপৰি চেইণ্ট পল আৰু চেইণ্ট থমাছৰ বিষয়ববীয়াৰ দ্বাৰা খ্ৰীষ্টান ধৰ্মৰ আৰবত প্ৰচাৰ ঘটিছিল। নাজানকে প্ৰমুখ্য কৰি দক্ষিণ আৰবৰ অঞ্চলসমূহ খ্ৰীষ্টান ধৰ্মৰ বিশেষ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। আনহাতে পূৱ আৰবীয় অঞ্চলত নেষ্টৰিয়ান খ্ৰীষ্টান ধৰ্ম এক গুৰুত্বপূৰ্ণ ধৰ্ম হিচাপে বিকশিত হৈছিল। ইছলাম ধৰ্মৰ বিকাশৰ পূৰ্বে আৰব ভূখণ্ডত আধিপত্য বিস্তাৰ কৰা জাতিটো আছিল অঘৰী বেদুইনসকল। বেদুইনসকলে পৰিয়ালতান্ত্ৰিক সমাজ ব্যৱস্থাৰে বিভিন্ন ফৈদত বিভক্ত আছিল। প্ৰত্যেক বংশ বা পৰিয়ালসমূহ লগ হৈ একো একোটা জনগোষ্ঠী বা 'কাবিলা' গঠিত হৈছিল। একোটা ফৈদত কেতিয়াবা অন্য ফৈদৰ মানুহকো অন্তৰ্ভুক্ত কৰা হৈছিল। সেই সময়ছোৱাত সমাজ ব্যবস্থা মূলতঃ পুৰুষতান্ত্ৰিক আছিল। জনগোষ্ঠীসমূহে নিজৰ সুৰক্ষাৰ দিশত গুৰুত্ব প্ৰদান কৰাৰ লগতে জনগোষ্ঠীয় পৰম্পৰাৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে আত্মনিয়োগ কৰিছিল।

জনগোষ্ঠীটোৰ বহিৰ্ভূত লোকসকলক সাধাৰণতে শত্ৰু হিচাপে গণ্য কৰা হৈছিল। জনগোষ্ঠীসমূহে প্ৰত্যেকেই নিজ নিজ পৰিচয়েৰে জীৱন-নিৰ্বাহ কৰিছিল। বেদুইনসকলৰ বিভিন্ন জনগোষ্ঠী বা কাবিলাসমূহৰ মাজত আধিপত্য বিস্তাৰৰ যুদ্ধ বিশেষভাবে উল্লেখযোগ্য আছিল। একো একোটা জনগোষ্ঠীয়ে যুদ্ধ জয়ৰ জৰিয়তে নিজকে সমগ্ৰ এলেকাটোৰ হৰ্তাকৰ্তালৈ পৰিণত কৰিব বিচাৰিছিল। প্ৰাক্-ইছলামীয় আৰবত বেদুইন জনগোষ্ঠীসমূহ এক শ্ৰেণীৰ অঘৰী পশুপালক আছিল। তেওঁলোকে পনীৰ, ঊণসূতা, গাখীৰৰ বাবে তথা চলাচলৰ মাধ্যম হিচাপে বিভিন্ন জন্তু যেনে— ছাগলী, ভেঁড়া, উট, ঘোঁৰা আদিৰ ঘৰচীয়াকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। কৃষি কাৰ্যৰ বাবে অনুপযুক্ত তথা শুকান জলবায়ুৰ বাবে প্ৰাক্ ইছলামীয় আৰবত বেদুইন জনগোষ্ঠীয়ে জীৱিকা নিৰ্বাহৰ বাবে পশুপালনকেই একমাত্ৰ পথ হিচাপে গণ্য কৰিছিল। পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিয়ে জীৱ-জন্তু ৰক্ষণাবেক্ষণ আৰু প্ৰতিপালনৰ ওচৰত প্ৰায় সমান গুৰুত্ব প্ৰদান কৰিছিল। এই অঘৰী লোকসকলৰ বাবে চিকাৰ এক প্ৰিয় বৃত্তি আছিল। ইয়াৰোপৰি এই লোকসকলে বণিকসকলৰ কাৰাভানসমূহৰ সুৰক্ষাৰ বাবে দেহৰক্ষী হিচাপেও কাম কৰিছিল। কিছুমান জনগোষ্ঠীয়ে ব্যৱসায়ত গুৰুত্ব দিছিল আৰু আন কিছুমানে বেলেগ জনগোষ্ঠীক লুট-পাত কৰি বিভিন্ন জীৱ-জন্তু, সোণ, কাপোৰ আদি সংগ্ৰহ কৰিছিল।

প্ৰাক্-ইছলামীয় আৰবত ইহুদীসকলৰ বিষয়ে জনাৰ ক্ষেত্ৰত বিশেষকৈ প্ৰাৰম্ভিক যুগৰ কিছুমান টোকা অতি উল্লেখযোগ্য। খ্ৰীষ্টীয় দ্বিতীয় শতিকাৰ পৰা আৰব ভূ-খণ্ডলৈ ইহুদীসকলৰ প্ৰব্ৰজন আৰম্ভ হৈছিল আৰু খ্ৰীষ্টীয় ষষ্ঠ শতিকাত হেজাজ নামৰ ঠাইত ইহুদী জনবসতি বৃদ্ধি পাইছিল। আৰবত বিশেষকৈ মদিনা আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ইহুদী ধৰ্মৰ সম্প্ৰসাৰণত আৰু কৰিব আচ্ছাদ আৰু ধুনুবাদৰ দ্বাৰা ইহুদী ধৰ্ম গ্ৰহণে বিশেষ প্ৰভাৱ পেলাইছিল। তেওঁলোকে ইহুদী ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অন্য ধৰ্মৰ পৰা ইহুদী ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ বিষয়টোত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। প্ৰাক্-ইছলামীয় কালত মদিনা চহৰত তিনিটা মুখ্য ইহুদী গোষ্ঠী আছিল। সেইকেইটা হ'ল— বানু নাদিৰ, বানু কাইনুকা আৰু বানু কুজো। ঘাচানিড আৰু লামমিড আন দুই প্ৰধান আৰবীয় জনগোষ্ঠী আছিল যি তৃতীয় শতিকাৰ মধ্যভাগত প্ৰভাৱশালী হৈ উঠিছিল। পৰম্পৰাগতভাৱে, ছৌদি বেদুইনসকল দুটা প্ৰধান গোষ্ঠীৰ বংশধৰ আছিল। এটা গোষ্ঠী হ'ল— 'য়েমেন' যিসকল দক্ষিণ-পশ্চিম আৰবৰ য়েমেন পাহাৰত বসবাস কৰিছিল। য়েমেনসকলে দাবী কৰিছিল যে তেওঁলোকৰ পূৰ্বপুৰুষ এজন কিংবদন্তীয় ব্যক্তি আছিল আৰু তেওঁৰ নাম আছিল 'কাহটান' (Qahtan)। দ্বিতীয় গোষ্ঠীটো আছিল 'কাইছিছ'সকল যি উত্তৰ-মধ্য আৰবত বসতি স্থাপন কৰিছিল আৰু দাবী কৰিছিল যে তেওঁলোক বাইবেলত উল্লেখিত ইছমাইলৰ বংশধৰ আছিল।

ইছলাম ধৰ্মৰ উত্থানৰ আৰম্ভণিৰ পূৰ্বে বেদুইন জনজাতিৰ অধিকাংশই বহুদৈৱবাদী ধৰ্মীয় পৰম্পৰাত বিশ্বাস কৰিছিল। সেই সময়ছোৱাত সৰ্বপ্ৰাণবাদী (Animism) ধৰ্মীয় বিশ্বাস প্ৰচলন আছিল য'ত জীৱ-জন্তু, গছ-গছনি আৰু বিভিন্ন নিৰ্জীৱ বস্তুক দেৱতাৰ ৰূপত পূজা কৰা হৈছিল। প্ৰাক্-ইছলামীয় আৰবত মূৰ্তি পূজাৰো বিশেষ প্ৰচলন আছিল। মক্কাৰ প্ৰাৰ্থনাগৃহ বা কাবাত ৩৬০টা মূৰ্তিৰ অৱস্থিতিৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰা হৈছে। প্ৰাক্-ইছলামিক আৰবৰ মুখ্য

দেৱতা আছিল 'হুবাল' যি চিৰিয়াৰ চন্দ্ৰ দেৱতা হিচাপে পৰিচিত আছিল। আখ্যান অনুসৰি হুবালৰ তিনি কন্যাক মক্কাৰ প্ৰধান দেৱী হিচাপে পূজা কৰা হৈছিল। তেওঁলোক আছিল ক্ৰমে আলাত, আল-উজ্জা আৰু মানাত। আলাত পাতালৰ দেৱী আছিল আৰু সেইদৰে আল উচ্ছা আছিল উৰ্বৰতাৰ দেৱী। আল উজ্জাক সুৰক্ষা আৰু যুদ্ধৰ পূৰ্বে প্ৰাৰ্থনা কৰা হৈছিল। মানাত ভাগ্যৰ দেৱী আছিল আৰু তেওঁ সকলো দেৱীতকৈ প্ৰাচীন আছিল বুলি অনুমান কৰিব। পাৰি।

প্ৰাক্-ইছলামীয় আৰবত ইহুদী ধৰ্মৰ বিশেষ গুৰুত্ব আছিল। পুৰণি একেশ্বৰবাদী ধৰ্মসমূহৰ ভিতৰত ইহুদী ধৰ্মই আৰব ভূ-খণ্ডত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। ৰোমান সাম্ৰাজ্যৰ সময়ছোৱাতে ইহুদীসকলে আৰবত প্ৰবেশ কৰিছিল আৰু তেওঁলোকে আৰবীয়ৰ লগতে হিব্ৰু আৰু এৰামীক (Aramic) ভাষা ব্যৱহাৰ কৰিছিল। চতুৰ্থ শতিকাত য়েমেনৰ হিমাটিচাসকলে আৰু তেওঁলোকৰ তলতীয়া কিন্দা জনজাতিয়েও ইহুদী ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। আৰবৰ ইহুদীসকলে কাপোৰ আৰু খাদ্যৰ ক্ষেত্ৰত বেবিলনৰ ইহুদীসকলৰ নীতি-নিয়ম মানি চলিছিল। আৰবৰ জনজাতীয় লোকসকলে ইহুদীসকলৰ অধ্যুষিত এলেকাত বসবাস কৰাৰ চৰ্তত ইহুদী ধৰ্ম গ্ৰহণ কৰিবলৈ মান্তি হৈছিল। ইতিহাসবিদ ফিলিপ হিট্টিয়ে ক'ব বিচাৰে যে মদিনাৰ ইহুদীসকলৰ অধিকাংশই আৰবী আৰু এৰামিক মূলৰ আছিল।

আৰব ভূ-খণ্ডত খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা জনজাতিসমূহৰ প্ৰধান আছিল— হিমিয়াৰ, ঘাচান, ৰাবীয়া, তাঘাৰ, বাহৰা, তুনুখ, হীৰা অঞ্চলৰ বাসিন্দা আৰু নাজৰানৰ জনজাতীয় লোকসকল। পৰম্পৰাগতভাৱে ইহুদী আৰু খ্ৰীষ্টীয়ান দুয়োটা সম্প্ৰদায়েই এজন ঈশ্বৰক বিশ্বাস কৰিছিল। দুয়োটা ধৰ্মই নাস্তিকতা আৰু বহুদৈৱবাদক বৰ্জন কৰিছিল। আৰবত খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ বিশেষকৈ ইয়াৰ উত্তৰ-পূৱ আৰু উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত পৰিলক্ষিত হৈছিল। উত্তৰ-পশ্চিম সীমান্তত ৰোমান সাম্ৰাজ্যৰ খ্ৰীষ্টান মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ যোগেদি স্থানীয় জনজাতিসকলক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰিছিল। ইথিউপিয়াৰ খ্ৰীষ্টধৰ্মাবলম্বী আক্সাম সাম্ৰাজ্যৰ প্ৰভাৱেও দক্ষিণালে নাজান অঞ্চলক খ্ৰীষ্টান ধৰ্মৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিছিল। এনেদৰেই ইছলাম ধৰ্মৰ বিকাশৰ আগলৈকে আৰবত খ্ৰীষ্টান ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

মহম্মদে ইছলাম ধৰ্মৰ অধীনত আৰবক এক ধৰ্মীয় ৰাজনৈতিক শক্তিলৈ পৰিণত কৰিছিল। মুছলমানসকলে তেওঁক ঈশ্বৰৰ দূত বা পয়গম্বৰ হিচাপে অভিহিত কৰে। ইছলামৰ পবিত্ৰ গ্ৰন্থ কোৰাণত আল্লাহৰ বাণীৰ লগতে পৰোক্ষ ৰূপত মহম্মদৰ জীৱনৰ কিছু বৰ্ণনাও পোৱা যায়। উল্লেখ্য যে মহম্মদৰ বাণীক আকৌ হাদিছ (Hadith) ৰূপে জনা যায়। পৰম্পৰাগতভাৱে মহম্মদৰ জীৱনৰ সময়ছোৱাক দুটা ভাগত ভাগ কৰা হয় ৫৭০ খ্ৰীষ্টাব্দৰ পৰা ৬২২ খ্ৰীষ্টাব্দলৈ মজাৰ সময়ছোৱা আৰু ৬২২ খ্ৰীষ্টাব্দৰ পৰা ৬৩২ খ্ৰীষ্টাব্দলৈ মদিনাত বসবাস কৰা সময়ছোৱা। ৫৭০ খ্ৰীষ্টাব্দত মহম্মদে মক্কাৰ কোৰাইছ জনজাতি বা কাহিলাৰ ভানু হাচিম বংশত জন্মগ্ৰহণ কৰিছিল। মহম্মদৰ জন্মৰ ছয়মাহৰ আগতেই তেখেতৰ দেউতাক আব্দুল্লাৰ মৃত্যু হৈছিল। ইছলামীয় এক বিশ্বাস অনুসৰি, মহম্মদক মৰুভূমিৰ এক বেদুইন পৰিয়ালৰ সৈতে বাস কৰিবলৈ প্ৰেৰণ কৰা হৈছিল, কিয়নো মৰুভূমিৰ জীবন শিশুৰ বাবে উপযোগী বুলি গণ্য কৰা হৈছিল। মহম্মদে দুবছৰ কাল ধাইমাক হলিমাৰ লগত কটাইছিল। ছয়বছৰ বয়সত মহম্মদে নিজৰ জন্মদাতা মাতৃ আমিনাক হেৰুৱাবলগা হৈছিল। ইয়াৰ পাছত মহম্মদক দুবছৰ কাল তেওঁৰ ককাদেউতাক আব্দুল মুত্তালিবে চোৱাচিতা কৰিছিল। ককাদেউতাকৰ মৃত্যুৰ পাছত মহম্মদে আঠ বছৰ বয়সৰ পৰা তেওঁৰ খুড়াক আবু তালিবৰ সৈতে থাকিবলৈ লৈছিল। মহম্মদে কৈশোৰ অৱস্থাতেই খুড়াকৰ সৈতে বাণিজ্যিক লেনদেনৰ বাবে চিৰিয়ালৈ গৈছিল আৰু ইয়াৰ ফলস্বৰূপে মহম্মদেও বাণিজ্য সংক্ৰান্তীয় যথেষ্ট জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। মহম্মদে বণিক হিচাপে যথেষ্ট খ্যাতি লাভ কৰিছিল আৰু তেওঁ ভাৰত মহাসাগৰ আৰু ভূমধ্য সাগৰৰ সমগ্ৰ এলেকাটোতে ব্যৱসায় কৰিছিল।

মহম্মদে 'খাদিজা' নামৰ বিধবা এগৰাকীৰ হৈ ব্যৱসায়-বাণিজ্যৰ কাম কৰিছিল আৰু ৫৯৫ খ্ৰীষ্টাব্দত ২৫ বছৰ বয়সত তেওঁ খাদিজাক বিয়া কৰাইছিল। ক্ৰমাৎ মহম্মদে এক পৰ্বতৰ গুহালৈ আধ্যাত্মিকতাৰ সন্ধানত নিতৌ আহ-যাহ কৰাৰ অভ্যাস গঢ়ি তুলিছিল। আৰু এই গুহাতেই জনশ্ৰুতি অনুসৰি তেওঁ ফৰিষ্টা জিব্ৰাইল (প্ৰৱিয়েল)ৰ পৰা আল্লাহৰ বাণীসমূহ শুনিবলৈ পাইছিল। মহম্মদে ৬০৯ খ্ৰীষ্টাব্দৰ পৰা ৬৩২ খ্ৰীষ্টাব্দলৈ জিব্ৰাইলৰ পৰা আল্লাৰ বাণীসমূহ শুনিছিল যাৰ আধাৰত ইছলাম ধৰ্ম গ্ৰন্থ কোৰাণৰ উদ্ভৱ হৈছিল। মহম্মদ ৪০ বছৰ বয়সত আধ্যাত্মিকতাৰ সন্ধানত নামি পৰিছিল। মহম্মদে সমাজত প্ৰচলিত বিভিন্ন অৰাজকতা, জনজাতিসমূহৰ মাজত সংঘৰ্ষ, অন্যায় অবিচাৰ, সামাজিক ভেদাভেদ আদি দেখি-শুনি যথেষ্ট চিন্তিত হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে মহম্মদে ৬০৯ খ্ৰীষ্টাব্দত মক্কাৰ পৰা তিনি মাইল দূৰত মাউণ্ট হীৰা পাহাৰত আধ্যাত্মিক চৰ্চাত মনোনিবেশ কৰে। ইয়াতেই মহম্মদে ফিৰিস্তা জিব্ৰাইলৰ সাক্ষাৎ লাভ কৰে। জিব্ৰাইলক দেখা পোৱা সময়ত মহম্মদ শংকিত আৰু সচকিত হৈ ঘৰলৈ ঘূৰি আহিছিল আৰু মহম্মদৰ এই অৱস্থাত পত্নী খাদিজাই তেওঁক শান্তনা প্ৰদান কৰিছিল বুলি বিশ্বাস কৰা হয়। অৱশ্যে, চিয়া পৰম্পৰা অনুসৰি মহম্মদে প্ৰথম ফৰিষ্টা জিব্ৰাইলক দেখা পাওঁতে আচৰিত আৰু শংকিত হোৱা নাছিল; বৰঞ্চ তেওঁ জিব্ৰাইলক স্বাগতমহে জনাইছিল। মহম্মদে জিব্ৰাইলৰ পৰা আল্লাহৰ বাণীসমূহ প্ৰথমবাৰৰ বাবে শুনাৰ পিছত পৰৱৰ্তী তিনিবছৰ যথেষ্ট শংকিত হৈ পৰিছিল আৰু এই সময়ছোৱাক (ফাত্ৰা) (Fatra) নামেৰে জনা যায়। ইয়াৰ পাছৰ পৰ্যায়ত মহম্মদে আল্লাৰ এই বাণীসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাত মনোনিবেশ কৰিছিল।

ইছলামীয় পৰম্পৰা অনুসৰি মহম্মদৰ পত্নী খাদিজাই সৰ্বপ্ৰথম মহম্মদক এগৰাকী নবী (দূত) হিচাপে বিশ্বাস কৰিছিল। ৬১৩ খ্ৰীষ্টাব্দত মহম্মদে জনসমাজত আল্লাৰ বাণীসমূহৰ প্ৰচাৰ আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত মহম্মদক মক্কাবাসীয়ে বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল যদিও, ক্ৰমাৎ মহম্মদৰ অনুসৰণকাৰীৰ সংখ্যা বৃদ্ধি পাইছিল। মক্কাৰ প্ৰধান তিনিটা গোটে সৰ্বপ্ৰথমে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁলোক আছিল— কনিষ্ঠ সদাগৰ আৰু তেওঁলোকৰ সন্তানসকল, জনগোষ্ঠীসমূহৰ নিষ্পেষিত লোকসকল আৰু মক্কাত বসবাস কৰা অসুৰক্ষিত বাহিৰাগতসকল। মহম্মদে জিব্ৰাইলৰ পৰা আল্লাৰ বাণীসমূহ শুনাৰ পাছত তিনি বছৰলৈ এই বাণীসমূহ প্ৰচাৰ কৰা নাছিল। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁ লাহে লাহে নিকট সম্বন্ধীয় আৰু পৰিচিত ব্যক্তিসকলৰ মাজত আল্লাহৰ বাণীসমূহ প্ৰচাৰৰ কামত মনোনিৱেশ কৰিছিল। ইছলামীয় পৰম্পৰা অনুসৰি মহম্মদৰ পত্নী খদিজাই সৰ্বপ্ৰথমে ৰিশ্বাস কৰিছিল যে মহম্মদ এজন নবী আছিল। খাদিজাৰ এই বিশ্বাসক মহম্মদৰ খুড়াকৰ দহবছৰীয়া পুত্ৰ আলী ইবন আবী তালিব, নিকট বন্ধু আৰু বৰুৰ আৰু তোলনীয়া পুত্ৰ জেইকে অনুকৰণ কৰিছিল। ইছলামীয় পৰম্পৰা অনুসৰি মহম্মদে আল্লাৰ বাণীসমূহ লাভ কৰাৰ চতুৰ্থ বৰ্ষত আল্লাই তেওঁক একেশ্বৰবাদী বিশ্বাসক সাৰ্বজনীন কৰিবলৈ ইয়াক জনসাধাৰণৰ মাজত প্ৰচাৰৰ আদেশ দিছিল। মহম্মদে তেওঁৰ বাণীসমূহৰ প্ৰচাৰ কৰি জনসাধাৰণক এজন আল্লাহৰ কথা জনাইছিল আৰু প্ৰচলিত বহুদৈৱবাদৰ বিৰোধিতা কৰিছিল। তেওঁ আল্লাহৰ অন্তিম বিচাৰৰ ওপৰত বিশ্বাস ৰাখিবলৈ লোকসকলক আহ্বান জনাইছিল। সামাজিক আৰু আৰ্থিক ন্যায় স্থাপনৰ ক্ষেত্ৰতো এই ধৰ্মমত যথেষ্ট মহাত্ম্য আছিল।

মক্কাৰ অধিকাংশ মানুহেই মহম্মদে প্ৰথম বাণীসমূহ প্ৰচাৰ কৰোতে এইবোৰক লৈ ভেঙুচালি আৰু উপলুঙা কৰিছিল। কিন্তু লাহে লাহে মক্কাৰ বহু লোকে তেওঁক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিছিল। ইছলামলৈ ধৰ্মান্তৰিত হোৱা মক্কাৰ তিনিটা শ্ৰেণী বা গোটৰ বিষয়ে ইতিমধ্যেই আলোচনা কৰা হৈছে। অৱশ্যে যেতিয়া মহম্মদে তেওঁৰ বাণীসমূহ প্ৰচাৰৰ জৰিয়তে মূৰ্তি পূজা আৰু বহুদৈৱবাদৰ বিৰোধিতা কৰিছিল, তেতিয়াই মক্কাত মহম্মদৰ প্ৰতি বিৰোধিতা আৰম্ভ হৈছিল। মহম্মদ আৰু মক্কাৰ ন-মুছলমানসকলে মক্কাৰ ধনী লোকসকলৰ পৰা তীব্ৰ বিৰোধিতাৰ সন্মুখীন হৈছিল। মুছলমানসকলে একেশ্বৰবাদী ভাবধাৰা প্ৰচাৰৰ জৰিয়তে মূৰ্তিপূজা তথা বহুদৈৱবাদক বিৰোধিতা কৰাত মক্কাৰ ধনী ব্যক্তিসকলে এই কাৰ্য মক্কাৰ গৰিমা আৰু ঐশ্বৰ্য-বিভূতিৰ প্ৰতি প্ৰত্যাহ্বান বুলি গণ্য কৰিছিল। পোনপ্ৰথমে ইছলামৰ বিৰোধীসকলে মহম্মদৰ অপমান আৰু ঠাট্টা-মস্কৰাতে সীমাবদ্ধ আছিল যদিও পাছলৈ ই শাৰীৰিক অত্যাচাৰলৈ পৰিৱৰ্তিত হৈছিল। যিসকল লোকে নতুনকৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল, সেইসকল মুছলমানৰ একাংশই চুবুৰীয়া আবিছিনিয়ালৈ প্ৰব্ৰজন কৰিবলৈ বাধা হৈছিল। মহম্মদে অৱশ্যে নিজকে শাৰীৰিক অত্যাচাৰৰ পৰা দূৰত ৰাখিবলৈ সক্ষম হৈছিল যদিও তেওঁৰ দৰে অনুগামীসকল সৌভাগ্যবান নাছিল বৰঞ্চ মহম্মদৰ বহু অনুগামীয়ে শাৰীৰিক অত্যাচাৰৰ সন্মুখীন হ'বলগা হৈছিল। চুমেইয়া খাবাব নামৰ এজন দাস তেওঁৰ মালিক তথা মক্কাৰ নেতা আবু জহলৰ হাতত প্ৰাণ বিসৰ্জন দিবলৈ বাধ্য হৈছিল। চুমোইয়া খাবাব আছিল ইছলাম ধৰ্মৰ বাবে মৃত্যু হোৱা প্ৰথমজন ব্যক্তি। বিলাল নামৰ আন এজন মুছলমানক ইছলাম ধৰ্ম গ্ৰহণৰ বাবে তেওঁৰ গৰাকী ইবন খালিকে বহু অত্যাচাৰ কৰি হত্যা কৰিছিল।

৬১৯ খ্ৰীষ্টাব্দত মহম্মদৰ পত্নী খাদিজা আৰু খুড়াক আৰু তালিব দুয়োজনৰে মৃত্যু হৈছিল। আবু তালিবৰ মৃত্যুৰ লগে লগে আবু লাহাবে বানু হাছিম কাবিলাৰ নেতৃত্ব প্ৰদান কৰিছিল। আবু লাহাবে মহম্মদৰ প্ৰতি থকা বানু হাচিম কাকিলাৰ সুৰক্ষা প্ৰদানৰ দিশটো উঠাই লৈছিল আৰু ইয়াৰ

ফলত মহম্মদ আৰু তেওঁৰ অনুসৰণকাৰীসকল আৰু অধিক বিপদৰ সন্মুখীন হৈছিল। ইয়াৰ ফলত মহম্মদে নিজৰ আৰু তেওঁৰ অনুসৰণকাৰীসকলৰ বাবে নতুন ঠাইৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিছিল। এনে সময়তে মদিনাৰ বাৰটা গুৰুত্বপূৰ্ণ কাবিলাৰ লোকে মহম্মদক এই সকলো সম্প্ৰদায়ৰ প্ৰমুখ হিচাপে নিমন্ত্ৰণ জনাইছিল। মদিনাত প্ৰধানকৈ ৬২০ খ্ৰীষ্টাব্দৰ আগলৈকে প্ৰায় এশ বছৰ ধৰি স্থানীয় আৰব আৰু ইহুদী লোকসকলৰ মাজত সংঘৰ্ষ চলি আহিছিল। বুৱাথ যুদ্ধৰ পৰৱৰ্তী সময়ত মদিনাৰ জনজাতি তথা কাবিলাসমূহে তেওঁলোকক সংগঠিত কৰাৰ বাবে এজন লোকৰ সন্ধান কৰিছিল। মদিনাৰ বিভিন্ন কবিলাৰ লোকসকলে মহম্মদক সুৰক্ষা দিবলৈ প্ৰতিজ্ঞাবদ্ধও হৈছিল।

৬২২ খ্ৰীষ্টাব্দত মহম্মদ আৰু তেওঁৰ অনুগামীসকলে মক্কাৰ অসুৰক্ষিত পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ মদিনালৈ যাত্ৰা কৰে। এই সময়ছোৱাক 'হিজৰী' বা 'হিজৰত' হিচাপে অভিহিত কৰা হয় আৰু তেতিয়াৰ পৰাই ইছলামীয় হিজৰা পঞ্জিকা বা কেলেণ্ডাৰৰ সূচনা হয়। পৰম্পৰা অনুসৰি, যেতিয়া মক্কাবাসীয়ে মহম্মদে মক্কা ত্যাগ কৰিব বুলি শুনিবলৈ পাইছিল তেতিয়া তেওঁলোকে মহম্মদক হত্যা কৰাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিছিল। ৬২২ খ্ৰীষ্টাব্দত মহম্মদে তেওঁৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ সম্ভেদ পাই সেই মুহূৰ্ততেই তেওঁ সহযোগী আৰু বন্ধুক লগত লৈ মক্কা ত্যাগ কৰিছিল।

মহম্মদে মক্কা ত্যাগ কৰাৰ সময়তে কুৰেছ জনজাতিৰ কিছুসংখ্যক লোকে মহম্মদৰ ঘৰ ঘেৰাও কৰিছিল। কোৱা হয় যে— যেতিয়া মহম্মদে ঘৰৰ পৰা ওলাই আহিছিল, তেতিয়া তেওঁ কোৰাণৰ এটা দফা পঢ়ি তেওঁৰ ঘৰ ঘেৰাও কৰা লোকসকলৰ দিশলৈ এমুঠি ধূলি ছটিয়াই দিছিল আৰু এনে পৰিস্থিতিত বিৰোধীসকলে মহম্মদক দেখা নোপোৱাত মহম্মদে নিৰাপদে মক্কা ত্যাগ কৰিবলৈ সক্ষম হৈছিল। কুছে জনজাতিয়ে মহম্মদ মক্কাৰ পৰা পলাই যোৱা কথাটো শুনি তেওঁক মৃত বা জীৱিত অৱস্থাত ধৰি অনাৰ বাবে পুৰস্কাৰ পৰ্যন্ত ঘোষণা কৰিছিল। ইয়াৰ ফলত মহম্মদৰ সন্ধানকাৰীসকল চাৰিওফালে বিয়পি পৰিছিল আৰু এনে এক জটিল সন্ধিক্ষণত মহম্মদে মক্কাৰ পৰা আঠ দিনৰ যাত্ৰাৰ অন্তত 'মদিনা'ত প্ৰৱেশ কৰিছিলহি। অৱশ্যে মহম্মদে পোনপ্ৰথমে মদিনা চহৰত প্ৰৱেশ কৰা নাছিল। তেওঁ মূল চহৰৰ পৰা কিছু নিলগৰ কুবা নামৰ ঠাইত প্ৰথম থিতাপি লৈছিল আৰু তাত তেওঁ এটা মছজিদ স্থাপন কৰিছিল। মহম্মদে কুবাত চৈধ্যদিন অতিবাহিত কৰিছিল আৰু ইয়াৰ পাছত তেওঁ মদিনা চহৰলৈ যাত্ৰা কৰিছিল। মহম্মদে মদিনালৈ যাত্ৰা কৰাৰ সময়ছোৱাতে শুক্ৰবাৰৰ প্ৰাৰ্থনা (নামাজ)ত ভাগ লৈছিল। মদিনাত প্ৰবেশ কৰাৰ সময়ত মহম্মদক মদিনাবাসীয়ে উচ্চ সম্ভাষণেৰে আদৰণি জনাইছিল।

মহম্মদ মদিনাত উপস্থিত হৈ মদিনাৰ আঠটা জনগোষ্ঠী আৰু মক্কাৰ পৰা যোৱা অনুগামীসকলৰ সহিতে সামুহিকভাৱে সকলো (ইছলাম ধৰ্মৰ যোগেদি) একত্ৰিত হোৱাৰ অৰ্থে কিছু নিয়মাবলী তথা চুক্তি তৈয়াৰ কৰে যাক মদিনাৰ সংবিধান বা চাৰ্টাৰ (Constitution of Medina) হিচাপে জনা যায়। ইয়াত জনজাতীয় সম্প্ৰদায়সমূহ আৰু বিশেষকৈ ইহুদীসকলৰ মাজত সু-সম্বন্ধ প্ৰতিষ্ঠাৰ বাবে বিশেষ প্ৰচেষ্টা লোৱা হৈছিল। মদিনাৰ সংবিধানত এক সমূহীয়া সম্প্ৰদায়ৰ কথা উল্লেখ কৰা হৈছে, যাক 'উম্মা' বুলি কোৱা হয়। এই উম্মা মূলতঃ এক ধৰ্মীয় গোট আছিল। উম্মাই বিভিন্ন আৰব জনজাতিসমূহৰ পুৰণি নীতি-নিয়মসমূহৰো সংৰক্ষণ কৰিছিল। মদিনাৰ পাগান জনজাতিসমূহ প্ৰথম ইছলামলৈ ধৰ্মান্তৰিত হৈছিল। মহম্মদে মদিনাৰ সংবিধানৰ ৰূপৰেখা তৈয়াৰ কৰি জনজাতিসমূহক একত্ৰীকৰণ কৰিছিল। ই মহম্মদ আৰু মদিনাৰ সকলো গুৰুত্বপূৰ্ণ জনজাতি আৰু পৰিয়ালৰ মাজৰ এক আনুষ্ঠানিক চুক্তি আছিল য'ত মুছলমান ইহুদী আৰু বহু খ্ৰীষ্টান লোকো অন্তৰ্ভুক্ত আছিল যি ইয়াৰ যোগেদি ইছলাম ধৰ্মত দীক্ষিত হৈছিল। এই সংবিধানখনে মদিনাৰ বিভিন্ন জনজাতিৰ মাজৰ নিজা কিছু অধিকাৰ আৰু কৰ্তব্যক যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। মদিনাত মহম্মদক ধাৰ্মিক নেতা হিচাপে মান্যতা প্ৰদান কৰাৰ উপৰিও ৰাজনৈতিক সংগঠক হিচাপেও গণ্য কৰা হৈছিল। মহম্মদৰ অনুগামীসকলক মুছলমান বুলি কোৱা হৈছিল যাৰ অৰ্থ হ'ল— 'যি নিজকে আল্লাহৰ ওচৰত সমৰ্পণ কৰে' আৰু তেওঁলোকৰ এই ধৰ্মীয় বিশ্বাসক ইছলাম বুলি অভিহিত কৰা হৈছিল। প্ৰাৰম্ভিক ইছলামৰ ধাৰ্মিক বিচাৰ ধাৰাৰ ক্ষেত্ৰত আল্লাহৰ উপাসকসকলৰ মাজত একতা আৰু সমতাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছিল আৰু এনে পৰিপ্ৰেক্ষিতত বিভিন্ন কাবিলা আৰু জনগোষ্ঠীসমূহৰ শোষিত, নিষ্পেষিত, দুৰ্দশাগ্ৰস্ত দৰিদ্ৰ লোকসকল এই ধৰ্মৰ অংশীদাৰ হৈ পৰিছিল।

এইদৰে মদিনাৰ লোকসকলে মহম্মদক সুৰক্ষা দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে তেওঁক পয়গম্বৰ বা ৰছুল হিচাপে মান্যতা প্ৰদান কৰি মহম্মদে প্ৰচাৰ কৰা বাণীসমূহ





সম্পূৰ্ণ শুদ্ধ বুলি গ্ৰহণ কৰিছিল। মহম্মদৰ লগত যিসকল অনুগামীয়ে মক্কাৰ পৰা মদিনালৈ যাত্ৰা কৰিছিল, তেওঁলোকক 'মুহাজিৰ' (Muhajir) নামেৰে জনা গৈছিল। মদিনাৰ অনুগামীসকলক আকৌ 'আনচাৰ' বুলি কোৱা হৈছিল। মহম্মদে মদিনাবাসীৰ সৈতে এক ৰাজনৈতিক চুক্তি কৰাৰ পিছত তেওঁ মক্কা আৰু মদিনাৰ অনুগামীসকলৰ লগ হৈ এক ইছলামীয় ৰাজনৈতিক তথা সামাজিক সম্প্ৰদায় গঠন কৰিছিল যাক 'উম্মা' হিচাপে জনা যায়। মক্কা আৰু মদিনাৰ অনুগামীসকলে মহম্মদ আৰু তেওঁৰ নৱজাত ৰাজ্যখনক সুৰক্ষাৰ দিশত বিশেষ দৃষ্টিনিক্ষেপ কৰিছিল। মদিনাৰ সংবিধানৰ প্ৰধান বৈশিষ্ট্য আছিল এয়ে যে মহম্মদে ইয়াত তেজৰ সম্পৰ্কতকৈ বিশ্বাসৰ সম্পৰ্কৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁ মদিনাৰ সংবিধানৰ জৰিয়তে নিজ কৰ্তব্যৰ প্ৰতি মানুহৰ মাজত আগ্ৰহ সৃষ্টি কৰিব বিচাৰিছিল। সেই সময়ছোৱাত জনজাতিৰ পৰিচয় গুৰুত্বপূৰ্ণ আছিল আৰু সমাজখন বিভিন্ন জনজাতিত বিভক্ত হৈ আছিল। কিন্তু মদিনাৰ সংবিধানে ঘোষণা কৰিছিল যে উম্মা সম্প্ৰদায়ৰ প্ৰধান বান্ধোন হ'ল ইছলাম ধৰ্ম। ই নব্যগঠিত বৃহত্তৰ মুছলমান সম্প্ৰদায়টোৰ মূল ভিত্তি (Nuclease) স্বৰূপ আছিল।

মহম্মদৰ লগত অহা অনুগামীসকলে মক্কাত নিজৰ জীৱিকা ত্যাগ কৰি মদিনালৈ আহিছিল। সেইহেতু তেওঁলোকে জীৱিকা নিৰ্বাহৰ বাবে মক্কাৰ বণিকসকলৰ গোটসমূহৰ ওপৰত কাৰাভানবোৰৰ আক্ৰমণ কৰি লুট-পাত চলাইছিল। যিসকল এনে অনুগামীয়ে অত্যাচাৰৰ সন্মুখীন হৈ মক্কা ত্যাগ কৰিছিল, তেওঁলোকে মক্কাৰ কুৰেছ জনজাতিৰ লোকসকলৰ লগত সংঘৰ্ষত লিপ্ত হৈছিল। মহম্মদে কোৰাণৰ দফাৰ জৰিয়তে তেওঁৰ অনুগামীসকলক তেওঁলোকৰ ওপৰত আক্ৰমণ কৰা লোকসকলৰ বিৰুদ্ধে (প্ৰতীক্ষামূলকভাৱে) থিয় হ'বলৈ অনুমতি প্ৰদান কৰিছিল। মুছলমানসকলৰ দ্বাৰা মক্কাৰ সদাগৰসকলৰ ওপৰত এনে আক্ৰমণসমূহে ব্যৱসায়িক ক্ষেত্ৰত মক্কাৰ বাবে সমস্যা বৃদ্ধি কৰি তুলিছিল। ইফালে কাভানসমূহৰ ওপৰত কৰা লুট-পাতৰ ফলত ন-মুছলমানসকলৰ ঐশ্বৰ্য-সম্পত্তি, শক্তি আৰু সন্মান বৃদ্ধি হোৱাৰ ফলত ইছলামীয় বিশ্বাস মক্কাত স্থাপন কৰিবলৈ তেওঁলোক বদ্ধপৰিকৰ হৈ উঠিছিল।

৬২৪ খ্ৰীষ্টাব্দত মহম্মদে তিনিশ অনুগামী লগত লৈ মক্কাৰ বণিকসকলৰ গোট বা এক কাৰাভানৰ ওপৰত আক্ৰমণৰ বাবে আগবাঢ়ি গৈছিল আৰু তেনে সময়তে মাৰ্ এক সৈন্য বাহিনী এই কাৰাভানৰ সহায়ৰ বাবে আগবাঢ়ি অহাত 'বদ' নামে ঠাইত দুয়োপক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। এই যুদ্ধত মুছলমানসকলে জয়লাভ কৰিছিল আৰু মক্কাৰ প্ৰায় ৪০ জন সৈন্যৰ মৃত্যু হৈছিল। এই যুদ্ধত জয়লাভ আছিল মুছলমানসকলৰ বিশ্বাসৰ জয় আৰু তেওঁলোকে এই জয়ৰ বাবে আধ্যাত্মিক শক্তিয়ে সহায় কৰিছিল বুলি গণ্য কৰিছিল। এই যুদ্ধৰ জয়ে মদিনাত মহম্মদৰ স্থান শক্তিশালী কৰাৰ লগতে তেওঁৰ প্ৰতি থকা কাৰোবাৰ কিঞ্চিৎ সন্দেহৰো অৱসান ঘটাইছিল।

বদৰৰ যুদ্ধত পৰাজয়ৰ পাছত মক্কাবাসীয়ে আৰ্থিক সমৃদ্ধি বাহাল ৰখাৰ বাবে আৰু হেৰুওৱা গৌৰৱ উদ্ধাৰৰ বাবে মদিনাৰ ওপৰত পুনৰ আক্ৰমণৰ আঁচনি লৈছিল। কুৰাইছ জনজাতিৰ অধিপতি আবু চুফিয়ানে তিনিহাজাৰ সৈন্যবাহিনী লৈ মদিনা আক্ৰমণৰ বাবে অগ্ৰসৰ হৈছিল। ইফালে মহম্মদে তেওঁৰ মুছলমান সৈন্যবাহিনীৰ নেতৃত্ব প্ৰদান কৰিছিল। যেতিয়া ৬২৫ খ্ৰীঃৰ এই যুদ্ধত মুছলমানসকল নিশ্চিত বিজয়ৰ দিশত অগ্ৰসৰ হৈছিল তেনে পৰিস্থিতিতে মুছলমান বাহিনী অসংযত হৈ নিজৰ কোঠ ত্যাগ কৰি মক্কাৰ কোঠ লুটপাট কৰাত ব্যস্ত হৈ পৰিল। এনে পৰিস্থিতিৰ সুযোগ লৈ খালিদ ইবন আল-ৱালিদৰ নেতৃত্বত মক্কা বাহিনীয়ে মুছলমানসকলৰ বিৰুদ্ধে বৃহৎ সাফল্য লাভ কৰিবলৈ সক্ষম হ'ল। উল নামেৰে জনাজাত এই যুদ্ধত বহু মুছলমান সৈন্যৰ মৃত্যু হোৱাৰ লগতে মহম্মদ নিজেও আঘাতপ্ৰাপ্ত হৈছিল। এনে পৰিস্থিতত মুছলমানসকলে যুদ্ধক্ষেত্ৰৰ পৰা পিছুৱাই আহিছিল। মক্কাৰ সৈন্য বাহিনীয়ে এই জয়ৰ পাছত মুছলমান বাহিনীৰ ওপৰত আৰু অধিক আক্ৰমণ নকৰি নিজকে বিজয়ী বুলি ঘোষণা কৰি মক্কালৈ উভতি গৈছিল। উহুদৰ যুদ্ধৰ পৰাজয় মুছলমান বাহিনীৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল আৰু এই যুদ্ধৰ অন্তত মুছলমান বাহিনীয়ে নিজৰ ভুলবোৰ শুধৰাই অধিক সক্ষমতা তথ্য সমৰ কৌশল আয়ত্ত কৰাৰ চেষ্টা কৰিছিল।

মহম্মদে আঠ বছৰলৈকে মতুৰ জনজাতিসমূহৰ লগত সংঘৰ্ষত লিপ্ত হোৱাৰ পাছত ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত লোকৰ দ্বাৰা ১০,০০০ সৈন্যৰ এক বৃহৎ বাহিনী গঠন কৰি মক্কা অভিমুখে ৰাওনা হৈছিল। মহম্মদে মক্কা দখলৰ বাবে দুই-এখন সৰু যুদ্ধৰ বাহিৰে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা নাছিল আৰু অনায়াসেই মক্কা দখল কৰিবলৈ সক্ষম হৈছিল। মহম্মদৰ মক্কা দখলৰ পাছত অধিকাংশ লোকেই ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। যিসকল লোকে মহম্মদক পূৰ্বে

বিৰুদ্ধাচৰণ বা উপলুঙা কৰিছিল, সেই সকলোবোৰকে তেওঁ ক্ষমা কৰি দিছিল। মহম্মদে কাবাত থকা পাগান জনজাতীয় বিশ্বাসৰ মূৰ্তিবোৰ নষ্ট কৰি পেলাইছিল আৰু ইয়াৰ পিছত মহম্মদে পূৰ আৰবত বৰ্তি থকা পাগানসকলৰ মূৰ্তি পূজাৰ মন্দিৰবোৰো নষ্ট কৰিবলৈ নিজ অনুগামীসকলকো নিৰ্দেশ প্ৰদান কৰিছিল বুলি জনা যায়।

মহম্মদৰ মক্কা বিজয়ৰ পাছত হাৱা জিনক্স জনজাতিৰ সম্মিলিত বাহিনীৰ দ্বাৰা তেওঁলৈ ভাবুকি আহিছিল, যি মহম্মদতকৈ দুগুণ সৈন্যৰ। এক বৃহৎ বাহিনী তেওঁৰ বিৰুদ্ধে গঠন কৰিছিল। কিন্তু হুনায়ন (Hunayn) যুদ্ধত মহম্মদে হাবাজিনৰ বৃহৎ বাহিনীক পৰাজিত কৰিবলৈ সক্ষম হৈছিল। ৬৩২ খ্ৰীষ্টাব্দত মহম্মদে মক্কাৰ পৰা মদিনালৈ উভতি যায় আৰু ইয়াতেই মহম্মদৰ মৃত্যু হয়। মহম্মদে মৃত্যুৰ পূৰ্বেই আৰব ভূ-খণ্ডৰ অধিকাংশ লোককে ইতিমধ্যে ইছলাম ধৰ্মত দীক্ষিত কৰি মুছলমানসকলক এক বৃহৎ ধৰ্মীয় তথা ৰাজনৈতিক শক্তিত পৰিণত কৰি থৈ গৈছিল। ৬৩২ খ্ৰীষ্টাব্দত যেতিয়া মহম্মদৰ মৃত্যু হৈছিল তেওঁৰ অনুগামীসকলক এজন নেতাৰ প্ৰয়োজন হৈছিল, যি পথ প্ৰদৰ্শন। কৰি সম্প্ৰদায়টোক আগবঢ়াই লৈ যাব পাৰে। এনে এক সন্ধিক্ষণতে সৃষ্টি হৈছিল 'খলিফাতন্ত্ৰ' নামৰ অনুষ্ঠানটোৰ। মহম্মদৰ মৃত্যুৰ পাছত তেওঁৰ সম্বন্ধীয় লোকক অনুগামীসকলে নতুন নেতা হিচাপে নিৰ্বাচিত কৰিছিল যাক তেওঁলোকে খলিফা (Khalipha) বুলি অভিহিত কৰিছিল। খলিফা শব্দটোৰ অৰ্থ হ'ল— উত্তৰাধিকাৰী (Successor)। মহম্মদ অন্যতম সহযোগী উমৰ ইবন আল-খাতাবে আবু বক্কৰক প্ৰথম খলিফা হিচাপে মনোনীত কৰিছিল। আবু বক্কৰ মহম্মদৰ এজন বন্ধু আৰু সহযোগী আছিল। যথেষ্ট সংখ্যক সমৰ্থনৰ সহায়ত আবু বক্কৰ (Abu Bakr)ক সেই বছৰতে প্ৰথম খলিফা হিচাপে প্ৰতিষ্ঠিত কৰা হৈছিল। অৱশ্যে এই নিৰ্বাচন মহম্মদৰ কিছুমান সহযোগীৰ দ্বাৰা বিবাদিত আছিল, যিসকলে মহম্মদৰ সম্পৰ্কীয় ভাই আৰু জোঁৱায়েক আলি ইবন তালিব মহম্মদৰ উত্তৰাধিকাৰী হোৱাটো বিচাৰিছিল। চিয়া পৰম্পৰা অনুযায়ী মহম্মদে তেওঁৰ জীৱিতকালত আলিক উত্তৰাধিকাৰী হিচাপে নিৰ্বাচিত কৰি থৈ গৈছিল। আলি ইবন আবি তালিব আছিল মহম্মদৰ নিকটতম জীৱিত সম্বন্ধীয় ব্যক্তি, যিজনে মহম্মদৰ জীয়ৰী ফাতিমাক বিয়া কৰাইছিল। অৱশ্যে আলি চতুৰ্থগৰাকী চুন্নী খলিফা হিচাপে পৰৱৰ্তী সময়ত অধিষ্ঠিত হৈছিল। যি কি নহওক, মহম্মদৰ প্ৰকৃত উত্তৰাধিকাৰীৰ ওপৰত এই বিবাদে ইছলাম ধৰ্মত এক ডাঙৰ বিভাজন সৃষ্টি কৰিছিল যি আছিল। মুছলমানসকলৰ চুন্নী আৰু চিয়া সম্প্ৰদায় হিচাপে বিভাজন, যি বিভাজন আজিলৈকে বৰ্তি আছে।

**প্ৰসঙ্গ পুথি ঃ**



1. Burns, Edward MeNall, Philip Lee Ralph and Robert E. Lerner. World civilizations. 1986.
2. Fierro, Maribel, ed. The New Cambridge History of IslamÊ. Volume 2, The Western Islamic World, Eleventh to Eighteenth Centuries. Cambridge University Press, 2010.
3. Hasan, Masudul. HISTORY OF ISLAM (2 vols. Set). Adam Publishers, 2002.
4. Holt, Peter Malcolm, et al., eds. The Cambridge History of IslamÊ. Volume 2, Islamic Society and Civilisation. Vol. 2. Cambridge University Press, 1977.
5. Margoliouth, David. Mohammed and the Rise of Islam. Cosimo, Inc., 2006. 6. Braudel, Fernand. A history of civilizations. New YorkÊ. Penguin Books, 1995.
7. Webb, Peter. Imagining the ArabsÊ. Arab identity and the rise of Islam. Edinburgh, 2016.






# NEP 2020 AND ITS IMPACT

**Raju Dasgupta**
Associate Professor




The education system used to rely heavily on subject-centered teaching before the new education policy was adopted. Many government institutions felt it necessary to change the education policy significantly.

Therefore, a committee was constituted to investigate the gaps and issues in the previous education policy. Government received the Committee's recommendations report in 2019.

In this regard, the government decided to bring major changes to the education system. It is now designed to assist students in pursuing multidisciplinary career paths according to their abilities and interests.

**What is the goal of the new education policy?**

- A new education policy is aimed at imparting quality education and focusing on the all-round development of students.
- Higher education is also aiming to increase its Gross Enrolment Ratio.
- A greater portion of students will enrol in vocational courses to increase the overall Gross Enrolment Ratio.
- The education policy would also focus on universalizing education from pre-nursery to secondary school.

**Principles of New Education Policy**

- New education policy consists of the following principles:
- The goal is to promote quality education.
- Children's inner capabilities should be recognized and strengthened.
- Students' overall development should be encouraged.
- The country's literacy rate and enrolment rate are increasing.
- To give students the opportunity to select any subject or course they want.
- Language learning should be encouraged in students.
- Educate students in moral and ethical values.
- Autonomy and empowerment are essential for encouraging youth to think outside of the box.
- India's government has formulated a new education policy that aims to achieve the policy initiatives by 2030. This is a complete overhaul of the current policy, which was implemented in 1986. Rather than rote learning procedures, it emphasizes the child's self-capabilities and concept-based learning.

**In the National Education Policy, the framework for teaching and learning is outlined**

- National Education Policy 1986 has been replaced by the current policy.
- The New Education Policy was first discussed by the committee under TSR Subramanian's leadership in January 2015. In 2017, the committee submitted a report on its findings.
- Using the 2017 report as a basis, the new team led by former ISRO chief Krishnaswamy Kasturirangan presented a draft of the National Education Policy in 2019.

- After consulting with stakeholders and the public, the Ministry of Human Resource Development announced its drafted New Education Policy.
- On 29 July 2020, a New Education Policy was implemented.

**New Education Policy: Transformations in Structure**

**Education at school**

The 10+2 module will be replaced by the 5+3+3+4 model. The execution will take place as follows:

- **Foundational Stage – This includes three years of preschool.**
- **Stage Preparatory** – Classes 3-5, 8-11 years of age.
- **Middle Stage** – The middle stage will comprise classes 6-8 with ages 11-14.
- **Secondary Stage** – Class 9-12 will have ages 14-19. These four years will allow students to choose from a variety of disciplines. One discipline is not required.
- Examinations for grades 3, 5, and 8 are only required thrice.
- In order to assess students' performance, "PARAKH" should be established as an assessment body.

**Higher Education**

- With a flexible exit policy, the bachelor's programme will be four years long. A year course will provide a certificate, a two-year diploma, a three-year bachelor's degree, and a four-year course will integrate research findings and research work related to the subject matter.
- This will replace AICTE and UGC with the Higher Education Grants Council (HEGC).
- Common entrance exams for universities and colleges, as well as NEET and JEE, are the responsibility of the national testing agency.
- Courses for Master of Philosophy to be discontinued, as they were intermediate courses between Masters and Doctoral programs.
- To foster innovation and research, the National Research Foundation (NRA) will be created.
- We encourage foreign universities to establish campuses here in our.country as well as vice versa.

**Beneficial Impacts of the New Education Policy**

- Children with inborn talents can develop their talents with this program, since it stresses their self-capability and cognitive skills.
- The students had the option of selecting only one subject earlier, but now they can choose from a variety of subjects, for instance – they can study mathematics alongside art and craft.
- The importance of treating all subjects equally.
- With the inculcation of innovative ideas, the main purpose is to develop the power of interaction, critical thinking, and reasoning ability in the students.
- Bachelor's courses with multiple exits offer students the opportunity to gain experience and develop skills while working somewhere in the meantime and continuing their studies later.
- According to the new education policy, practicing a subject is considered a better way to understand it as it is considered a more effective way of learning it.
- By 2040, all institutions and higher education institutes will be multidisciplinary.

The New Education Policy concludes by stating that the policy is an essential initiative that will greatly contribute to the growth of our country and society as a whole.

Nevertheless, with a youth-dominated population, India is capable of truly achieving a better state with the proper implementation of this education policy. However, the implementation of this policy will greatly determine its success.

xxxxxxx





# SOCIAL MEDIA AND IT ACTS OF INDIA

**Rajkamal Sarma**
Asstt. Professor



India is the top open internet community in the world. There were 658 million internet users in India in January, 2022. India's internet penetration rate stood at 47% of total population, which was 1.40 billion at the start of 2022. At the same time, the total number of social media user in India was almost 467 million which is almost 33% of the total population. Data from GSMA Intelligence shows that there were 1.14 billion cellular mobiles connection in India at the start of 2022.

Considering these above-mentioned data, it can easily be assumed the strong impact of social media platforms like Facebook, Twitter, WhatsApp, YouTube etc. According to reports, the growing number of social media users in India play a critical role in shaping the trajectory of digital platforms, cultures and politics in coming years. However, among many more positive impacts, there seen some negativity as well in social media platform. With lack of proper knowledge, literacy and irresponsibility towards society, social media platform is often being criticised by people.

To meet these issues, IT act was introduced in 2000 and modified time to time depending on new challenges. Recently, on 25th February, 2021, the Ministry of Electronics and Information Technology and the Ministry of Information and Broadcasting declared the 2021 Information Technology Rules (Interim Rules 2021). The aim of the 2021 Interim Rules, which will replace the 2011 Information Technology Rules, is to establish a flexible oversight mechanism for social media platforms.

New rules ask the social media platforms to take down the illegal or false content upon receiving an order form the court or notice from a government authority within 36 hours of issue. Social media companies must remove sexual act or unlawful content which is uploaded in social media. The social media company should identify the so called first originator of content where the authorities consider as anti-nationals. With the implementation of these rules, it helps young users from preventing them from seeing the sensitive content and keep them from bad influences. However, some people believe that there are some negative effects of these new IT rules. They see that when the new IT rules are implemented it affects right to privacy which is article 21 of our Indian constitution because these rules may keep a check on our messages

New Information Technology 2021 rules have both good and bad effects. These rules are another tool in the hands of the government to use authorities to reach people who express an opinion contrary to their ideas and interests. Violation of these rules will result in losing of protection afforded to intermediaries under section 79 of the Information Technology Act 2000 that forces the social media companies to follow the rules.

# জাতীয়তাবাদী আৰু আমি

তৌফিকুৰ ৰহমান
প্ৰাক্তন ছাত্ৰ



জাতীয়তাবাদ হ'ল একোটা জাতিৰ মতাদৰ্শ। ই জাতি বুলি চিহ্নিত কৰা কোনো প্ৰতীক ৰা ধাৰণাৰ লগত কোনো ব্যক্তি বা সমূহৰ গভীৰ সম্পৰ্ক সূচিত কৰে। জাতিৰ 'আধুনিকতাবাদী' ধাৰণা অনুসৰি জাতীয়তাবাদে এক জাতীয় অস্তিত্বৰ সৃষ্টি কৰে। জাতীয়তাবাদ হয়তো বৰ্তমান সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সামাজিক আৰু ৰাজনৈতিক বিষয়। ভাষা নাথাকিলে জাতি এটা জীয়াই নাথাকে। জাতীয় চেতনাৰ গঠন আৰু বিকাশত মাতৃভাষাৰ গভীৰ ভূমিকা আৰু জাতীয়তাবাদ শক্তিশালী কৰিবলৈ হ'লে ভাষা, সংস্কৃতি, জাতীয় দায়বদ্ধতা আমি শক্তিশালী কৰিব লাগিব। সাম্প্ৰতিক কালছোৱাত অসমত মহাপুৰুষসকলে জাতিটোৰ প্ৰতি দায়বদ্ধ হৈ অসমীয়া ভাষা, সংস্কৃতি গঢ় দি থৈছে। অসমীয়া জাতিৰ জনক চাওলুং চ্যুকাফাই অসমত প্ৰৱেশ কৰি অসমীয়া জাতি আৰু অসম ৰাজ্য গঢ় দিয়াৰ আজি কেইবাশ বছৰৰো অধিক কাল অতিক্ৰম কৰিলে। যিগৰাকী মহান পুৰুষে উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-খণ্ডত অসম ৰাজ্যখন গঢ়ি অসমীয়া বুলি এটা জাতি, ভাষা, সংস্কৃতি গঢ় দি থৈ গৈছে। তেনেদৰে আমিও নিজৰ জাতীয় চিন্তাৰে ভাষা, সংস্কৃতিক আগবঢ়াই নি বৃহৎ অসমীয়া জাতিৰ লগতে জাতীয়তাবাদ শক্তিশালী কৰি তুলিব লাগিব। যদি আমাৰ জাতীয়তাবাদ শক্তিশালী নহয় আমি যদি নিজৰ জাতীয় দায়বদ্ধতাৰ ক্ষেত্ৰত সচেতন নহয়, তেনেহলে বিদেশী আগ্ৰাসনে আমাৰ জাতীয় সত্বাক, ভাষা, সংস্কৃতিক থান-বান কৰি পেলাব।

অসমীয়া জাতিৰ জনক চাওলুং চুকাফাই বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ নকৰাহেঁতেন হয়তো এই ভূ-খণ্ডত অসম নামৰ ৰাজ্য এখনৰ আৰু অসমীয়া নামৰ জাতি এটাৰ সৃষ্টি নহ'লহেঁতেন।

অসমীয়া জাতি গঠনত লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীদেৱৰ অৱদান স্বীকাৰ্য। বৃহত্তৰ অসমীয়া জাতি, অসমীয়া সাহিত্য জগতত লক্ষ্মীনাথ বেজবৰুৱাই কৰি যোৱা সৃষ্টিক প্ৰতিজন অসমীয়াই আগবঢ়াই নি জাতীয় ভেটি সুদৃঢ় কৰিব লাগিব। যিগৰাকী সাহিত্যিকে নিজৰ মাতৃভাষাৰ উন্নতিৰ বাবে সাহিত্যৰ সৃষ্টিকে প্ৰত্যাহ্বান হিচাপে লৈছিল। অসমীয়া সাহিত্য জগতৰ লগতে নিজৰ ভাষা, সংস্কৃতিক এই মহান মনিষীসকলে আগবঢ়াই নি অসমীয়া এটা বৃহৎ জাতি হিচাপে চিনাকি দি গৈছে। এই মহান ব্যক্তিসকলৰ ত্যাগক প্ৰতিজন অসমীয়াই জীয়াই ৰাখিব লাগিব।

আমি আমাৰ কৰ্মৰে স্বাৱলম্বী হ'ব লাগিব। আমাৰ উৎপাদিত সামগ্ৰীৰে আমি আন্তৰাষ্ট্ৰীয় বজাৰ দখল কৰিব লাগিব। আমি পথাৰ আৰু বজাৰ দখল কৰিব পাৰিলেহে আমাৰ জাতীয় সত্বাক আগবঢ়াই নিব পাৰিম। দ্বিতীয় মহাযুদ্ধৰ সময়ত বিশ্ব অন্যতম শক্তিশালী দেশ জাপানক





নিমিষৰ ভিতৰতে ধ্বংস কৰি পেলাইছিল। কিন্তু জাপানে সেই প্ৰত্যাহ্বান সাহসেৰে গ্ৰহণ কৰি বিশ্ববাসীক কম সময়ৰ ভিতৰতে তেওঁলোকৰ জাতীয়তা বাদী ভাৱধাৰাক দেখুৱাই দিছিল। দ্বিতীয় মহাযুদ্ধই জাপানৰ অৰ্থনীতিক থান-বান কৰি পেলাইছিল। সেই অৰ্থনীতি পুনৰ উত্থানৰ বাবে জাপান চৰকাৰে প্ৰথম পদক্ষেপ লৈছিল চাউলৰ আমদানিৰ ওপৰত নিষেধাজ্ঞা। জাপান চৰকাৰে কৈছিল জাপানত যিমান সংকট নহওক জাপানে বাহিৰৰ পৰা কোনো চাউল আমদানি কৰিব নোৱাৰিব। জাপানৰ জনগণৰ প্ৰয়োজন হোৱাকৈ নুন্যতম প্ৰয়োজন খিনিৰ উৎপাদন নিজে কৰিব লাগিব। জাপানৰ জনগণৰ শক্তিশালী জাতীয় ভাৱ ধাৰাৰ বাবে জাপানে আজি বিশ্বৰ অৰ্থনীতিত নিজৰ আধিপত্য পুনৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। তেনেদৰে আমি আমাৰ উৎপাদিত সামগ্ৰীৰে এখন আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ ক্ষমতা আছে । আমি চাহপাত আৰু বাঁহ উৎপাদনেৰে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিব পাৰো। চাহপাত আৰু বাঁহ উৎপাদনৰ ক্ষেত্ৰত আমাৰ যথেষ্ট সুবিধা আছে। আমাৰ অসমৰ মাটিত যি চাহপাত উৎপাদন হয়, বিশ্বৰ কোনো দেশতে এনেকৈ চাহপাত উৎপাদনৰ সুবিধা নাই। অসমৰ প্ৰতি এক হেক্টৰ মাটিত প্ৰতিবছৰে দহ টন বাঁহ উৎপাদন কৰিব পাৰি।

এটা জাতি শক্তিশালী হিচাপে জীয়াই থাকিবলৈ হ'লে সেই জাতিতোৰ ভাষা, সংস্কৃতি আৰু জাতীয় চিন্তা শক্তিশালী হৈ থাকিব লাগিব জাতীয় দায়বদ্ধতাইহে এটা জাতিৰ উন্নতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লয়। এটা জাতিৰ ভৱিষ্যত নিৰ্ণয় কৰে জাতিটোৰ ভাষা-সংস্কৃতিয়ে। সেইবাবে সকলো জাতি-জনগোষ্ঠীয়ে নিজৰ স্বকীয় সংস্কৃতি জীয়াই ৰখাৰ স্বাৰ্থত নিজস্ব ভাষা আৰু শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। যদি আমি জাতীয় দায়বদ্ধতাৰে নিজৰ ভাষা, সংস্কৃতি ৰক্ষা নকৰো তেনেহ'লে আমি ভাষা-সংস্কৃতি হেৰুৱাই পৰিচয়ো হেৰুৱাব লাগিব।

# DIGITAL CURRENCY IN INDIA AND ITS CHALLENGES

**Ramani Rajbongshi**
Head Assistant,
Rangia College, Rangia

What is Digital Currency e According to the latest findings, digital currency is any currency money or money like asset that is primarily managed, stored or exchanged on digital computer systems, especially, over the internet. The various types of digital currencies include cryptocurrency, virtual currency and central bank digital currency. Historically, digital currencies were presented in electronic payment methods such as the Sabre (travel reservation system). In 1983, a research paper titled, Blind Signatures for Untraceable Payments by David Chaum introduced the idea of digital cash.

The Digital Rupee (e?) or eINR or E-Rupee is a tokenized digital version of the India Rupee, issued by the Reserve Bank of India (RBI) as a central bank digital currency (CBDC). The Digital Rupee was proposed in January 2017 and launched on 1st December 2022. It is also being called the (e) or the digital rupee, the central bank digital currency (CBDC) aimed at creating an additional option to use money which is not very different from the currently issued bank notes. In fact, the digital rupee is expected to be transacted digitally and facilitate ease of use. CBDC is the electronic version of the nation official currency and is issued by respective country's central bank. In India, the RBI issues this legal tender, also known as the digital rupee. According to United Nations (UN), 7.3% of Indian population owns digital currency according to 2021 data, making India 7th highest in the world.

Trading of crypto currencies is allowed in India, and a tax of 30% is charged on them. However, the status of legal tender is not given to Crytocurrencies and they cannot be used for banking purposes. The most emerging crypto project in India is ranked as the best crypto project in India at this moment with a 2000% surge in its price. 'e' is a digital form of currency and is a legal tender provided by RBI that is similar to physical cash but in digital form.




One positive side of digital currency or e Rupee is that it helps the government achieve a cashless economy. As such, a cashless economy means the convenience of digital transactions and freedom from the risk of carrying and storing cash. One advantage of digital rupee is that it will empower the RBI by providing direct tools to control monetary policy. Directly influenced creation and supply flow using a Digital Rupee will immediately reflect the effects of policy changes instead of relying on commercial banks to make these changes when they deem fit. The recent NBFC crisis resulting in the current downturn in the economy and the PMC Bank scandal which has locked out depositors from withdrawing their funds due to high NPAs are a testament to the fragility of our current banking model. Officially backed digital rupee will empower the regulators to monitor transactions and credit flow across the economy helping them weed out scams and frauds instantly and secure depositors money. Moreover it will help distract investor from the current bunch of crypto assets that are highly risky.

But there are some disadvantages too as every technological invention also comes with some challenges. While they do not require physical wallets, digital currencies have their own set of requirements for storage and processing. For example, an internet connection is necessary as are smart phones and services related to their provisioning. Online wallets with robust security are also necessary to store digital currencies. Their digital provinance makes them susceptible to hacking. Hackers can steal digital currencies from online wallets or change the protocol for digital currencies making them unusable. As the numerous cases of hacks in crypto currencies have proved securing digital systems and currencies is a work in progress.


Finally considering the pros and cons of the use of digital currency in India will give an occasion for India to empower its citizens and enable them to use it freely in our over expanding digital frugality and break free from an outdated banking system. Using digital currency we can complete payments much faster than current means via wire transfers which can take days for financial institutions to confirm a transaction. It is a smart way of dealing old school cash which guarantees cheaper international transfers. Looking into its impact on macro frugality and liquidity, banking systems and plutocrat requests, it's imperative of policy makers to completely consider the prospects of Digital Rupee in India.

**References:**

1. Reza Syahrul Tissa, A Study on Digital Currency : The Safety of Future Money ,July 2018
2. http://dristiias.com/print pdf/digital-rupee.

# ৰঙিয়াৰ প্ৰাচীন পুখুৰীবোৰৰ ঐতিহ্য

**পবিন কলিতা**
প্ৰাক্তন ছাত্ৰ, দ্বিতীয় বৰ্ষ
ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া
অৱসৰপ্ৰাপ্ত অধ্যাপক



ৰঙিয়া তথা উত্তৰ কামৰূপ জিলা অঞ্চলত অৱস্থিত প্ৰাচীন ঐতিহ্যৰ গুৰুত্বপূৰ্ণ নিদৰ্শন হ'ল, অসংখ্য সৰু-বৰ পুখুৰীসমূহ। বৰপুখুৰীবিলাক এতিয়াও জীৱন্ত অৱস্থাত ব্যৱহাৰৰ উপযুক্ত হৈ আছে, কিছুমান পিতনিত পৰিণত হৈছে, দুই-এটিত মাটিৰ পট্টা কৰি দখল কৰা গৈছে। মন কৰিবলগীয়া কথা যে একালত ৰঙিয়া অঞ্চলতে নহয়, দৰং জিলাৰ পৰা গৌৰ দেশ (মালডা) লৈকে ব্ৰহ্মপুত্ৰৰ উত্তৰ অঞ্চলটোত এনে অসংখ্য পুখুৰী পোৱা যায়। প্ৰৱন্ধটিত ৰঙিয়া অঞ্চলত থকা প্ৰাচীনকালৰ কেইটিমান পুখুৰীৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। ইয়াৰ ভিতৰত অন্যতম হৈছে, জয়ন্তীপুৰ আৰু বালিসত্ৰত থকা দিগিৰ পুখুৰী দুটা, উদিয়ানা, ভাতকুছি, গৰিয়াকোঠ, সীতাৰা, চোলাপাৰা, কমলপুৰৰ অপতি, চাপতি পুখুৰী, গুৰকুছিৰ সুৱা দুৱা পুখুৰী আৰু বহু পুখুৰীৰ নাম উল্লেখ কৰা হোৱা নাই। পুখুৰীবিলাকৰ ভিতৰত বৃহত্তম হৈছে বৰপুখুৰী। পুখুৰীটো নিজ চকুৰে চাইছো। পুখুৰীসমূহ ৰঙিয়াৰ ওচৰে-পাজৰে থকা গাঁওসমূহত অৱস্থিত। বৰপুখুৰীটো দীঘল-বহল নিজে মিটাৰ মাৰি জুখিছিলো ১০০০×১০০০ ফুট দীঘল আৰু বহল। পাৰসমূহ ২০০ ফুট বহল, ২০ৰ পৰা ২৫ ফুট ওখ হ'ব। পুখুৰীটোৰ গভীৰতা ইমান যে তাৰ মাৰিলেও তলি লগ পোৱা নাযায়। ভিতৰফালটো খহি যোৱাৰ পৰা ৰক্ষা কৰাৰ কাৰণে বৈজ্ঞানিকভাৱে তিনি খলপীয়াকৈ খন্দা হৈছে। পুখুৰীটো বৰ্তমানে জলাশয় হিচাপে পোৱা যায়। গভীৰ পুখুৰীটো ৰাইজে ৰাজহুৱাভাৱে মাছ পোহা আৰু উৎপাদন কৰাৰ সমল হিচাপে লৈছে। নোনা আৰু বৰলীয়া নদীৰ সংগম স্থানত অৱস্থিত কাৰণে যাতায়তৰ অভাৱ হেতুকে মানুহে গম নাপায় বা দেখা নাই। বৰপুখুৰীটোৰ ৰক্ষকজনে আমাক দেখুওৱা মতে পাৰটোৰ ওচৰত এটি নলী খান্দোতে মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। ধ্বাসাবশেষে প্ৰমাণ দিয়ে যে প্ৰাচীনকালত ঠাইডোখৰ ধৰ্ম আৰু সংস্কৃতিৰ ৰংগমঞ্চ আছিল।

প্ৰাচীন কালত পুখুৰী খান্দি সমাজসেৱা আৰু ধৰ্ম কৰা মানুহৰ বা শাসকসকলৰ কৰ্তব্যৰ ঘৰত পৰিছিল। প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই গুৱাহাটীৰ দীঘলীপুখুৰী খন্দাই ৰাইজৰ মহা উপকাৰ সাধিছিল। খ্ৰীষ্টাব্দ পূৰ্ব দুশবছৰ আগতে ভাৰতৰ বিশ্ববিখ্যাত বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষক মহাৰাজ অশোকে পুখুৰী খান্দি, আলিপথ নিৰ্মাণ কৰি লগতে ঠায়ে ঠায়ে আশ্ৰম পাতি জনসেৱা আগবঢ়োৱাৰ কথা ঐতিহাসিক। ওপৰত উল্লেখিত পুখুৰীসমূহ নিশ্চয় উদ্দেশ্য প্ৰণোদিতভাৱে ৰাইজৰ সেৱাৰ কাৰণে খুন্দা হৈছিল। বুৰঞ্জীৰ তথ্যমতে কামৰূপৰ পাল বংশৰ ৰজাসকল বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষক হোৱা হেতুকে পুখুৰীবিলাক ধৰ্ম আৰু সমাজসেৱাৰ কাৰ্যসূচীত ৰাখিছিল। অৱশ্যে ৰঙিয়াৰ ৰজা বৈদ্যদেৱ আৰু আৰিমত্তয়ো দুই-এটি পুখুৰী খন্দাৰ সম্পৰ্কত জড়িত নাছিল বুলি ক'ব নোৱাৰি। সি যি কি নহওঁক পুখুৰীবিলাকৰ সময় আৰু পৃষ্ঠপোষকসকলক উদ্ধাৰ কৰাটো প্ৰাক্তন বুৰঞ্জীৰ অধ্যাপক হিচাপে দায়িত্ব আছে বুলি ভাবো। সেইহেতুকে অলপ অসম বুৰঞ্জী খুচৰি চাওঁ। কিছু উদ্ধাৰ কৰাৰ যত্ন কৰো।

পুখুৰীবিলাকৰ ওপৰত গৱেষণা আৰু প্ৰচাৰ নোহোৱা কাৰণে ঠাইখণ্ডৰ প্ৰাচীন ঐতিহ্য উদ্‌ঘাটন কৰিব পৰা হোৱা নাই।





প্ৰশ্ন হৈছে কোনে, কেতিয়া আৰু কিয় এই পুখুৰীবিলাক খন্দাইছিল। কামৰূপ বুৰঞ্জীত কৰ্মবিকাশৰ আন্দোলন বিচাৰি চালে বিশ্ৰুতভাৱে ক'ব পাৰি। ইতিহাসে নিশ্চিত কৰিছে যে পুখুৰীবিলাক কামৰূপ বুৰঞ্জীৰ প্ৰাচীন খণ্ডত খন্দা গৈছিল। অনুমান এহাজাৰ বছৰ আগতে। প্ৰাচীন কামৰূপ দেশৰ ৰাজনৈতিক বুৰঞ্জীত পোৱা যায় প্ৰথম শতিকাত পুষ্য মিত্ৰ বৰ্মনক প্ৰথম ৰজা হিচাবে প্ৰথম শতিকাত চিহ্নিত কৰা আছে। নিধানপুৰ শলিয়ে এই কথা কৈছে। প্ৰথম শতিকাৰ পৰা ৬৫০ শতিকালৈ বৰ্মন বংশৰ ৰজাসকলে কামৰূপ ৰাজ্যত শাসন কৰিছিল। ইয়াৰ ভিতৰত ভাস্কৰ বৰ্মা আছিল শ্ৰেষ্ঠ ৰজা। ৬৫০ খ্ৰীষ্টাব্দৰ পৰা ১৯০ চনলৈ কামৰূপত শালস্তম্ভ বংশই শাসন চলাইছিল। তেখেতসকলৰ ৰাজধানী আছিল বৰ্তমানৰ তেজপুৰ, আগৰ হৰুপেশ্বৰ। ৯৯০ চনৰ পৰা ১১২৫ চনলৈ কামৰূপ ৰাজ্যত পাল বংশৰ ৰজাসকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজ্য বিস্তাৰ কৰিছিল গৌৰলৈ। বৰ্তমানৰ উত্তৰ গুৱাহাটীত 'কামৰূপ নগৰ' নামে এখনি ৰাজধানী পাতি ৰাজত্ব চলাইছিল। পাল বংশৰ ৰজাসকলৰ শাসনৰ দিনতে ৰঙিয়া অঞ্চলটো প্ৰত্যক্ষভাৱে কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। পাল বংশৰ ৰজাসকল আছিল বৌদ্ধ ধৰ্মৰ ধৰ্মাৱলম্বী লোক আৰু পৃষ্ঠপোষক। এই বিষয়ত বৌদ্ধ পণ্ডিত, লেখক দেবেন চন্দ্ৰ তালুকদাৰদেৱে তেখেতৰ গ্ৰন্থ 'কাম্য কামৰূপ'ৰ পৃষ্ঠা ৪৩৩ত লিখিছে— পাতিদৰং মৌজাৰ বৰ পানাৰা গাঁৱৰ তনুৰাম নাম নামৰ এজন খেতিয়কে হাতী মাৰ্কা ছীল মোহৰেৰে খোদিত তিনিখন ফলি মাটিৰ তলত পাইছিল। তনুৰামৰ পৰা তেখেতৰ আত্মীয় ধৰ্মপাল মণ্ডলে আনে। ৩০ বছৰ পিছত ইয়াৰ সন্ধান পায় এডৱাৰ্ড চাহাবে হাত কৰি লৈছিল ১৮৬৭ খৃষ্টাব্দত। হাতী মাৰ্কা ছীল মোহৰ মানে বৌদ্ধ ধৰ্মৰ প্ৰতীক। হাতী আছিল বৌদ্ধ ধৰ্ম বিশ্বাসীসকলৰ চিন। পাল বংশৰ ৰজাসকল আছিল মহাজন পন্থী। তান্ত্ৰিক বৌদ্ধধৰ্মৰ পৃষ্ঠপোষক, বজ্ৰায়ন, সহজীয়া আৰু বামাচাৰী ধৰ্মৰ বিশ্বাসী লোক। দেখা যায় অঞ্চলটোত পাল বংশৰ ৰাজত্বকালত বৌদ্ধ ধৰ্মই এককভাৱে বিস্তাৰ লাভ কৰিছিল। এই কাৰণে বৃহৎ ৰঙিয়া অঞ্চলত বৌদ্ধ ধৰ্মৰ পৰম্পৰাত গঢ়ি উঠা ভকত সেৱা আৰু ৰাতি খোৱাৰ ব্যৱস্থা আজিলৈকে চেগা চোৰোকাকৈ চলি আছে। দৈব্যচন্দ্ৰ তালুকদাৰদেৱে তেখেতৰ গ্ৰন্থ পৃষ্ঠা ৪৫১ত আকৌ লিখিছে কামৰূপ, উদিয়ানা আৰু পূৰ্ণগিৰিত এই ধৰ্মৰ কেন্দ্ৰ আছিল।" উদিয়ানা প্ৰাচীন কামৰূপ ৰাজ্যৰ এখনি প্ৰখ্যাত তান্ত্ৰিক কেন্দ্ৰৰ স্থান। উদিয়ানা ৰঙিয়া চাৰ্কোলৰ এখন ডাঙৰ গাঁও। পাল বংশৰ ৰজা ধৰ্মপালৰ ফলিত পাণ্ডুৰী নামৰ কথা উল্লেখ আছে।

বৰ্তমান পাণ্ডুৰী এখন মৌজা। গতিকে নিশ্চিতভাৱে ক'ব পাৰি যে পাল বংশৰ ৰজাসকলৰ দিনত মদন কামদেৱ বৌদ্ধ মন্দিৰটো নিৰ্মাণ কৰা হৈছিল। পাল বংশৰ শ্ৰেষ্ঠ ৰজা ইন্দ্ৰ পালৰ দিনত বৌদ্ধ মন্দিৰ বিলাকৰ কাৰ্যৰ আৰম্ভণি ঐতিহাসিক ভাৱে পোৱা যায় যে ১০৩০-১১২৫ চনৰ ভিতৰত হ'ব। ৰঙিয়া অঞ্চলৰ পুখুৰীবিলাক নিশ্চয় ধৰ্মীয় আৰু সমাজসেৱাৰ অৰ্থে উক্ত সময়ত খন্দা বুলি ভাবিব পাৰি।

উল্লেখযোগ্য যে পাল বংশৰ শেষ ৰজা জয় পালৰ দিনত গৌৰৰ ৰজা ৰামপালৰ সেনাপতি বৈদ্যদেৱে কামৰূপ ৰাজ্য আক্ৰমণ কৰি জয় কৰিছিল। বৈদ্যদেৱে ৰজা হিচাপে ১১৩০ চনৰ পৰা কামৰূপত শাসন চলাইছিল। দেখা যায় ১১৩০ চনৰ পৰা ৰঙিয়া কামৰূপ ৰাজ্যৰ ৰাজধানীলৈ পৰিণত হৈছিল। পুখুৰীবিলাকে অঞ্চলটোৰ জনবহুলতা, সমৃদ্ধি আৰু সংস্কৃতিৰ পৰিচয় দিছিল। ১২০৫ চনত হোৱা বখতিয়াৰ খিলিজীৰ আক্ৰমণে অঞ্চলটোক ধ্বংস কৰা ঐতিহাসিক ভাৱে স্বীকৃত। ১৩৬৫ চনৰ পৰা ১৩৮৫ চনলৈ কামৰূপ কমতা ৰাজ্যৰ ৰজা আছিল আৰিমত্ত। তেখেতেও ৰঙিয়াত ৰাজধানী পাতি শাসন চলাইছিল। ৰঙিয়াৰ উত্তৰে থকা বৈদ্যদেৱ আৰু আৰিমত্তৰ গড়টোৱে এতিয়াও সাক্ষী বহন কৰি আছে।

পুখুৰীবিলাক পাল বংশৰ ৰজা, বৈদ্যদেৱ আৰু আৰিমত্ত ৰাজনৈতিকভাৱে সংযুক্ত আছে বুলি ক'ব পাৰো। বৰ্তমানে অসমৰ শাসকসকলে ৰাজনৈতিকভাৱে পুখুৰীবোৰ ৰক্ষণাবেক্ষণ দিয়া অতীৱ দৰকাৰ। অন্যথা ঐতিহ্য হেৰাই যাব, আমি সকলো হেৰাই যাম।


# মোহ

**কিন্নৰী ৰাভা**
অৰ্থনীতি বিভাগ
স্নাতোকোত্তৰ তৃতীয় ষান্মাসিক

আপুনি যদি হঠাৎ গম পাই যে আপোনাৰ হাতত জীৱনৰ মাথো দুটাদিনহে বাকী আছে, তেনে সময়ত আপুনি কি কৰিব? হয়তো প্ৰথমে ভাঙি পৰিব। তাৰ পিছত আপোনসকলক চকুৰ সন্মুখত বিচাৰি হাহাকাৰ কৰিব। তাৰ পিছত? তাৰ পিছত কি? আপোনাৰ হাতত থকা দুটাকৈ দিন আপুনি কি কৰি কটাবলৈ পছন্দ কৰিব?

কিবা এটা বস্তু কমকৈ থকা বুলি জানিলে অথবা বস্তু এটা নোহোৱা হৈ, শেষ হৈ গৈ আছে বুলি জনাৰ পিছত সেই নিৰ্দিষ্ট বস্তুটোৰ প্ৰতি আমাৰ এক তীব্ৰ মোহৰ জন্ম হয়। এয়া নিশ্চয় প্ৰাকৃতিক। আনকি গুৰুত্বহীন বস্তু এটা নোহোৱা হৈ গ'লেও আমি এবাৰলৈ হুমুনিয়াহ কাঢ়ো। তেনে ক্ষেত্ৰত যেতিয়া নিজৰ আয়ুসটোৱেই কমি আহি আছে বুলি উপলব্ধি হয়, তেতিয়া বাৰু কি কি বিষয়ৰ প্ৰতি এই 'মোহ' তীব্ৰতৰ হৈ উঠিব পাৰে?

আপুনি যি বয়সৰেই নহওঁক, সেই সময়ত আপোনাক এই জগতৰ সমস্ত মোহে আগুৰি ধৰিবই ধৰিব। কৰিম কৰিম বুলি মনত পুহি ৰখা অলেখ কামৰ দীঘলীয়া তালিকাখন আপুনি বাৰে বাৰে উনুকিয়াব। কোনটো আগত কৰিব, কোনটো পিছত কৰিলে ভাল হ'ব! আপুনি কায়িকভাৱে সক্ষম হওঁক বা নহওঁক, আপোনাৰ অনিবাৰ্য মৃত্যু বতৰাই মনটোক অসংখ্য কামলৈ পাচিব।



মৃত্যুলৈ ভয় কৰা মানুহৰ জীৱনলৈ মোহ বেছি; এই কথাষাৰতকৈ জীৱন ভাল পোৱা মানুহৰ মৃত্যুলৈ ভয় বেছি, এই কথাষাৰ বেছি ধনাত্মক যেন অনুভৱ হয়। মৃত্যুক ভয় কৰিহে জীয়াই থকাতকৈ জীৱনটোৰ প্ৰেমত পৰি মৰিবলৈ ভয় কৰা জীৱনটো বহুগুণেই শ্ৰেষ্ঠ। কথাষাৰ হয়তো এবাৰতেই উপলব্ধি কৰিবলৈ টান।

মৃত্যুলৈ ভয় নকৰা মানুহ বৰ্তমান সময়ত মৰুত পানী বিচৰাৰ লেখীয়া হ'ব। পূৰ্বৰ সাধু সন্যাসীসকলে মৃত্যুলৈ ভয় কৰা নাছিল বুলি গল্পয়ে কিতাপে পঢ়ি-শুনি আহিছো। অৰ্থাৎ তেনেলোকৰ জীৱনৰ প্ৰতি মোহ নাই। যদি কোনো মোহেই নাই তেন্তে জীৱনটোত আন একো কৰিবলগীয়া হয়তো নাই! মোহ বুলিলে প্ৰথমেই ঋণাত্মক ধাৰণা এটাই চুই যায়। দ কৈ ভাৱিলেহে বুজা যায়, জীৱন ধৰা মানেই মোহাৱিষ্ট হোৱা। আপুনি আজিতকৈ কালিলৈ বেছি ভাল হ'ব খোজাটোও মোহ। কালিতকৈ আজি বেছি সুখী হ'ব খোজাটো মোহ। আৰু কালিৰ সমানেই আজিও বিচাৰি থকাটোও এক মোহ। এই যে দুখ-কষ্ট আপোনাৰ কাম্য নহয়, সেয়াই মোহ।

এবাৰ এগৰাকী শিক্ষাগুৰুৱে মোক কোৱা মনত পৰে, ধনী দুখীয়া কুৎসিত ডাঙৰ সৰু ইত্যাদি বিশেষণ বুজোৱা শব্দবোৰ কেতিয়াও তুলনাৰ বাবে ব্যৱহাৰ কৰিবই নালাগে। আপুনি যদি ধুনীয়া, তেন্তে কেৱল "আপুনি ধুনীয়া", ইয়াৰ পিছত "অমুকতকৈ ধুনীয়া" বুলি কোনো বাক্যৰ নেগুৰ এডালৰ প্ৰয়োজন নাই। কাৰণ তেনেদৰে ভাবিবলৈ হ'লে আপুনি আকৌ অইন কাৰোবাতকৈ কুৎসিৎ হৈ পৰিব। চাবলৈ গ'লে মোহ শব্দটোও ঠিক তেনেকুৱাই। মই ৫ মহলীয়া অট্টালিকাত থাকিবলৈ কৰা মোহ আৰু আপুনি ভাতৰ লগত খাবলৈ বোন্দা পৰ দি ধৰি অনা পুখুৰীৰ মাছটোৰ মোহ একেই। আপোনাৰ মোহৰ লগত অইন এজনৰ মোহ তুলনা নহ'ব। মোহ মোহেই। সকলো মোহেই আপোনাক কালিৰ সপোন দেখুৱাই, পাহৰাই পেলায় যে মৃত্যুয়ে আপোনাৰ মোহ চাই সময়তকৈ পলম নকৰে।

কিন্তু আপোনাৰ মোহে আনৰ অনিষ্ট কৰি আপোনাক তৃপ্তি দিয়াটো জানো একেই মোহ হ'ব! যি মোহত অন্ধ হৈ আপুনি মই বিবেক পাহৰি জীৱন জীয়াৰ নতুন তৃপ্তি আৱিষ্কাৰ কৰিম সেই মোহে জীয়াই থাকিবলৈ প্ৰেৰণা যোগোৱাতকৈ মৃত্যুয়ে শ্ৰেয়।

এইখিনিলৈ লিখি থাকোতে মোৰ উপলব্ধি হৈছে, মোহ আৰু মৃত্যুৰ এক আঁচহুৱা সম্বন্ধ নাইনে! মোহে আমাৰ চিৰসত্য মৃত্যুক পাহৰাই কত কি সপোন ৰচে। ইফালে মোহেই কেতিয়াবা আমাৰ জীৱনতকৈ মৃত্যুয়েই শ্ৰেষ্ঠ হ'ব বুলি সংবিধানৰ পৃষ্ঠাত দোহাই যায়। মৃত্যু আমাৰ জ্ঞাত নহয় বাবেই প্ৰতিদিনেই সকলোৱে একোটা মোহ বুকুত বান্ধি আগবাঢ়ি থাকো। মোহ এৰা টান। ভাৱিলে যথেষ্ট টান সেয়ে মোহে আৱৰাৰ আগতেই আমাৰ বিশ্লেষণৰ প্ৰয়োজন; যি মোহে আপোনাক আজি শুৱাই কালিলৈ পুনৰ সাৰ পোৱাব সেই মোহে আপোনাক কি দিব আৰু আনৰ কি আজুৰিব।

মোহিত মেদিনীৰ মৃন্ময় মালা
জীয়াই জীয়াই তুমি কত বাৰ জীয়াবা?
পিয়াহে পিয়া প্ৰাপ্য-পাপ
তুমি কিমান বাৰ জুখি মাখি চাবা?
লাস লাৱণ্য লজ্জা লুটি
এদিন সকলোটো এৰিয়েই যাবা!
তথাপিও তিস্তিবা তিক্ত তপস্যা....

আচলতে জীৱনটো এক তপস্যাই। এই তপস্যাৰ উদ্দেশ্য হ'ল মোহ।

আপুনি বাৰু কেতিয়াবা ভাৱি চাইছেনে আপোনাৰ মোহে কাৰ তপস্যাত কেনে প্ৰভাৱ পেলাইছে....? ❑

# আজিৰ সময়ত বেদৰ তাৎপৰ্য

**ধৃতিস্মিতা কলিতা**
তৃতীয় ষাণ্মাসিক



বেদসমূহক হিন্দু ধৰ্মৰ আটাইবোৰ পৱিত্ৰ গ্ৰন্থসমূহৰ ভিতৰত অন্যতম বুলি গণ্য কৰা হয়। বেদসমূহক বিশ্বৰ আটাইতকৈ পুৰণি গ্ৰন্থসমূহৰ ভিতৰত ধৰা হয়। বেদক জ্ঞান আৰু জ্ঞানৰ সম্পদ বুলি কোৱা হয়। মনকৰিবলীয়া যে ব্ৰাহ্মণ জগতৰ বাহ্যিক মাত্ৰাত বেদ চিৰন্তন আৰু কম্পনশীল।

বেদসমূহক সৃষ্টিৰ বিন্দু বুলি কোৱা হয়। 'বেদ' শব্দৰ অৰ্থ জ্ঞান, যিটো মানৱতাৰ অস্তিত্বৰ গোপন ধাৰণা। বেদে মানৱ অস্তিত্বৰ কাৰণ, কাৰ্য আৰু প্ৰতিক্ৰিয়াক এনেদৰে প্ৰকট কৰে, যিয়ে মুক্তি বা নিৰ্বাণক আগুৱাই নিয়ে। বেদ ঈশ্বৰীয় প্ৰকৃতিৰ দ্বাৰা সম্বন্ধিত হয় আৰু কোনো বিশেষ ঈশ্বৰ বা বিচাৰলৈকে সীমিত নহয়। প্ৰাচীন ঋষিসকলৰ মতে বেদৰ ধাৰণাটো সদায় আছিল আৰু ই সময়ৰ ধাৰণাটোৰ বাহিৰত। বেদসমূহক সাধাৰণতে মৌখিক ৰূপত এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ প্ৰচাৰ কৰা হৈছিল, যেতিয়ালৈকে ১৫০০ খ্ৰীষ্টাপূৰ্বৰ পৰা ৬০০ খ্ৰীষ্টপূৰ্বৰ মাজত ইয়াক লিখিত ৰূপ দিয়া হোৱা নাছিল— ভাৰতৰ তথাকথিত বৈদিক কাল।

বেদ কেইবাহাজাৰ সূক্তৰ সংগ্ৰহ, যি ঈশ্বৰীয় ৰহস্য উদ্‌ঘাটনৰ বাহিৰে আন একো নহয়। এই ৰহস্য উদ্‌ঘাটন ভজনৰ ৰূপত আছিল। বেদসমূহৰ মূল এক এনে সময়ৰ পৰা সূত্ৰপাত হৈছিল, যেতিয়া এটাই সাৰ্বভৌমিক ভাষা আছিল আৰু কোনো লিপি নাছিল।

"বেদসমূহৰ এক প্ৰমুখ ভাগ হ'ল ভজন, যাৰ উচ্চাৰণ গাম্ভীৰ্যতাৰে সৈতে কৰিব লাগে। কিয়নো মন্ত্ৰসমূহৰ আধ্যাত্মিক মহত্ব আছে। মন্ত্ৰসমূহৰ উচ্চাৰণৰ পৰা লাভকাৰী স্পন্দন উৎপন্ন হয়, যিয়ে কল্যাণ আৰু আৰোগ্যতা সুনিশ্চিত কৰে। ইয়াক চিকিৎসামূলক অৰ্থাৎ ৰোগ নিৰাময় সম্পৰ্কীয় অনুভৱ বুলি ক'ব পৰা যায়।"

বেদসমূহৰ বিষয়ে এক আমোদজনক তথ্য এই যে গীতসমূহৰ উপৰিও মন্ত্ৰসমূহৰ ধ্বনিৰো এক অৰ্থ থাকে। ধ্বনি আৰু গীত সময়ৰ সৈতে একেলগত সংলগ্ন হয়, যিয়ে ভ্ৰষ্টাচাৰ আৰু উৎপৰিৱৰ্তনক অৱজ্ঞা কৰে। বেদে অজ্ঞাত আৰু অনন্ত কালৰ সত্যতা সম্পৰ্কে শিকায়।

ইয়াত ব্ৰহ্মাণ্ডৰ নিৰ্মাণ, সংৰক্ষণ আৰু অন্তিম বিঘটনৰ কাম কৰা হয়। বেদে আত্মাৰ বিকাশ, নিয়তি, বন্ধন, আৰু স্বতন্ত্ৰতাৰ লগতো মোকাবিলা কৰে। মুক্তি অৱশ্যম্ভাৱী হয় আৰু বিস্মৰণো।

বেদসমূহে মনুষ্যৰ চেতনাৰ প্ৰতি অৱহেলিত আৰু মানুহৰ দৈনন্দিন চেতনাৰ অৱস্থাৰ মাজত থকা ব্যৱধান দূৰ কৰে। বেদে এই কথাৰ সম্বন্ধে যুক্তি আগবঢ়ায় যে পদাৰ্থ আৰু আত্মা, ব্ৰহ্মাণ্ড আৰু জীৱিত প্ৰাণীসমূহৰ মাজত এক গভীৰ সম্বন্ধ আছে, যাৰ ওচৰত সকলো সাংসাৰিক সমস্যাসমূহৰ উত্তৰ আছে।

**বেদৰ বিষয় বস্তু ঃ**

বেদৰ চাৰিটা বিশিষ্ট অংশ আছে, যাক কালানুক্ৰমিক ৰূপত ব্যৱস্থিত কৰা হয়। এই অংশসমূহক তলত আলোচনা কৰা হ'ল—

**সংহিতা ঃ** সংহিতা বেদসমূহৰ আটাইতকৈ পুৰণি অংশ, যি প্ৰধানকৈ ঈশ্বৰৰ প্ৰশংসাৰ ভজন আৰু প্ৰাৰ্থনাৰে গঠিত।



উনপঞ্চাশ সংখ্যক ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

**ব্ৰাহ্মণ ঃ** ব্ৰাহ্মণসমূহ প্ৰধানকৈ প্ৰাৰ্থনাসমূহৰ এক হাতপুথি যাৰ দ্বাৰা পূজাৰীসকলক তেওঁলোকৰ আচাৰ-অনুষ্ঠানত পথ-প্ৰদৰ্শন কৰিব পৰা যায়।

**আৰণ্যক ঃ** আৰণ্যকসমূহ অনিবাৰ্যভাৱে পূজা আৰু ধ্যানৰ সৈতে সম্বন্ধিত।

**উপনিষদ ঃ** উপনিষদত হিন্দু ধৰ্মৰ ৰহস্যসমূহ আৰু দাৰ্শনিক শিক্ষা সন্নিবিষ্ট কৰা হৈছে।

**বেদৰ প্ৰকাৰ ঃ**

বেদৰ অংশ সংহিতাক চাৰিটা বেলেগ বেলেগ প্ৰকাৰত বিভাজিত কৰা হয়, সেইবোৰ হ'ল— ঋক্‌বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। তলত এই প্ৰকাৰসমূহৰ চমু আভাস দিয়া হ'ল।

**ঋক্‌বেদ ঃ** ই বেদৰ প্ৰাচীনতম ৰূপ। ঋক্‌বেদত ১০২৮ টা সূক্ত আছে। ঋক্‌বেদ ১৮০০-১১০০ খ্ৰীষ্টপূৰ্বৰ মাজত লিখা হৈছিল আৰু ই বৈদিক সংস্কৃত পাঠৰ আটাইতকৈ পুৰণি গ্ৰন্থ। 'ঋক্‌বেদ'ৰ শাব্দিক অৰ্থ হ'ল 'স্তুতি জ্ঞান'। ইয়াত প্ৰায় ১০৬০০টা শ্লোক আছে। ঋক্‌বেদৰ মন্ত্ৰসমূহত অগ্নি, ইন্দ্ৰ সহিত আন দেৱতাসকলৰ বিষয়ে কোৱা হয়। ঋক্‌বেদৰ মন্ত্ৰ ৰচনা কৰোতে গায়ত্ৰী, অনুষ্টুপ, ত্ৰিষ্টুপ আৰু জগতী এই ছন্দসমূহৰ ব্যৱহাৰ কৰা হৈছিল। ঋক্‌বেদৰ ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ এইসকলোবোৰ দুখনকৈ আছে।

**সামবেদ ঃ** সামবেদৰ মূল ১২০০-৮০০ খ্ৰীষ্টপূৰ্বৰ পৰা পোৱা যায়। এই বেদ অনিবাৰ্যৰূপত সাৰ্বজনিক পূজাৰ লগত সম্বন্ধিত। সামবেদত প্ৰায় ১৫৪৯ টা শ্লোক আছে, যাৰ ৭৫ টা শ্লোক ঋক্‌বেদৰ পৰা লোৱা হৈছে। ইয়াৰ ব্ৰাহ্মণ ৮ খন, আৰণ্যক ১খন আৰু উপনিষদ ২খন। ইয়াক ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু নৃত্যৰ মূল বুলি মনা হয়। সামবেদ হ'ল মধূৰ ভজন আৰু মন্ত্ৰৰ ভাণ্ডাৰ। সামবেদৰ অধ্যয়ন কৰাতো সিমান জৰুৰী নহয়, ই এক মিউজিকেল স্ক'ৰ যাক শুনাৰ আৱশ্যকতা বেছি।

**যজুৰ্বেদ ঃ** যজুৰ্বেদ প্ৰায় সামবেদৰ সমান সময়ৰেখাত লিখা হৈছিল, যি ১১০০-৮০০ খ্ৰীষ্টপূৰ্বৰ ভিতৰত আছিল। ই সৰ্বশক্তিমান আৰু জ্ঞানৰ বাবে আচাৰ-ব্যৱহাৰ, মন্ত্ৰ আৰু গীতৰ ভাণ্ডাৰ। যজুৰ্বেদৰ অৰ্থ হ'ল 'জ্ঞানৰ পূজা'। যজুৰ্বেদ দুই প্ৰকাৰৰ— কৃষ্ণযজুৰ্বেদ, আৰু শুক্লযজুৰ্বেদ। সবাতোকৈ পুৰণি সংস্কৰণত ১৮৭৫ টা শ্লোক আছে, যিবোৰৰ প্ৰায়ভাগ ঋক্‌বেদৰ পৰা লোৱা হৈছে। ইয়াৰ ব্ৰাহ্মণ দুখন, আৰণ্যক দুখন আৰু উপনিষদ পাঁচখন।

**অথৰ্ববেদ ঃ** অথৰ্ববেদ ১০০০-৮০০টা খ্ৰীষ্টপূৰ্বৰ হয়। অথৰ্ববেদ দৈনিক প্ৰক্ৰিয়াসমূহ বা জীৱনৰ আচাৰ সংহিতা আৰু ইয়াৰ বিভিন্ন কামৰ গঠন কৰে। ইয়াত মুখ্য ৰূপত ৬০০ মন্ত্ৰ আছে। এই বেদ ইয়াৰ যাদুকৰী সূত্ৰবিলাকৰ বাবে জনা যায়। ইয়াত তিনিখন উপনিষদ আৰু এখন ব্ৰাহ্মণ আছে, আৰণ্যক নাই। পদ্য আৰু গদ্য উভয়বিধ মন্ত্ৰই ইয়াত আছে, তাৰ ভিতৰত পদ্যই বেছি আৰু ছয়ভাগৰ এভাগ গদ্যত ৰচিত পঞ্চদশ আৰু ষোড়শ কাণ্ড গদ্যত ৰচিত। পদ্যাত্মক মন্ত্ৰত ঋক্‌মন্ত্ৰৰ লক্ষণ আৰু গদ্যত ৰচিত মন্ত্ৰত যজু ঃ মন্ত্ৰৰ লক্ষণ দেখিবলৈ পোৱা যায়।

বেদসমূহে জীৱনৰ অৰ্থ দিয়ে আৰু জীৱনক ধৰ্ম বা ধৰ্মৰ পথত লৈ যোৱাৰ ৰূপৰেখা প্ৰদান কৰে। বেদসমূহ সংস্কৃত সাহিত্যৰ সবাতোকৈ পুৰণি স্তৰ। কিন্তু আমাৰ বেছিভাগৰে আমাৰ পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি মুক বধিৰ মনোভাৱ আছে, যিটো নিন্দনীয়। গতিকে ভাৰতীয় সংস্কৃতিৰ এনে এক সুপ্ত অংশ মুকলি বাহু আৰু এক অনন্য চিন্তাৰে অনুভূত জীৱনৰ জৰিয়তে গ্ৰহণ কৰাৰ সময় আহি পৰিছে। ❑

# এখিলা সেউজীয়া পাত আৰু মৰমৰ মহাবিদ্যালয়খন

বিজয় দাস
পঞ্চম ষান্মাসিক




আজি এই বৰ্ষৰ মে মাহৰ ৭ তাৰিখ। মই এতিয়া কথাখিনি লিখি থকাৰ সময়ত মই আমাৰ ঘৰৰ মোৰ বিছনাখনৰ ওপৰতে বাগৰি আছোঁ। কিন্তু মই যিখিনি কথা এতিয়া লিখিবলৈ ওলাইছো, সেই কথাখিনি আজি ৰাতিপুৱাৰ সময়তে হৈ যোৱা মোৰ জীৱনৰ এটি ভাললগা মুহূৰ্ত। বৰ আলসুৱা এটি জীপাল অনুভৱ। আগতকৈ অলপ সুকীয়া। আগতকৈ অলপ আৰু ধুনীয়া।

এতিয়া সেই আগৰ কেইটামান ঘণ্টা আকৌ পিছুৱাই গৈ কথাখিনি বৰ্ত্তমানত ভাবি ভাবি মোৰ অনুভৱখিনিক আপোনালোকে পঢ়িব পৰাকৈ লিখিবলৈ ওলাইছো।

মই এজন ৰঙিয়া মহাবিদ্যালয় অধ্যয়নৰত ছাত্ৰ। আজি আমাৰ ৰাতিপুৱা ন' বজাতে Inorganic Chemistry-ৰ ক্লাছ এটা আছে। যিহেতু মই ৰুমত থাকো; ঘৰত যিমান সোনকালে ৰাতিপুৱা উঠিলেওঁ ৰুমত থাকিলে সেই সময়ত উঠিবলৈ মন নাযায়। আজি উঠোতেও আন দিনৰ দৰেই অলপ পলম হ'ল। ততাতৈয়াকৈ চাহ একাপ খাই; গা-পা ধুই আহি কলেজলৈ বুলি যাব ওলাই; লগৰ জনৰ লগত ৰুমৰ পৰা ৯ বাজিব ১৫ মিনিট মান থাকোতেই কলেজলৈ বুলি আগবাঢ়িলোঁ।

ৰুমৰ পৰা কলেজলৈ খোজকাঢ়ি গ'লে প্ৰায় ৫ মিনিট মানেই সময় লাগে আৰু আমি কলেজলৈ গ'লে প্ৰায়েই পিছফালৰ গেটটোৰেই প্ৰৱেশ কৰা যায়, সেই ফালেৰে আমাৰ অলপ ওচৰো হয়। পিছে আজি কলেজলৈ বুলি ওলাই অহাৰ পৰাই মনটো বৰ ভাল লাগি আহিছে মোৰ। কাৰণটো এটাই, মই আজি ৰাতিপুৱাই সাৰ পাই উঠিয়ে প্ৰায় দুদিন ধৰি পঢ়ি থকা, ভাল লগা মানুহ এজনৰ ভাল লগা কিতাপখন পঢ়ি শেষ কৰিলো।

কিতাপখন পঢ়ি ভাল লাগিছে কিন্তু অলপ বেয়া লগাৰো কাৰণ আছে বুলি কৈ কৈ মোৰ লগৰজনক প্ৰকৃত বন্ধুবোৰ কেনেকুৱা হ'ব লাগে বুলি, উদাহৰণবোৰ দি দি আহি আছোঁ, কলেজলৈ বুলি।

এনেতে মোৰ চকুযুৰিত এটি মনপ্ৰাণ জুৰাই পেলোৱা দৃশ্যই মোৰ হৃদয়খনক আৰু অলপ আগতকৈ বেছি আনন্দ উল্লাসেৰে ভৰাই পেলালে। আস্ ! কি যে ধুনীয়া? কি যে আবিৰৰ ৰঙৰ দৰে উপচি পৰা প্ৰকৃতিৰ এই তুলিকাৰ আভা। ৰঙাই চাবানে গুলপীয়া, গুলপীয়াই চাবানে সেউজীয়া, সেউজীয়াই চাবানে আকাশৰ নীলাখিনি। মুঠতে মোৰ ভাষাত ক'বলৈ গ'লে এয়াই যে বসন্ত। এয়াই যে বসন্তৰ ৰাগী। যি ৰাগীয়ে এটি সেন্দুৰীয়া সাজ বহুৱাই গ'ল মোৰ এই কোমল হৃদয়ত, আজিৰ এই গোটেই দিনটোৰ বাবে।

মই অলপ দূৰৰ পৰাই দেখিলো ৰাস্তাৰ সোঁফালৰ এজাৰডাল ইমান ধুনীয়াকৈ ফুলি আছে। বাৰু যোৱা কালিও মই সেইফালেৰে যাওঁতে দেখিছিলো। কিন্তু আজি তাতকৈ আৰু ধুনীয়া এটি আবিৰৰ ৰং দেখি মোৰ মনটো বিৰাট এক আনন্দত জপিয়াই উঠিল।

অ' আই ! ইমান ধুনীয়াকৈ মোৰ চকুৰ সন্মুখতে এডাল ৰঙা আবিৰে ঢাকি ৰখা ৰাধাচূড়াৰ ফুলবোৰে একেথৰে চাই আছিল মোৰ ফালে। কি যে ৰঙা ৰঙা ঃ আহ ঃ। তাৰ কিছু দূৰতে ৰাস্তাৰ সেই সোঁফালৰ এজাৰডাল। কি যে জিলিকাই তুলিছে সেউজীয়াৰ মাজত তাৰ সেই ৰঙীন ফুলৰ পাহিবোৰক। কিছু দূৰ গৈ আকৌ দেখিলো সেই কৃষ্ণচূড়া কেইজোপা। আলিবাটটোৰ বাঁওফালে একে শাৰীতে প্ৰায়





তিনি চাৰিডাল মান হ'ব চাগে। গোটেইজোপা গছেই আই প্ৰকৃতিক সজাবলৈ কি বিনন্দীয়া ৰূপ লৈছে। মাথো মই উপভোগ কৰিছো, সিহঁতৰ লগত কথা পাতিছো। আৰু বাৰে বাৰে ক'বলৈ মন গৈছিল আহ ঃ এই ৰংবোৰ। আহ ঃ এই সময়খিনি কিন্তু কোৱা নগ'ল। লগত মোৰ লগৰজনো আছে। পিছে সিওঁ মোৰ দৰে একেই উপভোগ কৰিছে, ৰাস্তাটোৰ সেই আগতে নেদেখা এটি অপৰূপ ধুনীয়া বৰণ, ইমান ধুনীয়া এই প্ৰকৃতিৰ সাজ। এখন ফুলৰ পাপৰিৰে আই মাতৃক বহিবলৈ সজোৱা বাবে ৰঙীন দলিচা।

ৰাস্তাটোৰে মোহিত কৰা সেই কথাবোৰ পাতি পাতিয়ে মহাবিদ্যালয়খনৰ পিছৰ গেটখনত ভৰি দিলো। মই আজি বৰ সুখ অনুভৱ কৰিছো, সেই গছবোৰ দেখি। সেই ৰংবোৰ দেখি। কলেজখন প্ৰৱেশ কৰিয়ে মই তাতকৈয়ো ডাঙৰ এটি সুখ অনুভৱ কৰিলো। বৰ ডাঙৰ সুখ। কলেজখনত প্ৰৱেশ কৰিয়ে দেখিলো মোৰ চকুৰ আগৰে এটি পখিলা উৰি গৈছে। পখিলাটোই মোক আজিৰ ৰাতিপুৱাৰ এটি ধুনীয়া সম্ভাষণ জনাইছে। তাৰে দুখোজমান আগবাঢ়ি যাওঁতে দেখিবলৈ পালো দুটা ধুনীয়া পূৰঠ আম মাটিত সৰি আছে। বুটলিবৰ মন আছিল কিন্তু মই নোৱাৰিলো কোনোবাই আমাক চাই আছিলে।

এই যে মোৰ সুখৰ পাচিটোত আকৌ এটি ডাঙৰ সুখ আহি পৰিলহি, মোৰ আৰু আপোনাৰ মানে আমাৰ সকলোৰে মৰমৰ মহাবিদ্যালয়খন। "আমাৰ মহাবিদ্যালয়" বৰ ভাল লাগে নহয় ! এনেকৈ কয়, এটি ধুনীয়া আমোদ আছে নিজে পঢ়া মহাবিদ্যালয় বুলি চিনাকি দি আমাৰ বুলি ক'ব পাৰিলে। হয়, মই আজি মহাবিদ্যালয়খনত প্ৰৱেশ কৰিয়ে চাৰিওফালে চকু ফুৰাইছো।

কাউণ্টাৰৰ বাৰান্দাখনৰ পৰা আৰম্ভ কৰি একেবাৰে মহাবিদ্যালয়ৰ সন্মুখৰ গেটখনলৈ। প্ৰথমতে দেখিলো কাউণ্টাৰৰ অলপ সন্মুখতে থকা বগা জামডালত (ফফোলা জাম) ফল ধৰিব আৰু সন্মুখতে থকা মধুৰি আম ডালৰ ফুলৰ পাঁহিবোৰ তলত পৰি আছে। এনেতে দেখিলো কাউণ্টাৰৰ এইফালৰ গোটেই বাৰান্দাখন হালধীয়া ৰঙেৰে আকৌ এবাৰ ৰং বুলাইছে আৰু তাৰ পিছতে মোৰ মুখৰ পৰা আপোনা-আপুনি ওলাই আহিল এটি ধুনীয়া বাক্য "আমাৰ মহাবিদ্যালয়খন ইমান ধুনীয়া, মই লগৰজনৰ লগত কথা পাতি পাতিয়ে মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সন্মুখ পালো। মোৰ বন্ধুও মোৰ লগত সন্মতি দিলে। "সঁচাই অ' আমাৰ মহাবিদ্যালয়খন মোৰো প্ৰিয়।" এই যে সেউজীয়াবোৰ মই এনেকুৱা আগতে ক'তো দেখা নাই। এই যে নানান ধৰণৰ ফুলৰ গছবোৰ মই ইয়াৰ আগতে ক'তো দেখা নাই। এই যে নানান ধৰণৰ ফুলৰ গছবোৰ। মই ইয়াৰ আগতে চিনা নাই। তাৰে মাজতে চাৰিওকাষে ওলমি থকা আমলখি গছৰ চিৰিলি চিৰিলিকৈ পাতবোৰ। এবাৰ পচোৱা হৈ বলে, এবাৰ মলয়া হৈ বলে, এবাৰ উত্তৰে, এবাৰ পূবে, আৰু গোটেই জাক বতাহ ক'ত মিলে জানা নে ! আমাৰ সেই মৰমৰ জালুকবাৰীত। যি আমাৰ মহাবিদ্যালয়ৰ বুকুতে আছে। এই জালুকবাৰীত কিমান যে আবদাৰ কিমানৰ লগত ! কিমান যে মৰম কিমানৰ লগত ! কিমান অভিমান ! কিমান খং। উফ্ কৈয়ে শেষ কৰিব নোৱাৰি। মুঠতে আস্ কি সেউজীয়া। আৰু মাজত আমাৰ মৰমৰ জালুকবাৰী।

কথা পাতি পাতি Department ৰ সন্মুখ পালো, নাই বাইদেউ এতিয়ালৈ অহা নাই। অলপ দূৰ আগুৱাই মই সঁচাকৈয়ে প্ৰেমত পৰিলো মহাবিদ্যালয়খনৰ। মই এতিয়া উদ্ভিদ বিজ্ঞান শাখাৰ শ্ৰেণীকোঠালীৰ সন্মুখত থিয় হৈ জালুকবাৰীৰ ফালে চাই আছিলো। লাহেকৈ মোৰ চকুযুৰি মহাবিদ্যালয়ৰ ঔ গছজোপা আৰু কৰবী ফুলৰ তলত থকা "সেন্দৰী কচু"জোপাত চকু পৰিল। মই এতিয়া প্ৰেমত পৰিলো। এই কচুজোপাৰ ৰং ৰূপক একেথৰে চাই চাই। বহু দেৰিলৈকে এঠাইতে থিয় হৈ চাই থাকি, মোৰ সেই কচুজোপাক আজুৰি আনিবৰ মন গ'ল। সঁচাকৈ ইমান ধুনীয়া সেই সেউজীয়া পাতটোৰ মাজত ৰঙা আৰু বগা ফুটকেইটা।

মই সঁচাকৈ প্ৰেমত পৰিলো। ৰৈ থাকিব নোৱাৰি পাত এটা চিঙি আনি, তাক মোৰ সজল চকুৰে উলটাই পালতাই দুয়ো পিঠি চাই নাজানো কিহৰ আৱেগত মোৰ সেই পাতখন পেলাই দিবৰ মন নগ'ল। বন্ধুজনৰ পৰা সেই কচুজোপাৰ লগত জড়িত আৰু এটি কাল্পনিক ধাৰণাই মোক এতিয়া পেলাই দিব নিদিয়ে সেই কচুপাতখন। মোৰ মনটোই তাত যে প্ৰেম, কাৰোবাৰ ঘাম আৰু সেন্দুৰ আছে। সেই কচুপাতখনক এনেকৈয়ে হাতত লৈয়ে শ্ৰেণী কোঠাত প্ৰৱেশ কৰিলো। শ্ৰেণী কোঠাত সোমাই উঠি মই মোৰ মৰমৰ মহাবিদ্যালয়ৰ, সেউজীয়া পৃথিৱীখনক অলপ সময়ৰ বাবে আতৰাই ৰাখি শ্ৰেণী কোঠাত মন দিলো। এতিয়ালৈ মোৰ দিনটো সম্পূৰ্ণ হোৱা নাছিল। সম্পূৰ্ণ কৰিলে মহাবিদ্যালয়ৰ পৰা ঘৰলৈ উভতি আহিব ধৰোতে দেখা, মুখ্য প্ৰৱেশ দুৱাৰৰ সন্মুখতে থকা সেই গুলপীয়া গোলাপ দুপাহিয়ে। যিয়ে

সকলো ফুলবোৰৰ পৰা অলপ আঁতৰত নিগাজিকৈ আলফুলে ফুলিছিল সোঁফালৰ বাগিচাখনত।

পিছে কচুপাতখনৰ কথা মনত আছেনে? সেই কচুপাতখন এতিয়াও মোৰ লগত আছে, আপোনালোকে পাহৰি গ'লেও মই পাহৰিব নোৱাৰো। সেই কচুপাতখন। সি মোৰ হেমচন্দ্ৰ বৰুৱা দেৱৰ অসমীয়া অভিধান "হেমকোষখনৰ" একেবাৰে বুকুৰ মাজত দুটি পৃষ্ঠা আকাশৰ মাজত শুই আছে আৰু সি তাত নামটোৰ দৰে মোৰো "হেমকোষ"খন আলফুলাই সজতনে সেন্দুৰীয়াকৈ ৰাখিব। যাৰ প্ৰতিটো পৃষ্ঠা নতুন হৈ থাকিব। সি মোক শিকাব নিজৰ কিতাপখন বাপুকণৰ দৰে কেনেকৈ মৰমত ৰাখিব লাগে।

এতিয়া এই বাপুকণ কোন? বাপুকন হৈছে মই ৰাতিপুৱা পঢ়া কিতাপখনৰ মুখ্য চৰিত্ৰ। বাপুকনে কিতাপ পঢ়ি বৰ ভাল পায়। বাপুকণ (বিক্ৰম) হৈছে হেবাঙৰ এজন সেউজীয়া আৰু প্ৰকৃতিৰ মাজত খেলাধূলাৰ মাজেৰে সময় কটোৱা বন্ধু আৰু দুলালৰ এজন প্ৰকৃত আৰু প্ৰিয় বন্ধু। যিজনে কিতাপক বহুত ভাল পায় আৰু এই বাপুকণে এতিয়া নতুনকৈ লাহে লাহে কবিতা লিখা আৰম্ভ কৰিছে। আৰু সেই কিতাপখনৰ নামেই হৈছে "সাউদৰ পুতেকে নাওঁ মেলি যায়।" আমাৰ মৰমৰ, আমাৰ আদৰৰ মোৰ আটাইতকৈ প্ৰিয় সাহিত্যিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৱৰ দ্বাৰা বিৰচিত।

আৰু এয়াই হৈছে মোৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা অশেষ ভাল পোৱা। যাৰ বুকুৰ মাজৰ পৰা চিঙি অনা এখন কচুপাতে মই জীয়াই থকালৈ মোৰ "হেমকোষ"খনৰ লগতে মহাবিদ্যালয়ৰ আজিৰ এই সেউজীয়াখিনিৰ প্ৰেমত পৰা সোঁৱৰণিক চিৰদিনৰ বাবে সেন্দুৰীয়া কৰি ৰাখিব, তাৰ এই দুই পৃষ্ঠাৰ মাজত। ঠিক তাৰ নামটোৰ দৰে "মই যে এটি সেন্দুৰীয়া কচুৰ পাত।" ❑





# কুৰুক্ষেত্ৰ যুদ্ধৰ শ্ৰেষ্ঠ বীৰ ঃ বৰ্বৰিক

**অবিনাশ তালুকদাৰ**
তৃতীয় ষান্মাসিক, কলা শাখা

**শ্ৰীমদ্ভাগৱতৰ কাহিনী ঃ**

কুৰুক্ষেত্ৰত যুদ্ধৰ প্ৰস্তুতি চলিছে। ঘটোৎকচ ওলাইছে যুদ্ধলৈ। পিতৃক যুদ্ধলৈ ওলোৱা বৰ্বৰিকেও কুৰুক্ষেত্ৰৰ যুদ্ধত ভাগ ল'বলৈ মাকৰ অনুমতি বিচাৰিলে। মাক ঘৌৰৱী (অহিলাৱতী)য়ে বৰ্বৰিকক অস্ত্ৰ শিক্ষা দিছিল। পৃথিৱীৰ শ্ৰেষ্ঠ বীৰৰূপে বৰ্বৰিকক গঢ়িবলৈ ঘৌৰৱীয়ে যত্নৰ ত্ৰুতি কৰা নাছিল। শিৱৰ ওচৰত অস্ত্ৰ শিক্ষা লৈ বৰ্বৰিকে অমোঘ তিনিপাত বাণ লাভ কৰিছিল। বৰুণ দেৱতায়ো বৰ্বৰিকক ধনুকাঁড় দান কৰিছিল। অস্ত্ৰ শিক্ষাত বৰ্বৰিক নিপুণ হৈ পৰিছিল। তথাপি বৰ্বৰিকক দিছিল এটা চৰ্ত্ত। যি পক্ষই হাৰিবলৈ ল'ব সেই পক্ষতহে বৰ্বৰিকে কুৰুক্ষেত্ৰত যুদ্ধ কৰিব লাগিব। অৰ্থাৎ পৃথিৱীৰ শ্ৰেষ্ঠ বীৰজনৰ লগতহে যুদ্ধ কৰিব লাগিব।

পৃথিৱীৰ শ্ৰেষ্ঠ বীৰজনৰ সন্ধানত আছিল বৰ্বৰিক। আইতাক হিড়িম্বাই বৰ্বৰিকক সৰুৰে পৰা শ্ৰীকৃষ্ণৰ কথা শুনাইছিল। পৃথিৱীৰ শ্ৰেষ্ঠ বীৰজন আৰু কুৰুক্ষেত্ৰ যুদ্ধৰ আয়োজক শ্ৰীকৃষ্ণ বুলি বৰ্বৰিকে আইতাকৰ পৰা জানিছিল। সেয়েহে কুৰুক্ষেত্ৰ যুদ্ধত হ'বলগীয়া নৰ সংহাৰ ৰোধ কৰিবলৈ শ্ৰীকৃষ্ণক বধ কৰাৰ কথা বৰ্বৰিকে চিন্তা কৰিছিল। এক মিনিটত আৰু এপাট কাঁড়েৰে কুৰুক্ষেত্ৰৰ যুদ্ধ শেষ কৰাৰ ক্ষমতা আছিল বীৰ বৰ্বৰিকৰ। কিন্তু শ্ৰীকৃষ্ণ হৈছে নৰৰূপী নাৰায়ণ; তেৱেঁ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ মূল; সেইকথা বুজাই দিয়াত কৃষ্ণবধৰ চিন্তা পৰিহাৰ কৰিলে। মাক আৰু আইতাকৰ আশীৰ্বাদ লৈ বৰ্বৰিক ওলাল কুৰুক্ষেত্ৰৰ যুদ্ধলৈ।

শ্ৰীকৃষ্ণই জানিছিল বৰ্বৰিকৰ বীৰত্বৰ কথা। কুৰুক্ষেত্ৰত কৌৰৱৰ পৰাজয় নিশ্চিত। মাকৰ কথাত যুদ্ধত হৰা পক্ষত অৰ্থাৎ কৌৰৱৰ পক্ষত যদি বৰ্বৰিক যুদ্ধ কৰে তেন্তে পাণ্ডৱৰ বিপৰ্যয় হ'ব। সেয়েহে যুদ্ধৰ পৰা বৰ্বৰিকক কেনেকৈ বাৰণ কৰিব পাৰি তাৰ উপায় শ্ৰীকৃষ্ণই চিন্তা কৰিলে। যুদ্ধৰ আগমুহূৰ্তত কৃষ্ণই বৰ্বৰিকক কুৰুক্ষেত্ৰৰ পৰা আঁতৰাই নি তাচ্ছিল্য কৰি ক'লে— "হে বালক, বীৰ মহাবীৰৰ লগত যুদ্ধ কৰিবলৈ তোমাৰ এনে কি শক্তি আছে?" শ্ৰীকৃষ্ণৰ কথাৰ পাক বুজিব নোৱাৰি বৰ্বৰিকে ক'লে— "প্ৰভু! আপোনাৰ অনুমতি পালে মোৰ শক্তি দেখুৱাব পাৰো। এই আঁহত জোপাৰ আটাইবোৰ পাত মোৰ এপাত কাঁড়ে বিন্ধা কৰিব পাৰে চাওঁক।"



শ্ৰীকৃষ্ণৰ অনুমতি পাই বৰ্বৰিকে কাঁড় জুৰি চকু মুদি জপ কৰিলে। তেনে সময়তে শ্ৰীকৃষ্ণই আঁহতজোপাৰ পাত এখিলা চিঙি ভৰিৰে গচকি ৰাখিলে। বৰ্বৰিকে এৰি দিয়া কাঁড়ে আঁহত জোপাৰ আটাইবোৰ পাত বিন্ধা কৰি কৃষ্ণৰ ভৰিৰ ওচৰত ঘূৰিব ধৰিলে। বৰ্বৰিকে আন এপাত কাঁড় এৰি 'বিন্ধা কৰা আটাইবোৰ আঁহতৰ পাত' গোটাই আনি কৃষ্ণৰ চৰণত ৰাখিলে।

"বৰ্বৰিক তোমাৰ কাঁড়ে মোৰ ভৰিৰ ওচৰত ঘূৰি আছে যে?" কৃষ্ণই সুধিলে।

"প্ৰভু! আপোনাৰ চৰণৰ তলত নিশ্চয় আঁহতৰ পাত আছে। চৰণ আঁতৰাই দিয়ক, নহলে চৰণ ভেদ কৰি পাতত বিন্ধিব।"

বৰ্বৰিকে উত্তৰ দিলে।

বৰ্বৰিকৰ দৈৱিক শক্তি দেখি মহাচিন্তাত পৰিল কৃষ্ণ। এনে বীৰ পাণ্ডৱৰ বিৰুদ্ধে যুঁজিলে পাণ্ডৱ পৰাজিত হোৱাটো খাটাং বুলি ভাবি শ্ৰীকৃষ্ণই ক'লে— "হে বালক! যুদ্ধৰ পৰম্পৰা মতে শ্ৰেষ্ঠ বীৰজনে আত্মবলিদান দিব লাগে। কুৰুক্ষেত্ৰৰ যুদ্ধৰ তুমিয়ে শ্ৰেষ্ঠ বীৰ। গতিকে তোমাৰ কটা 'মূৰ দান দিয়া।" বৰ্বৰিকে বিচলিত নহ'ল। তেওঁ ক'লে— হে প্ৰভু, মহাভাৰতৰ যুদ্ধখন চোৱাৰ মোৰ বৰ হেঁপাহ আছিল। যুদ্ধখন চোৱাৰ সুবিধা দিলে মই মোৰ 'মূৰ' দান দিব পাৰো।

তথাস্তু। "তোমাৰ ইচ্ছা পূৰ্ণ হওঁক।" কৃষ্ণই ক'লে। তেতিয়া বৰ্বৰিকে নিজৰ মূৰটো কাটি কৃষ্ণৰ হাতত তুলি দিয়ে। কৃষ্ণই সুদৰ্শন চক্ৰৰে বৰ্বৰিকৰ কটা 'মূৰটো' ওখ টিলাত থকা আহত গছ জোপাৰ ওপৰত স্থাপন কৰিলে। বৰ্বৰিকে তাৰ পৰাই কুৰুক্ষেত্ৰৰ সম্পূৰ্ণ যুদ্ধখন চাইছিল। যুদ্ধৰ পিছত পাণ্ডৱৰ মাজত শ্ৰেষ্ঠ বীৰ কোন এই বিবাদ হৈছিল। প্ৰত্যেকে নিজৰ বীৰত্বৰ কথা জাহিৰ কৰিছিল। পাণ্ডৱৰ কাজিয়া ভাঙিবলৈ কৃষ্ণই ক'লে যে, কুৰুক্ষেত্ৰৰ যুদ্ধখন আদিৰ পৰা অন্তলৈ চোৱা এজন মানুহ আছে। তেওঁহে ভালকৈ ক'ব পাৰিব কুৰুক্ষেত্ৰৰ যুদ্ধৰ 'শ্ৰেষ্ঠ বীৰ' জন কোন? কৃষ্ণই পঞ্চপাণ্ডৱক বৰ্বৰিকৰ ওচৰলৈ আহিছিল। তেতিয়া কুৰুক্ষেত্ৰৰ যুদ্ধৰ 'শ্ৰেষ্ঠ বীৰ'ৰ বিষয়ে বৰ্বৰিকে কৈছিল— "কুৰুক্ষেত্ৰৰ যুদ্ধত মই কেৱল সুদৰ্শন চক্ৰকহে ঘূৰি থকা দেখিছিলো। সুদৰ্শন চক্ৰইহে দুয়োপক্ষৰ সকলো বীৰ, মহাবীৰক বধ কৰিছে।" বৰ্বৰিকৰ কথা শুনি পঞ্চপাণ্ডৱে নিজৰ ভুল বুজি পালে। মহাভাৰতৰ এইজনা মহান বীৰ ডিমাপুৰৰ ৰাজকুমাৰ বৰ্বৰিকক ৰাজস্থানত 'খাটুশ্যাম' আৰু গুজৰাটত 'বলিয়াদেৱ' নামেৰে আজিও মানুহে পূজা কৰে। ❑





# ফাকুৱা উৎসৱ আৰু তত্ত্ব কথা

**বেদান্ত ৰাজবংশী**
MLT চতুৰ্থ ষান্মাসিক

দৌল বা হোলী উৎসৱ হৈছে ঋতুকালীন ৰং আৰু আনন্দৰ উৎসৱ। এই দৌল উৎসৱক ভাৰতবৰ্ষৰ ভিন্ন জাতি সম্প্ৰদায়ৰ হিন্দু ধৰ্মাৱলম্বী লোকে বিভিন্ন নামেৰে পালন কৰা দেখা যায়। এই উৎসৱক হোলী, ফাকুৱা, ফল্গু উৎসৱ, বসন্তোৎসৱ, মদনোৎসৱ, হোলিকা দাহন আৰু দেউল উৎসৱ আদি নামেৰে বিভিন্ন ৰাজ্যত পালন কৰা হয়। ওড়িয়া, বিহাৰ, পশ্চিমবংগ আদিতো বিভিন্ন নামেৰে আনন্দৰ উৎসৱ পালন কৰে।

ভাৰতীয় ধৰ্মীয় দৰ্শনত কৃষ্ণ চৰিত্ৰৰ মাজেদি সাহিত্য-সংস্কৃতিৰ বিকাশ সাধন কৰাৰ লগতে এক আধ্যাত্মিক ধৰ্মীয় কৃত্য সাধন কৰা হয়। সেইবাবেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে লিখিছিল এইদৰে—

"ৰংগে ফাগু খেলে চৈতন্য বনমালী
দুহাতে ফাগুৰ গুণ্ডা সিঞ্চন্ত মুৰাৰী।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নগাঁৱৰ বৰদোৱা ধামত অৰ্থাৎ পাতেকীবাৰীত এই ফলগু উৎসৱৰ পাতনি মেলিছিল। শংকৰদেৱৰ একৈশ বছৰ বয়সত বৰদোৱা ধামত সাত খলপীয়া বৈকুণ্ঠৰ পট কৰি লৈ বলোৰাম আতৈক ফাকুগুড়ি আনিবলৈ মকৰাপুৰলৈ পঠাই দহদিনৰ অন্তত সাতটা কড়িৰ বিনিময়ত সাত কলহ প্ৰাকৃতিক ফাকুগুড়ি আনিছিল। তাৰ পিছত সন্ধ্যা দলৈক পঞ্জিকাত দিন-বাৰ চাই ফাগুন মাহৰ পূৰ্ণিমা তিথিত শুভ দিন চাই দৌল উৎসৱ পালন কৰিছিল। দৌল উৎসৱত ভক্তসকলে ইজনে সিজনক ফাকু গুড়িৰ ৰং সানি ৰং-ধেমালি কৰিছিল।



"দণ্ড চত্ৰ চামৰ ধৰিয়া ভক্তচয়্
জয় জয় কৃষ্ণ বুলি ফাকু ছটিয়াই।"

তেতিয়াৰ পৰাই ফাগুন মাহৰ শুক্লা পূৰ্ণিমাত এই দৌল উৎসৱ পালন কৰিছিল। এই দৌল উৎসৱত কৃষ্ণ সংস্কৃতিক ভক্তি ধৰ্মৰ বৰ্ণনাৰে পূজা অৰ্চনা, উচ্ছল প্ৰাণাৱেগ, সংযম আৰু আধ্যাত্মিক দৃষ্টি ভংগীৰে স্বকীয় বৈশিষ্ট্য সানি এই দৌল উৎসৱ পালন কৰি আহিছে ভক্তসকলে। ই অতি প্ৰাচীন এক ধৰ্মীয় উৎসৱ। ফাগুন মাহত অনুষ্ঠিত হোৱা দৌল পাঁচদিনীয়াকৈ পালন কৰে। ইয়াক 'ডেকা দৌল' আৰু চ'ত মাহত পালন কৰা দৌলক 'বুঢ়া দৌল' বুলি কয়। চ'ত মাহৰ দৌল উৎসৱ তিনিদিনীয়াকৈ পালন কৰা হয়।

ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে অতি উলহ মালহকৈ এই ৰং আৰু আনন্দৰ উৎস পালন কৰে।

ৰাজস্থানত এই উৎসৱক 'ছোটা হোলী' আৰু বড়াহোলী' বুলি কয়। হোলীৰ দিনা হোলীক দাহন কাৰ্য্য সম্পন্ন কৰে। উত্তৰ প্ৰদেশ, বিহাৰ, ছোটনাগপুৰ, সত্তিশগড় আদিত ইয়াক হোলী উৎসৱ হিচাপে পালন কৰে।

চাহ বাগিচাৰ লোকে ফাগুৱা পৰৱ হিচাপে পালন কৰা দেখা যায়। তেওঁলোকে অশুভ প্ৰতীক হোলীক দাহন কৰে। চাহ জনগোষ্ঠীৰ শ্ৰমিকসকলে ফাগুৱা পৰৱৰ পিছদিনা কাঠী নৃত্য কৰি ৰং আৰু আনন্দ কৰে। জনবিশ্বাস মতে

হিৰণ্যকশিপুৰ ভনীয়েক হোলীকাই ঈশ্বৰ ভক্ত প্ৰহ্লাদক কোলাত লৈ জুইত জাঁপ দিছিল। কাৰণ হ'ল জুইত যাতে প্ৰহ্লাদৰ মৃত্যু হয়। কিন্তু ঈশ্বৰ ভক্ত প্ৰহ্লাদৰ জুইত একো নহ'ল আৰু অপ সংস্কৃতিৰ প্ৰতীক হোলীকা জুইত ভষ্মীভূত হ'ল। এই কাৰণে অপশক্তিৰ বিনাশ কৰি শুভ শক্তিৰ বাবে হোলীকাক দাহন পৰম্পৰা আৰু জনবিশ্বাস প্ৰচলিত হৈ আছে। আন এক জনবিশ্বাস মতে কুৰুক্ষেত্ৰ যুদ্ধত শৰশয্যাত থকা ভীষ্ম দেৱক ইচ্ছা মৃত্যুৰ পিছত উক্ত দিনটোতে এই দাহন কাৰ্য্য সম্পন্ন কৰিছিল।

হোলী উৎসৱ উপলক্ষে গোৱা গীতবোৰত যথেষ্ট প্ৰাণৱন্ত আৰু উদ্দীপনাময় কৃষ্ণলীলাৰ সাৱলীল বৰ্ণনা থাকে। ই আধ্যাত্মিক চিন্তা-চেতনা প্ৰসূত এক ধৰ্মীয় পৱিত্ৰ উৎসৱ। হোলী গীতত এইদৰে পোৱা যায় যে—

আহা সখী আহা বাইহঁত যাওঁ বৃন্দাবনে।
সবে মিলি ফাকু খেলো কৃষ্ণৰ সংগে।।।

গতিকে এই দৌল বা ফাকুৱাত বিভিন্ন গীত-মাতত ঈশ্বৰ কৃষ্ণৰ লীলা মাধুৰ্যই মানুহৰ মন-প্ৰাণত হিল্লোল তোলে। দেৱলোকৰ সম্পৃক্ত হোলী উৎসৱ বৈকুণ্ঠৰ পৰা শংকৰদেৱে বৰ দোৱালৈ আনিলে। দ্বিতীয় বৰদোৱা ধাম বুলি খ্যাত বৰপেটাত সৰ্বপ্ৰথমে মথুৰা আতৈয়ে এই উৎসৱ আৰম্ভ কৰে। দৌলৰ প্ৰথম দিনা 'গোন্ধ যাত্ৰা' দ্বিতীয় দিনা ভৰদৌল আৰু তৃতীয় দিনা 'সুৱেৰী' বা ফাকুৱা উৎসৱ। ইয়াৰ উপৰি ভগৱান শ্ৰীকৃষ্ণৰ অন্য এগৰাকী পত্নী ঘুনুচাৰ বাৰীলৈ গৈ ঘূৰি অহাত পলম হোৱাত লক্ষ্মী দেৱীয়ে দুৱাৰ খুলি নিদিয়াক কেন্দ্ৰ কৰি ওড়িশাত দৌল উৎসৱ কৰিছিল।

আজি কানু যাবগৈ ঘুনুচাৰ বাৰীলৈ
তিথি শুভক্ষণ চাই
দৌল এৰি হৰি ঘুনুচাৰ বাৰী
চলি গৈলা যদুৰাই।
গোসাঁই গৈছিলে ঘুনুচাৰ বাৰীলৈ
সাতদিন সাত ৰাতি হ'ল
আজি লক্ষ্মী আয়ে সোমাব নিদিলে
পদূলি মুখত ৰ'ল।

ইয়াৰ ওপৰি ওড়িশাৰ উৰেষাপুৰীত ৰজা ইন্দ্ৰদ্যুম্নই দৌল সাজি তাত কৃষ্ণ বলৰামক স্থাপন কৰিছিল। ইপিনে কীৰ্ত্তনৰ উৰেষা বৰ্ণন মতে স্বয়ং কৃষ্ণই বিজয়ী হৈ দলে-বলে যাত্ৰা কৰি ইন্দ্ৰদ্যুম্ন ৰজাৰ দেশলৈ আহিছিল। কৃষ্ণ অহাৰ বাতৰি পাই প্ৰজাগনে আনন্দত আত্মহাৰা হৈ ন ন সাজ পিন্ধি ফাকু ৰং ছটিয়াই কৃষ্ণক আদৰি আনিছিল। মনৰ আনন্দত গালে-মুখে ফাঁকু সানি ৰং-ধেমালি কৰিছিল।

কৰ্পূৰ কুসুম ফাকু অতি সুবাসিত।
সবে ফাকু খেলে হুৱা আনন্দিত।।

এনেদৰে বিভিন্ন সময়ত বিভিন্ন ঠাইত হোলী বা ফলগু উৎসৱৰ পাতনি মেলা হৈছিল। ফাগুন মাহত বসন্ত কালত প্ৰকৃতিয়ে ন সাজত সাজি কাচি বিনন্দীয়া ৰূপ লয়। এই প্ৰকৃতিৰ বিনন্দীয়া সেউজীয়া ৰূপত মানুহৰ মনবোৰো ৰঙীন হৈ পৰে। এই সময়মতে হোলী বা ফাকুৱা উৎসৱ পালন কৰে মনৰ আনন্দত। এই ফাকুৱা উৎসৱ হৈছে ধৰ্মীয় কৃত্য সাধনৰ ৰং আৰু আনন্দৰ উৎসৱ। মিলনৰ উৎসৱ। সম্প্ৰীতিৰ উৎসৱ উচ্চ-নীচ, ধনী-দুখীয়াৰ প্ৰাচীৰ ভাঙি সকলোৱে মিলিজুলি ফাকুৱা খেলে। এই ফাকুৱা উৎসৱৰ ফাকুৰ ৰঙা আৰু সেউজীয়া ৰঙে যেন আমাৰ সমাজৰ মানুহৰ মনবোৰ সেউজীয়া কৰি তোলে। সম্প্ৰীতি আৰু ভাতৃত্বৰ এনাজৰি যেন প্ৰকট হৈ উঠে তাকে কামনা কৰিলো।

'আজি ৰঙে-ৰূপে একাকাৰ
আহা ভাই সবে মিলি হোলী খেলো
মিলি সবে মনে-প্ৰাণে প্ৰাণে......





# গুৰু বন্দনা

**দিগন্ত বেজবৰুৱা**
প্ৰথম ষান্মাসিক, বাণিজ্য শাখা



এগৰাকী আদৰ্শ শিক্ষক এডাল মমবাতিৰ দৰে, যি নিজেই জ্বলি আনক পোহৰ দিয়ে। এই ত্যাগৰ স্বীকৃতি তুলনাবিহীন। এবাৰ এখন সভাত কোনোবা এজন বিশিষ্ট চিকিৎসকে শিক্ষকৰ সম্পৰ্কে আগবঢ়োৱা ভাষণত অতি সুন্দৰ পটন্তৰ ডাঙি ধৰিছিল। পটন্তৰটো এই ধৰণৰ— "তুমি জ্বলি জ্বলি ক্ৰমে নিঃশেষ হৈ আহিব ধৰিছা। সেই বেজাৰত মই কান্দি কান্দি গলিব ধৰিছো। অথচ তুমি জ্বলি আছা কিয়? মমডালৰ প্ৰশ্ন শুনি জ্বলন্ত শলিতাই মিচিকিয়াই হাঁহি মাৰি ক'লে— মই কিয় জ্বলিছো তুমি সেইটো তোমাৰ হৃদয়ত উপলব্ধি কৰা। কাৰণ তোমাৰ হৃদয়তে মই উপবিষ্ট।" .... শিক্ষকৰ বিষয়ে ইয়াতকৈ আৰু সুন্দৰ উপমাৰ হয়তো প্ৰয়োজন নহ'ব।

সঁচাই এই "শিক্ষাগুৰু" শব্দটো বৰ মধুৰ শব্দ। যিটো শব্দৰ লগত বহু বছৰ আগতে "অ, আ, ক, খ" শিকি বিদ্যালয়ত প্ৰথম নামভৰ্তি কৰোতেই চিনাকি হোৱা আৰু আজিও এই শব্দটোৰ সৈতে মধুৰ সম্পৰ্ক স্থাপন হৈ আছে। সৰুৰে পৰা শিক্ষাগুৰুসকলৰ সান্নিধ্যত থাকি বহুতো নজনা কথা জানিব পাৰিছো। তেওঁলোকৰ মৰম আৰু চেনেহত পাৰ কৰি আহিছো প্ৰতিটো পল, দিন, মাহ আৰু বছৰ। তেওঁলোকৰ অশেষ কষ্টৰ ফলত এতিয়া আমি আনৰ আগত নিজকে চিনাকি দিব পাৰিছো।

শিক্ষাগুৰুসকল আমাৰ শ্ৰদ্ধাৰ আৰু পূজনীয়। শিক্ষা গুৰুসকলক সন্মান দিয়াৰ উদ্দেশ্য ৫ চেপ্তেম্বৰ দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। মোৰ মতে কেৱল এটা বিশেষ দিনেই কিয়, শিক্ষকসকল সদায়ে আমাৰ বাবে পূজনীয়। সেই অনুসৰি সদায়ে তেওঁলোকক শ্ৰদ্ধা আৰু ভক্তি তথা সন্মান কৰা উচিত। তথাপিও ৫ চেপ্তেম্বৰৰ দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা বহুত উদ্দেশ্য আছে।

৫ চেপ্তেম্বৰ। এই পৱিত্ৰ দিনটো বিশেষভাৱে শিক্ষাগুৰুৰ বাবে শিক্ষক দিৱস ৰূপে পালন কৰা হয়। এজন মহান শিক্ষাগুৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্ম দিনটোতেই শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰা হয়।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণন ভাৰতৰ ৰাষ্ট্ৰপতি হৈ থকাৰ সময়ত ৫ চেপ্তেম্বৰ অৰ্থাৎ তেওঁৰ জন্মদিনৰ দিনটোত এজন ছাত্ৰই ৰাধাকৃষ্ণনৰ জন্মদিন পাতিবৰ বাবে অনুমতি বিচাৰিছিল। তেতিয়া তেওঁ কৈছিল "মোৰ জন্মদিন যদি পাতিবই খুজিছা তেনেহ'লে এই দিনটোত শিক্ষক দিৱস হিচাপে পাতা তেতিয়া মই বেছি সুখী হম।" তেওঁৰ কথা শুনি তেতিয়াৰে পৰা তেওঁৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়।

ৰাধাকৃষ্ণনে মানৱ সভ্যতাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষকক বেছি প্ৰধান্য দিছিল। তেওঁৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰাৰ মূল তাৎপৰ্য্য হৈছে— শিক্ষক আৰু ছাত্ৰৰ মাজত এক মধুৰ সম্পৰ্ক স্থাপন কৰা। এজন শিক্ষকৰ ভূমিকা কেৱল পাঠদানতেই সীমাবদ্ধ নহয়। তেওঁলোকে একে সময়তে গুৰু, মন্ত্ৰণা দাতা, দিগদৰ্শক, বন্ধু ইত্যাদি কেইবাটাও ভূমিকা পালন কৰিব লাগে। এটি শিশু সামগ্ৰিক বিকাশ মা-দেউতাকৰ ওপৰত আৰু ঘৰৰ পৰিৱেশৰ ওপৰত যিমানে নিৰ্ভৰ কৰে, সিমানেই নিৰ্ভৰ কৰে শিক্ষাগুৰুসকলৰ ওপৰতো।

আজিৰ শিশু ভৱিষ্যতৰ নাগৰিক আৰু সেইবাবেই শিক্ষকসকলেই সমাজৰ ভৱিষ্যত গঢ়াত সকলোতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি ক'লেও মোৰ বোধেৰে ভুল কোৱা নহ'ব ছাগে। সমাজো শিক্ষকৰ প্ৰতি দায়বদ্ধ হোৱা উচিত। □

# WOMEN EMPOWERMENT

**Trishna Das**

Women empowerment is promoting women's sense of self Worth Empowering Women leads them to tave a step for themselves in society. It is used to give the power of equal opportunity in all fields to women irrespective of all caste, creeds, and colours. Women empowerment is considerd to make them powerful so that they can decide what is right and wrong for them.

Women empowerment is an important thing that needs to be accomplished. The rights and freedom that women have today are the results of the fights and the empowered women fought against it. The act of these empowered women show that it is time that women too can enjoy all freedom and rights India is a country that lacus women's empowerment. The girls in India don't get access to higher education. Instead, the girl are married off at a young age. Child marriage is prevalent in the country. The women can't pursue a career of their own because they don't have an education. There are various ways in which women's empowerment can happen in the country.

"To awaken the people, it is the women who must be awakened. Once she is on the move, the family moves, the village moves, the nation moves."– Pandit Jawaharlal Nehru.

Women empowerment means the giving power of taking crucial decisions to women. It means empowering women by letting them study, work and wear whatever they want without letting any restriction on them. To make them empowered and educate them. No matter where the women is born either rural or urban areas; they should be given basic education and then the liberty to choose her life decision. Women can only be empowerd with the help of education as it well teach them to differentiate the dicisions. Back in earlier days, India was considered to be a patriarctal society. Men were considered to be the head of the family. They also had solo rights of decision making in the political sector. Only men were allowed to vote. In modern India we have examples of women taking the charges in various leading sector around the world. This has revolutionized the concept of women empoerment and shours how women are capable of handing families as well as business. An example of falguni Nagar, the CEO of Nykaa, an e-economice website that mainly deals with cosmetic products for women.

Women empowerment is not only necessary for oneself, but also for the society. Girls education should be made compulsory until graducation. A literate girl can provide education to her neighbouring kinds as well as resulting in a more literate society. Equal opportunities in all sector should be provided to womens. Recently even the Indian Army included females to appear for SSB interviews which were till now limited to only male aspirants. We can look up to the Indian Army for taking inspiration. The a buse of single women and divorced ones. Should be considered as a solciety's issue and should be tried to solve rather than blaming the women. Even now women fear to leave a failed marriage as they consider the society and how they may treat so parents should tell their girl child that it is abosolutely ok to move back to their parents house rather than having a mental torture.

Women must get empowerd. If women are empowerd only then society can say that they have developed fully. Women can do wonders and it has been proved. All humans should get the right to equal oppotunities and the skills should decide whether they are eliguble to work or not. Women empowerment refers to the creation of an enviornment for women where they can make dicisons of their own for their personal benefits as well as for the society ladies also should be given rights like men to recally empower them. Women need to be storong, a ware and alert every moment for their growth and development.





# উৎসৱ জীৱনৰ অবিচ্ছেদ্য অংগ

**বেদান্ত কলিতা**
ষষ্ঠ ষাম্মাসিক, বাণিজ্য শাখা

আমি কথা পাতিছো, উৎসৱ ! আমাৰ জীৱন্ত অস্তিত্বৰ হৃদয় আৰু আত্মা স্বৰূপ। আমাৰ ঐতিহাসিক পৰম্পৰাৰ এক সুন্দৰ সোঁৱৰণী আৰু আমাক ভিন্নৰ সৈতে যোগাযোগ ৰখাৰ এক আচৰিত উপায়।

"এটা সংস্কৃতিৰ মহত্ব ইয়াৰ উৎসৱবোৰত পোৱা যায়।" এই চিন্তাশীল উক্তিটোৱে আমাৰ পৰম্পৰা আৰু উৎসৱৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰায় সাৰাংশ দাঙি ধৰিছে। আমাৰ দেশত বিভিন্ন ধৰ্ম আৰু বিশ্বাসত বিয়পি পৰা ৩৬ টাতকৈও অধিক উৎসৱ পালন কৰা হয়। আমাৰ কেলেণ্ডাৰবোৰ ৰঙা ৰঙৰ তাৰিখেৰে ভৰি আছে।

উৎসৱবোৰ আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। উৎসৱমুখৰ দিনবোৰে বন্ধু-বান্ধৱ আৰু পৰিয়ালক ওচৰ চপাই আনে। মানুহে নিজৰ মতানৈক্য আৰু ক্ষোভ পাহৰি যায়, একেলগে মিলি উৎসৱ উদযাপন কৰে।

আগন্তুক প্ৰজন্মই আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ পটভূমিৰ বিষয়ে এক অৰ্ন্তদৃষ্টি লাভ কৰে, যাৰ ফলত ইয়াৰ সৈতে সংযুক্ত হৈ থাকে। প্ৰতিটো উৎসৱৰ আঁৰৰ ইতিহাসৰ সূক্ষ্মতাবোৰৰ বিষয়ে তেওঁলোকে জানিবলৈ আহে।

উৎসৱবোৰে বহুত আনন্দ, আশা আৰু সুখ কঢ়িয়াই আনে, সাধাৰণ মানুহৰ মাজত ভ্ৰাতৃত্ববোধক শক্তিশালী কৰে। যিকোনো ধৰ্মৰ লগত জড়িত হওঁক, ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট মনত ৰাখিব; সকলো বিশ্বাসৰ উদ্দেশ্য হৈছে শান্তি, সুখ আৰু সম্প্ৰীতিৰ সূচনা কৰা। গতিকে তেওঁলোকৰ লগত সংলগ্ন ৰীতি-নীতিকে ধৰি প্ৰত্যেককে সন্মান কৰক। ❑



# ASSAM STARTUP – THE NEST

**Debasish Deka**
B.Com 6th Semester

Recently 'Assam Startup- The Nest' has been recognised as an emerging startup ecosystem in the country for its relentless efforts to create a supportive environment for growth of startups. The announcement was made during the 'Startup India Awards 2020' held at the National Media Centre in New Delhi. It is indeed an encouraging acheivement for the youth of Assam to take up entrepreneurship in a much larger scale.

The startup movement in Assam has started late but its progress in not slow. In last one-and-a half years, it has picked up tremendous pace geverating much hope and opening new income opportunities for the youth. A case in point is Parking Rhino, a platform that cannects available parking sports to drivers through a mobile or web application, empowering commuters with real time parking information to pre-book spaces in advance, navigating to spaces using maps and making digital payments. This venture has partnered with 500 plus parking locations in 8 Indian cities and 240 plus locations in Philippines with access to 228 k parking spaces. This App has has also made entry into Qatar, Soudi Arabia and Indonesia and has raised Rs. 2.85 crore from NEDFI Northeast Venture Fund.

Parking Rhino is just an example of the long list of startups nurtured by "Assam Startup- The Nest". This incubation hub set up set up in Guwahati by the Department of Industry and Commerce of the State Government in association with IIM Calcutta Innovation Park, has successfully inculoated 76 startups since its inauguration on January 20, 2019 giving direct employment to 1,690 people and puhpacting 3.2 lakh lives. This inculdes ventures like Automobile Technologies, a car and bike service aggregater; Bolkol, online platform for Indian handloom products; Brahmaputra Fables, a digital platform that connects around 2,500 artisans and weavers of the Northeast with the global market; Defence and space labortories, esah Tea, let's lewr Together, Little machines, My 3D selfie, Zerund Bricks, Tholua Pratisthan, Aranyak Valley, etc.

While startup movement in other parts of the country have mostly remained cancentreated around cities, "Assam Startup-The Neast" has been able to penetrate into every nook and corner of the State. The incubated startup ventures by 'The Nest' have local problems by utilising and promoting local culture, places and artistry, engaging the local community and opening employment avenues for them in the process as is reflected by the names of the startups themselves.

A notable feature of this state-owned inubater is that it has motivated young innovators and aspiring startups across Assam, disseminting understanding about entreprenurship encowaging them to pursue dreanss for starting up. The success of the nurturing efforts of 'Assam Startup-The Nest' is evielent from the fact that recently two startups, namely, Esah Tea an My 3D selfie have raised a total of 2.1 crore at the North East India Fund Test in Guwahati. This will motivate a number of students to come forward and take part in various startup idea.

The progress that is unfolding is very promising. The success of the entrepreneurs of the State is a strong testimony of their innovative ideas that have immense poteuial to position Assam more visibly in global market. However, to sustain this tempo, "Assam Startup-The Nest" will have to couninue handholding the startups with right kind of business knowledge and better networking. It must become a single point window to realize the entrepreneurial dreams of all the askiring startups and entrepreneurs of the state. ❑





# INDIA'S EVOLVING ROLE IN GEO-POLITICS

**Ashish Kar**
B. Com 6th Semester




A strategic powerhouse in making India, the world's largest democracy, is gradually emerging as a significant player in global geo-politics. With its growing economic prowss. Strategic geographical location and diplomatic endeavors, India is carving out its place on the internarnation stage.

First and foremost, India's robust economic growth has proplled its rise as a global power. With a GOP that ranks among the top five globally. India has become an attractive destination for foreign direct investment. Its thriving technology sector, skilled workforce and entrepreneurial spirit have positioned it as a hub for innovation and technological advancements. This economic strength provides India with the resources and leverage to engage in international affairs. India's strategic geographical location further exchances its geo-political significance. Situated at the crossroads of South Asia, the Middle East and East Asia, India enjoys proximity to major global powers, including China, Rusia and the US. Its location also grants it access to vital sea lanes, making it a critical player in maritime security and trade. India's influence in reional organizations like the South Asian Association for Regional Cooperation (SAARC) and the Indian Ocean Rim Association (IORA) further under-scores its geo-strategic importance.

Moreover, India's diplomatic efforts have been instru-mental in expanding its global influence. The country has actively pursued multi-faceted partnerships with various nations, prioritizing strategic alliances and economic cooperation. India's deepening ties with countries like the US, Janan, Australia and the European Union have bolstered its standing in geo-political circles. Additionally, its "Neighborhood First" policy aims to faster closer ties with neighboring countries, reinforcing India's regional leadership.

Furthermore, India's active involvement in international forums, such as the United Nations and the G 20, provides it with a platform to voice its concerns and shape global agendas.

Howevers, India also faces significant challenges on its path to geo-political prominence. Tensions with neighboring Pakistan, border disputes with China and domestic socio-economic issues pose hurdles to its ambitions. Additonally, India must navigate complex regional dynamics, including the rise of China and its impact on regional power balance.

In conclusion, India's ascent in geo-politicals is a testament ti its economic growth, strategic positioning and diplomatic endeavors. As it continues to strengthem its alliances, engage in reginal inctiatives, and address internal challenges, India is poised to become an influential player in shaping the global order. The world can expect India's voice to grow louder and its actions to have for-reaching consequences in the evolving geo-political landscape. ❑

# HUMANITY HAS NO GENDER

**Luban Islam**
Geography, Department



21st century is the era of information, where we have the best communication system through internet, mobile phones, social networking sites like Facebook & Twitter and so on. And in this era, we claim that we have empowered women, and that now a women can stand shoulder by shoulder with a man. There is nothing that a women cannot do like a man.

But did anyone ever think why a women needs to be empowered by us? Why can't we believe the fact that a women is empowered by herself like a man? Why does a women need to be compared to a man? They both are humans, and humanity has no gender, did God mention it anywhere that a human is a male or female?

In this society, we judge women on every step and every second of her life. We label her on the basis of what she wars, what she eats, who she meets, where she works, and the reason she works. A women cannot be a leader, she is strong. She is weak, she doesn't need to go out, and so on. A women wearing a jeans and a T-shirt is labeled as modern, a women who has a boyfried is labeled as characterless, a women who can work to be independent is labeled as a poor women who nees to work to earn money. Did we ever think the same for man?

We claim that have empowered our women. Well, this is how we have empowered our women.

Every single day, we hear someone say that he has allowed his wife to wear a jeans, or that he has given permission to his sister for further studies, or that he has given permission to his mother to visit her friends at this age, or that he let his wife talk to her friends, or that there is a restriction on using phone in his house for women, or that his doughter can go to her friends party, or that he gave permission to his wife to do, or open up her own business, or that he let his wife keep a maid in her house for help in house hod work, or that his sister can have a Facebook or Instagram account, or that he let her go to her college all alone last Friday.

Did anyone ever think why his sister needs his permission, why his wife or mother needs his permission? Why ! Because they are women and we claim to empower them. Well, who even gave us the right to cantrol their empowement?

In this society of 21st century, we tie their hands and ask them to fly.

We need to change our thinking, we need to consider women as human being, just like us. We need to accept the fact that women have their rights in this world, just like we do. We need to stop judging them.

Because humanity has no gender. ❑





# NFT's Future in India

**Rahul Dey**
B.Com 6th Semester (Honour)

NFT means Non-Fungible Tokens, which are generally created using the same type of programming used for crypto currencies. In simple words these crypto currency assests are based on block chain technology. NFT's can neither be replaced non interchandged because if its unique proenties. NFt is a digital asset that repnesents internet calllectibles like art, music, games etc. NFT exchange take place with crypto currency such as Bitcoin on specialist sites. They cannot be exchanged or traded equivalently like other Gyotographic assets. NFT's are individual takens with valuable information stored in them. Because they hold a value primarily set by market and demand, hence be can bought and sold just like other physical types of ant. NFT became popular in India in 2021, when thy saw thein favourite celebrities creating thein own digital assests.

NFT takens in India have just stanted seeing major peaks in popularity. This is a Inawing section that many learn about everybody. However, India is a country where ant is widespread throughout. Whether it is professional on cultural, ant has been embeded with India for centuries and has continued to this date. So, through NFT's Indias have a inlater opportunity and wide accessibility to the people world wide, to showcase thein ant and also earn decent money. Fans love to support geatons and NFT's have beeb proven to be the best, and easy way for fans to do that.

If has been discovered by security expants that what and how NFT systems are most valuable to threats, A phising assault night steat your cryptocurrency wallet by using bogus websites, text massages, or emails. Hackens may urge you to click on link, sigm or coform a transaction, and than to the pint to the private key in your wallet. MFT's ane unlikely to enjoy copyright pratection because they merely represent centain works on the block chain technology. The would not classify as original works or derivaties works under intellectual property law. NFT security issues are a real problem because NFT manket places are centralised and hasted on the servens of third party websites, as per cointelegnaph.

NFT's on Non-Fungible Takens Will defintely have a gneate future in country with the develping lawas and negulations. As far we know that blackchain after much faster and cheaper cost-effective transctions acrass the globe. This technology increases gandually and people have stanted to know its importance. The future business world is going to grow with blockchain only as it is very cost effective. Considering India's digital growth, the country is well pasitioned to be the front runner in the NFT space. At present there are 11 NFT campaies in India, which holds 5.02% of global NFT marketplace.

NFT is a digital asset that have impacted many people including celebrities to launch their own NFT callections in the recent times. This impact says that we can soon stant trading throug NFT's and get more valuable insights. Thus, the NFT community will get a speedly momentum upon the Indian Government to place the rules for its validity. The monetization economy will boost up the new entrants in the manket for NFT's other digital assets. ❑

# NORTHEAST INDIA : EXPLORING THE CULTURAL DIVERSITY AND NATURAL BEAUTY OF INDIA'S HIDDEN GEM

**Dipankar Das**
P.G 4th Semester, Economics Department

North East India, comprising of eight states, is a region that is often overlooked and underrated when it comes to tourism and development in India. However, it is a fascinating and beautiful region with a rich history, cultural and natural resources.

The states that comprise North East India are Arunachal Pradesh, Assam, Meghalaya, Manipur, Mizoram, Nagaland, Sikhim and Tripura. Each of there states has to unique identity, history and cultural heritage.

Assam is the largest state in the region. It is widely known for its tea plantations, wildlife sanctuaries and the Brahmaputra river, Besides this it is also the gateway to the other states in the region.

Arunachal Pradesh, also known as the "Land of the Dawn-Lit Mountains," is a hand of stuning landscapes and diverse tribal cultural. Its natural beauty includes snowcapped peakes, deep valleys and dense forests which makes it an ideal destination for advanture seekers and nature lovers.

Manipur, with its rich history, is often called as the "Jewel of India." Its culture is mix of indigenous traditions and those ifluenced by neighbouring countries like Myanmar and Thailand. It is also famous for its martial arts, the Manipuri dance and the Laktak Lake which is the largest freshwater lake in Northest India.

Meghalaya, the "Abode of Clouds", is a state with breath taking landscapes, waterfalls and limestone caves. It is also the homeland of Khasi and Jaintia tribes who have their unique customs, traditions and beliefs.

Mizoram is also called the Land of Blue Mountain. It is well known for its sceic beauty and vibrant culture. Its also the homestate of several tribes who have their unique customes, traditions and languages.

Nagaland, the Land of festivals, is known for its colourful and vibrant festivals that celebrates the culture and traditions of the Naga Tribes. The state also boart of natural beauty including hills, forest and waterfalls.

Sikhim is the smallest state in the region. Its a land of mowcapped mountains, bush valleys and Buddhist monastries, It is also famous for to organic agriculture and eco tourism.

Tripura is famous for its "Tripura Sundari Temple". Its well known for its rich cultural heritage and natural beauty. The state has several wildlife ranctuarues and national parks, including the sepahijala Sanctuary and the Trishma Wildlife Sanctuary.

Apart from the natural beauty and cultural heritage, the Northeast region also has tremendous potential for economic growth, aspicially in sectors like tourism, agricultural and hydroelectric power. Besides this it is also a crucial gateway for trade and commerce for its neighbouring counties.

It can be concluded that Northeast India is a region with a rich cultural heritage, natural beauty and imense potential for developement. It is a treasure ......... waiting to be discovered and explored by tourist inventors and policymaker alike.

❑❑❑





# हमें कौशल विकाश को महत्व देने की जरुरत है, इस तरह हम बेरोजगारों कमकर हायेगें...

**चिन्मय दास**

यह वह है कि बहुत सारे युवा अब शिक्षण संस्थानों में भाग ले रहे है, इस बात का कोई कारण वही बन सकता कि देश में अभी भी लोग बरोजगार है। भारत्र में रोजगार का स्तर पिछ्ले दो दशकों की लगभग स्थिर कर गिरा हुआ है। कुछ लोगों की नौकरी तभी मिलनी चाहिए की जब अर्थव्यवस्था उन्हे बना रहे हो। नौकरी को दृष्टि न होना भी उच्च अध्यन करने के लिए सबको अधिक में से एक हो सकता है।

जैसा कि भारत हमारे देश में 100 प्रतिशत रोजगार दर में बदलने का लक्ष रखना है, यह कल की रोजगार यौग्य कौशल और सूचना से लैस करता है। लोगों की सशक बनाने और उतनी सागतिक स्वीकृति में सुधार करने के लिए कौशल निर्माण एक शक्तिशाली उपकरण है। आज दुनिया और भारत रोजगार हर बढ़ाने के लिए एक प्रतिभाशाली ताकत चाहते है। अगर हमें अपने देश के विकाश की बतवा देना है तो हमारा मिशन "कौशल विकाश" और "कुशल भारत" होना चाहिए। कौशल और ज्ञान विकास किसी भी देश को रोजगार वृद्धि और सामुदायिक विकास किसी भी देश की रोजगार वृद्धि और सामुदायिक विकास से पीछे प्रेरक शक्तियाँ है। हमें आर्थिक प्रक्रिया और युवाओ को बतनी आकांक्षाओं की पुरा करने के लिए रोजगार को अवसर से पुरिन किया जाना चाहिए। चुनैतो न केवल कौशल प्रशिक्षण के लिए सुविधाओं को अत्यधिक मात्रात्मक वृद्धि में है बल्कि रोजगार हर को बढ़ाने में भी है।

कोशल विकास को अभी बी भारत में गहड़ो जुड़े जमाती है। भारतीय विश्वविद्यालय और कुशल प्रतिष्ठान डिग्री और प्रमाणन धारको को थोड़ लगाने है, उनमें में अधिकांश बेरोजगार है क्योंकि उनके पास प्रतिभा पैदा करने और नलायने के लिए निर्धारित कौशल की कमी है। हर साल पास होनेवाले नियम इंवोनियरिया स्थान की मे से कई गैर-सार्वजनिक विश्वविद्यालय से, केवल 20 प्रतिशत व्यावसायिक आवश्वकताओं को पुरा कर पाते है। इससे पहले कि व्यवसायी की उनकी मदद का एहसास हो, बाकी को करोर कीचिम से गुजर ने के लिए मजबुर होना पड़ेगा। हाँलाकि समाज को बसे गरीब वर्ग की ऋण लेते और उद्यम शुरू करने की क्षमता उनके व्यावसायिक कौशल को कमी, निरक्षरता, वोखिम लेने में असमर्थन और व्यावसाय के लिए प्रेरणा के कमी के कारण प्रतिकबधित है। उनकी कौशल को उत्पन्न करा और उन्हे हाल में ही उभरने उद्योगों और व्याकारी में रोजगार योग्य बनान कही बेहतर होगा। एक अनिश्चित बाजार में काम करने को खतरे और असंवेदनशील पुि लश और नगरपालिका अधिकारिनी से अपमान को उपेक्षा का सामना करने के बजाय गरीब अपने कौशल को बढ़ावा पसन्द करेगा और नियमित रूप से एक अच्छे वेतन पर नियोजित किया जाएगा, जोकि रोजगारों को कहती है । एक छोटे उद्यम के मालिक और छोटे व्यापारो के लिए।

कौशल विकास तो शहर और उसके आसपास उद्योग और सेवा क्षेत्र को मांग से तोड़ा जाना है। कौशल सुधार सक्रिय स्रम बाजार नीतिया में आवश्यक महत्वपुर्ण चोवो में से एक है, वबकि अपेक्षाकृत उच्च उत्पादकता सेवा क्षेत्र में रोजगार बृद्धि हाल के वर्षों में धीमी रही है। बहु कोशल प्राठ्यक्रमों को शुरू करके आईटीआई में प्रशिक्षण को गुणवत्ता में ुधार और उत्कृष्टता केद्रों के निर्माण को माध्यम से सुधार किया जाना है।

हाँलाकि लोगो को प्रतिभा श्रम बाजार में आवश्यक प्रतिभाओं से मेल खातों है, और अब तक किए गए विभिन्न हस्तक्षेपों को परिणाम थी।

लाखो-करोड़ो भारतीय युवाओं को उन कौशलों को हासिल करना चाहिए वो भारत को एक सामुहिक देश और कम्म गुलाबी फिसलने वाला देश बनाने से योगदान हो सकते है। इसके अतिरिक्त युवाओं का एक पुल बनाने की आवश्यकता है जो रोजगार पैदा करने में सक्षम नहीं है और

उनके पास अवसर नहीं है, उन्हे दुनिया के किसी भी केने में होना चाहिए। अपने परिश्रम और अपने हाथों को निपुणता आधार पर अपना सिर ऊँचा रखते है और अपने कौशल के माध्यम से दुनिया भर के व्यक्तियों का दिल जीतते है। इस प्रकार लोगो के अत्यधिक तीव्र गति से कौशल विकास की बढ़ाने के संकल्प के लिए प्रोत्साहित करें। विकास को एक छोटी सी घटना भी इस तरह की पुष्ट करते है कि आप विश्वास करते है और रोजगार हर में देश के विकस के लिए विकास को भावना बेहद महत्वपुर्ण है।

प्रशिक्षण और कौशल विकास कंपनी में मानव संसाधन के तकनीकी और व्यवहार कौस के विकास के लिए एक अवसर और व्यापक संरचवा प्रदान करने में काफी मदद करता है जो अन्तत्: इष्टतम संसाधन उपयोग को ओर जाता है, इसके अलावा यह सामान्य लोगों को कैरियर मार्ग में अपने लक्ष्यो को प्राप्त करने में भी मदद करता है। यह कर्मचारियो के समग्र व्यक्तित्व से जुड़े मानव बुद्धि के क्षितिज का विस्तार करने में मदद करता है।

प्रत्येक व्यक्ति को क्षमवा को और विकसित करने के लिए निरतंर सीखने को प्रोत्साहित करें। ज्ञान हस्तांतरण गणतंत्र की सफलता के लिए आतंरिक साबित होता है क्योंकि लोग एक दूसरे से सीखते है।

अगर हम इन बातों पे अमल कर इसमें कोई संन्दह नहीं की जल्द से बेरोजगारों को कम कर पाऐंगे।

❑❑❑





# Culture of Assam

**Jinti Deka**
PG 3rd Semester,
Economics Department

Assam is the meeting ground of diverse cultures. The people of the enchanting state of Assam are an intermixture of various racial stocks such as : Mongoloid, Indo-Burmese, Indo-Iranian and Aryan. The Assamese culture is a rich and exote tapestry of all these races evilved through a long assimilative process. The natives of the state of Assam are known as "Asomiya" (Assamese), which is also the state language of Assam. The state has a large number of tribes, each unique in its tradition, culture, dress and exotic way of life.

In Assam, the caste system, although it exists, is not as praminent as in other parts of India. Other religious such as Buddhism, Christianity, Hinduism, Islamism etc. are also practiced in Assam. The state festival of Assam Bihu is cilebrated in three parts during a year with great pomp and grandeur by all Assamese, irrespective of caste, creed ir religion. The quintessential symbols are the Asamiya "Gamucha", "Jaapi", "Tamul Pann" and "Xorai". Traditional attire worn by women called the "Mekhela Chador" and Assamese jewellery also form an intergral part of the Assamese culture.

**About Assam :**


Assam is situated in the North-East of India and is the largest northeastern state in terms of population while second in terms of area. Assam covers an area of 78, 438 km 2 (30, 285 8q mules). The state is bordered by Bhuten and the state of Arunachal Pradesh to the northe; Nagaland, Arunachal Pradesh and Manipur to the east, Meghalaya, Tripura, Mizoram, and Bangladesh to the South; and west Bengal to the West. A significant geographical aspect of Assam is that it contains three of six physiographic divisions of India-The Northern Himalayas (Eastern Hills), The Northern Plains (Bhramhaputra Plain), and Deccan Plateau (Karbi Anglong).

❑❑❑



# নীলা খামৰ চিঠি
## (শৰতৰ এক অনুভৱ)

**আমিনুৰ ইছলাম**
পঞ্চম ষান্মাসিক




মৰমৰ ......
অভিমানী

আশা কৰোঁ তুমি ভালে আছা। মই ভালে আছো অভিমানী। কলমৰ চিয়াহী শেষ হৈছিল মাথোঁ, পুনৰ এটি নতুন কলমৰ দ্বাৰা আৰম্ভ কৰিছো তোমালৈ বুলি। আজি প্ৰভাতী পুৱাই ৰ'দালিৰ ৰশ্মিয়ে মোক বৰকৈ আমনি কৰিছিল বুজিছা তৰা। পশ্চিমৰ পচোৱা বতাহজাকে আজি তোমাৰ কথা আকৌ কৈছিল। নীলাভ আকাশৰ বুকুত পক্ষীজাকে নিজৰ লগৰীৰ সৈতে গাতে লগাই ডেউকা মেলি দিছিল, সেই সময়ত তুমি লগৰীৰ সৈতে গা লগাই ডেউকা মেলি দিছিলা, সেই সময়ত তুমি লিখা কবিতাৰ ছন্দবোৰে মোক আকৌ আমনি কৰিছিল বুজিছা। নৈৰ পাৰত থকা শিমলু গছজোপাৰ ডালত বহি কপৌ দুটিয়ে ক'ত যে প্ৰেমৰ কথা পাতিছিল। তাৰ তলত মোক অকলে দেখি কপৌ দুটিয়ে মিচিকিয়াই হাঁহিছিল। তোমাৰ প্ৰিয়তমাক অকলে গাই থকা গানৰ সুৰত কহুৱা বনবোৰেও নাচিছিল জানা অভিমানী। সকলো গছ-গছনি, তৰু-লতাই আনকি উৰি ফুৰা চৰাই জাকেও মোক জোকাইছিল। তুমি নথকাৰ বাবেহে সিহঁতে মোক আমনি কৰিছিল।

হে মোৰ প্ৰিয়তমা অভিমানী আজি আকৌ কৃষ্ণচূড়াৰ ফুলেৰে মনোমোহা হৈ পৰিছে আমাৰ পদূলিমুখৰ ৰাস্তাটো। পুনৰ ফুলিব ধৰিছে আমাৰ চোতালত থকা শুভ্ৰ বৰনীয়া শেৱালি। তলসৰা শেৱালি বুটলিবলৈ অহা কণমানি কেইটাও অপেক্ষাৰে বৈ থাকে তোমাৰ বাবে। তুমি আহিবা বুলিয়ে কাঠিৰ সন্মুখত থকা ৰজনীগন্ধা ফুলজোপাই সুগন্ধিৰ সুৱাস দিয়ে। অভিমানী আহি অভিমান কৰিব বুলি ভাবিয়ে শেৱালিৰ ফুল সৰি পৰি বৈ থাকে আৰু বেছি নিলিখো ৰাতি বহু হ'ল। এতিয়া আকৌ আমনি কৰিব আকাশৰ তৰাবোৰে, সাক্ষী হৈ ৰ'ব জোনাকী পৰুৱাবোৰে, তোমাৰ কথা ক'ব বিচাৰিব জোনবাইটিয়ে।

আজিলৈ এৰিলো, শেষত আকৌ এবাৰ মৰম ল'বা তোমাৰ অপেক্ষাতে আহিন আহি পালে....। এইবাৰ আঘোনত আহিবা বুলি বাট চাই ৰ'ম...., মই জানো তুমি আহিবা।

ইতি—
তোমাৰ মৰমৰ
শৰৎ

□□□





# PLAY FOR THE COLLEGE MAGAZINE

**Binod Das**
B.Com 2nd Semester,
Economics Department

Inside the Rangia College canteen while eipping mango juice from the tetra pack, in short while drinking Mazza, Snehasis, the magazine secretary, saw a boy who looked familiar to him "is that Binod?" he thought in his mind.

"Yes, it is" after looking at the bracelet in right hand.

"Hey brother remember me; I really like the article that you have written for the magazine" Snehasis said.

Binod is a simple boy, UG 1st semester student in his 20s. He was sitting on one of the canteen chairs listening to the king's song in his headphones,

Tere dill se naa kabhi khelounga
Saaree raaj apnae main tujko de doongha.
Meri jaan, tune mujko paagal hai kiya
Mera leegda na jiya tere bagayer.
Too maanm meri jaan, main tuihe janane naa doongha
Main tujko apanee banhon mein cchopa ke rakhungaa
Too maan, meri jaan..........

Snehasis tapped his shoulder. "Brother, do you hear me?"

After looking at Snehasis' face, Binod took his headphones out and said, "Hey brother what's up" and shook Snehasis' hand.

"Brother, I liked the article that you have written for the magazine." Snehasis said again.

"Thanks for the compliment." Binod said.

"Can you do me a favor, can you write a play for the magazine?" : Snehasis "A play, like 'Julius Caesar' and 'Romeo and Juliet" Binod said with a laugh in his face.

"Brother I am serious, can you do it for me?" Snehasis.

"I cannot give you the assurance, but I can try. But first tell me the topic then I can think of writing about it." : Binod.

"Write about anything, but it should be interesting, it should be thrilling, and it should have the power to capture the emotion. Mainly I want a unique piece of art that can change the thought process of people" Snehasis said, his eyes were shining like a man full of hopes the future.

"I...... nothing is in my mind right know. the thing is I am emotionally and mentally unstable right now, so I cannot give you the assurance about it." Binod said with fa faint smile on his face.

"Can you explain to me about your situation. I promise I will listen to you till the end. If you want to share, then you have all my ears." Snehais said and one can see the seriousness in his face that he is not bluffing.

"You want to listen to me, ha ha ha..... I am not a hero, I am not a king, I am just a simple nobody. A mortal with no dream, no vision and hope for the future, and you want to listen to me. You know why I still carry a smile in my face? Because I know that this world is full of darkness, misery, pain and I know I will face them, and they will contaminate me, but a simple smile reminds me that after all of this I am alive, and I have my body. And you want to listen to me." Binod said giving a cold stare, cold like a wolf staring prey.

"I am still listening" Snehasis said.

"Do you think this world which we have created is an ideal place? And do we all have a mission to complete? Surprise, surprise, that's what they want us to believe. We are all living in our own dreams and the interesting thing about it is that the dream is also borrowed from others. From our childhood this society has made us believe that this world is full of love and

kindness. But guess what, these are all lies, made up beliefs that are put into our brains because the so-called elders don't have the courage to speak the truth." Binod said.

Snehasis "so according to you love is fake?"

"Love is the most miss misunderstood topic in this world. I am not saying this is fake, but love is a lie. Love means a state where a man is totally selfless but nothing in this world is selfless. Here, money can buy you happiness and can solve 99% of the problems in our life. If you have great wealth, society will love you. Get a costly bike or a car, boys will worship you. Look wealthy, wear costly cloth, shoes and jewelry, girls will die for you. And if you are able to show them that you are well settled, probably they will be ready for the marriage. Everybody in this world wears a fake smile like me. There is an intension behind every smile, every act to kindness."

After a pause Binod continued :

"If the truth is cruel, then lies must be kind. That's why love and kindnes is a lie. The more you grow up the more you realize that in this society you and me are just a grain of sand. This world doesn't give a damm about you and me. Everybody wants the output we provide to them; so to hide greed, society named it love."

"Don't you love anybody?" Snehasis said.

"Yes, of course. I love myself, I love my looks, I love my voice and I love the fact that I am still fighting. I don't have any reason to hate myself, but I quit loving others a long time ago. People can mark me selfish, but it doen't matter to me at all. Because I know the reality and they don't. I am my best friend, I enjoy the company of myself, and death is my girlfriend whom I will marry one day." Binod said and stood up from his chair to leave.

Snehasis was silent. He didn't ask any other questions. He was just looking at the seat where Binod was sitting.

"Hi Binod" Snehasis said when Binod was about to leave the canteen and almost at the gate, "if you write it down, the whole conversation, I promise to you that I will print this in our college magazine."

Binod ignored him, put his headphones back where they truly belonged, yes in this ears so that could ignore the world around him and walked away. ❑





# অপ্ৰত্যাশিত

দ্বিজু এম শৰ্মা
দ্বিতীয় ষান্মাষিক



দুপৰীয়া পাৰ্থৰ ষ্টেটাছত যেতিয়া দেখিলো কাইলৈ B. A last semester final examৰ চাৰ্টিফিকেট দিব, তেতিয়াৰ পৰাই কিবা এটা নিমাত অস্থিৰতাই বৰকৈয়ে চিকুটি আছেহি। কিয়নো ইমান দিনৰ পৰাই মনতেই গুজি ৰখা মনৰ কথাটি হয়তো কাহানিও ক'ব নোৱাৰিম। অৱশেষত অস্থিৰতাৰ বতাহজাকক ক্ষান্ত কৰি সিদ্ধান্ত কৰিলো যে কাইলৈ যেনেকৈয়ে নহওক কথাটি কমেই মই, কিয়নো আৰু বা কেতিয়া লগ পাওঁ ভৰসা নাই!

সেয়ে মেচেঞ্জাৰটো খুলি ল'লো। তাই কৈছিল— অকণমান দেৰি হ'ব। ১২ বজা মানত পোৱাকৈ যাম। তেনেকৈ কৈ তাই শুই পৰিল......

মই সুধিছিলো— ঐ, কাইলৈ কেতিয়াকৈ কলেজ আহিবা?

মইয়ো ৰিপ্লাই এটি দি থলো— অহ! ঠিক আছে দিয়া। মই ফৰ ইউৰ ওচৰত বৈ থাকিম.....

তাইক কাইলৈ আকৌ এবাৰ লগপোৱাৰ হাবিয়াসে মোক শুব নিদিলে। কেতিয়া নিশাটি পুৱাব, কেতিয়া ১২ বাজিব! কেতিয়া তাইক লগ পাম! এইবোৰ ভাবে মোক বাৰুকৈয়ে অস্থিৰ কৰি তুলিছিল। অৱশেষত মইয়ো নিদ্ৰাদেৱীৰ কোলাত শুই পৰিলো। তেতিয়া চাগে নিশা ২ বাজি ২০ মিনিট মান গৈছিল।

পিছদিনা ৰাতিপুৱা ১১.২০ মান বজাত তাই মেছেজ দিলে— তুমি আহিবা নেকি কালি? মইতো কালিৰে পৰা তাইক লগ কৰিবলৈ ব্যাকুল হৈ আছো।

মাক মিছা কথা এটা কৈ ঘৰৰ পৰা ওলাই আগদিনাই আনি থোৱা লগৰ এজনৰ বাইকখন লৈ মই যাবলৈ সাজু। সোণ দাৰ দোকানৰ পৰা অনা ৭৫ টকীয়া দামী AXEৰ pocket versionটো গাত ছটিয়াই প্ৰায় শেষেই কৰি দিলো। কাৰণ তাইক লগ কৰিব যাম ভাই।

গাড়ীত গ'লে যিখিনি ঠাই পাবলৈ ৪০ মিনিট লাগে

সেইখিনি ঠাই মই ২০ মিনিটত পাই গ'লো। পাগলৰ দৰে মই কেৱল ৰেচ পকাই আছিলো কিয়নো তাইৰ ওচৰ পাব লাগে মাথোঁ।

কলেজ পায়েই মই মবাইলটো উলিয়াই টাইমটো চালো, ২০ মিনিটেই এডভাঞ্চ।

লগে লগে আব্দুলৰ দোকানৰ পৰা দুটা চকলেট আনিব গ'লো। আব্দুলেও দোকান বন্ধ কৰি ৰৈ আছিল মোক। তাক পুৱাতেই দুটা ব্ৰেণ্ডেড চকলেট দিয়াৰ কথা কৈ থৈছিলো। যিটো ব্ৰেণ্ডৰ চকলেট মই নিজেই খাই পোৱা নাছিলো। কাৰণ সেইটো কিনি খাবলৈ মই ইমান পইচা ইফৰ্ট কৰিব নোৱাৰো। কিন্তু তাইৰ বাবে কিনি পেলালো। সেইখিনি সময়ত কিমান যে হেপ্পী হৈ আছিলো নিজেই নেজানো।

মনটো উগুলথুগুল আৰে তাইক লগ পাম।

এনেতে মবাইলটো Vibrate হৈ উঠিল...

তাইৰ মেচেজ

খুলি চালো

তুমি লগ কৰিব নালাগে, মই গুচিয়েই আগিলো। ...২০ মিনিট যদিও এডভাঞ্চ তথাপিও মই চাগে ২ মিনিট মান পলম কৰি দিলো।

কি হ'ল নিজেই নেজানো। কিবা এক নোপোৱাৰ বেদনাত হাত দুখন কপিব ধৰিলে আৰু ম'বাইলটোও পৰি গ'ল ।

চিইইইইই কৈ শব্দ আহিল...

পাব্লিক হেল্থৰ টিউৱেলৰ পৰা পানী পৰিছে। তাত গৈ পানীৰে গোটেই মুৰটো তিয়াই পেলালো।

তাই ভাল পাব বুলি লগোৱা বডি স্প্ৰেৰ সৌৰভো যেন তাতেই মৰহি গ'ল। বাউলি বৰদৈচিলাৰ দৰে মোৰ দুটি নয়নে কেৱল তাইক বিচাৰি আছিল।

তাইক এবাৰ চামে বুলি আকৌ ৰেচত হাত দিলো। মই চাগে স্পীড চাৰিকুৰি অতিক্ৰম কৰিছিলোঁ, তাকো off roadত। এনে হ'লে মই গাড়ী ৬০ৰ ওপৰত নিবলৈয়ে ভয় কৰো। কিন্তু সিদিনা এটাই টাৰ্গেট তাইক লগ পাব লাগে।

তাই ঘৰৰ আগৰ কেকুঁৰিটো পাৰ হোৱাৰ অলপ আগত দেখা পালো। তাইলৈ বুলি নিয়া চকলেট দুটা মোহাৰি দলিয়াই পেলালো। তাই গাড়ীৰ পৰা নামি গেটখন জপাই ঘৰলৈ বুলি পিচমুৱা হোৱাৰ লগে দুধাৰি চকুলো বৈ আহিল।

চকলেট দুটা যে দলিয়াই দিছিলো সেইদুটা উভতি গৈ বুটলি আনিলো। চকলেট দুটা পেলাই দিয়াত মোৰ কোনো আপত্তি নাছিল। কিন্তু সেই চকলেট দুটাত তাইলৈ বুলি যিখিনি মৰম নিহিত হৈ আছিল সেইখিনি দলিয়াই দিবলৈ সাহস নহ'ল। ঘৰলৈ আহিলো। ঘৰ পাই গেট খন খুলি গাড়ীখন থ'ব ধৰোতেই মা ওলাই আহিল আৰু মোক দেখি পুনৰ ভিতৰলৈ গ'ল। মইয়ো আহি চাবিপাত আঁৰি থ'ব ধৰোতেই মায়ে সুধিলে— কি বাবা! লগ পালি?

তেওঁ চাগে মই যাব ওলাওঁতেই মোৰ চকুযুৰি চায়ে গম পাইছিল।

মা বিলাক আচৰিত ন...

মই হাঁহি মাৰি ৰুমত সোমালো। যদিওবা মাৰ সেই খুহুটীয়া কথাষাৰত লাজ পাই মিচিকিয়াইছিলো তথাপিও মনতো আছিল সেমেকা ৰুমত সোমাই মাক মাতিলো— অ' মা 'তোমালৈ চকলেট আনিছো।'

মায়ে এটা ল'লে আৰু ক'লে এটা থৈ দে চোন। মই সকলো বুজিলো।

তাইৰ লগত চিনাকি বেছি পুৰণি নাছিল। তাই আছিল মোৰ দেউতাৰ প্ৰিয় ছাত্ৰী। সেয়ে তাইৰ কথা প্ৰায়েই দেউতাৰ মুখত শুনি শুনি তাইৰ প্ৰতি কিবা এক অনাকাংক্ষিত আকৰ্ষণে টানি নিছিল মোৰ চিন্তাশৈলীক। মোৰ দেউতাকো তাই যথেষ্ট শ্ৰদ্ধা কৰিছিল। তেনেকৈয়ে ফেচবুকত তাইৰ লগত চিনাকি। এচএমএচত হোৱা বাৰ্তালাপতে তাইৰ প্ৰতি নিজকে হেৰুৱাই পেলাইছিলো। প্ৰেমৰ সাগৰত তাইৰ বাবেই সাতুৰিব শিকিছিলো। কেতিয়াও তাইক মোৰ হৃদয়ত তাইৰ প্ৰতি থকা এমুঠি ভালপোৱাৰ অনুমান হ'ব দিয়া নাছিলো। কাৰণ দুৰ্বল হৃদয়ত এইকণ সাহস নাছিল।

ভাবিছিলো তাইৰ প্ৰতি থকা মোৰ সংগোপন প্ৰেমৰ বহিঃপ্ৰকাশ কৰিলে কিজানিবা বেয়াই পাব। লগতে দেউতাৰ কথা ভাবিয়েই জানিব দিয়া নাছিলো তাইক মোৰ হৃদয়ৰ গোপন কথা।

পিছত এজনৰ পৰা গম পালো তাই হেনো এতিয়া আনৰ হৃদয়ৰ লগৰী। তাই চাগে মোৰ কথা তেনেকে ভবায়ে নাছিল, মইহে চাগে তাইৰ বাবে ভালপোৱা কি সেইটো শিকিছিলো, মইহে চাগে তাইৰ বাবে সপোন গঢ়িছিলো। কিন্তু মোৰ পৃথিৱীখনো মোৰেই হৈ থাকিবনে! তাই য'তেই আছে, যাৰ লগতেই আছে সুখত থাকক তাৰেই কামনা মাথোঁ। ভগৱানে তাইক লগতে সেই সৌভাগ্যৱানজনক সুখত ৰাখক তাৰেই প্ৰাৰ্থনা।।





# MURDER – AN INVESTIGATION STORY

**Pooja Kumari Ray**
5th Semester, English Deptt.



"We can't even find the only person who is killing all the people."

"Right he has kills 4 people in just 12 days. We don't even have a clue."

The police officers were talking about the case, a single person is killing with his unique style. His weapon was unknown, his identity was unknown as well as the reason too was unknown.

The cas ewas forwarded to me, I am S.K. Singh, IPS Officer. And I come to know that muders has been done on different dates. So I went to check everything about the victims.

"So what all evidences do we have?"

"He is a psycho killer." A sergent said.

" Can you give me names of victim and their address."

"Sir, the name s are Chonmoy, Ravish, Irush, Chitra and address are given in the envelope."

A harted reading the cas e file while travelling. And I got to know all of them were magicians. They all were beaten by something till death. 3 sticks were found their all the dead bodies but were not used in murder. I was shocked by the fact that killer cut their tounges and hand of male victims.

"Why he cut hands of male victims." I asked.

I got to know that all of them were magicians and member of team 7 magicians group, No. 1 magician group.

"Don't go to the addresses. Driver take the car to the office of these magicians."

"Your four magicians are killed do you know who is the murdered" – No Sir, The onwer replaced.

"Hey you're Sir" – One police officer said.

"What Sir" – "Nothing sir."

A officer came to me with the call records.

"Anything you get here."

"yes Sir." A person named Taresh called all of them 12 days ago.

"Means when first murder took place." I said

"Who is he?"

"Sir he's also a magician."

"Same team?"

"No Sir." "He works alone and he's 2nd in the rank of magician."

"And first is team 7 means this is a normal case. Taresh is the murderer. He's wanting to become no 1 by finishing team 7." Get him.

"Sir he's missing from last 12 days."

"A good planner he's. He has given money to someone for this work.'

Meanwhile of got the news of one more murder from team 7.... "Sir Kiram this time."

"We have to save other members who are left."

A sent some police officer in their houses.

"Sir one more murder."

I lost my temper despite of high security...

No Sir, Sir this time owner of the group is killed Mr. Eneva.

Check the CCTV footage if available.

Full face corvered mask, dress like magicians and cap.

"We have to catch Taresh."

Sir Taresh also have 6 fingers.

"Yes I saw in the footage."

"Give me one map of the city."

I marked all the places where dead bodies were found.

It is looking like a Cricket bat just one place is missing.

"Ohh God."

"What happened Sir."

"Taresh is the next victim."

"Victim?"

"Yes" Notice the names Chinmoy, Ravish, Iresh, Chitra, Kiran and Eneva.

"Sir, I am not understanding."

"C.A.I.C.K.E."

"Oh yes Sir. In map also we shown sketch like bat.

We went in the house of Taresh. A divorce paper we get and we get to know that his wife is also a magician. After some investigation we get to know that he used to beat his wife and his son was died in a fire accident.

"We started soarching that women but she suddenly became invisible. Her photo was circuated everywhere still no information. We visited the place where the map was completing the drawing of map.

Dead body of Taresh was found there same murder style.

"Sir in his purse I get a photo."

I saw the photo and I sarted running to find a cyber cafe. After 2 hours I found him.

"Sir not him... her." "He."

He was caught.

"Why di you killed them."

"When I was 14 years old my mom promised me that she will buy a cricket bat for me. I was so excited that I visited the place where she was working. I saw 4 man's were misbehaving with her and 2 womans were enjoying tha, when she tried to run one of them attacked on her and she died there I started crying and went there the se fire so it look likes a accident.

"How you saved yourself."

"I jumped through the window and when only one dead body was found they said the boy was playing and set fire and died with the help of money they closed the case."

"Why did you kill your father?"

"Because he used to beat my mother and left her alone to survive."

"How did you kill them?"

"I first beat them by bat them I cut their tounguesand hand of all the man who touched my mother."

"But how did you get that I'm the murderer."

" You're too smart but you forget to hide your siuth finger. I saw in the CCTV, then in the photo with Taresh and suddenly I remember my on mate said you have sir, I asked him what he was saying he said that the magician there has 6 fingers. I went in a cyber cafe removes your wings and circulated that photo and see the result."

"Too smart you are."

"And you are a psycho."

"No I am a boy who just played CRICKET."





# নাটকৰ এপল (বাৰ্তালাপ), চিন্তাশীল নাট্যকাৰ, অভিনেতা মৃদুল চুতীয়াৰ সৈতে...

সাক্ষাৎকাৰ— স্নেহাশীষ ভৌমিক
সম্পাদক, ৰঙ্গণ

স্নেহাশীষ : ভ্ৰাম্যমান নাট্য জগতৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন সম্পৰ্কে আপুনি কি কয়?

মৃদুল চুতীয়া : আমি জন্ম হোৱাৰ পৰা আজিলৈকে ঘৰখনৰ সমাজখনৰ যিবোৰ বস্তু দেখিছো আজি জন্ম হোৱা সন্তানজনে আজিৰ পৰা তেওঁৰ জীৱন কালত যিবোৰ বস্তু দেখিব আমাৰ জীৱন কালত দেখা, ঘটা বহুত ঘটনা হয়তো তেওঁ নেদেখিব। অৰ্থাৎ আগৰ জীৱনে প্ৰত্যক্ষ কৰা আৰু এতিয়া জীৱনে প্ৰত্যক্ষ কৰা কথাবোৰৰ ভিন ভিন প্ৰতিফলন নাটক, চিনেমা, নাচ, গান,খাদ্য,পোছাক ইত্যাদি ইত্যাদি সকলোতে পৰিব। ভ্ৰাম্যমান থিয়েটাৰো ইয়াৰ ব্যতিক্ৰম নহয়। পৰিৱৰ্তনৰ গতি গ্ৰহণ কৰিলেহে সময়ে ভ্ৰাম্যমানৰ নাট্যকৰ্মক গ্ৰহণ কৰিব। কিন্তু এই পৰিবৰ্তনৰ ঢৌত এটা বস্তুৰ কেতিয়াও পৰিবৰ্তন নহয় সেয়া হৈছে আবেগ। যেনে —সুখ, দুখ, হাঁহি, কান্দোন ইত্যাদি ইত্যাদি। এইবোৰ সদায় একে আছিল একে আছে, একে থাকিব। ইয়াকে পৰিবৰ্তনৰ ৰূপ দিবলৈ চেষ্টা কৰি নতুন এটা বাটেৰে যদি ভ্ৰাম্যমানক পৰিবৰ্দ্ধন ঘটাব বিচাৰে তেতিয়া আকৌ- "অতিৰ লগত সতী মৰে, "উলুৰ লগত বগৰী পোৰাৰ দৰে কথা হ'বগৈ"।

স্নেহাশীষ : সামাজিক দায়বদ্ধতাৰ যি এক মহৎ উদ্দেশ্য, বৰ্তমান ভ্ৰাম্যমানৰ নাটক সমূহে সেই উদ্দেশ্য সিদ্ধিৰ ক্ষেত্ৰত কিমানদূৰ ফলপ্ৰসু বুলি আপুনি ভাবে?

মৃদুল চুতীয়া : প্ৰত্যেকখন ভ্ৰাম্যমান থিয়েটাৰৰ একো একোজন প্ৰযোজক থাকে। গতিকে গোটেই কথাবোৰ নিৰ্ভৰ কৰে প্ৰযোজক গৰাকীৰ জ্ঞানৰ পৰিসীমাৰ ওপৰত। এজন নাট্যকাৰে যদি সামাজিক দায়বদ্ধতাৰ বৃত্তৰ ভিতৰত থাকি নাট এখন ৰচনা কৰে আৰু সেই নাটখন মঞ্চস্থ কৰাৰ ক্ষেত্ৰত প্ৰযোজকে যদি অনীহা প্ৰকাশ কৰে অৰ্থাৎ ভাল সামাজিক বাৰ্তা থকা নাটখন মঞ্চস্থ নকৰোৱাই সস্তীয়া মনোৰঞ্জনধৰ্মী নাট প্ৰদৰ্শন কৰোৱাই ধন ঘটিম বুলি ভাবে তেতিয়া সামাজিক দায়বদ্ধতাৰ মহৎ উদ্দেশ্য ক'ত সফল হ'ব। প্ৰযোজকজনেই যদি ভাল বেয়াৰ বিচাৰ শক্তি হেৰুৱাই তেতিয়া হলে ভ্ৰাম্যমানৰ কি উত্তৰণ ঘটিব। এইচাম প্ৰযোজকৰ বাবে "অন্য চিন্তা একাষাৰ, অৰ্থ চিন্তা চমৎকাৰ"।

স্নেহাশীষ : আপোনাৰ নাটকবোৰ ব্যতিক্ৰমধৰ্মী তথা দৰ্শকক আপোনাৰ নাটকবোৰে চিন্তা কৰিবলৈ বাধ্য কৰায়। ইয়াৰ বিপৰীতে আজিৰ কালৰ বেছিভাগ নাটকেই কিন্তু একঘেয়ামী হোৱাৰ লগতে বৌদ্ধিকতাৰ ফালৰ পৰাও দুৰ্বল হোৱা দেখা যায়। ইয়াৰ কাৰণসমূহ আপুনি কি বুলি ভাবে?

মৃদুল চুতীয়া : সৰুতে যেতিয়া নাটক কৰিছিলো তেতিয়াই কেইটামান কথা শিকিছিলো। তাৰে এটা হ'ল— নাটক এখনে দৰ্শকক ভবাই তুলিব লাগে। সেই ভবাই তোলাৰ চেষ্টাৰে নাটকবোৰ লিখিবলৈ যত্ন কৰাৰ বাবে হয়তো আনতকৈ পৃথক বা ব্যতিক্ৰম যেন লাগে। আচলতে সৃষ্টিশীল নাট্যকাৰৰ অভাৱ নাই। আগতেই কৈছো গোটেই নাটকবোৰ নিৰ্ভৰ কৰে প্ৰযোজক গৰাকীৰ বৌদ্ধিকতাৰ

ওপৰত, জ্ঞানৰ পৰিসীমাৰ ওপৰত। “হালৰ ও নহ'ল, ফালৰ ও নহ'ল” ব্যক্তি কিছুমানে যদি থিয়েটাৰ প্ৰয়োজনা কৰিবলৈ লয় তেতিয়াতো সুস্থ নাটকবোৰক অসুস্থ নাটকবোৰে হেঁচামাৰি ধৰিবই। কিছুমান নাট্যকাৰে আকৌ উপায়হীন হৈ কেতিয়াবা পেটৰ তাড়নাত, কেতিয়াবা বিখ্যাত হোৱাৰ উকমুকনিত প্ৰয়োজকৰ সৈতে আপোচ কৰি নাট্যকাৰৰ মোহৰটো ডিঙিত আঁৰি লয়। এইচাম নাট্যকাৰেই ৰুচিবোধ থকা দৰ্শকৰ অভাৱ বুলি কৈ সহজে চিন্তা কৰি সহজে লিখি উলিয়াব পৰা নাটক কিছুমান লিখি দৰ্শকে এইবোৰেই বিচাৰে বুলি কৈ দায়সাৰি নাটকৰ সংখ্যা বঢ়াই যায়। আচলতে দৰ্শকে কি বিচাৰে তাৰ ওপৰত গুৰুত্ব নিদি কি বিচৰা উচিত তাৰ ওপৰত গুৰুত্ব দি যদি প্ৰয়োজকে নাটক সমূহ লিখিবলৈ নাট্যকাৰক তাগিদা দিয়ে তেতিয়া সৃষ্টিশীল নাট্যকাৰতো সৃষ্টি হ'বই আৰু সচেতন দৰ্শকৰ সংখ্যা অনুমান কৰিব পৰা যাব।

স্নেহাশীষ : মৃদুল চুতীয়াৰ দৃষ্টিৰে মৃদুল চুতীয়া

মৃদুল চুতীয়া : বঁটা, টকা আৰু জনপ্ৰিয়তা অৰ্জনৰ নামত অৰুচি সম্পন্ন, সমাজৰ ক্ষতিকাৰক, সস্তীয়া মছলাধৰ্মী কাম কৰিবলৈ বেয়া পোৱা মানুহ মৃদুল চুতীয়া। যাৰ ফলস্বৰূপে বহু ক্ষেত্ৰত পিছপৰি থকা এজন মানুহ। সৎসাহসী বাবেই বোধকৰো স্পষ্টবাদী, যাৰ বাবেই চাগে খঙালো। যি খঙে বৃত্তিৰ লগতে অন্যান্য ক্ষেত্ৰতো ক্ষতি কৰিছে।

স্নেহাশীষ : আপুনি সুদীৰ্ঘকাল ভ্ৰাম্যমানত অতিবাহিত কৰিলে, ভ্ৰাম্যমানৰ আজিৰ প্ৰেক্ষাপটত ইয়াৰ নতুনত্বৰ প্ৰয়োজন আছেনে?

মৃদুল চুতীয়া : নিশ্চয়কৈ আছে। ভ্ৰাম্যমান থিয়েটাৰৰ নিয়মিত দৰ্শকসকলে সদায় ভ্ৰাম্যমান থিয়েটাৰৰ নাট সমূহ যি কোনো পৰিস্থিতিতে চাবই বুলি ভাবি থকাটো ভুল ধাৰণা। কাৰণ এতিয়া অ' টি, টি, প্লেটফৰ্ম সমূহে চিনেমা হলৰ পৰা দৰ্শক নি ম'বাইল ফোনত আৱদ্ধ কৰোৱাইছে। যান-জঁট টকা-পইচা, সময় এই সকলোবোৰৰ পৰা কিছু সকাহ পাবলৈ এই প্লেটফৰ্মসমূহে দৰ্শকক যিদৰে আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছে তাৰ ফলত চিনেমা হল, ভ্ৰাম্যমান থিয়েটাৰ যথেষ্ট বিপদত পৰিছে। তাৰোপৰি এইবোৰে যিসকল দৰ্শকক আকৰ্ষিত কৰিব পৰা নাই সেইসকল দৰ্শক আকৌ অসমীয়া, হিন্দী, ধাৰাবাহিক চোৱাত ব্যস্ত থাকে টি.ভিৰ সন্মুখত বা মবাইলত। এই সকলোবোৰক প্ৰত্যাহ্বান জনাই দৰ্শকক ভ্ৰাম্যমানৰ প্ৰেক্ষাগৃহলৈ আনিবলৈ হ'লে গতিবিধি সলনি কৰিবই লাগিব বা নতুনত্বৰ সোৱাদ দিবই লাগিব। প্ৰত্যেকখন ভ্ৰাম্যমান মঞ্চতে একেধৰণৰ অভিনয় একেধৰণৰ নাচ, গান, একেধৰণৰ মঞ্চসজ্জা, মঞ্চৰ পৰা আগবঢ়াই দিয়া তথাকথিত ৰেম্প এইবোৰে ভ্ৰাম্যমানৰ নতুন দৰ্শকসকলক হয়তো আকৰ্ষিত কৰিব কিন্তু নিয়মিত দৰ্শকৰ আকৰ্ষণ লাহে লাহে কমি আহিব বা আহিছে। গতিকে প্ৰথমতে প্ৰযোজক তাৰ পাছত নাট্যকাৰ আৰু কিছু পৰিমাণে আহ্বায়ক সমিতিয়ে ভ্ৰাম্যমানৰ নিজস্বতা ৰক্ষা কৰি নতুনত্বৰ সন্ধান কৰিবই লাগিব। এইখিনিতে এটা কথা মন কৰিব লাগিব যে এখন থিয়েটাৰৰ নতুনত্বৰ চিন্তাৰ লগত আনখনৰ মিল থাকিব নালাগিব।

▶▶▶





# মমতাৰ কঠিয়াতলী

কিন্নৰী ৰাভা
অৰ্থনীতি বিভাগ

খৰস্ৰোতা বৰলীয়া পাৰৰ
আকাশীনীলা বতাহজাক !
আৰু বতাহজাকত বিলীন হৈ ভাঁহি অহা
দূৰ-দূৰণিৰ সুগন্ধি মালিতা ! !
হাতে হাতে হাত বান্ধি,
ঢোলৰ চাপৰত কঁকাল ভাঙি,
বাগৰুম্বাৰ ধ্বনিতেই প্ৰতি ধ্বনিত হওঁ মই !
গুচি যাওঁ ৰঙিয়াৰ বাকৰিৰ সৰিয়ঁহডৰালৈ
তাতে পৰি মই খোজে খোজ মিলাও,
খোজতে উজুতি খাই লাজত ৰঙা পৰো,
ঠিক সেই নেপালী গাভৰুজনীৰ দৰেই ! !
দুহাত যোৰ কৰি মই নাম-ঘোষা আওঁৰাও
খোল-নাগাৰাৰ ধপ্-ধপনিত শংকৰৰ নাম লওঁ !
মোকেই সাক্ষী কৰি নিলগৰ পৰা বাগৰি আহে
গধূলিৰ আজান।
আহ কি যে সুন্দৰ,
ৰজনজনাই জিলিকে এই সমতাৰ কঠিয়াতলী,
এয়াই চোন মোৰ ৰঙিয়া মহাবিদ্যালয়ৰ দুৱাৰডলি ! !

▶▶▶





# এক অনুভূতি

প্ৰিয়ঙ্কা কৰ্মকাৰ
তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ

অসুস্থিৰতাৰ পৃথিৱীত ক'ত পাম
সুস্থিৰতাৰ সেই ছাঁ
ক'ত পাম সেই শান্তিপূৰ্ণ বৰষুণৰ টোপাল
যিয়ে কৰি তুলিব আত্মাটোক জীপাল।
মায়া মোহত মগ্ন মানুহৰ এই অস্থিৰতাই
ক'ত হেৰুৱালে জীৱনৰ প্ৰকৃত সৌন্দৰ্য্য
ক'ত হেৰুৱালে চিন্তাহীন পথাৰৰ দৃশ্য।
ক'ৰবাত আছেনে বতাহৰ সেই শীতল অনুভূতি
য'ত পোৱা যায় নিঃস্বাৰ্থতাৰ বোৱতি।
পৃথিৱীৰ এই ব্যস্ততাপূৰ্ণ মানুহৰ আচৰণে
কেতিয়াবা আকোৱালি ল'ব নে
জীৱনৰ সৰু সৰু সুখবোৰ,
য'ৰ পৰা পোৱা যাব আত্মাৰ প্ৰকৃত সুস্থিৰতা
যি হাজাৰ শব্দৰেও বুজাব নোৱৰা হৈ পৰিব
এক অনুভূতি।

▶▶▶

## হেঙুল

ইমদাদুল আলী
তৃতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

তেজ গলি হেঙুল হৈছিল এই পুৰা !
মই এমুখ তেজ জুইত দিছিলোঁ
আকৌ হেঙুলী হওঁক এটি আবেলি
পিশাচে শোহা শোণিতেৰে মই পুৰা আবেলিক সজাওঁ
ৰক্তাক্ত হওঁক এক অন্য প্ৰহৰ।
এটি গাঁত খন্দাইছিলো মই
তুমি হত্যা কৰা মোৰ নশ্বৰ মনক পুতিছিলো
তোমাৰ নামজাৰী কৰা হৃদয় মাটিত।
কেঁচা তেজৰ গোন্ধত তোমাৰ পদুলিত
শেৱালি হৈ বিলাই শৱতৰ গধূলি।
সেই মাটিত মোৰ নামত স্মাৰক হওঁক
ইতি !
মই দেখিছো
তেজ বমি কৰা চৰাই
ঠিক মোৰ পৰিভ্ৰমী অঞ্চলৰ প্ৰান্তত
তেজৰ এই ইতিহাস বাহাল থাকক।।

▶▶▶





## ক্লান্ত সুৰৰ ৰাগিনী

বিজয় দাস
পঞ্চম ষান্মাসিক, ৰসায়ন বিভাগ

এটি শান্ত সীমনাৰ পাৰত
বহি থকা মৌপিয়া
ক্লান্ত উশাহেৰে সুৰ এটি জুৰি
অশান্ত মনটিৰ শান্তি বিচাৰে।
বৈ থকা মোহনাত সৰি পৰা পাতখিলা
সোতৰ বিপৰীতে যাব খুজিলেওঁ
পানীৰ প্ৰৱাহে ধোঁৱাই নিছে।
অক্লান্ত বোঁৱতিৰ সোঁতৰ ধাৱাটি
কোনোবাই দূৰৰ পৰা চাই
নিৰৱে নিতালে অশান্ত মনটো
শাত পেলাবলৈ,
ক্লান্ত সুৰৰ ৰাগিনীত
বিলীন হোৱাকৈ তান জুৰিছে।
একোটি সুৰ একেটি ৰাগত
বৈ থকা প্ৰৱাহৰ কলতানত,
বহি থকা মৌপিয়া
প্ৰশান্তিৰ ভাৱেৰে
বিভ্ৰান্ত পথৰ অশান্তিৰ পৰা
নীলা আকাশত আকৌ উৰিব
বসন্ত তমসাৰ ডাৱৰ ফালি।

▶▶▶






## যুঁজ

বৰষা শৰ্মা

নতুন উদ্যমত
হাবি কাটি পথ উলিয়াম,
পথ ৰুদ্ধগতি ওফৰাই
বুৰঞ্জী ৰচিম।
আকৌ নিজৰ প্ৰাপ্য
আঁজোৰাৰ যুঁজত নামিম।
প্ৰতাৰণাৰ ফুল ফুলা
অবিশ্বাসৰ বাগিচাত
মই আকৌ বিশ্বাসৰ গছ ৰুম।
মোক শক্তিৰ বীজ সিঁচিবলৈ
তোমালোকৰ উদাত্ত কণ্ঠেৰে গীত গোৱা
অন্যায় অবৈধতাৰ পিঞ্জৰাত
মোক বান্ধি নথবা
মোক উলিয়াই দিয়া ডেউকা মেলি,
মই উৰিলে মেঘৰ সৈতে যুঁজিম।
বৰষুণ পৰিলেও নীড়লৈ নাহো ঘূৰি
প্ৰখৰ ৰ'দটোৰ স'তেও যুঁজিম
নমৰালৈকে যুঁজিম।।

▶▶▶





## জীৱনৰ চাকনৈয়া

ইমৰান হুছেইন
তৃতীয় ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

সময়বোৰ বৰ গতিশীল
সংকোচবিহীনভাৱে আগবাঢ়ি যায়
তথাপিও প্ৰতিটো দিন অপেক্ষাৰত হৈ ৰওঁ
কিজানিবা পাওৰেই সহনশীল উত্তৰটি
কেতিয়াবা বৰ ভয় হয়
পাহি মেলা সপোনবোৰক যদি
সময়ৰ সোঁতে ম্লান কৰি পেলাই
হয়তো নিৰুত্তৰ হৈ ৰ'ম মই;
আৰু জীৱনত আৰ্জিলো কি
সেয়া হৈ পৰিব এক বিশাল প্ৰশ্ন
বাস্তৱতাৰ সিপাৰে থকা
সুগন্ধি মালাৰে সজা স্বপ্নবোৰ
মৰহি পৰিব।
আকৌ কেতিয়াবা জটিলতাৰ চক্ৰবেহুত
জীৱনত নিজক হেৰুৱাৰ ভয় হয়
স্বপ্নৰ পম খেদি; অজান পৃথিৱীত
ভূমুকি মৰাৰ ভয়।

▶▶▶

## অকবিতা

**বনমালী কুমাৰ**
প্ৰথম ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

কবিতা লিখিব নাজানো মই
কি লিখিম?
লিখিব খুজিলে চোন মনত একোৱেই নাহে
প্ৰেমৰ কবিতা লিখিম নে বিষাদৰ?
মোৰ কবিতা দেখিলে হয়তো পাঠকে হাঁহিব
হঁহাটো স্বাভাৱিক
কাৰণ মইতো কবিতা লিখিব নাজানোৱেই।
মানুহৰ মুখত শুনিচো
আজিৰ দিনত হেনো সস্তীয়া কবিৰ
অভাৱ নাই,
আজি সেই সস্তীয়া কবিৰ সদস্যৰ সংখ্যা
আৰু এজন বাঢ়িল।
নাজানো মই কিয় আজি ইমানকৈ মনটোৱে
কবিতা, কবিতা কৰি আছে
হয়তো এই জোনাক নিশাৰ জোনটো দেখি
মনটোৱে মোক কবিতা লিখিবলৈ বাধ্য কৰালে।
সেয়েহে হঠাৎ বহীটোৰ শেষৰ পৃষ্ঠাত
লিখিবলৈ ল'লো
কিন্তু কি লিখো মই?
একোৱে চোন বিচাৰি পোৱা নাই
আৰে ক'তনো বিচাৰি পাম
মইতো কবিতা লিখিবই নাজনো।



## হেঁপাহ

**এনিশা বৰুৱা**
তৃতীয় ষান্মাসিক, কলা বিভাগ

অন্তহীন অসীম আনন্দৰে
এইটো জীৱন।
তিতা-মিঠাৰে ভৰা
অন্তহীন বাসনা।
সেউজীয়া বননিখনত
উচুপি উচুপি উঠে
এক অফুৰন্ত শিহৰণ।
দিনৰ বাসনা যেনেকৈ ৰাতি হ'ব পাৰে।
সঁচা মিছাৰ সেই লেলিহান অগনি,
ফৰিঙৰে মৰণ।





## প্ৰকৃতি ৰাণী

**ডিতিস্মা কলিতা**
পঞ্চম ষান্মাসিক

প্ৰকৃতি ৰাণীয়ে আমাক
আগুৰি আছে
আমি সেউজীয়া ধৰণীত
আনন্দৰে জীয়াই আছোঁ।
কি ৰূপ ৰাণীৰ চালে চাই
থাকিবৰ মন।
গ'লে গৈ থাকিবৰ মন
আইৰ কোলাত শুলে শুই
থাকিবৰ মন।
যেনি চাওঁ তেনি স্বৰ্গ যেন পাওঁ।
সিন্ধু, গংগা, যমুনা আদিৰ
নৃত্য চাই আপোন পাহৰা হওঁ।
কাশী, বৃন্দাবন, গয়া, মথুৰা, মক্কা মদিনা আদিত
ভৰি আছে মন্দিৰ মছজিদ
তাতে ৰাণীয়ে হালি জালি নাচি বাগি
আমাক আনন্দ দিয়ে।
পৃথিৱীৰ য'লৈকে
নেযাও মাথোঁ দেখা পাওঁ
প্ৰকৃতি ৰাণীৰ ৰূপ।
হে মানৱ, প্ৰকৃতি ৰাণীক ধ্বংস নকৰিবা।
বিপদ আমাৰ আমি নিজে নিজে;
ধ্বংস হৈ গৈ আছো, গৈ থাকিম
আকৌ দোহাৰিছো
প্ৰকৃতি ৰাণীক ধ্বংস নকৰিবা।
প্ৰকৃতি ৰাণীক ধ্বংস নকৰিবা।।

## ৰঙাবোৰৰ ৰংখিনি

**মানস কলিতা**
পঞ্চম ষান্মাসিক, উদ্ভিদ বিজ্ঞান

এপাহি ৰঙা গোলাপৰ সান্নিধ্যও
তেওঁৰ বৰ প্ৰিয়,
যদিওবা ই কাঁইটীয়া
যদিওবা ই বিন্ধিলে ৰক্ত বিয়পে।
কিন্তু কি জানা
তেওঁ কয়— "তেজখিনিও যে ৰঙা আৰু
ৰঙাবোৰ যে মোৰ ভাল লগা।"
ভয় লাগে
মোৰ হৃদয়ৰ এটি কোণত বাস কৰা
আলফুলীয়া কলিজাটোৱে ভয়ত উচপ খাই উঠে,
ৰঙা গোলাপ আৰু ৰঙা তেজৰ পাৰ্থক্য হয়তো সি বুজি পায়।
তথাপি সি বুজোৱাত ব্যৰ্থ মোৰ
আনখন হৃদয়ক;
যাৰ প্ৰিয়বোৰ মিলি আছে শোণিতৰ বুকুত।
মুখলৈ অহা বুজনিখিনিও
মোৰ দুৱৰী সদৃশ ওঁঠ দুটাই ব্যক্ত কৰাত বাধা দিয়ে
মইও সামৰি থওঁ মনৰ ভিতৰতে।
কিয়বা মই কাৰোবাৰ ভাল লগাবোৰ
ভাল লাগি থাকিবলৈ নিদিম
কিয়বা মই কাৰোবাৰ প্ৰিয়খিনি বিষাক্ত কৰিম,
নকৰোঁ।
কিন্তু তাৰ ক্ষন্তেকতে মোৰ বিবেকে আবেগবোৰক
দমাই সোঁৰৱাই যায়,
তেওঁ যে আন কোনো নহয়
মোৰ একান্ত আপোন একান্ত নিজৰ।
যাৰ ৰঙাবোৰ মোৰ, যাৰ ৰঙাৰ ৰংবোৰো মোৰ।

## শৰতৰ সুবাস

মাইনা চৌধুৰী
তৃতীয় ষান্মাসিক, শিক্ষা বিভাগ

আহিনৰ পথাৰত আই বসুমতীয়ে
পিন্ধিছে সেউজ আৱৰণ।
আকাশত উৰিছে এজাক পৰিভ্ৰমী।
টোপা টোপে নিয়ৰ সৰিছে।
সেউজ বননি ভৰা জীপাল হৈ উঠিছে
খিড়িকি মন মেলি দিলোঁ
এনে লাগিছে, এছাটি শীতল বতাহে
উৰুৱাই হৈ যাব বিৰহৰ মোৰ খাকী পোছাকযোৰ
উফ এয়া কিহৰ আগমন?
যিয়ে চৌপাশ কঁপাই তুলিছে।
ফুটুকা ফুটুকে সৰিছে তল সৰা শেৱালি,
অপৰাজিতা, তগৰকে ধৰি বিয়পিছে চৌপাশ
সুগন্ধি, আস্ এয়া কিহৰ আগমন?
প্ৰকৃতিৰ এনে মনোমোহা ৰূপ লাৱণ্যই
সমগ্ৰ জীৱকুলকে কৰিছে আজি পুলকিত।
শৰতৰ এচমকা কোমল ৰ'দালি ছটিয়াই
সাত সাগৰ ভেদি আহিছে প্ৰভাতী পুৱাই।
গোটেই জীৱকুলক পোহৰাই ৰখা, অভাৱজনক
সংগ দিয়া, সাধাৰণ মানৱ জাতিক উদ্ধাৰ কৰা
মাটিৰ মূৰ্তিক দেৱী সজাই নাৰীক পণ্য সামগ্ৰী বুলি,
প্ৰকামী অসুৰ বধ উদ্দেশ্যে চলা বিশাল আয়োজনৰ
এইয়া মহোৎসৱ নহয় জানো?
আহিছে আহিছে পৃথিৱীলৈ
আই শাৰদীয় ৰাণী আহিছে।

## বিষাদৰ এক ক'লা পৃষ্ঠা

অংকিতা কলিতা
পঞ্চম ষান্মাসিক

সন্ধিয়াৰ আন্ধাৰত বিয়পিছে আজি
বিষাদৰ ছায়া
ৰাজ হাড় বেকা হৈ শিৰ তল পিনে ওলমিছে
চকু-দুযুৰিৰ ৰং ক'লা,
যেন এখন দুখময় কিতাপৰ পৃষ্ঠা।
তাই এতিয়াও কয়.....
তেওঁ মোৰ সকলো আছিল
আৰু এতিয়া তাই অন্ধকাৰত ভুগিছে।
তাই এতিয়া বন্ধ কোঠালিত
জীৱন পাৰ কৰিছে।
তাইৰ মনটোক যেন ভাঙি নলতে
উটুৱাই দিছে
তথাপিওঁ তাই কয়....
তেওঁয়ে মোৰ একমাত্ৰ আপোন আছিল
তাই দ্ৰুতভাৱে হাৰিব ধৰিছে
ভিতৰে-বাহিৰে ইমান আহত হৈছে
তথাপিও আউল লগা চুলিকেইডাল মেলি....
গাত সাতপূৰণীয়া ৰঙা পাৰিৰ বগা চাদৰখন
মেৰিয়াই পদূলিমুখত ৰৈ থাকে
তাইক আৰু এনেকৈ চাই থাকিব নোৱাৰা হৈছো
তাইক যাবলৈ দিয়া
বিষাদবোৰৰ পৰা মুক্তি দিয়া
তাইক আৰু এনেকৈ নাৰাখিবা ইয়াত
তৰা হৈ জিলিকিব দিয়া
পঠিয়াই দিয়া তাইক
এখন অজান দেশলৈ।।





## If I Were The Spiderman

**Farhim Saikia**
B. Com 1st Semester

I thought I could do something
But there, seems to be no hope
Even If I expressed my feelings,
ther world only said "rope"
I realised the world is selfish
Never support, never cherish
Lost in the world lost in the dark,
waiting for only a lightning to spark
I call myself ugly, fat and disgusting
Fall of defect and error
But feeling positive looking outside the world,
I see anyself in an armor
Forgetting the given deterrent world,
and all its grotty worries
I look at the persona in the mirror
Unmask it all and rejoice
I see a beautiful me and
remove all the assusations
and relent to my self, say to me,
"You have shown me, I have reasons
I should love myself."

***

## The Twinling Blossom

**Tanuja Prabhat Lama**
H. S 2nd Year

It was just the early morning hours.
Mum asked from the garden to get some flowers
We reside by the country side
Steepting to the muddy path I walked ahead
Watching the new shapes of today's cloud in delight
All of a sudden a sparkling reflection caught my sight.
Feet same positioned I reversed my face to right
The eyes enlarged now and then
An organ beat of body left side
That's how I responded.
As there I could spot the lotus shining with its pride
Assuring the algae based water body as dare
Put down steps of rare
To gain that unperceived blossom.
As I discover with to keep it on my hands.
I couldn't determine.
"Was it a daydream or a beautiful nightmare?
The way that twinking blossom caught my whole attention.
With just some lines, I find it problematic to mention.
Lotus, a flower of beauty rituals and grace.
Has left my heart displaced
It may sound more than enough.
For I was the only blessed beauty eye witness
And to it's sparkling moments
I was the only eye witness.

***

## Shis mad about you

**Srijana Chetry**
6th Semester, English Deparment

I love you in stillness
For in silence, I find no refusal
I choose to for you in isolation.
For in isolation.
No one owns you but me,
I choose to adore you from distance
For distance will protect me from pain
I choose to feel you in the wind
For the wind is more gentler than my hands
I choosed to hold you evermore in my fantasy.
For in my fantasy you have no end.

***

## College life

**Bedanta Kalita**
6th Semester, Commerce

Life has playful desting?
In the world of study
No one can control
On the top of the ball
All the papers were used
Real student still confused
I don't know if I'll go
Every directions of river's flow
Leaving in this world
All written by the lord
Quitting is not solution
Unless there's no reason
I every little things
Now value for the dreams.

***

## Silver Lining

**Krishnakshi Bora**
1st Semester, English Deparment

Pillow soaking my tears every night
I'm just a coward of this whole fight
Feeling out of blue, like standing
in the middle of meadow.
Sleeping whole afternoon and then
staring at the moon through window

Trying to solve the pieces of my crumbled
heart, but it's not a thing could
do alone
Asking for everyone to join, just to
realize I'm on my own

And that one thing made me change
Now I'm on my way to find
that silver lining,
that silver lining and no more crying

Now if it is midnight
I'm still gonna keep my perfect smile
No more creeping dark sight
I'm gonna put all my misery away
a thousand mile

No matter if the world is falling apart
I'll never ever loose hope.
No matter if the world is making me
depressed
I'll never ever break

No I'm on my way to find
that silver lining
that silver lining and no more crying.

***





## তিনিটা প্ৰশ্ন আৰু তিনিটা উত্তৰ

দিক্ষীতা শৰ্মা
প্ৰাক্তন ছাত্ৰী, ভূগোল বিভাগ

ধৰ্ষক কোন?
নিশাৰ আন্ধাৰৰ সুযোগ লৈ
ছোৱালীক নিজৰ কামনাৰ বলি সজোৱা
কেইটামান পাষণ্ডৰ ছবি ভাঁহি উঠিছে
নিশ্চয় আপোনাৰ দুচকুৰ দৃশ্য পটত।
কিন্তু চকু মেলি চাওকচোন,
আপোনাৰ ওচৰতো দেখা দিব
ভদ্ৰতাৰ মুখা পৰিহিত ধৰ্ষকে।
আৰু ভালদৰে চাওক,
কিজানি আপুনিও এজন ধৰ্ষকৰ লগতে
স্থাপন কৰি আছে কিছুমান সম্পৰ্ক।

তুমি ধৰ্ষিতা নেকি?
প্ৰশ্ন কৰিছে নে সন্দেহ কৰিছে আপুনি মোক
অ' এগৰাকী ধৰ্ষিতা নাৰী।
সভ্য সমাজৰ অসভ্যতাৰ সাক্ষী
মই এগৰাকী ধৰ্ষিতা নাৰী।
মোৰ কাপোৰ চুটি,
আত্মনিৰ্ভৰশীলতাৰ স্বাৰ্থত বহু ৰাতিলৈ ঘূৰি ফুৰা
মই এক নিশাচৰ প্ৰাণী।
সেইবাবেই মই আজি এগৰাকী ধৰ্ষিতা নাৰী।

ভুল মাত্ৰ পুৰুষৰ নেকি?
ভুল মাত্ৰ পুৰুষৰ নহয়,
কিছুমান ছোৱালীয়েও ভুল কৰে
হিংসাৰ অগনি জ্বলাই
প্ৰতিশোধৰ অজুহাত দেখুৱাই
কিছুমান ছোৱালী লজ্জিত নহয় নিজকে
ধৰ্ষিতা বুলি পৰিচয় দিয়াত।
ধৰ্ষিতা হোৱা আৰু
নিজকে ধৰ্ষিতা সজোৱাৰ মাজত
যেন যথেষ্ট পাৰ্থক্য।



## আবিৰ


বেঞ্জামিন মজুমদাৰ
পঞ্চম ষান্মাসিক, ৰসায়ন বিভাগ

এখনি অৰ্ধলেখা শুভ্ৰ দস্তাবেজ
হিম হেন কাগজখিলাত আজি,
কাৰোবাৰ অনামিকা আঙুলিৰ
সেন্দুৰীয়া পৰশ।
যাৰ পৰশত আজি প্ৰাণ পাই উঠিছে,
কাৰোবাৰ উকা হৃদয়ৰ ৰিক্ত হৃদস্পন্দন,
আজি সেই কাগজখিলা সেন্দুৰীয়া হ'ল,
অৰ্ধলেখা দস্তাবেজ সম্পূৰ্ণ হ'ল।
আজি এই আবিৰখিনিয়ে কাৰোবাৰ হৃদয়ত
বৰকৈ লাগি ধৰিছে,
এই আবিৰ যেন চিৰযুগমীয়া,
যাৰ অনুভৱ কিবা মিঠা মিঠা ভাল লগা,
এই শিহৰিত অনুভৱ যেন আজি হোলীৰ
মতলীয়া ৰঙেও দিব নোৱাৰে।
সেয়া মই অৰ্ধাঙ্গিনী,
আজি সম্পূৰ্ণ হ'লো।।

## স্মৃতিৰ বাটেৰে এদিন

**ফাৰহিন খাতুন**
কলা শাখা, আৰবী

স্মৃতি জয়াল বাটেৰে এদিন
আহিবা তুমি
মৌনতা অৱলম্বন কৰি কবিতা কবিতা
লগা কথাবোৰ পাতিম
দুয়ো পাগলাদিয়াৰ পাৰত বহি
আহিবানে কোৱা?
মোৰ ঠিকনা পৰিৱৰ্তন কৰা নাই
তুমি আহিলেই মোক লগ পাবা
সেই ঠিকনাত.....
কাৰণ অতীতৰ স্মৃতিয়ে আজিও মোৰ
ডায়েৰীত সমবেত সংগীত গাই
বালিৰে আবৃতি নদীত সাতুৰি
যদিও তুমি পাহৰি গৈছা অতীতৰ
সেই স্মৃতিবোৰ.....
মই কিন্তু পাহৰাই নাই।
তুমি সলনি হৈছা যদিও মই নোৱাৰিলো
হিয়াৰ এটি কোণ এতিয়াও খালী
হৈয়ে ৰ'ল
এদিন তুমি আহিবা বুলি
আহিবানে কেতিয়াবা.....?



## জীৱনৰ যাত্ৰা

**পৰশমণি তালুকদাৰ**
তৃতীয় ষান্মাসিক, ৰসায়ন বিজ্ঞান

নিৰুত্তৰ অন্তৰৰ নিৰৱতাৰ মাজত এটি প্ৰশ্ন
জীৱনটো বাৰু কি?
সময়ৰ সোঁতত বৈ থকা এক অনুভৱ নে বাস্তৱ?
মই ক'লো, জীৱনটো হ'ল এটি সাহস,
অনুভূতিক বাস্তৱলৈ গঢ়াই তোলাৰ এক প্ৰয়াস।
জীৱন হ'ল সৌন্দৰ্য্য এক মনোৰম সুবাস,
সংগ্ৰামৰ সৈতে আগুৱাই যোৱাৰ এক বিশালতা, এক বিশ্বাস।
জীৱন হ'ল এটি আশা, কিছু সপোন,
বাস্তৱৰ লগত পৰিচয় হোৱাৰ এক লক্ষ্য এখন অস্থিৰ দাপোন।






## জীৱনৰ সংগ্ৰাম

**মুন্নিমা বেগম**
তৃতীয় ষান্মাসিক


হে জীৱন,
কিনো তোমাৰ মহিমা।
মানৱ জাতিৰ আদি আৰু অন্ত
তোমাৰে যেন লীলা।
জন্মৰ পৰা আৰম্ভ কৰি,
সেই মৃত্যুৰ শেষলৈ
তুমি কেৱল কৰ্মৰ পথতে চলিব শিকালা।
কৰ্ম যে মানুহৰ ধৰ্ম
সেয়া কেৱল তুমিয়ে হে বুজালা।
বাকী সকলো যে মোহ মায়া
সেয়া তুমিয়ে চিনালা।



## ডকমকা

**লিকুমণি দাস**
তৃতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

মাটিৰ কুঁহিপাতত এখন জীয়া ছবি তুমি,
অনন্য তুমি.....।
অস্তগামী সূৰ্য্যৰ বেঁকা হাঁহি তুমি,
সপোনৰ পৈণত ঘুমটি তুমি।
বাঁহৰ খুটাৰ বগা মাটিৰ বাঁহৰ কুমটি,
আজিও হিয়া খান্দি বৈ যোৱা নদী।
হাতৰ পৰা পিছলা দাগ
মোৰ আইৰ আখলৰ এচপৰা সিজা ভাত
শেষ বুলিবলৈ নোহোৱা মুখৰ মাত।
তোমাৰ নামত ধাৰ কৰা জীৱন জীয়া নদীৰ ঘাট
উশাহটো আঘাত।
মোৰ শেষ হ'ব ধৰা এমুঠি তৰাৰ জোনাক।
বৰষুণ বিচাৰি খৰাং মোৰ হিয়া,
তুমি আহি মোক তোমাৰ ঠিকনালৈ নিয়া
তুমি মোৰ ৰঙা জিএগ্ৰা।





## তুমি এটি কবিতা

ফকৰুদ্দিন আলী আহমেদ
মেডিকেল লেবৰেটৰী টেকনিচিয়ান বিভাগ

বুকুত সাৰটি ল'লো একাজলি জোনাক
য'ত লুকাই আছে প্ৰেমৰ সুবাস।
নতজানু হ'লো পৃথিৱীৰ ওচৰত
দুহাত মেলি বিচাৰিলো নিৰ্ৱতা।
এনেকৈয়ে ভাল, স্মৃতিৰ পাপৰি লেখি লেখি
আকাশৰ নীলাবোৰ চুব খোজো
হেৰাই যোৱা অতীতত বিলীন হ'ব খোজো।
কিমান হিচাপ কৰিম পোৱা আৰু নোপোৱাৰ?
ৰাস্তাত উজুটি খাই চিগি যায় আঙুলিৰ চাল,
তথাপিও আগবাঢ়ো.....
মাজত অনেক ষ্টপেজ।
আৰু কিমান গ'লে তোমাক লগ পাম?
তোমাৰ বিশালতাত মই বিলীন হ'ব খোজো
তোমাৰ চকুত চকু থৈ মই শুব খোজো
পথাৰৰ সেউজীয়া দলিছাত
লিখিব খোজো এটি কবিতা,
জীৱনক ভাল পোৱা কবিতা
যৌৱনক ভাল পোৱা কবিতা
মই সাৰে আছো প্ৰভাতী পখীৰ
কলৰৱ শুনিবলৈ

## অনুৰাগ

ইকবাল হুছেইন
তৃতীয় ষান্মাসিক, কলা শাখা

নপৰো নপৰো বুলি ভাবিও পুনৰ এবাৰ তোমালৈ মনত কৰি,
তাহানিৰ স্মৃতিবোৰ সোঁৱৰাই পুনৰ তোমাৰ প্ৰেমত পৰিলোঁ।।
মইতো তোমাৰ এজন আজন্ম প্ৰেমিক।
যাৰ ৰক্তাক্ত কলিজাত তুমি লিখি দিছিলা,
বিতোপন আখৰেৰে তোমাৰ অট'গ্ৰাফ।
তোমাৰ প্ৰেমৰ নিচাত
মই আকৌ এবাৰ মাতাল হ'ব বিচাৰোঁ।
তুমি বাৰু জনা এক নিজস্ব মাদকতা আছে তোমাৰ প্ৰেমৰ নিচাত?
তুমি এজাক বলিয়া বতাহ,
যাক স্পৰ্শ কৰিব নোৱাৰি,
তুমি এটি মিঠা সুৰ,
যাক গাই শেষ কৰিব নোৱাৰি।
তুমি এখন ধুনীয়া ছবি
যাক খালী চকুৰে চাব নোৱাৰি।
তুমি এটা সুমধুৰ কবিতা,
যাক শব্দৰে শেষ কৰিব নোৱাৰি।।
সংগ্ৰামী জীৱনপথত
কেঁচা কেঁচা খোজবোৰৰ সৈতে
ভাগৰুৱা সপোনবোৰ দুমুঠিত বান্ধি,
যিমানেই আগুৱাই নাযাও কিয়
নিভাঁজ দুচকুৰ বাকৰিত
ওলমি থাকে তোমাৰ মিঠা হাঁহিটো।
কিমান আৰু এই ৰক্তাক্ত কলিজাত
তুমি আঁকি যোৱা স্মৃতিবোৰ সোঁৱৰিম।
দোভাগ নিশাৰ কোলাহলত
চকু পানীৰে তিতি যায় শেতেলী।
আজিও মৌন বুকুত উচুপি আছে;
তোমাক আপোন কৰিব নোৱাৰা অনুভৱ।





## Maa

**Izar Ahmed**
B.A 3rd Semester

A model of admiration, a source of inspiration
It's you and only you maa.....
Good or Bad, no matter what the situation is,
The smile is always there in your face
What have you so special maa?
I can't live without you.
You only brought me into this wonderful world
Maa you are only light in me long light
You are the first lady of my heart
Protector of my castle
Solver of problems and
the mountain of support
What things, I how less that
I can't be like you
You are the only one
And you are the best one.

***



## Rise

**Ronak Agarwal**
6ui ! Tfn ftuf s-! Dpn n fsdf

In the darkest night,
To the brightest day
We hold on to
The desire to grow

Though despair and pain
Fills this life
The need to be more
Still burn in my bones.

Through the fire that burns deeply
Through the discomfort of inaction
But this is our choice
To die in our flames
Or to rise and shine brighter

To choose is a gift not everyone takes
To live is a gift not everyone has,
Far a gift too free,
Is a curse indeed.

***




## Maa

**Nihar Sultana**
English Department

The Breeze
A Breeze comes from the muntains
Moves through the branches
of the oak trees.
Races across
The burnt brown sea of grasses
Until that breeze
Seemingly disappears
Over the outstretch,
Serene hillsides
Into the horizon of blue
It ripples the water of the river
And continues to
The crashing of Ocean Waves
The breeze
Follows the path of the river
to the Sea.
All connected in
A never-ending loop
Related in a bond
So strong
The breeze and the river
Flow into the sea,
Flow into one another
In a never ending loop.

***





## Rongali Bihu

**Sunil Das**
5th Semester

Spring has arrived
And Bohag beekons
Parents await there
Home word song

The cuckoo sings
And kopou blooms
Dancer lance
To the 'Bihu' times

Tinge of jetuka'
on the delicate hands
offering Bihuwan
To pay reverence

Chira, Pitha, Laru
Home made delicacies
Muga mekhela-chador
Pride of the ladies

Dhol, Pepa, Gogona
Rendition by Huzon
Merriment fills the auita
Ah! spirit of Rongali.

***





## The Value of Three Things

**Rejaul Haque**
Zoology Dept.

Three things never wait for anyone in life
Birth, Death and time
Three things can be achieved only one time in life
Father, Mother and Youth.
Three things must be always kept in our custody
Work, Anger and Greed.
We must always respect three persons
Father, Mother and Teacher.
We must always save ourselves from three things
Bad company, selfishness and Criticism
We must always be kind to three persons
Children, Hungry person and mad person
Three things never come back
Arrow, Words of our mouth and Soul (spirit) or life
Three things we must never forget in life
Duty, Loan and Self-respect
Three things destroy our life
Bad behaviour, Laziness and pride
Three things make our life great
Konowledge, High thinking and Hard Work.

***





## A Lesson

**Arpita Sarania**
3rd Semester, Geography

You just sit alone, somewhere
Where its still dark in the day.
Sheers silence and
Your sereaming demons
Which now have become
Your best frinends

Darkness is now what you seek
Hoping somewhere,
It'll fill your voids
But daily as you sit and
not break those self created walls,
Life goes by
While you just fall and fall.

***

# মিড'ল ক্লাছ

**বাচিৰুণ নিনা আহমেদ**
পঞ্চম ষান্মাসিক

আমাৰ মনৰ কথা তই কি
জানিবি বন্ধু
পোৱা নোপোৱাৰ মাজেৰেই
আমাৰ জীৱন চলি যায়
আমি মিড'ল ক্লাছ, মনতো
আমাৰো যায়
পৃথিৱীৰ চাৰিওদিশে উৰিবলৈ;
কিন্তু উৰিবলৈ আমাৰ
ক্ষমতা নাই।।
কিয়নো আমাৰ পাখি নাই
পৃথিৱীৰ চাৰিওফালৰ
হুলস্থূলৰ মাজত মেমচাহাব
মালিকৰ শপনি খায়,
দুমুঠি পেট পুজিবলৈ অনা
খাদ্যৰ মাজত
দেউতাৰ আমি মৰম বিচাৰি পাওঁ
কিয়নো আমাৰো মেমচাহাব
হ'বৰ মন যায়।।
সাতোৰঙী সপোনৰ প্ৰত্যেক ছবি
দিঠক কৰিবলৈ আমাৰো
মন যায়।।
কিয়নো; পৰিয়ালক সুখত ৰাখিবৰ
মন যায়।
আমাৰো সপোন দিঠক কৰিব
মন যায়।।



# বিদায়

**ৰুহুল আমিন**
তৃতীয় ষান্মাসিক

তোমাক মোৰ স্মৃতিৰ মিউজিয়ামত সাঁচি থম
মোৰ জীৱন কিতাপৰ তোমাৰ নাম থকা পাতখিলাত এটি ভাজ লগাই থম
মেলি চাম সেইখন কেতিয়াবা, অকলে জোনবাইৰ তলত বহি
সপোনবোৰে নিদিয়ে জানা তোমাক বিদাই দিবলৈ
কিন্তু তথাপিও তুমি যোৱা
পাখি লগাই উৰি যোৱা
কাৰোবাৰ মৰম পাই নদী হৈ বৈ যোৱা
জিলিকি থকা, জোনবাইৰ দৰে জীৱন কটোৱা
সেই কামনাৰে বিদায় মাগিলে তোমাৰ পৰা
মোৰ অসম্পূৰ্ণ আশা হৈ নৰবা তুমি
এই পৃথিৱীত পুনৰ জন্ম লোৱাৰ মোৰ কোনো ইচ্ছা নাই ইচ্ছা নাই।
মোৰ কোনো ইচ্ছা নাই....






# অধোগমন

**ধৃতিস্মা নাথ**
তৃতীয় ষান্মাসিক, বাণিজ্য শাখা

জীৱশ্ৰেষ্ঠ মানুবোৰ সঁচাকৈয়ে
বলীয়া হ'ল নেকি?
কত মাতৃৰ বুকু শুদা কৰি
সন্তানৰ মৰমৰ পৰা বঞ্চিত কৰিলে
কত যে ফুলকুমলীয়া গাভৰুৰ
শিৰৰ সেন্দুৰ নোহোৱা কৰিলে
সেই নৰপিশাচবোৰে।
কিছুমান দানৱৰূপী মানুহেই
মানুহৰ মৃত্যুৰ কাৰণ হ'ল,
সেই দানৱবোৰেই মানুহৰ
কেঁচা ৰক্ত খাবলৈ ধৰিলে।
সঁচাকৈয়ে বলীয়া হ'ল নেকি
আধুনিকতাৰ মুখা পিন্ধি
সংস্কৃতি মোহাৰিব ধৰা
সেই দানৱৰূপী ভদ্ৰবোৰ।
ৰাতিৰ এন্ধাৰত পৰ নাৰীক উলংঘা কৰা
সেই লম্পতবোৰ।
ক'তনো গ'ল তাহানিৰ সেই
নীতি সংগত সমাজ ব্যৱস্থা?
কত গ'ল জ্যেষ্ঠজনৰ সন্মুখত নতশিৰ হৈ
আদেশ পালন কৰা ব্যৱস্থা?
জটিল বহুত জটিল এতিয়াৰ এই
যান্ত্ৰিকতাৰ সমাজখন,
হাজাৰ সৰল ভাষাৰ অবুজনৰ পৰিণাম
এই জটিলতা।
নিস্বাৰ্থভাৱে বিসৰ্জন দিব লাগিব নিজক,
তেতিয়া বুজিব এই সৃষ্টিৰ অস্তিত্বক।



# অতীতৰ বোকোচাত

**লিজা কলিতা**
শিক্ষা বিভাগ

সেই দিনবোৰ সমধুৰ বুলিব পাৰি,
কিয়নো, চিন্তাহীন শৈশৱৰ জীৱন।
সময়ৰ সোঁতত এয়াও হেৰাই যায়।
উভতি যাব বিচাৰিলেও নোৱাৰি যাব।
মনত পৰে....
শৈশৱকালৰ সেই দুষ্টালিবোৰ।
কিমান যে সুন্দৰ এই জীৱন,
ক'ত যে অযুত সপোন ৰছো, কিমান কি হোৱাৰ আশাৰে,
ভাবিলে আজিও উভতিব মন যায়।
কিন্তু উভতিব বুলি পাৰি জানো উভতিব
সকলোবোৰ মোৰ জীৱনৰ ক্ষণত এৰি থৈ আহিছো।
অতীতৰ বোকোচাত নিঃশেষ মোৰ
শৈশৱৰ জীৱন।
তথাপিও, মনত সাঁচি থৈছো
এটি অপূৰ্ণ আশা।।

## জীপাল সপোন

বেদান্ত ৰাজবংশী
তৃতীয় ষান্মাসিক

তুমি নাযাবা ফাগুনৰ দৰে
হঠাতে আঁতৰি,
মোৰ ফাগুনত সজোৱা,
ডাৱৰীয়া সপোনবোৰক,
শুকান মৰমৰ যন্ত্ৰণা বিলাই।
বেদনাৰ উচুপনি শুনিব মন নাযায়,
নাযায় শুনিব মন
আশাৰ বেদনাৰ কান্দোন
নাযাবা সপোনক জীপালৰ পৰা
আকৌ তুমি ডাৱৰীয়া কৰি....

▶▶▶





## নিৰৱতা

আমিনুৰ ইছলাম
পঞ্চম ষান্মাসিক, কলা শাখা

নিৰৱ নিস্তব্ধতাৰে আগুৱাই যোৱা এক নিৰৱজনা
নিয়তিৰ প্ৰৰোষত পৰা নিৰৱ বিহীন অভিনৱ স্বপ্ন
নতুন দিগন্তৰ নতুন ধাৰণাৰে,
আকৌ আৰম্ভ নৱ জাগৰণ।
প্ৰকাশৰ অভিসন্ধি এতিয়াও নীৰৱ
ন ন উৎকণ্ঠাৰ ন ন প্ৰেৰণ
মাথো নিলজ্জিত জীৱন।
আজিও বিশ্বাসীৰ সমাগম
প্ৰকাশৰ জাগৰণ সময়ৰ প্ৰয়োজন
নিৰ্বিচাৰে নিৰ্বচিত্ত নিৰ্বাচন।
জয়ৰ অভিসন্ধি আজিও কতাক্ষণ
মৌনতাৰ অনুভৱী জাগৰণ
প্ৰতিটো সন্ধিৰ প্ৰস্তাৱিত আৱৰণ।

▶▶▶





## নিজকে নিজে

হিমান ৰাভা
প্ৰথম ষান্মাসিক, দৰ্শন বিভাগ

নিজম নিশাৰ গীত
কোনেনো গাব?
আওঁকান কৰি কোনেনো
সুখত থাকিব?
নিজকে নিজে চিনি
বিচাৰিব লাগিব,
নোৱাৰোঁ বুলিলেইতো নহ'ব
কোনেনো বুটলি আনি দিব?
নিজ লক্ষ্যক স্থিৰ কৰি
আপোন মনে দৃঢ় কৰি,
কৰ্মক নিজৰ সংগ কৰি
যাব লাগিব জীৱনৰ পম খেদি।

▶▶▶





## শৰতৰ কবিতা

ধীৰাজ দাস
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ

বকুলৰ তলে তলে,
মোৰ মনৰ মাজত ভাৱনাই খেলে।
আকাশত খেলা অলেখ হেঙুলীয়া
সূৰুযৰ ৰঙে
চুই যায় মোৰ হৃদয়ক
লাহে লাহে,
মৃদু কঁপনি তোলা
শুকুলা সেই সুঘ্ৰাণে
কঢ়িয়াই আনে
সপোনৰ হেজাৰ সেউজীয়া পাখিৰ পখিলা,
নীলা স্মৃতিৰ পাপৰিত লিখা
শৰতৰ কবিতা।

▶▶▶

## স্বপ্নময়ী আকাশ

তৃষ্ণা দাস
পঞ্চম ষান্মাসিক, বাণিজ্য বিভাগ

নীলা আকাশৰ মোহনাত
সূৰ্যৰ হেঙুলীয়া ৰেঙনি
স্তব্ধ হৃদয়ৰ প্ৰেমৰ উপাসনাত
নিৰিবিলি হৈ ৰ'ব প্ৰেমৰ বননি।।
প্ৰকৃতিৰ সেউজীয়া কাৰেঙত
জীৱ-জন্তু, গছ-গছনিৰ যেন,
মন ভৰি পৰে হেঁপাহৰ ৰঙত
মনমুগ্ধ আকাশখনে চাই ৰ'ব যেন উলাহত।।
আকাশৰ সেই সীমনাত স্বপ্নময়ী পখীয়ে
কিৰিলিয়াই উঠে যেন প্ৰাণ ভৰি,
তাত পোৱা যায় মনৰ শান্তিৰ
একান্ত হোৱা আকাশপখী।।



## সুপ্ৰভাত

মানসী দেৱী
প্ৰথম ষান্মাসিক, সংস্কৃত বিভাগ



এক সুন্দৰ দিনৰ আশাৰে
ন প্ৰভাতলৈ আদৰণি জনাইছোঁ।
এটা এটা নতুন দিনৰ আৰম্ভণি
যিয়ে কঢ়িয়াই আনে....
সপোনবোৰ ন সুযোগ কৰাৰ
অনেক আশাৰ বতৰা
তোমাৰ জেউতিৰ পৰশত জিলিকি
উঠিব আকৌ এটা নতুন জীৱন।






## প্রণাম হে কবিগুরু রবীন্দ্রনাথ ঠাকুৰ

আছা কৰ্মকাৰ
তৃতীয় ষান্মাসিক, বাণিজ্য বিভাগ

এই ভুবন তোমার আলোতে ভরা।
এই বিশ্ব তোমার প্রত্যেক ছন্দে আত্মহারা
ধন্ ধন্নে পুষ্পে ভরা।
বাংলার তুমি যে সেরা
তোমার ছড়াতে ছোট্ট বেলার স্মৃতি,
তোমার নোবেলে পাই যে জীবনের গতি
তোমার গদ্য, পদ্য, গল্পঃতে
মোহাচ্ছন্ন যে এই পৃথিবী।
নৃত্য তে তাল উঠে।
তোমার সঙ্গীতে।।
বাংলা কে আলোকৃত করে রেখেছ তুমি
তোমার ছন্দে।
তোমাৰ সন্মানে
বাংলা হইছে গর্বিত
তোমার রচনাতে আমরা যে সমর্পিত।
হে জগৎ কবি সাহিত্য জগতের সূর্য যে তুমি।
শত কোটি প্রমাণ তোমাই
হে কবিগুরু।।



## জীৱনৰ ৰামধেনু

হাজিমা বেগম
দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

সকলো শেষ হ'ব এদিন।
মৰম, ভালপোৱা, যন্ত্ৰণা, বিষাদ,
বিচাৰি ফুৰিব জীৱনৰ ৰঙীন আবেলিবোৰ।
ভাগৰি নপৰিব আমাৰ মনবোৰ
শৈশৱৰ বগা-ক'লা ছবিবোৰ চাই চাই।
আমি সময়ত বন্দী,
বন্দী আমাৰ জীৱনৰ গানবোৰ।
আৰু? আৰু বাকী থাকিল আমাৰ দৈনন্দিন ব্যস্ততা
জীৱনৰ নষ্ট মনবোৰ।
আগুৱাই যোৱা মোৰ বন্ধুসকল
এই সুৰীয়া জীৱনৰ সুৰ তাল লয়ত
নাচি উঠিব দিয়া সৰ্বশৰীৰ।
তেহে বুজি পাবা জীৱনৰ ৰামধেনু কিমান ধুনীয়া।।

# কেৱল তোমাৰ বাবে অনুৰাগ

কাকলী শাণৈ
ছাত্ৰী, ৰঙিয়া মহাবিদ্যালয়

যাউতিযুগীয়া যেন হৃদয়ৰ চিনাকি
অসীমৰ আচ্ছাদনৰ কাহিলি পুৱাটি
মনৰ ওচৰ চকুৰ আঁতৰ
সঁচাকৈ অফুৰন্ত হৃদয়ত কিহৰ কলৰোল
সঁচাকৈ কোন, তুমিয়ে মোৰ
অহঃ হাঁহিৰ কিৰিলিৰ আঁৰে আৰে
'ৰঙিয়া কলেজৰ' পুখুৰীৰ পাৰে পাৰে
কবিদলৰ জুমবন্ধা ডেকাৰ ফালে ফালে
চকুযুৰিয়ে নোচোৰাকৈ নোৰাবে নোৰাবে।।
মঞ্চসজ্জা জালুকবাৰীৰ প্ৰস্থান স্থানত
উজুতিৰ খোজত খপকৈ পৰিলোৰে হয়
ঘনককৈ কোনোবাই ধৰিলে সাৰটি
চকু বন্ধ, খোলাৰ পৰশ লাহে লাহে
ভয়ে ভয়ে লাজে লাজে দেখি?
আকৌ ঘূৰি গ'লো স্বপ্নৰ সৰোবৰত
যাউতিযুগীয়া যেন হৃদয়ৰ চিনাকি
কেৱল তোমাৰ বাবে 'অনুৰাগ' মই আজি।



# প্ৰিয়াৰ প্ৰিয়

আকাশী ভট্টাচাৰ্য্য
ছাত্ৰী, ৰঙিয়া মহাবিদ্যালয়

প্ৰিয়া, মোৰ তুমি প্ৰিয়া
তোমাৰ প্ৰতি থকা মোৰ হেঁপাহ নিষ্ক্ৰিয়
আছিল এনে মধুৰ নি সিদিনা
য'ত প্ৰকৃতিয়েও মোৰ তোমাৰ দিছিল বতৰা
ক'ৰবাত যেন মৰহি যোৱা ঘাঁহনিক
বৰষুণ হে জীপাল কৰিব বুলি তুমি যেন মোৰে প্ৰিয়া হোৱা
সৰোবৰ আকৌ এবাৰ মৌনতা
অজানিতে মৰহি যোৱা মনটোক তুমি জানো জীয়াই তুলিবা।
চকুৰ চিনাকি নহওঁতে কৰিলো তোমাক প্ৰশ্ন?
নুবুজিবা মোক তুমি ভুল প্ৰিয়া
প্ৰকৃতিয়ে গঢ়ি তুলিলে এনে মন মোৰ প্ৰিয়া
কওঁতে কয়, আজীৱন থাকিম
কিন্তু যেতিয়া আঁতৰি যায় কোন তুমি আকৌ প্ৰশ্ন?
জীৱনৰ গতিপথৰ প্ৰথম খোজে অতীতলৈ মনত কৰে
তুমি মোৰ এটা পথ তাৰ বাবে সুৱঁৰিলো অতীত
আছিলা তুমি মোৰ প্ৰিয় হৈ সদায় থাকিবানে এনেকৈ
প্ৰিয়া তুমি মোৰে প্ৰিয় হৈ।।








# কুঁৱলী

বেদান্ত কলিতা
ষষ্ঠ ষাম্মাসিক, বাণিজ্য শাখা

দূৰৈৰ পৰা দেখিছো
সাগৰ সিন্ধু,
বগাকৈ চাদৰ মেলি
মুকলি মুকলি
কোন তুমি?
বিষাদ নে মুকুতামণি!
বাটবোৰ ঢাকি
কৰিছা আমনি
বতাহ কঁপাই
দিলেহি শীতৰ জাননী।
মন যায় তোমাক চাবলৈ
মন যায় তোমাক পাবলৈ
পানীৰ আঙুলিৰে চুই চাওঁ নে তোমাক?
মই কুঁৱলী
শীতৰ আলসুৱা নোমলী,
চুই নিদিবা
টোপ টোপকৈ সৰিম কিজানি!





# সৰস্বতী

সাগৰিকা দাস
তৃতীয় ষাম্মাসিক

অ' মা অ' মা
চোৰাচোন চোৰা
কোনোবাই দুৱাৰত
টুকুৰিয়াই
যেন কৈ আছে
দুৱাৰখন খুলি দিয়া।
অ' মা অ' মা
চোৰাটোন চোৰা
কিজানিবা আহিছে মোৰ
কথা সুধিবলৈ মা সৰস্বতী।
অ' মা অ' মা
চোৰাচোন চোৰা
সুধিলে ক'বা
মই পঢ়া-শুনাত
একেবাৰে বেয়া
কিজানিবা দি যায়
পঢ়া-শুনাৰ বিদ্যা।

## MY WISH!!

**Kunal Pradhan**
5th Semester, Commerce




I wish I could see you for the last time
So I could portray you all my feelings.
Make you see an angel through
the reflection of my eyes.
But I guess it costs each other a price.

I wish we could talk for the moment
To tell you all my feelings.
To tell others how the beautiful the portrait
hangs on my mind.
But I guess it's confined.

I wish you knew my feelings for you,
That, I've never fallen for someone that hard.
I wish to hold you tight and never let go
Lay your head down on my chest and let me
play with your hair.
But I guess it is not fair.

Now that you're gone
Without you!girl, I think I'm lost
I wish to be with you till my last breath
Now I can't sleep since you left.



## THE ULTIMATE TRUTH

**Nishita Sarma**
5th Semester, English

Believe me,
I am the son of the immortal.
With a heavenly mission,
I am sent.
I am to reflect, I am to establish
The heavenly Plans of beauty and
Prosperity
Among the fellowmen.
Very often, Devil's hand interrupts
And leads off-track,
Intrigue after intrigue creats to smash
The heavenly plans,
And feels demonic pleasure.
No recognition the Devil gets.
For, the universe follows the rule of Heaven.
My defeat lasts not for long.
Victory always comes to me,
Because the heaven is always with me.





## आं मोजां मोनो

**बिरोद बर'**
बि.ए. 6 सेमेस्टार

गोसो सिङावनो गोग्गोम
अन्थाइनि न'बानायनानै
गोसो सिङावनो सेफायफिननो
मोजां मोनो आं आथिखालाव
नाथाय मोगथां मुलुगनि
आउवा खुन्दुंनि मोजां
मोननायना गोसोखौ सिफायनो
आं लुबैया आं हास्थाया
सानस्रिफोरा गोसो सिङाव
ना मावा थिफुनाय बादि
थिफुफैयो गोदान गोदान
थेवबो सोरनिबा सिगाङाव
फोरमायथिनानै लानो हाया
आं बेखौनो मोजां मोनसो गारो
मानोना!!
गोसोनि जाखांनाय सानस्रिफोरखौ
फोरमायथिनानै होनो हानायनि
खम जानाय नङामोन
आंनि सानस्रिखौ बेसेन होयि
सुबुंनि अनदिमाया दिनै।





## অপ্ৰিয়মান

**হৃষিকেশ কলিতা**
ষষ্ঠ ষান্মাসিক

(ক)
এটা ৰাতি মই সাৰে থাকো অকলশৰে,
যিটো ৰাতিয়ে মোক আঁতৰাই ৰাখে তোমাৰ পৰা বহুদূৰ।
এটা ঋতু মোৰ অপ্ৰিয়, যিটো ঋতুত
তুমি আঁতৰি থাকা মোৰ পৰা, ঘূৰি নাহা মোলৈ।
(খ)
মই এজোপা গছক এতিয়াও সাৱটি ধৰো,
যিজোপা গছৰ তলত বহি তুমি মোক প্ৰতিশ্ৰুতি দিছিলা,
মোৰ দুহাতত হাত থৈ মোক বাট দেখুওৱাৰ ওৰেটো জীৱন।
(গ)
তুমি যাৰ বুকুত এটা বসন্ত বিচাৰি মূৰ থোৱা,
সেই বসন্ত তুমি এৰি থৈ গৈছা মোৰ কামিহাড়
কেইডালৰ শুকান দেহত।
(ঘ)
নদীখন বৈ আছে এটা অচিন ছন্দৰ তালে তালে,
সেই ছন্দ আমাৰ বুকুৰ এটা আধালেখা কবিতাৰ।
(ঙ)
এখন আকাশ মোৰ ভাল লাগে,
যিখন আকাশৰ তলত বহি
আমি একেলগে গোলপীয়া হৈছিলো,
আবেলিৰ আকাশখনৰ সৈতেই।
(চ)
তোমাৰ শিৰত মোৰ এটোপ কেঁচা তেজ এতিয়াও বিৰিঙি থাকে,
সেন্দুৰ দিয়াৰ সামৰ্থ নাছিল বাবেই মোৰ এই অপহাস।
তেজতকৈ সেন্দুৰৰ মূল্য হয়তো বহু বেছি।

# নিজৰ বুলিলেইতো নহ'ব

চিজদা ৰহমান
ছাত্ৰী, ৰঙিয়া মহাবিদ্যালয়

নিজৰ বুলিলেইটো নহ'ব
নিজস্বতা বৰ্তাই ৰাখিবৰ বাবে প্ৰয়াসো কৰিব লাগিব
আপোন বুলি ক'লেই জানো হ'ব
আপোনত্তক সদাই জীয়াই ৰখাৰ প্ৰচেষ্টাও থাকিব লাগিব
প্ৰতিশ্ৰুতি দিলে যে সেয়া ৰক্ষা কৰিব লাগিব
উমানো থাকিব লাগিব.....
বিশ্বাস থাকিলে সেই বিশ্বাস অটুট ৰখাৰ চেষ্টাও
থাকিব লাগিব..........
অজুহাত দেখুৱাই আঁতৰি থাকিলে সম্পৰ্কৰ মাজত
দূৰত্ব আহে .........
সম্পৰ্ক বজাই ৰাখিবলে চেষ্টা দুয়ো পক্ষৰে থাকিব লাগিব.........
এখন হাতেৰেতো চাপৰি নাবাজে দুখন হাত মিলিবই লাগিব........
মইনো অকলে কিমান কৰিম কোৱা........
চেষ্টা, যত্ন, প্ৰচেষ্টা অব্যাহত ৰাখিয়ে আছো এতিয়ালৈ........
মইতো তোমাৰ দৰে এজন মানৱৰূপে জন্মগ্ৰহণ কৰিছো
কেতিয়াবা ভাগৰি পৰিম চাবা আকৌ
মোকে দোষী বুলি সাব্যস্ত নকৰিবা
এই সম্পৰ্কৰ সামৰণি বা অন্ত পৰাৰ কাৰণ মই বুলি........
বৰ বেজাৰ পাম জানা
তোমাৰ এই কথাষাৰে মনত বৰ কষ্ট দিব, আঘাত পাম....
নিদিবা দেই এখনেই হৃদয় কিমান বাৰ ভাঙিব
কিমান আৰু টুকুৰাবোৰ বুটলি বুটলি সজাই থাকিম কোৱা......
পাৰিলে অলপ সঁহাৰি জনাবা.......
বাকী একো নাই অকলে আহিছোঁ যামো অকলে
নিঃস্বাৰ্থ হৈ চলিব লৈছোঁ শিকি আছো লাহে লাহে
এই কথাবোৰে মনত বৰকৈ খুন্দিয়াই আছেতো
এদিনতে এবাৰতে এখনতে লিখি জানো শেষ কৰিব পাৰি......



# गिनाय

रूपा बर'

गोसो दुब-दुब जेथिंबो खोमसि मानो
माबोला हागोन गोसोनि हास्तायनाय दानो॥
हास्थाय खुमायो गोसोआ
साग्लोब जोबनाय खोमसिया
सोलोंथाइ गैथा हास्थायनाय दं
जौगानाय लामाजों हाखर दं॥
हानि मुगायाव रावखौबो सिनायला
गावजों गाव अनलायनाय गैला
लोगोआनो सुथुर सुथुरानो लोगो
मोजां गाग्रि बिजिरनो रोंला
गोदो सोना थानाय हारिखौ रावबो बोखांनो सानला
माबोला हागोन सोलोंथाइ होसोनो
नाजानाय आंनि सायावसो॥





# দাগ

লৱজ্যোতি দাস
ষষ্ঠ ষান্মাসিক

মই যদি কেতিয়াবা কবিতাত লিখিছোঁ,
মৃত্যুৰ কথা সেইদিনা মই সঁচাকৈ মৰিছিলো।
যিয়ে একে উশাহতে কেইবাবাৰো মৰে।।
পৃথিৱীত এনে কিছু মানুহ আছে,

কাৰ দুহাতত হাত ৰাখিলে
তোমাৰ বুকুত বাৰিষা গজে?
মোৰ বাদে,
এৰি অহা বেলিটো, তোমাৰ চুলিত আনে গুজি দিলে
এহেজাৰ বসন্তই আত্মহত্যা কৰে।।

এগিলাছ দুখ গিলি কান্দিছিলোঁ ওৰেতো ৰাতি।
কোনোবাই চকুপানীখিনিৰ নাম দিলে নিয়ৰ।।
তোমাৰ তাত এনেকুৱা কি আছিল?
মই যে পাহৰিছিলোঁ তেজৰ বৰণ।।

কিমান সাগৰ বাম হল কোনে জানে?
কিমান পাহাৰ খাল হ'ল কোনে জানে?
কোনে জানে কাৰ কায়া ক'লা হোৱাৰ কথা।
কিমান কলিজা কাঠ হ'ল কোনে জানে?
কোনে জানে চকুৰে খহা তেজৰ নদীৰ কথা।

মোৰ কলিজাত এটা দাগ আছে।
বিশ্বাসৰ ব্যৰ্থতাত তেজে কিৰিলি পাৰি
আত্মহত্যা কৰা দাগ।।





# बिदाई की व्यथा

देवश्री शर्मा
छात्री, रङिया महाविद्यालय

सुकुरी धार भई सक्यो
सामान पनि तयार छन्।
उनी युद्धमा जानु हुन्छ,
हिजो राति जानकारी आयो।
उँहाको जानु पर्ने खबर सुनी
आँसुले पनि आरता त्यागे,
मुदुमा एउटा गाँठो बाँधियो,
शब्द मुखबाट निस्किएन्।

निक्कै सारो थियो त्यो रात काट्न
थाहा छैन एकपल्त जाना दिए पछि
फर्किएर आउनु हुन्छु, कि आउनु हुन्छु।
युद्धमा जयी हुनु हुन्छ, कि... हुनुनै हुन्न

तेहि पनि मनमा दुङ्गो राख्ती
अक्षेता मुसदै बिदा गर्न लागे,
मंगलमय शुभकामना सहित,
बिजयी हुने आशिष दिदै पटाएँ।

गाँठो परको हृदय मा एउटा तिनका बाट फुटेर
धीप, धीप गदै आशा की किरण पालेर,
बाँचि रहे किछु म उँहा लाई समझेर।

## खुलकर जिलो जिंदगी

**आशीष कर**
छात्र, रड्यिा महाविद्यालय



क्या खोजते हो दुनिया में,
जब सब कुछ तेरे अन्दर हैष
क्यों देखते हो औरों में,
जब तेरा मन ही दर्पण है।
दुनिया बस एक दौड़ नहीं,
तू भी अश्व नहीं है धावक।
रूक कर खुद से बातें करले,
अन्तर मन को शान्त तो करले।
सपनों की गहराई समझो,
अपने अन्दर की अच्छाई समझो।
स्वाध्याम की आदत डालो,
जीवन को तुम खुलकर जिलो।



## मन करता है

**ईजाज अहमद**
छात्र, रड्यिा महाविद्यालय

मन करता है चिड़िया बनकर
दूर-दूर उड़ता जाऊँ।
मन करता है आसमान की
मैं पकड़ लूँ अपनी हाथों से
मन करता है मछली बनकर
पानी के नीचे रहूँ।
मन करता है आसमान में
जाकर तारों के साथ खेलूँ।
मन करता है मैं शेर के
साथ जंगल में रहूँ।

## मेरा देश

**ईजाज अहमद**
छात्र, रड्यिा महाविद्यालय


प्यारा प्यारा मेरा देश
सजा सवार मेरा देश
दुनिया जिस पर गर्व करें
नयन सितारा मेरा देश
चाँदी सोना मेरा देश
सफल सलीना मेरा देश
सूरज जैसे आलोकित
सुर्यो का कोना मेरा देश।
फूलों वाला मेरी देश
झूली वाला मेरा देश
गंगा यमुना की माला का
फुलो वाला मेरा देश
आगे जारी मेरा देश
सदा मुस्कराओं मेरा देश
इतिहास में बढ़ चढ़ कर
नाम लिखये मेरा देश।





## माँ

**रूपम उपाध्याय**
छात्र, रड्यिा महाविद्यालय



हिन्दू धर्म में पूजा करने वाले भगवान कृष्ण हैं।
इस संसार की सर्वश्रष्ठ मनुष्ट केवल एक माँ हैं।
नौ महीने दुःख में रही गर्भ में अपने रखकर,
जो पीड़ा सहन न कर सके, उसे अपना प्राण मानकर।
संसार कैसा होता हैं, वो माँ ने दिखाया,
खुशी का राह दिन कहकर खाना खिलाया,
मेरा हाथ पकड़कर धीरे धीरे चलना सिखाया,
माँ ने पहला शब्द माँ बोलना सिखाया।
मेरी नाक बहने से माँ अपने हाथों से पोछती,
अगर मुझे कुछ हो जाए तो माँ खुद रोती,
मेरा बेचा हिरों हैं, सबको कहती फिरती,
मुझे अगर कोई मारे तो उनसे झगड़ा कर बैठती,
मेरा बेटा मुझ जैसा ज्ञानी हैं कहकर मुस्कुराती,
मेरी बेटी परी जैसी सुन्दर कहकर माँ गाना गुनगुनाती।
स्कूल के वक्त भी भेजती,
गृहकार्य न करने पर माँ मुझपर चिल्लाती,
खुद खाना न खाकर, मेरा पेट भरती,
अपना दुःख किसी को न कहकर, वह खुद सहती,
गलती करने पर प्यार से समझाकर, अच्छी बात सिखाती,
सही राह में चलना सिखाकर, बड़ा इंसान हैं बनाती।
माँ तुम सबसे प्यारी, पूरे विश्व में तुम्हारा नाम हैं,
माँ तो माँ होती हैं माँ तुम्हे मेरा सलाम हैं।



## तितली प्यारी

**ईजाज अहमद**
छात्र, रड्यिा महाविद्यालय

तितली प्यारी तितली प्यारी
उड़ उड़ कर तुम कहाँ चली
रंग-बिरंगे पंख लगाकर कहाँ चली,
उड़-उड़ कर तुम कहाँ चली
फूलों के तुम रेणु चूमकर,
नाच नाच कर तुम कहाँ चली
तुम्हारी यही बाते,
मुझको बहुत भाती।
इसलिए मुझे तुम,
लगती बहुत प्यारी।



# आफादगिरिनि फोसाव बिलाइ

**फुंखा सोरां बर'**
आफादगिरि, RCSU, 2021-22

जोंनि हारि, राव हारिमु, हादर आरो थुनतायखौ रैखाथि होलांनाय मुंख्लं गेदेमा संबुंफोरनिसिम सिबिनाय आरो खुलुमनायखौ बाउहरग्रोनाय जाबाय।

आं 2021-22 माइथायनि रङिया फरायसालिमा खौसे आफाद RCSUनि बिसाइखाथिआव बाहागो लानानै आफादगिरि (President) माखिआव देरहासाद जानो हानानै गावखौनो जोबोद गोजोननाय मोनदों आरो बेनि उनावनो आं आंनि बिबानखौ 25-03-22 सानखालि मोननो हार्दोंमोन लोगोसे Teachers Incharge महरै आं Dr. Bimal Das Sir बिथांखौ मोननो हार्दोंमोन।

आं आंनि बोसोरारि लिरबिदां (Annual Report) खौ गाहायाव फारियै लिरखांनाय जावाय।

बिबान मोनखांनायनि उनावनो आं इं 25-04-22 खालारखालि फरायसालिमानि माखासे बिफान (Department) फोराव फोरोंगुरुनि गोनांथि जाना थानायनि सायाव नायगिदिंनाय जायो आरो बेखौ फोसाबनो आं आंनि Incharge Sir बिथांजों गुवारै सावरायनाय थाखाय जायो।

आं 6-5-22 इं खालार आव फरायसालिमानि गोरायुं सार बिथांनिसिम फरायसालिमानि नटिस नि सायाव गांसे आरजलाय होनाय जायो। जाय आरजलाय आव मखनाय दंमोन हि फरायसालिमानि मोनफ्रोमबो नटिस फ्रावनो असमीयाया आवल'दिहुना बालानो इंलिस आरो असमीया मोननै यावबो दिहुनो जायनि थाखाय फरायसालिमानि गासैबो फरासाफ्रावो बुपिनाय आव हेफाजाब जायो।

जेब्लामाइथायनि जुन दानाव गासै आसम आवनो दैबानाजों साग्लोब जादोंमोन आरो`बैखौ जों गासैबो भुगिनो गोनां जादोंमोन। बेजोंनो लोब्ला लाखिनानों इं 20-06-22 खालि जोंनि फरायसा खौसेथि आफाद आ फरायसालिमानि फरायसा फोरखौ लानानै फ्लड डॉनेशन हाबाफारि लायो आरो बेखौ दैबानाजों भुगिनांनाय बोग्रिबारि ओनसोलनि थागिबि फोरनो राननानै हैनाय जायो।

फरायसालिमायाव गोदानै मुं थिसननाय हाबाफारिआ सोलिनाय आगोल आगोलनो इं 05-07-2022 खालार खालि जों RCSU निफ्राय फरायसाफोरनो मुं थिसननाय समाव नांगौ जानाय माखासे Documents लानाय समाव जाहाथे जेबो उसुबिदा जाया बेनि थाखाय Revenue Circle Officer बिथांनिसिम आरजलाय होनाय जादों।

रङिया फरासालिमानि सिंआव फरायसाफोरनि गोनांथिखौ नोजोर बोनो फरायसा खौसेथि आफाद RCSU नि Fund नि खावसे बाहागो बाहायनानै हौवासा आरो हिनजावसा फोरनि थाखाय खिग्रा आरो हासुग्रा बानायनाय जायो आरो बेखौ इं 11-07-22 सानखोलि फरायसालिमानि गोरायुंनि आखाइजों बेखेवना होनाय जायो।

30-09-22 इं खालाराव गोदानै मुं थिसननो हानाय फरायसाफोरखौ बरायनाय हाबाफारिखौ खुंफुंनाय जायो आरो बे हाबाफारिआव गाहाइ आलासि महरै मानगोनां Binanda Swargiary Sir बिथांखौ लाबोनाय जायो।

इं 10-11-2022 सानखालि फरायसालिमानि फरायसाफोरनो जनो थाखाय फरायसालिमानि फख्रि रूगुडव लहानि जग्रा गं 5 बानायना होनाय जायो। बे हाबाफारिखौ आं आरो RCSU नि लेडाइ आफादगिरि (Vice President) जों जयै मावफुंनाय जायो।





बेबादियैनो फरायसालिमानि गोगो समाजनि थाखाय फरायसालिमानि गोरायुं (Principal), गासै फारोंगुरु, (Authority) लोगोसे RCSU गासै बिबानगिरि बिथांमोनजों जयै गोबां खामानि मावनो खाबु मोनो आरो समबायदियै आं इं 20-11-2022 खालाराव आंनि बिबानखौ हगारनाय जायो।

फरासालिमानि थाखाय मावनाय मोनफ्रोमबो हाबाफारिआवनो आंखौ हेफाजाब होनाय आंनि Incharge बिथां Dr. Bimal Das Sir आरो आंनि गासैबो मावनो लानाय खामानिखौनो गनायथि होनाय Principal Sir बिथां Dr. Brajendra Saikia आरो आंनि फरायसा खौसे आफादनि गासै बिबानगिरि बिथांमोनखौ आं आंनि गोसो गोरबोनिफ्राय अन्नाय आरो सिबिनायखौ बे आंनि बोसोरारि लिरबिदांनि गेजेरजोंनो बाउहरनाय जाबाय।

जोबथारनायाव आं रंङिया फरायसालिमानि 2021-22 माइथायनि Unit ABSU नि आफादगिरि बिथां Nobel Boro, गाहाइ नेहाथारि बिथां Birod Boro, Prachanta Ramchiary (Ex. Cultural Secretary), Dipti Boro (Ex. Girls Common Room Secretary), Nisha Rani Boro (Ex. Social Service Secretary, Priti Brahma, Surajit Boro, Harchit Boro, Jathumma Boro, Karima Boro, Bishal Swargiary, Papori Ramchiyary, Gunija Brahma, Rangina Goyari आरो Unit नि गासैबो बिबानगिरि बिथांमोन आरो आंनि आंगोनि फंबाय बिनानाव बिथांमोननिसिम आंनि सानथ्रहायै अननाय सिबिनाय आरो साबायखर बाउहरनायजों लोगोसे आंनि जाबोनाय गेना गोरोन्थिफोरनि थाखाय निमाहा बिना आं आंनि बोसोरारि लिरबिदांखौ ऐस एसेयावनो फोजोबनाय जाबाय। गोजोन्थों

Long Live Rangia College
Long Live Rangia College Students' Union



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

**ধীৰাজ কলিতা**
সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতিৰ হকে প্ৰাণ আহুতি দিয়া সেই মহান বীৰ বীৰাংগনাসকলৰ ত্যাগক প্ৰণাম
জনালোঁ। তেখেতসকলৰ ত্যাগৰ ফলতে আজি অসমীয়া জাতিটো জীয়াই আছে। লগতে যিসকল মহান ব্যক্তিৰ অক্লান্ত
পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত ৰঙিয়া মহাবিদ্যালয়ে বৰ্তমান নামনি অসমৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান হিচাপে গঢ় লৈ
উঠিছে সেই মহান ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত।

ৰণদিয়া ৰঙিয়াৰ বুকুত সৃষ্টি হোৱা জ্ঞানৰ সাগৰ, আমাৰ সকলোৰে বাবে জ্ঞানৰ মন্দিৰ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতি
সেৱা আগবঢ়াবলৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনতে এক আশাৰ প্ৰতিচ্ছবি থাকে। তেনে এক আশাৰ বাঁজকে সাৰথি কৰি মই
১১ ফেব্ৰুৱাৰী, ২০২২ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল
কৰিছিলোঁ। শিক্ষানুষ্ঠানখনৰ বুকুৰে বাগৰি যোৱা অজস্ৰ বসন্তৰ আশীৰ্বাদ শীৰত লৈ ছাত্ৰ-ছাত্ৰীসকলক সেৱা কৰাৰ
মানসিকতাৰে মই এই প্ৰদত্ত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো। নেতৃত্ব দিয়াৰ অভিপ্ৰায় নোহোৱাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত
হাত ধৰি, খোজত খোজ দি একেলগে আগুৱাই যোৱাৰ তীব্ৰ বাসনা এটাৰে মই আগুৱাই আহিছিলোঁ।

ইয়াৰ পিছত ১৭ ফেব্ৰুৱাৰী তাৰিখে ভোট গ্ৰহণ কৰা হৈছিল আৰু ১৮ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে ৰঙিয়া মহাবিদ্যালয়
ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছিল। সেই দিনটো মোৰ লগতে মোৰ সকলো
শুভাকাংক্ষী, বন্ধু-বান্ধৱীৰ কাৰণে অতি বিশেষ দিন আছিল। সকলোৰে শুভকামনা লৈ মই আগবাঢ়িলোঁ এক অজান
পৰিৱেশলৈ। কিন্তু সকলোৰে অজস্ৰ মৰম, সহায় সহযোগিতাৰ বাবে মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ
সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলোঁ। এই ছেগতে সকলোকে এবাৰ ধন্যবাদ যাঁচিলো।

ইয়াৰ পিছত যিসকল মহান ব্যক্তিৰ উদ্যোগত আমাৰ সকলোৰে আপোন ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল
তেখেতসকলৰ শ্ৰীচৰণত সেৱা জনাই ২৫ মাৰ্চ, ২০২২ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ২০২১-২২ বৰ্ষৰ সাধাৰণ
সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ।

মোৰ যদিও বহুত দীঘলীয়া কাৰ্যকাল নাছিল তথাপিও ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ
দিনৰে পৰা শেষলৈকে এক নিৰ্দিষ্ট পৰিসৰত মহাবিদ্যালয়ত এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়ক
হোৱা কামৰ হকে উঠি পৰি লাগিছিলো। মোৰ কাৰ্য্যকালত মই কিমান দূৰ সফল মই নাজানো আৰু আপোনালোকৰ
দৃষ্টিত হোৱা বিফলতা বা অজ্ঞাতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।
**মোৰ কাৰ্য্যকালৰ খতিয়ান আপোনালোকৰ জ্ঞাতাৰ্থে উল্লেখ কৰিলোঁ—**

১। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথম কাম হিচাপে ১৬ ব'হাগ (৩০ এপ্ৰিল, ২০২২) তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ
বাকৰিত অসমীয়া নৱবৰ্ষ আৰু বহাগ বিহুৰ লগত সংগতি ৰাখি উলহ-মালহেৰে বসন্ত উৎসৱ উদযাপন কৰোঁ।

২। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ পৰা মূলপথৰ লগত সংযোগী (মহাবিদ্যালয়ৰ পিচফালৰ পথ) পথটি
সাধাৰণতে বোকা-পানীৰে ভৰি থাকে আৰু একেবাৰে জৰাজীৰ্ণ হৈ আছে। যাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-
ছাত্ৰীসকলে উক্ত পথটি যাতায়ত কৰোঁতে জীয়াতু ভুগিবলগা হয়। সেয়েহে ১১ মে', ২০২২ তাৰিখে উক্ত
পথটি অনতিপলমে মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গৰ সুবিধাৰ্থে পকীকৰণ কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰঙিয়া





লোকনিৰ্মাণ পথ সংমণ্ডলৰ মাননীয় কাৰ্যবাহী অভিযন্তা মহোদয়ক এখন স্মাৰক পত্ৰ প্ৰদান কৰো।

৩। ৫ জুন, ২০২২ তাৰিখে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰঙিয়া অঞ্চলৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী
নিবাসতো গছৰ পুলি বিতৰণ কৰিছিলোঁ। সেইদিনা প্ৰায় ১০১ জোপা মূল্যবান গছৰ পুলি বিতৰণ কৰো।
এয়া একমাত্ৰ আমাৰ পৃথিৱীখনক সেউজীয়া কৰি ৰখাৰ এক ক্ষুদ্ৰ প্ৰয়াস।

৪। ৰঙিয়া হাইৱে চ'কৰ পৰা ৰঙিয়া মহাবিদ্যালয় আৰু ৰঙিয়া অসামৰিক চিকিৎসালয়লৈ যোৱা মূল পথটি বহুদিনৰে
পৰা জৰাজীৰ্ণ হৈ থকাত শিক্ষাৰ্থী সমাজৰ লগতে ৰোগীসকল আৰু সাধাৰণ জনতাই যাতায়তত জীয়াতু
ভুগিব লগা হৈছে। বিশেষকৈ বড়ো হাইস্কুলৰ সন্মুখৰ পথছোৱাত বৃহৎ বৃহৎ গাতৰ সৃষ্টি হোৱা বাবে পথটিত
একেবাৰে দুৰ্ঘটনাৰ প্ৰৱণতা বৃদ্ধি পাইছে। সেইহেতুকে পথটি অতিশীঘ্ৰে পুনঃনিৰ্মাণৰ দাবী জনাই ১০ জুন,
২০২২ তাৰিখে ৰঙিয়া লোকনিৰ্মাণ পথ সংমণ্ডলৰ মাননীয় কাৰ্যবাহী অভিযন্তা মহোদয়ক এখন স্মাৰক পত্ৰ
জ্ঞাপন কৰোঁ।

৫। আমাৰ মহাবিদ্যালয়খনৰ পিছৰ ফালে থকা KKSHOU IDOL আৰু B.Voc বিভাগত নিতৌ বহুসংখ্যাক
ছাত্ৰ-ছাত্ৰীৰ সমাগম হয়। কিন্তু এতিয়ালৈকে তাত এটি বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নাই। সেই হেতুকে ১৪
জুন, ২০২২ তাৰিখে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ক KKSHOU, IDOL আৰু B.Voc.ৰ শিক্ষাৰ্থী
সমাজৰ সুবিধাৰ্থে এটি বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰি দিবলৈ আৱেদনযোগে অনুৰোধ জনাওঁ।

৬। ২৯ জুন, ২০২২ তাৰিখে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়াৰ সাংস্কৃতিক কৰ্মীসকলৰ লগতে ৰঙিয়া
মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত ৰাইজৰ সহযোগত ৰঙিয়াৰ সমীপৱৰ্তী বগৰিবাৰী অঞ্চলত বান সাহায্য
বিতৰণ কৰো। সাহায্য বিতৰণস্থলীত আমাৰ লগত উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সভাপতি
দিপাংক কুমাৰ নাথ ডাঙৰীয়া আৰু উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস ডাঙৰীয়া। তেখেতসকলেও বগৰিবাৰীৰ পুঠিমাৰী
নৈৰ ভগ্ন মথাউৰি অংশত উপস্থিত হৈ বানপানীত সৰ্বস্ৰান্ত হোৱা ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লৈছিল।

৭। ৪ জুলাই, ২০২২ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ ৰঙিয়া ৰাজহ চক্ৰ বিষয়া মহোদয়াক
ৰঙিয়া মহাবিদ্যালয়ৰ লগতে ৰঙিয়াৰ আন আন চৰকাৰী শিক্ষানুষ্ঠানসমূহত নামভৰ্ত্তিৰ বাবে বাৰ্ষিক আয় দুই
লাখ বা তাতকৈ কম থকা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ বাবে প্ৰযোজ্য বাৰ্ষিক আয়ৰ প্ৰমাণপত্ৰসমূহ কোনো
সমস্যা অবিহনে তৎকালে মোকলাই ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া নামভৰ্তিৰ সেৱা লাভৰ সুবিধা কৰি দিয়াৰ
বাবে এখন আবেদন পত্ৰৰ জৰিয়তে অনুৰোধ জনাওঁ।

৮। ১৯ জুলাই, ২০২২ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰস্তাৱিত শৌচাগাৰ তথা প্ৰস্বাৱগাৰ ৰঙিয়া মহাবিদ্যালয়
ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ আবণ্টিত নিৰ্দ্ধাৰিত পুঁজিৰ ধনেৰে নিৰ্মাণ কাৰ্য্যৰ শুভাৰম্ভণিত ৰঙিয়া মহাবিদ্যালয়ৰ
অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াদেৱৰ উপস্থিতিত মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ বিষয়ববীয়াসকলৰ দ্বাৰা
আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰা হয়। আৰু প্ৰায় দুমাহ পিছত অৰ্থাৎ ১৭ ছেপ্টেম্বৰ, ২০২২ তাৰিখে
বিশ্বকৰ্মা পূজাৰ দিনাখন ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা ইয়াৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা
হয়। এই চেগতে অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন
কৰিছোঁ।

৯। ৰঙিয়া মহাবিদ্যালয়খনৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৫ আগষ্ট, ২০২২ তাৰিখ দিনটো মহাবিদ্যালয়খনৰ
পৰিয়ালবৰ্গৰ বাবে এটি বিশেষ দিন আৰু সেয়েই সেইদিনা দিনযোৱা কাৰ্যসূচীৰে মহাবিদ্যালয়খনৰ বাকৰিত
উলহ-মালহৰে ষাঠি সংখ্যাক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। সেইদিনা মই মোৰ বন্ধু আফ্ৰিদী আৰু ৰুহুলৰ
সহায়ত বনোৱা মহাবিদ্যালয়খনৰ চৌহদৰ এটি ভিডিঅ' মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ব্ৰজেন্দ্ৰ শইকীয়া
চাৰৰ হাতেৰে ৰঙিয়া মহাবিদ্যালয়ৰ YouTube Channelটোত সকলোৱে চাব পৰাকৈ মুকলি কৰি দিয়া হৈছিল।
সন্ধিয়া ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত জীপাল সন্ধিয়া নামেৰে এটি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন
কৰা হৈছিল, য'ত মহাবিদ্যালয়খনৰ ভালেসংখ্যাক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

১০। ৰঙিয়া ভূটান পথত পৰিবহন বিভাগৰ অধীনত চলা ব্যক্তিগত মালিকানাধীন বাছসমূহত বহু ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। বাছ ভাড়াক লৈ বাছৰ বিষয়ববীয়াই বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীক দুৰ্ব্যৱহাৰ কৰে লগতে বাক-বিতণ্ডা কৰে। বাছৰ বিষয়ববীয়াই নিজ ইচ্ছাই ভাড়া বৃদ্ধি কৰাত ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৭ ছেপ্টেম্বৰ, ২০২২ তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাই ৰঙিয়া মহকুমাধিপতি মহোদয়ক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বাছৰ ভাড়া ৫০% হ্ৰাস কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শাৰীৰিকভাৱে অপদস্থ কৰা বাছসমূহৰ কৰ্মচাৰীৰ বিৰুদ্ধে উচিত ব্যৱস্থা ল'বলৈ স্মাৰক পত্ৰৰ জৰিয়তে আহ্বান জনালোঁ।

১১। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় দুমাহ ধৰি থকা বানপানীৰ বাবে মহাবিদ্যালয়ৰ Class সমূহ কৰাত যথেষ্ট অসুবিধা হৈছিল। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ Class attendanceৰ শতকৰা হাৰ কম আছিল। যিহেতু চৰকাৰী নিয়ম অনুসৰি ৭৫% Class Attendance কোনো ছাত্ৰই বিনামূলীয়া নামভৰ্ত্তি নাপায়। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আমি মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত ১২ ছেপ্তেম্বৰ, ২০২২ তাৰিখে এক আলোচনাত বহি তলত উল্লেখ কৰা সিদ্ধান্তসমূহ গ্ৰহণ কৰোঁ।

ক) গুৰু বিষয় থকা ছাত্ৰ-ছাত্ৰীসকলৰ Class attendance ৭৫%ৰ সলনি ৬৫% থকাটো বাধ্যতামূলক।

খ) গুৰু বিষয় নথকা ছাত্ৰ-ছাত্ৰীসকলৰ Class attendance যিকোনো এটা বিষয়ত ৭৫%ৰ সলনি ৫০% থকাটো বাধ্যতামূলক।

১২। ৩০ ছেপ্টেম্বৰ, ২০২২ তাৰিখে হেজাৰ স্বপ্ন বুকুত বান্ধি কলেজীয়া জীৱনৰ পাতনি মেলিবলৈ ৰঙিয়া মহাবিদ্যালয়ত আগমন হোৱা অনুজ শিক্ষাৰ্থী সমাজক আপোন মহাবিদ্যালয়খনলৈ আন্তৰিকতাৰে স্বাগতম জনাই মহাবিদ্যালয়ৰ বাকৰিত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে (নৱাগত আদৰণি সভা-২০২২) অনুষ্ঠিত কৰা হয়। অনুষ্ঠিত হৈ যোৱা নৱাগত আদৰণি সভাখনত সভাপতিত্ব কৰিছিল ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াদেৱে, মুখ্য অতিথি হিচাপে উপস্থিত আছিল বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসদেৱ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল বিশিষ্ট কণ্ঠশিল্পী শ্ৰীযুত সদানন্দ গগৈদেৱ আৰু সাংস্কৃতিক অনুষ্ঠানত সংগীত পৰিৱেশন কৰিছিল বিশিষ্ট সংগীতশিল্পী দীপান্বিতা ডেকাই। অনুষ্ঠিত হৈ যোৱা নৱাগত আদৰণি সভাৰ প্ৰত্যেকটো কাৰ্য্যসূচীতে সক্ৰিয়ভাৱে উপস্থিত থাকি সুশৃংখলাবদ্ধভাৱে প্ৰত্যেকটো কাৰ্য্যসূচী ৰূপায়ণ কৰাত সহায়-সহযোগ কৰা মহাবিদ্যালয় পৰিয়ালবৰ্গৰ সদৌটিকে আন্তৰিকতাৰে ধন্যবাদ যাছিলোঁ।

কৃতজ্ঞতাৰে মোক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষ মহোদয় ড° ব্ৰজেন্দ্ৰ শইকীয়া ছাৰ, মোৰ তত্বাৱধায়ক ড° হৃষীকেশ চৌধুৰী ছাৰ, ড° বিমল দাস ছাৰ তথা সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰীবৃন্দৰ সহায়-সহযোগিতা আৰু শুভকামনাৰ বাবে আন্তৰিকভাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ৰঙিয়া মহাবিদ্যালয় আছু গোট, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সমাজৰ লগতে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ আৰু ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া, গণিত বিভাগৰ ছাত্ৰ-ছাত্ৰী তথা মোক সকলো সময়তে সহায় কৰা মোৰ বন্ধুবৰ্গৰ লগতে দাদা-বাইদেউ সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত আকৌ এবাৰ আপোন মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জড়িত থকা মহান মনীষীসকলৰ শ্ৰীচৰণত সেৱা এভাগ আগবঢ়ালো।

সদৌ শেষত মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত, বিকাশ তথা ছাত্ৰ-ছাত্ৰীসকলে যাতে শৈক্ষিক সাংস্কৃতিক, সামাজিক, ক্ৰীড়া, সাহিত্য আদি দিশত মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনি থাকিব পাৰে তাৰে কামনা কৰিলো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'

'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা'







# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

বিনয় মগৰ
সহকাৰী সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২

विद्या ददाति विनयं विनयात् याति।
धनमाप्नोति धनात् धर्मः ततः सुखम्॥

প্ৰতিবেদনৰ আৰম্ভণিতে ভাৰতীয় আইৰ আৰু অসমী আইৰ ৰক্ষাৰ আন্দোলনত প্ৰাণ হেৰুওৱা সেই মহান বীৰ-বীৰাংগনাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। লগতে মই সেইসকল মহান ব্যক্তিসকলক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো যাৰ দুখ-কষ্ট আৰু পৰিশ্ৰমৰ ফলত ৰণদিয়া ৰঙিয়াৰ বুকুত এটি সুন্দৰ মহাবিদ্যালয়ে প্ৰাণ পালে।

"ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হকে কিছুমান কাম কৰাৰ সপোন মোৰ আগৰ পৰাই আছিল। সেয়েহে ২০২১-২২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই সহকাৰী সাধাৰণ সম্পাদক পদত প্ৰাৰ্থিত্ব আগবঢ়াইছিলো আৰু জয়লাভ কৰিছিলো। সেয়েহে মই মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। যিসকলৰ সহযোগৰ ফলত মই এইখন মহাবিদ্যালয়ৰ হকে কিছু সামাজিক কাম কৰিবলৈ সহযোগ পালো আৰু সক্ষম হ'লো।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণা ০২-২০২২ তাৰিখ শুক্ৰবাৰে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ৰ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হৈছিল। এই নিৰ্বাচনৰ ফলাফলত বাকী ১১ জন বিষয়ববীয়াৰ লগত ময়ো ২০২১-২২ৰ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হৈছিলো। সহকাৰী সাধাৰণ সম্পাদক অনুযায়ী মোৰ প্ৰথম কাম আছিল আমি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ সদস্যসকলে মিলি ৩০ এপ্ৰিল, ২০২২ শনিবাৰে 'বসন্ত উৎসৱ' আয়োজন কৰিছিলো। ইয়াৰ পৰৱৰ্তী সময়ত দ্বিতীয়তে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাই-ভণ্টি আৰু লগতে ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ কিছু আৰ্থিক সহযোগৰ ফলত আমি জামুগুৰিত থকা পীৰিত পৰিয়ালক বান সাহায্য প্ৰদান কৰিছিলো। তৃতীয়তে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ সকলো বিষয়ববীয়াসকলৰ নিজৰ নিজৰ পুঁজিৰ ধনৰ সহযোগত ল'ৰা আৰু ছোৱালী উভয়ৰ কাৰণে শৌচাগাৰ আৰু প্ৰচাৰগাৰ নিৰ্মাণ কৰিছিলো। ১৯-০৭-২২ বুধবাৰে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াদেৱৰ লগতে মহাবিদ্যালয়ৰ শিক্ষা গুৰু আৰু মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ বিষয়ববীয়াসকলৰ দ্বাৰা অনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰা হৈছিল। চতুৰ্থতে ২০২১-২২ বৰ্ষৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়াসকলৰ নিজ পুঁজিৰ ধনৰ সহযোগৰ ফলত প্ৰত্যেক বছৰেই ৰঙিয়া মহাবিদ্যালয়ত আয়োজন কৰা নৱাগত আদৰণি সভা ৩০ চেপ্তেম্বৰ, ২০২২ শুক্ৰবাৰে উলহ-মালহেৰে আয়োজন কৰা হ'ল।

মোৰ কাৰ্যকালত সহকাৰী সাধাৰণ সম্পাদকৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা মাননীয় ড° হৃষিকেশ চৌধুৰী ছাৰৰ লগতে মোৰ সকলো শুভাকাংক্ষীসকলক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মই মোৰ কাৰ্যকালত কাৰ্যভাৰ পালন কৰোতে কেতিয়াবা অজানিতে কৰা ভুল-ভ্ৰান্তি হ'ব পাৰে যাৰ কাৰণে মই মহাবিদ্যালয়ৰ সমূহ পৰিয়ালৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

অন্তিমত ৰঙিয়া মহাবিদ্যালয়ৰ লগতে মোৰ সকলো শুভাকাংক্ষীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনখন ইমানতে সামৰণি মাৰিলোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়।'

'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।'



# ANNUAL REPORT OF MAGAZINE SECRETARY

**Snehashis Bhowmick**
Editor, Magazine, RCSU

*"Don't limit a child to your own learning, for he was born in another time."*
*– Rabindranath Tagore*

There should not be any limit on learning as it is endless and never ending process. One can enhance their education, knowledge and learnings by various ways, proper guidance and there are also institution like school, college etc.

A college is a part of a university offering a specialized group of courses that offer tertiary education, an institution offering vacation and professional courses. Beyond that it makes us stronger and teaches us to fight our own battles. It also makes us serious about our career. And there is also various out reach program designed in college that make us courageous and mentally strong. Similarly, within a college life there is vital part that is college student's election

College election plays a major influence in college life where one can know their capabilities on various extra co-curriculum activities, test their mental-health, enhance the social, cultural responsibilities towards the society. So, I was very grateful that I was nominated on a particular portfolio in the general student election in our college. I was nominated as Magazine editor's portfolio in our college.

On the 19th of February 2022, it is one of the auspicious day in my life as I was elected as a magazine editor of the college by the various students of the college. And I pledged to myself to never bring down to their believe upon me and uplift our college on various activities and make our college proud collectively. On 25th of March 2022, we all the secretary of their belonging portfolio got the charge from the college authority and also got our professor in-charge to guide us on the various activities. And I am glad that my professor in-charge was Dr. Syed Abdullah Ahmed sir.

Firstly, as a Magazine editor my first work done was publication of library's magazine. On 23rd of April 2022 our college library wall magazine "Baahi" was going to be inaugurated and published. And it was inaugurated by our respected principal Dr. Bijendra Saikia sir of our college. In presence of our respected librarian Manjushree Mam along with the respected teachers, library staffs, college authority, students' union members and various students of our college.

I would like to thank our respect principal Dr. Bajendra Saikia Sir, Librarian Manjushree Mam, my professor in-change Dr. Syed Abdullah Ahmed Sir, college authorities and along with some students who help side by side on this purpose such as Dhristismita Kalita, Beauty Bora, Syeda Tabassum Anisha, Ashish Kar, Bijay Das, Hishikesh kalita, Kapil Das to make this program a success.

Secondly, as Magazine editor my second work was done which is inauguration and publication of our college wall Magazine. On 26th of November 2022 ,our college wall magazine "Aaradhana" was going inaugurated. And it was inaugurated by of our respect Ex Vice-Principal Sarangapani Saikia sir. In the presence of various respected teachers, college authorities, union members and various students of our college.

I would like to thank our respected principal Dr. Bajendra Saikia sir, professor in-change Dr. Syed





Abdullah Ahmed sir , college authority and also the students such as Shankar Sarma, Jayanta Das, Dhritismita Kalita, Beauty Boro, Bijay Das, Ashish Kar, Kapil Das, Kangkan Kalita to make this program a success.

Thirdly, during my charge as a magazine editor, I was also a part of Art and craft club where we jointly along with the college authority conducted entrepreneurship program on 8th of June 2022. I was also part of NSS of the our college program where we union member along with college authority took part in flood relief camp. On 16th of October 2022 nation Youth Organisation namely Nehru Yava Kendra conducted a district level competition in our college, along with college authority. We jointly cooperate with them. And I was given the lead to encourage the student to participate in the program and provide basic necessary information about the program.

Fourthly with a disappointed but courageously I would like to bring the information that our college magazine "Rangan" is going to publish soon, disappointed as I couldn't publish the magazine during my charge. But I tried my best to bring light on the various intelligences work form by the student of our college through the magazine "Rangan".

Lastly, I would like to show my humble gratitude all the students and teachers for believing in me. I will always try to make them proud. And I would also like to thank AASU for providing such platform. And a special thanks to Munif Iabal, Pintu Deka, Abinash Deka, Pranab Kalita, Himangshu Lahkar for their special adornment and guidance through in and out.



# बोसोरारि लिरबिदां

सुरजित बर'
Secretary, Major Games and Sports

गिबि गिबिथावनो आफा बोराइ बाथ निथाव खर' गंग्लायनानै आरज गाबो आंनि बे लिरबिदां फरायग्राफोरनिसिम आंखौ रडिया फरायसालिमानि फरायसा खौसे आफादनि बिसायखथियाव गाहाइ गेलेमु नेहाथारि (Major Games and Sports Secretary) बिफानाव ८९१ भतजों देरहासार होनायनि थाखाय फरायसालिमानि फरायसुला आरो फरायसुलि निसिम लोगोसेनो आंखौ गोबं खामानियाव मदद होलांनाय आदा नबेल बर, फुंका सोरां बर', हरसित बर', प्रनब ब्रह्म बायदि बायदि आरो आंनि लोगो जय'न्त बर', बिसाल सोरगियारि, दिपेस्वर बर', सोमखोर बसुमतारि, बुद्धसान नार्जारि, प्रिति ब्रह्म, निसा बर', गुनिजा ब्रह्म, अनुपम बसुमतारि, फँलाव बर', निजोरा बर', करिमा बर', सोरना देबि रामसियारि, सनजय बर', अनजिला नारजारि, बायदि बायदि गासैनिसिमबो आंनि गोसो गोरबोनिफ्राय साबायखर बावहरनाय थाबाय।

आं रडिया फरायसालिमानि बिसायखथियाव गाहाइ गेलेमु नेहाथारि आव देरहासार जानानै फरायसालिमानि बायदि खामानि एबा फरायसालिमानि जौगानायनि फारसे आगान दोलांदो। फरायसालिमाथाव गोदानै 2021-22 मायथाइनि फरायसा खौसे आफादनो बिबानखौ 23-03-2022 खालागव Conference Hall आव गथाइनानै होयो। गाहाइ गेलेमु नेहाथारिनि Incharge खौ ड॰ दामफ्ला गयारि सारखौ होनाय जायो।

जोंनि फरायसालिमानि सासे फरायसाखौ आं फोरमायनो मोन्नानै गोजोन्नाय मोनोदि थाखो BA ब्रैथि सेमिस्तारआव फरायनाय प्रानजित दासआ Assam Handball आव Selection जानानै Andra Pradesh आवजानो गोनां 44th Junior (Boys) National Handball Championshil थांनो थाखाय बिथांनि नखरा रांनि फारसे लोरबां बेखौ मोनथिना अनुप देका सारआ थिन्नायलाइ आरो आंनि Incharge सारजों लोगेसे Principal सारजों ज' सावरायनानै आं रां थानदारनिफ्राय 3000 रां हरनाय जादों।

फरायसालिमायाव गोदानै मुं थिसननाय 2022-23 मायथाइनि फरासोफोरा गोबां जेंनापोरनि मोगा-मोगि जानो गोनां जादोंमोन। जैरै Income Certificate, Online Payment, Subject Change, Major Subject लानाय बायदि बायदि खामानिफोरखौ मावफुंना होनाय जादों।

थांनाय 19-10-2022 खालाराव माराथान खारनाय Competition सानसेनि हाबाफारि लानानै खुंनाय जादों। बे बादायलायनायखौ फरायसालिलमानि Principal सारा रङनो दोनायनि थाखाय साबायखर बावहरबाय। बे हाबाफारिखौ बेखेवनाय बिमल दास आर लोगोसे गिबिनिफ्राय जोबजासिम आंजों हेफाजाब होफानाय आर ड॰ दामफ्ला गयारि सार आरो ड॰ गुदु प्रसाद बसुमतारि सार बान्था रान्नायाव गोहाइ आलासि महरै रडिया फरायसालिमानि Principal ड॰ ब्रजेन्द्र सयकिया सार आरो बाहागो लाफँनाय सार मोननिसिम गोरबोनिफ्राय अन्नाय सिबिनाय होनानै साबायखर बाउहरनाय थाबाय।

रडिया फरायसालिमानि आरोबाव सासे फरायसा ताखो HS 1st Year आव फरायनाय गितानज'लि बर' आ Assam Handball आव रोंगौथिखौ दिन्थिनानै 37th Sub-Junior Girls National Handball Championship 2022 आव गेलेनो थाखाय जायगा आवग्रिनो हादों। नाथाइ निथांनि न'नि थासारिया गोबां लरिबां रांनि असुबिधा जानायलाइ Incharge सार ड॰ तामफ्ला सार, अनुप देका सार आरो Principal सारजों सावरायनानै आंनि Fund एबा गाहाइ गेलेमु नेहाथारिनि रां थान्दारनिफ्राय 3000 रां हरनाय जादों।

फरायसालिमानि गेलेमुनि खायसे गोनांथि जानायलाय आंनि रां थान्दारनिफ्राय 8000 रां दिहुन्नानै बायदि गेलेसु जैरै- Football, Volleyball, Cricket Stemp Cricket Bails, Football gloves, Referee flage, Volleyball net, Cricket Ball बेफोरखौ लाबोना खायसे आंखालखौ सुफुंनाय जादों।

जोबथायाव आं रडिया फरायसालिमायाव नांगौ बायदि खामानि आरो Competition फोरखौ खुनो हाथिनि थाखाय निमाहा बिहरबाय फरायसाफोरनि सिम। फरायसालिमानि आंखौ गावनिनो सान्नानै हेफाजाब होलांनाय फोरोंगिरि, फरायसा, केरानि, सुकिदार गासैनिसमबो गोसो गोथारै साबायखर बाउहरनाय जाबाय? आंनि बोसोरारि लिरबिदांखौ ऐसेथावनो फोजोबनो आखायाव लाबाय।



# बोसोरारि लिरबिदां

बिरोद बर'
Secretary, Minor Games and Sports
RCSU, 2021-22

गिबि गिबियावनो आफा इसोर बोरइ बाथौनिसिम खर गंग्लायै आरज गावबाय आरो लिरबिदां फरायगिरिफोरनिसिम अननाय आरो सिबिनायखौ बाउहरग्रोनाय जाबाय। थानांय 2021 मायथुइनि 19 फेब्रुवरियाव रङिया फरायसालिमानि फरायसा आफादनि बिसाय खथिया जानानै थांयो। बेवहाय आंबो लेङाइ गेलेमु बिबानाव बिजाथि महरै खिसायख'थियाव उथिदोंमोन आरो 891 भत मोननानै देरहारबो जानो हादोंमन। वेवहाय आंनि आपजिद सानै बिजायखथिया जेननो नाङो। बेनि उनाव 25 मार्च हानाव फरायसालिमाया जोंनो बिबान गोहो गथायो Conference Hall आव। लोगोसेनो आंजो बिसायख'थियाव सानहर थाफानानै आंखौ हेफाजाब होफानाय रङिया फरायसालिमानि हालाइ एबसुनि आफादगिरि नबेल बर' आरो लेङाइ नेहाथारि बर' लोगोसेनो बायदि बिबानाव थानाय बिबानगिरिफोर आरो आंनि लोगो बिसाल सरगियारि, बुधसन नारजारि, सनजय बर' सरना देबी रामसियारि, प्रनब ब्रह्म बिथांमोनखौ साबायखर बाउपावालानो थायोब्ला मोजां जानाय नङा।

आ फरायसालिमानि बिसायखथियाव लेङाइ गेलेमु नेहाथारि जानानै फरायसुला-फरायसुलि बिथांमोननो गेसेनायनि बिथि बाव नांगैवादि साबु होनो हादोंना हायाखै आं मिथिला। नाथाइ उपायसुला-फरायसुलि-फोरखौ गोबां जेंना-जेंसियाव हेफाजाब खालामनो मोननाय आंनि थाखाय मावनांगै बिबबानमोन। जैरैबायदि फरायसालिमानि गोदान फरायसालिफोरनि 2022-23 बोसोरनि गोदाननै मुं थिसननाय आरो आजादनि बिलाइ गथाइनायाव फरायसालिमानि पेमेन्ट खालामनाय अनलाइजों बेनि अनगायैबो फरायसालिमानि बायदि हाबाफारिफोराव हाजासिम हेफाजाब खालामबोदों।

नबेम्बर दाननि 10 आरो 11 खावार 2022 मायथाइयाव रङिया फरायसालिमानि Indoor Stadium आव सानैनि हाबाफारि लानानै मोनसे Inter Semester Kabaddi Match खुनाय जादोंमोन। हौवासा हिनजावसाफोरनि थाखाय। बे हाबाफारिखौ जागाय-नायनिफ्राय जोबजासिम आंखौ गायिद खालामलांबाय थानाय नायनिफ्राय जोबजासिम आंखौ गायिद खालामलांबाय थानाय Incharge रमेस चन्द्र नारजारि सार आरो आंनो बे हाबाफारिखौ खुंकुंनो थाखाय बिथोन होनाय फरायसालिमानि ड° ब्रजेन्द्र शइकीयासार, आरु हाबाफारियाव नांगौ जानाय रांकौ पास खालामनानै हरनाय अनुप देका सारनिसिमबो साबाय खर बाओहरनाय जाबाय। लोगोसेनो बे हाबाफारियाव बान्था रननाय हाबाफारिखौ आफुंसार खालनायनि थाखाय Vice-Principal सार आरो बाहागो लाफैनैय सारमोनसिमबो साबायखर बाओहरनाय जाबाय।

आं आंनि लिरबिदां लिरनायखौ बे समावनो फोजोबनो आवगायनाय जाबाय। आसा खालामो आफा इसोरनि अनसायनाय आरो सार-मेडाममोननि फोरोंनाय, अननायाव आं बेबादिनो जिउवाव मोजाङै मोजां खामानि मावलांनो हायो। गोजोन्थों॥







# তৰ্ক আৰু সাহিত্য সম্পাদিকাৰ প্ৰতিবেদন

ধৃতিস্মা নাথ
তৰ্ক আৰু সাহিত্য সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২

(সৃষ্টিৰ স্নায়ু ধুনাধুন কৰি উতলি উঠিছে বিপ্লৱ মোৰ উতলি উঠিছে বিপ্লৱ। ব্ৰহ্মাণ্ডৰ মেৰু প্ৰকম্পি দাপিছে দাৰুণ তাণ্ডৱ মোৰ দাপিছে দাৰুণ তাণ্ডৱ।)

**পাতনি ঃ**

উচ্চ শিক্ষা গ্ৰহণ কৰাৰ চিন্তা মন-মগজুত স্থিৰ কৰি নামনি অসমৰ উচ্চ শিক্ষাৰ এক অন্যতম বটবৃক্ষ স্বৰূপ আমাৰ সকলোৰে আপোন ৰঙিয়া মহাবিদ্যালয়ৰ বাকৰিত খোজ পেলাইছিলো। ১৯৬৩ চনৰ ৫ আগষ্টত সহস্ৰ জনৰ কষ্ট-ত্যাগৰ বলত স্থাপিত হোৱা ৰঙিয়া মহাবিদ্যালয়খন সকলো ফালৰে পৰা উন্নত হৈছে যদিও মহাবিদ্যালয়খনত অধ্যয়নৰত শিক্ষাৰ্থীৰ সমাজে কিছু সমস্যাৰে জৰ্জৰিত হৈ থকা বুলি মনত সৃষ্ট অনুভৱে, উক্ত সমস্যাসমূহক সততা, নিষ্ঠা আৰু উপযুক্ত যুক্তিসহকাৰে কতৃপক্ষৰ ওচৰত দাঙি ধৰি তাৰ সমিধান উলিওৱাৰ মহৎ উদ্দেশ্য আগত ৰাখিয়েই পৰৱৰ্তী সময়ত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু সাহিত্য বিভাগত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই সদৌটিৰে আশীৰ্বাদ শিৰত লৈ জয়যুক্ত হওঁ।

স্বদেশ স্বজাতিৰ স্বাভিমান ৰক্ষাৰ যুজখনত জীৱনৰ সৰ্বোচ্চ ত্যাগ কৰা মহান বীৰ-বীৰাংগনা সকলক স্মৰণ কৰি এই প্ৰতিবেদনখনৰ যোগেদি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। প্ৰতিবেদনৰ যোগেদি কোনো কালেই, কোনো অপশক্তিয়েই ম্লান কৰিব নোৱাৰা শৈক্ষিক জ্যোতিৰ কেন্দ্ৰ ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা চিৰনমস্য সকলৰ শ্ৰীচৰণত সেৱা এভাগ আগবঢ়াই শ্ৰদ্ধা নিবেদিলো।

**কাৰ্যভাৰ ঃ**

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণ কৰাৰ উদ্দেশ্য মনত বান্ধি ৰঙিয়া মহাবিদ্যালয়ৰ বাণিজ্য শাখাত ২১ চেপ্তেম্বৰ ২০২১ ইং তাৰিখে নামভৰ্তি কৰো। মহাবিদ্যালয়ত খোজ পেলোৱাৰ প্ৰথম দিনাই মহাবিদ্যালয়ৰ বাকৰিত প্ৰবাহিত নিৰ্বাচন কেন্দ্ৰিক এজাক বতাহে মোক সজোৰে কোবাই গৈছিল। সেই তেতিয়াৰো পৰা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বিচৰা এক মনোকামনাৰ বীজ মোৰ মনৰ ভিতৰতে অংকুৰিত হৈছিল। সেয়েহে সকলোৰে আশীৰ্বাদ শিৰত লৈ দাদা-বাইদেউসকলৰ পৰামৰ্শ আৰু বন্ধু-বান্ধৱীসকলৰ সহায়-সহযোগিতা লৈ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ২০২১-২২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকাৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াও। ইং ১৭ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে ভোট গ্ৰহণ প্ৰক্ৰিয়া সফলভাৱে সমাপিত হয় আৰু ইং ১৮ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে ভোটগণনা হয় লগতে ফলাফল ঘোষণা কৰে। মই তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকাৰ পদটিত সৰহ সংখ্যক ভোট লাভ কৰি জয়যুক্ত হওঁ। ২৫ মাৰ্চ, ২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত গৰিমা অক্ষুণ্ণ ৰখাৰ প্ৰতিশ্ৰুতিবদ্ধ হৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ তৰ্ক আৰু সাহিত্যবিভাগৰ সম্পাদিকা পদৰ কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই যান্মাসিকৰ চূড়ান্ত পৰীক্ষাসমূহ অনুষ্ঠিত হোৱা আৰু বানপানীৰ বাবে সেইসময়ছোৱাত কোনো ধৰণৰ কাৰ্যসূচী হাতত ল'ব পৰা নাছিলো।

**প্ৰৱন্ধ লিখন প্ৰতিযোগিতা ঃ**

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথম কাৰ্য্যসূচী হিচাপে ২০২২ বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-সমাজৰ মাজত এক প্ৰবন্ধ লিখন প্ৰতিযোগিতা অনুষ্ঠিত কৰো। উক্ত প্ৰতিযোগিতাখনত মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ অভূতপূৰ্ব সঁহাৰি দেখি নথৈ আনন্দিত হৈছিলো। উক্ত প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰা সকলৰ ভিতৰত তিনিগৰাকী প্ৰতিযোগীক শ্ৰেষ্ঠ বুলি বিবেচিত কৰা হয় আৰু তিনিওগৰাকীকে একোখনকৈ কিতাপ, একোখনকৈ প্ৰমাণপত্ৰ আৰু একোটিকৈ ট্ৰফীৰে পুৰস্কৃত কৰা হয়। এই ছেগতে প্ৰবন্ধলিখন প্ৰতিযোগিতাখন অনুষ্ঠিত কৰোতে সহায় সহযোগিতা আগবঢ়োৱা বিশেষকৈ বিচাৰকৰ আসন অলংকৃত কৰা সন্মানীয়া ড° ৰুবী শৰ্মা বাইদেউক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**কৰ্মশালা ঃ**

ৰঙিয়া মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সমাজক তৰ্ক প্ৰতিযোগিতাৰ বিষয়ে পুংখানুপুংখভাৱে জ্ঞাত কৰাৰ উদ্দেশ্য আগত ৰাখি ২০ জুন ২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ সভাগৃহত এখন তৰ্ক বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰিবলৈ ঠিৰাং কৰা হৈছিল যদিও অপ্ৰত্যাশিত বানৰ বাবে অনুষ্ঠিত কৰিব পৰা নাছিলো। পৰৱৰ্তী সময়ত ২০ চেপ্তেম্বৰ, ২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ সভাগৃহত দিনযোৱা কাৰ্য্যসূচীৰে উক্ত তৰ্ক বিষয়ক কৰ্মশালাখন অনুষ্ঠিত কৰো। উক্ত কৰ্মশালাখনত সমল ব্যক্তি হিচাপে ৰঙিয়া টি টি মহাবিদ্যালয়ৰ অধ্যক্ষ সন্মানীয় ড° পাৰ্থফুকন মহন্ত ছাৰ আৰু পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ সন্মানীয় ড° নিত্যানন্দ কলিতা ছাৰ উপস্থিত থাকে। উক্ত কৰ্মশালাখনত অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰো। এইছেগতে কৰ্মশালাখন অনুষ্ঠিত কৰাত দিহা-পৰামৰ্শ আগবঢ়োৱা আৰু সহায় সহযোগিতা কৰা সদৌটিকে আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

উক্ত কৰ্মশালাখনৰ দিনাখনেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অনুষ্ঠিত হ'বলগীয়া তৰ্ক আৰু সাহিত্য বিষয়ক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবলৈ বিচৰা শিক্ষাৰ্থীসকলৰ মাজত অডিচন অনুষ্ঠিত কৰো আৰু অডিচনত মনোনীত হোৱা শিক্ষাৰ্থীসমূহক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত ভাগ ল'বলৈ প্ৰেৰণ কৰো।

**আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা ঃ**

ৰঙিয়া মহাবিদ্যালয়ৰ বাকৰিত প্ৰতিবছৰে মহাবিদ্যালয় ছাত্ৰ সন্থাই ৰঙিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰথমগৰাকী সভাপতি তথা ৰঙিয়াৰ সমাজ জীৱনৰ এজন পুৰোধা ব্যক্তি স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱৰ সোঁৱৰণত সদৌ অসমভিত্তিক আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰি আহিছে। এইবেলিও ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন ইং ২৮ চেপ্তেম্বৰ, ২০২২ তাৰিখে সকলোৰে দিহা-পৰামৰ্শ, সহায়-সহযোগিতা লৈ অনুষ্ঠিত কৰিছিলো। উক্ত তৰ্ক প্ৰতিযোগিতাখনত প্ৰায় ৩৫ গৰাকী তাৰ্কিক অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। প্ৰতিযোগিতাখনত সৰ্বমুঠ ৫ টা বঁটা প্ৰদান কৰা হৈছিল।

(বঁটাসমূহ ঃ বিজয়ী দল— নগদ ২৫০০ টকা, সিদ্ধিনাথ শৰ্মা সোঁৱৰণী বিজয়ী বঁটা আৰু একোখনকৈ প্ৰমাণ-পত্ৰ।

বিজিত দল— নগদ ১৫০০ টকা, সিদ্ধিনাথ শৰ্মা সোঁৱৰণী বিজিত বঁটা আৰু একোখনকৈ প্ৰমাণ পত্ৰ।

একক পুৰস্কাৰ সমূহ ঃ প্ৰথম পুৰস্কাৰ ৭০০০ টকা, ট্ৰফী আৰু এখন প্ৰমাণপত্ৰ

দ্বিতীয় পুৰস্কাৰ ৫০০০ টকা, ট্ৰফী আৰু এখন প্ৰমাণপত্ৰ।

তৃতীয় পুৰস্কাৰ ৩০০০ টকা, ট্ৰফী আৰু এখন প্ৰমাণপত্ৰ)

অংশগ্ৰহণকাৰী তাৰ্কিকসকলক একোখনকৈ অংশগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰিছিলো। উক্ত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনত অধ্যক্ষৰ আসন অলংকৃত কৰি প্ৰতিযোগিতাখন সৰ্বাংগ সুন্দৰভাৱে পৰিচালনা কৰা সন্মানীয় ড° নিত্যানন্দ কলিতা ছাৰ আৰু বিচাৰকৰ আসন অলংকৃত কৰা সন্মানীয় বিচাৰকদ্বয় ক্ৰমে ড° হিমাংশু প্ৰবাল গোস্বামী ছাৰ আৰু ড° অভিজিৎ দত্ত ছাৰক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছিলো।





**অন্যান্য কাৰ্য্যসূচীসমূহ ঃ**

ৰঙিয়া মহাবিদ্যালয়ৰ চৌহদত স্থিত 1st Assam, BN NCC Boys, Rangia Collegeৰ কাৰ্যালয়টোত NCC কেডেটসকলৰ সুবিধাৰ্থে মোৰ পুঁজিত জমা থকা কিছু ধনেৰে ইং ৫ ডিচেম্বৰ, ২০২২ তাৰিখে এখন আইনা প্ৰদান কৰো। উপৰোক্ত সকলোবোৰ কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ পিছতো মোৰ পুঁজিত কিছু ধনৰাশি ৰৈ গৈছিল। সেয়েহে উক্ত ধনৰাশিৰে মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে পুথিভঁৰালত ১০ হাজাৰ টকাৰ কিতাপ প্ৰদান কৰো।

**কৃতজ্ঞতা ঃ**


পোন প্ৰথমতে মোৰ প্ৰতিটো কাৰ্যতে সন্মতি দি অনুপ্ৰেৰণা যোগোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মোৰ তত্বাৱধায়ক মহোদয়ৰ লগতে মোৰ সন্মানীয় শিক্ষাগুৰুসকলে মোক সাহস দিয়াৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মোক সামাজিক ক্ষেত্ৰ এখনত চিনাকি কৰাই দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ ওচৰত মই সদায় ঋণী হৈ ৰম। লগতে মোৰ প্ৰতিটো কাৰ্য্যসূচীত মোৰ ছাঁৰ দৰে থাকি সহায়-সহযোগিতা কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীসকল, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জীৱনৰ সপোন বাস্তৱায়িত কৰা আখৰাথলী ৰঙিয়া মহাবিদ্যালয় যেন এটা ধ্ৰুৱতৰা হৈ জিলিকে তাৰেই কামনাৰে প্ৰাৰ্থনা মাগিছো। সদৌ শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা মাগি প্ৰতিবেদন সামৰিলোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'

'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'



# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

**দিপু লহকৰ**
সমাজসেৱা সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২

শিক্ষা, সংস্কৃতি আৰু ধৰ্মৰ দ্বাৰা সৃষ্টি হয়। আৰু এই তিনিটা সম্পদে এখন সভ্য সমাজৰ এজন এজন শিক্ষিত ব্যক্তিক জন্ম দিয়ে আৰু কেইজনমান ব্যক্তি মিলি আমাৰ এই মহাবিদ্যালয়খন এটা সময়ত অশেষ কষ্ট কৰি এই অঞ্চলৰ জ্ঞানৰ পোহৰ বিলাবলৈ তেওঁলোকে প্ৰতিষ্ঠা কৰিছিল আমাৰ এই মৰমৰ মহাদ্যিালয়খন। সেয়েহে মই মোৰ প্ৰতিবেদনখন দাখিল কৰাৰ প্ৰাক্ক্ষণত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ হৈ তেখেতসকলৰ পৱিত্ৰ আত্মাক প্ৰণিপাত জনাইছো। যাৰ ত্যাগ আৰু অশেষ কষ্টৰ ফলত আজি আমি এই মহাবিদ্যালয়খনত জ্ঞানৰ পোহৰেৰে আলোকিত হোৱাৰ সৌভাগ্য লাভ কৰিছো।

"হে মোৰ আলোকৰ বন্দিতা নয়নৰ জ্যোতি
প্ৰজ্ঞাৰ আলোকিত জ্ঞানৰ চাকি
আপোনালোকৰ পোহৰৰ নিৰিবিলি গতিত
ঘৰে ঘৰে বিৰিঙিছে জ্ঞানৰ হাঁহি।"
কিছু হাঁহি সফলতাৰ,
কিছু হাঁহি প্ৰেৰণাৰ,
কিছু হাঁহি বিশ্বাসৰ,
কিছু হাঁহি আশাৰ,

আজি এই মহাবিদ্যালয়খনৰ ছাত্ৰ হ'ব পাই মই সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰো। এই শিক্ষানুষ্ঠানতে অধ্যয়ন কৰি আজিলৈকে বহুতো গুণী-জ্ঞানী ব্যক্তিয়ে মহাবিদ্যালয়খনক গৌৰৱান্বিত কৰি আহিছে। ইয়াৰ পৰাই অধ্যয়ন কৰি বহুতো ছাত্ৰ-ছাত্ৰী বিদেশত নিজকে প্ৰতিষ্ঠা কৰিছে। বহুতে নিজক লৈ দেখা সপোন বাস্তৱত ৰূপায়িত কৰিছে। আৰু যাক লৈ আমি সমূহ মহাবিদ্যালয়ৰ পৰিয়ালে গৌৰৱ অনুভৱ কৰোঁ।

আমি সকলোৱে এদিন প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ এখন বিদ্যালয়লৈ যাওঁ। তাৰ পিছত এখন উচ্চ মাধ্যমিক বিদ্যালয়লৈ আৰু তাৰ পিছত সময়ৰ সোঁতত আমি লাহেকৈ এখন মহাবিদ্যালয়ত ভৰি দিওঁ। এই মহাবিদ্যালয় হ'লে এনেকুৱা এখন ঠাই যি কাৰোবাৰ বাবে আশীৰ্বাদ, কাৰোবাৰ বাবে সৌভাগ্য আকৌ আন কাৰোবাৰ বাবে জীৱনৰ সপোনৰবোৰ পূৰণ কৰা এক নতুন যাত্ৰাৰ মাৰ্গদৰ্শক। প্ৰজ্ঞাৰ নগৰীত আমাৰ এই শিক্ষাৰ মন্দিৰ স্বৰূপ "ৰঙিয়া মহাবিদ্যালয়"খন নামনি অসমৰ ভিতৰত শিক্ষাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ৰূপত গঢ়ি উঠিছে।

শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ এই মহাবিদ্যালয় সকলো সামাজিক সমস্যাসমূহৰ ক্ষেত্ৰত সন্মুখনৰ পৰা নেতৃত্ব দিয়াৰ মানসেৰে ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা' বিভাগৰ দৰে এটি গুৰুত্বপূৰ্ণ পদবীত যি আস্থা আৰু বিশ্বাসৰ জৰিয়তে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি যি গুৰু দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে মই আপোনাসবৰ ওচৰত চিৰঋণী হৈ ৰ'ম।

**সম্পাদিত কাৰ্য্যাৱলীৰ খতিয়ান ঃ**

বিগত বছৰৰ লেখিয়াকৈ ২০২১-২২ বৰ্ষৰ এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱাৰ বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই মোৰ কামবোৰ কৰি যাবলৈ যিমানদূৰ পাৰো কৰি যাবলৈ চেষ্টা কৰিছো।





১১ মে', ২০২১ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা ২০২১-২২ বৰ্ষৰ নেতৃত্বত ৰঙিয়া মহাবিদ্যালয়ৰ NSS গোট, ৰঙিয়া মহাবিদ্যালয় NCC! গোট আৰু ৰঙিয়া মহাবিদ্যালয় Scout and Guide! গোট তথা ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ সহযোগত ৰঙিয়া মহাবিদ্যালয়ৰ চৌপাশ পৰিস্কাৰ কাৰ্যসূচী এভাগ সফলতাৰে সম্পন্ন কৰা হৈছিল।

১৯ জুলাই, ২০২২ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত নিৰ্মীয়মান প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰৰ শুভ উন্মোচন কৰা হয়। এইক্ষেত্ৰত অধিক পৰিমাণে সহযোগ আগবঢ়োৱা ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমূহ কৰ্তৃপক্ষলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়খন আমাৰ নিজৰ। ভালপাওঁ আমি মহাবিদ্যালয়খনৰ ভিতৰত থকা প্ৰতিটো কোণৰ চিনাকী পৰিৱেশবোৰ আৰু ইয়াৰ চৌপাশে থকা অপূৰ্ব সৌন্দৰ্য্যৰ সমাহাৰবোৰ।

মহাবিদ্যালয়খনৰ হকে কিবা এটা কৰাৰ অযুত হেঁপাহ মনত পুহি ৰাখিছিলো ২০২১-২২ত এই আশা কিঞ্চিত ৰূপত হ'লেও পূৰণ হ'ল। চাগে আমি সকলোৱে জানো আমাৰ মহাবিদ্যালয়খনে সেউজীয়া ভালপায় আৰু এই সেউজীয়াৰ মাজে মাজে থকা ৰঙৰ তুলিকাবোৰ যাৰ বাবে মহাবিদ্যালয়খন আকাশত আকৌ এক নতুন ৰহন সানিবলৈ মোৰ লগতে মোৰ বন্ধু-বান্ধৱী সকলোৱে মিলিজুলি মহাবিদ্যালয়ৰ হৃদয়ৰ জালুকাৰীখনক জীপাল কৰাৰ উদ্দেশ্যৰে এক সাধাৰণ প্ৰয়াস হাতত লৈছিলো।

আশা ৰাখিছিলো আমাৰ এই প্ৰয়াসকণ সকলোৱে মৰমেৰে আকোঁৱালি ল'ব, হৃদয়েৰে অনুধাৱন কৰিব অৱশেষত মোৰ এই প্ৰয়াস আৰু আমাৰ কষ্ট সফলতাৰে বাস্তৱ ৰূপ পালে। অৱশেষত মোৰ এই কামত সহায়-সহযোগিতা কৰি দিয়া প্ৰতিজন বন্ধু-বান্ধৱীক কৃতজ্ঞতাৰে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ৭ নৱেম্বৰ, ২০২২ এইবাৰ আকৌ এডোখৰ পুৰণি ঠাইত নতুনকৈ ৰং সিঁচি এটি নতুন নামেৰে নামাকৰণ কৰা হ'ল। এই ৰংবোৰ চিটিকি থাকক মহাবিদ্যালয়ৰ বুকুত। নতুনবোৰ পুৰণি হ'লেও প্ৰিয় হৈ থাকক মহাবিদ্যালয়ৰ বুকুত।

কামৰ যে সৰু বৰ নাই। নাই সৰু বৰ আওৱাই যাব খোজা প্ৰতিটো খোজত। ৰং তুলিকাৰ লগত খেলি ভালপোৱা ভাইটি কপিল আৰু শংকৰে মহাদ্যিালয়খনক এটি ধুনীয়া উপহাৰ দিছে। যাৰ বাবে মহাবিদ্যালয়খন যিমানেই আনন্দিত মৰো সিমানেই আনন্দিত। শেষত অধ্যক্ষ মহোদয় আৰু দুয়োজন ভাইটিলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১৬ ডিচেম্বৰ, ২০২২ ছাত্ৰ দিৱসৰ এই বিশেষ দিনটোত লগতে মহাবিদ্যালয়ৰ অধ্যক্ষৰ জন্মদিন উপলক্ষে ৰঙিয়া মহাবিদ্যলৈয় ছাত্ৰ সন্থা ২০২১-২২ সমাজসেৱা সম্পাদক হিচাপে মোৰ পুঁজিত ৰৈ যোৱা ধনেৰে মই ৰঙিয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহলৈ এটি ঘড়ী মহাবিদ্যালয়ৰ অধ্যক্ষৰ জৰিয়তে আগবঢ়াও।

**কৃতজ্ঞতা ঃ**

মোক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষ মহোদয় ড° ব্ৰজেন্দ্ৰ শইকীয়া ছাৰৰ লগতে মোৰ তত্বাৱধায়ক ড° গুদ্দু প্ৰসাদ বসুমতাৰী ছাৰ তথা সমূহ অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰীবৃন্দৰ সহায়-সহযোগিতা আৰু শুভকামনাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত সকলো প্ৰকাৰে সহায় কৰা ৰঙিয়া মহাবিদ্যালয়ৰ "আছু" গোটৰ সমূহ সদস্য, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সম্পাদককে ধৰি সমূহ কাৰ্যকৰ্তাৰ লগতে ৰঙিয়া মহাদ্যিালয়ৰ সমূহ কাৰ্যকৰ্তাৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা জ্ঞাত-অজ্ঞাত সমূহ শুভাকাংক্ষীলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। বিভিন্ন অনুষ্ঠান তথা মোৰ সৰু-বৰ প্ৰতিটো কামতে ছাঁৰ দৰে লাগি থকা পিণ্টু ডেকা, প্ৰণৱজ্যোতি কলিতা, মুনিফ ইকবাল, মুনিন্দ্ৰ কলিতা, নিলাক্ষী শৰ্মা, অবিনাশ ডেকা, প্ৰণৱজ্যোতি কাকতি, কপিল দাস, শংকৰ শৰ্মা, বেদান্ত ৰাজবংশীৰ লগতে মোৰ সমূহ ভাই-ভণ্টি, দাদা-বাইদেউ তথা বন্ধু-বান্ধৱীক অশেষ ধন্যবাদ কৰিলোঁ।

প্ৰতিবেদনৰ অন্তত ৰঙিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত, বিকাশ, জ্ঞান, সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, সাহিত্য বৌদ্ধিকতাক সমৃদ্ধ কৰা ৰঙিয়া মহাবিদ্যালয়ৰ অধিক সমৃদ্ধি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ অন্ত পেলালো।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু মহাবিদ্যালয় ছাত্ৰ সন্থা'



# ANNUAL REPORT OF BOYS' COMMON ROOM SECRETARY

**Bhaskar Basumatary**
Boys Common Room Secretary
RCSU, 2021-22

Firstly, I bow before the Almighty, most gracious and merciful for enabling me in the accomplishment of serving R.C.S.U 2021-22 as Boys' Common Room Secretary.

Secondly, I would like to express my heartfelt gratitude towards my respected teachers as well as my fellow friends and well wishers for their strong co-operation with me in my task as Boys' Common Room Secretary of Rangia College, Rangia.

Thirdly, as my responsibility to further bring development under the Boy's Common Room of Rangia College, Rangia. Hopefully, I completed all my task allotting four steel benches in the Boys' Common Room by the amount of fund I was allotted for the development.

Last but not the least, I would like to specially thank to our Principal Sir Dr. Brajendra Saikia for his supervision insight in carrying forward the vision, mission and legacy of our prestigious institution. Also I would like to express my heartfelt gratitude towards my incharge Sir Mr. Naukulang Naireme for his co-ordinance and for guiding me a lot.







# ছাত্ৰী জিৰণিকোঠা সম্পাদিকাৰ প্ৰতিবেদন

তৰালী বড়ো
সম্পাদিকা ছাত্ৰী জিৰণিকোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১

প্ৰতিবেদনৰ আৰম্ভণিতে ৰঙিয়া মহবিদ্যালয়ৰ সেই মহান ব্যক্তিসকলক পৱিত্ৰ অন্তৰেৰে সোঁৱৰিছোঁ। যিসকল মহান ব্যক্তিয়ে নিজ স্বাৰ্থ ত্যাগ কৰি হ'লেও অতি কষ্টৰ মাজেৰে জ্ঞান অৰ্জনৰ বাবে এই পৱিত্ৰ শিক্ষা মন্দিৰ অৰ্থাৎ ৰঙিয়া মহাবিদ্যালয়ৰ জন্ম দিছিল। ২০২১-২২ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনৰ তৰফৰ পৰা প্ৰতিনিধি হিচাপে ছাত্ৰ জিৰণীকোঠাৰ সম্পাদিকাৰ পদত বিপুল ভোটত জয়ী হওঁ। ছাত্ৰ সন্থাৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক এই পদত জয়যুক্ত কৰাত সহায় কৰিছিল মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

২৬ মাৰ্চ, ২০২২ তাৰিখে এই ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণিকোঠাৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ। কোঠাটোত চাফ্-চিকুণৰ বাবে কিছু বস্তু আনি দিলো। চেনিটেৰি পেডৰ মেচিনটো ছোৱালীসকলৰ সুবিধাৰ বাবে ঠিক কৰি দিয়াৰ ব্যৱস্থা হাতত ল'লো। কলেজত নামভৰ্ত্তিৰ বাবে অহা নতুন নতুন ভাইটি-ভণ্টিসকলক কলেজৰ বিষয়ে জনাত সহায় কৰিলোঁ। এইক্ষেত্ৰত প্ৰতিটো ক্ষণতে সহায় কৰা মোৰ দাদা-বাইদেউসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ সময়ৰে পৰা মোক বিভিন্ন ধৰণৰ উপদেশ, দিহা-পৰামৰ্শ দিয়া মোৰ তত্ত্বাৱধায়ক সন্মানীয় হিমাশ্ৰী দেৱী মেম, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ব্ৰজেন্দ্ৰ নাথ শইকীয়া ছাৰ আৰু সন্মানীয় কৰ্মচাৰীবৃন্দলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ মই নিয়াৰিকৈ পালন কৰিবলৈ চেষ্টা কৰিছোঁ। মহাবিদ্যালয়খনত মই ছাত্ৰী জিৰণীকোঠা সম্পাদিকা হিচাপে কৰণীয়সমূহ ব্যক্তিগতভাৱে নিষ্ঠা আৰু সততাৰে পালন কৰাত কোনো ত্ৰুটি কৰা নাই। অনাগত দিনবোৰতো মই মহাবিদ্যালয়ৰৰ হকে কাম কৰি যাম।

প্ৰথমে মোক এই ধৰাত পৰিচয় দিয়া, অস্তিত্ব বজাই ৰখা, জন্মদাতা তথা দাত্ৰী দেউতা-মা, ভাইটি, বাইদেউ, আৰাধ্য ঈশ্বৰৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দৰ শুভেচ্ছা আৰু আশিসৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাক চিৰদিন সোঁৱৰিম আৰু এই চেগতে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালৰ লগতে নিৰ্বাচনৰ সময়ত প্ৰত্যেকটো ক্ষণতে সহযোগিতা আগবঢ়োৱা ৰঙিয়া আঞ্চলিক এবছু গোট, ৰঙিয়া মহাবিদ্যালয় এবছু গোট, মোৰ জ্যেষ্ঠ প্ৰণৱ ব্ৰহ্ম দাদা, ফুংখা চৌৰাং বড়ো দাদা, নবেল বড়ো দাদা, প্ৰশান্ত ৰামচিয়াৰী, অৰণ বড়ো দাদা, য়ন্ত বড়ো দাদা, বিৰোদ বড়ো, সুৰজিৎ বড়ো, নিচাৰাণী বড়ো বা, প্ৰীতি ব্ৰহ্ম বা, কৰিমা বড়ো বা, চৰ্ণাদেৱী বড়ো বা আৰু মোৰ সমনীয়া পিংকী, চিমা, ছিমাৰাণী, জংমা সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

## ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'লৈ সেৰা আগবঢ়োৱা সম্পাদকসৱ (১৯৬৬-৬৭ৰ পৰা ২০২১-২০২২লৈ)

| | | |
|---|---|---|
| ১। | পৰমেশ শৰ্মা | ১৯৬৬-১৯৬৭ |
| ২। | বিভবা দত্ত | ১৯৬৭-১৯৬৮ |
| ৩। | বানেশ্বৰ শৰ্মা | ১৯৬৯-১৯৭০ |
| ৪। | ৰূপচাঁদ আলী | ১৯৭১-১৯৭২ |
| ৫। | ৰমেশ মহন্ত | ১৯৭৩-১৯৭৪ |
| ৬। | ভূপেন কাকতি | ১৯৭৪-১৯৭৫ |
| ৭। | প্ৰতুল কুমাৰ শৰ্মা | ১৯৭৫-১৯৭৬ |
| ৮। | বদন চন্দ্ৰ শৰ্মা | ১৯৭৬-১৯৭৭ |
| ৯। | বিৰেন শৰ্মা | ১৯৭৭-১৯৭৮ |
| ১০। | কন্দৰ্প কুমাৰ কলিতা | ১৯৭৮-১৯৭৯ |
| ১১। | সঞ্জীৱ কলিতা | ১৯৭৯-১৯৮১ |
| ১২। | খগেন চন্দ্ৰ ডেকা | ১৯৮২-১৯৮৩ |
| ১৩। | মনোৰঞ্জন গোস্বামী | ১৯৮৩-১৯৮৪ |
| ১৪। | সীমান্ত শালৈ | ১৯৮৪-১৯৮৫ |
| ১৫। | জ্যোতিৰ্ময় কলিতা | ১৯৮৫-১৯৮৬ |
| ১৬। | মুকুতানন্দ ভট্টাচাৰ্য্য | ১৯৮৬-১৯৮৭ |
| ১৭। | দশৰথ কলিতা | ১৯৮৭-১৯৮৮ |
| ১৮। | তপন কোঁৱৰ | ১৯৮৯-১৯৯০ |
| ১৯। | বাবুল বৈশ্য | ১৯৯১-১৯৯২ |
| ২০। | দিলীপ ডেকা | ১৯৯২-১৯৯৩ |
| ২১। | আতাউৰ ৰহমান | ১৯৯৩-১৯৯৪ |
| ২২। | হেমন্ত দাস | ১৯৯৪-১৯৯৫ |
| ২৩। | দিগন্ত শালৈ | ১৯৯৫-১৯৯৬ |
| ২৪। | দুদুল ডেকা | ১৯৯৬-১৯৯৭ |
| ২৫। | ৰিপুল চন্দ্ৰ ডেকা | ১৯৯৭-১৯৯৮ |





| | | |
|---|---|---|
| ২৬। | অঞ্জু লহকৰ | ১৯৯৮-১৯৯৯ |
| ২৭। | ৰাজীৱ মহন্ত | ১৯৯৯-২০০০ |
| ২৮। | পঙ্কজ ডেকা | ২০০০-২০০১ |
| ২৯। | প্ৰকাশ কলিতা | ২০০১-২০০২ |
| ৩০। | মমিতা বেগম | ২০০২-২০০৩ |
| ৩১। | মমিতা বেগম | ২০০৩-২০০৪ |
| ৩২। | অপ্ৰকাশিত | ২০০৪-২০০৫ |
| ৩৩। | দ্বিপেন বসুমতাৰী | ২০০৫-২০০৬ |
| ৩৪। | প্ৰাঞ্জল বসুমতাৰী | ২০০৬-২০০৭ |
| ৩৫। | সিদ্ধাৰ্থ শংকৰ নাথ | ২০০৭-২০০৮ |
| ৩৬। | ছাহাবুদ্দিন আহমেদ | ২০০৮-২০০৯ |
| ৩৭। | তউফিকুৰ ৰহমান | ২০০৯-২০১০ |
| ৩৮। | ৰূপম বড়ো | ২০১০-২০১১ |
| ৩৯। | মৃদুল কুমাৰ | ২০১১-২০১২ |
| ৪০। | নীলকমল বড়ো | ২০১২-২০১৩ |
| ৪১। | অকন বড়ো | ২০১৩-২০১৪ |
| ৪২। | মৃন্ময় কুমাৰ ডেকা | ২০১৪-২০১৫ |
| ৪৩। | সমুদ্ৰগুপ্ত কাশ্যপম | ২০১৫-২০১৬ |
| ৪৪। | হৰেশ্বৰ বড়ো | ২০১৬-২০১৭ |
| ৪৫। | দেৰহাচাৰ বড়ো | ২০১৭-২০১৮ |
| ৪৬। | থুলুংগা বড়ো | ২০১৮-২০১৯ |
| ৪৭। | বৰ্ণালী ডেকা | ২০১৯-২০২০ |
| ৪৮। | হৃষিকেশ কলিতা | ২০২০-২০২১ |
| ৪৯। | স্নেহাশীষ ভৌমিক | ২০২১-২০২২ |

□□□

বৰঙিয়া কলেজ
১৯৬৩
নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে



# সম্পাদনা সমিতি, ৰঙ্গণ ২০২১-২২



ড° ব্ৰজেন্দ্ৰ শইকীয়া
উপদেষ্টা



ড° চৈয়দ আব্দুল্লাহ আহমেদ
তত্বাৱধায়ক



স্নেহাশীষ ভৌমিক
সম্পাদক



ড° দিপালী দেৱী
সদস্যা



ড° ৰুজাৱ মুছাহাৰী
সদস্য



ধৃতিস্মিতা কলিতা
সদস্যা



হৃষিকেশ কলিতা
সদস্য



বিউটি বড়ো
সদস্যা



অনুপ কুমাৰ ডেকা
কাৰ্যালয় সদস্য




# ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থা ২০২১-২২ৰ কৰ্মাঞ্জলি


















## ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ৰ কৰ্মাঞ্জলি


















## ৰঙিয়া মহাবিদ্যালয়ৰ বিভিন্ন গোটসমূহৰ কৰ্মলানি
















# ৰঙিয়া মহাবিদ্যালয়ৰ দেৱালসমূহ শোভিত কৰা প্ৰাচীৰ পত্ৰিকা সমগ্ৰ



ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২১-২২ৰ
প্ৰাচীৰ পত্ৰিকা 'আৰাধনা'



ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰৰ
প্ৰাচীৰ পত্ৰিকা 'বাঁহী' (দ্বিতীয় সংখ্যা, ২০২১-২২)




ৰঙিয়া মহাবিদ্যালয় সংস্কৃত বিভাগৰ প্ৰাচীৰ পত্ৰিকা
'ইন্দ্ৰনীল' (ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰথমখন প্ৰাচীৰ পত্ৰিকা)





ৰঙিয়া মহাবিদ্যালয় অসমীয়া বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'অসমী'




ৰঙিয়া মহাবিদ্যালয় বি ভ'ক বিভাগৰ
প্ৰাচীৰ পত্ৰিকা




ৰঙিয়া মহাবিদ্যালয় ৰাজনীতি বিজ্ঞান বিভাগৰ
প্ৰাচীৰ পত্ৰিকা



ৰঙিয়া মহাবিদ্যালয় বড়ো বিভাগৰ
প্ৰাচীৰ পত্ৰিকা দৈমু




ৰঙিয়া মহাবিদ্যালয় ইংৰাজী বিভাগৰ
প্ৰাচীৰ পত্ৰিকা ৰেচুনেন্স